চিৰ চেনেহী মোৰ ভাষা জননী

নগ তালুকদাৰ

STATE CENTRAL LIBRARY
Call No.
ASSAM

বৰুৱা এজেন্সি
গুৱাহাটী-১

CHIRA CHENEHI MOR BHASHA JANANI—*A short biography of the Presidents of Asam Sahitya Sabha with its brief history and also its publications by Nanda Talukdar. Published by Shri Badan Ch. Barua M. Sc., LL. B., Barua Agency, Gauhati-1, December, 1976. Price Rs. 10·00.*

প্ৰকাশক
শ্ৰীবদন চন্দ্ৰ বৰুৱা
বৰুৱা এজেঞ্চি
গুৱাহাটী-১

বেটুপাত সজ্জা
শ্ৰীবদন বৰুৱা

প্ৰথম প্ৰকাশ
ডিচেম্বৰ, ১৯৭৬

মূল্য দহ টকা।

ছপাশাল
শ্ৰীসৰস্বতী প্ৰেছ
গুৱাহাটী-১

অসম সাহিত্য সভাৰ

প্ৰাক্তন প্ৰধান সম্পাদক

হৰিপ্ৰসাদ নেওগলৈ

স্মৃতিৰ চকুলোৰে

নিবেদন

'চিৰ চেনেহী মোৰ ভাষা জননী' অসম সাহিত্য সভাৰ সভাপতি সকলৰ চমু জীৱন পৰিচয়। ১৯১৭ খৃঃত অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হয়। পদ্মনাথ গোহাঞি বৰুৱা আৰু শৰৎ চন্দ্ৰ গোস্বামী ক্ৰমে সভাৰ প্ৰথম সভাপতি আৰু প্ৰথম সম্পাদক। বহু বছৰ ধৰি প্ৰথমতে একো গৰাকী বৰেণ্য সাহিত্যিকক সভাপতিৰ আসন দি সন্মানিত কৰা হৈছিল। মুকলি অধিৱেশন হৈ যোৱাৰ পিচত সভাপতি সকলে সক্ৰিয় ভাবে পিচৰ অধিৱেশনলৈ সভাপতি স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰা প্ৰথা নাছিল।

১৯৪৪ খৃঃত বাগ্মীবৰ শ্ৰীনীলমণি ফুকনৰ সভাপতিত্বত শিৱসাগৰত অনুষ্ঠিত ঊনবিংশ অধিৱেশনত নিয়মাৱলী সংশোধন কৰা হ'ল। তেতিয়াৰে পৰা বছৰেকীয়া মুকলি অধিৱেশনৰ সভাপতিয়ে পিচৰ অধিৱেশনলৈকে সভাপতি স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিবলৈ ধৰিলে। ১৯৬০ খৃঃত শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীৰ সভাপতিত্বত পলাশবাৰীত অনুষ্ঠিত অষ্টবিংশ অধিৱেশনৰপৰা সাহিত্য সভাৰ সভাপতি আৰু কাৰ্য্য নিৰ্বাহকৰ কাল দুবছৰীয়া কৰা হৈছিল। ১৯৬৫ খৃঃত ডিম্বেশ্বৰ নেওগৰ সভাপতিত্বত নলবাৰীত অনুষ্ঠিত দ্বাত্ৰিংশ অধিৱেশনৰপৰা পুনৰ কাৰ্য্যকাল এবছৰীয়া কৰা হয়।

আমাৰ এই সৰু পুথিখনিত সাহিত্য সভাৰ সভাপতিসকলৰ লগতে সাহিত্য সভাখনৰো চমু বিৱৰণ দাঙি ধৰা হৈছে; আমাৰ কিতাপত সাহিত্য সভাৰ সভাপতিসকলৰ বিস্তৃত জীৱনী আৰু সাহিত্য সভাৰো বহল বুৰঞ্জী ৰচনা কৰিবলৈ বিচৰা নাই। সেই কামৰ বাবে যথেষ্ট সময় আৰু অধ্যয়নৰ প্ৰয়োজন হ'ব।

সাহিত্য সভাৰ বিষয়ে লিখা কোনো বিৱৰণ আমাৰ মনে সজা নহয়। সাহিত্য সভাৰ বুৰঞ্জী, সাহিত্য সভাৰ পত্ৰিকা, সাহিত্য সভাৰ কাৰ্য্য বিৱৰণী, যোৱা কেই বছৰ মানৰ পৰা ওলোৱা বাৰ্ষিকী, ভাষণাৱলী আৰু শতবাৰ্ষিকী স্মৃতি গ্ৰন্থ সমূহৰ পৰা সমল সংগ্ৰহ কৰা হৈছে। কেবাখনো জীৱনী আৰু আত্ম-জীৱনীৰ পৰাও সহায় লোৱা হৈছে।

এই ক্ষুদ্র কিতাপ খনিৰ জৰিয়তে সাহিত্য সভাৰ বৰেণ্য সভাপতিসকলৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ অলপ আভাসো উঠি অহা ডেকা গাভৰু সকলৰ চকুৰ আগত দাঙি ধৰিব পাৰোঁ, তেতিয়া হলে আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিব পাৰিম।

সাহিত্য সভাৰ সভাপতিসকলৰ লগতে প্ৰথম প্ৰধান সম্পাদক আৰু আদিতে সাহিত্য সভাৰ গুৰি ধৰোঁতা শৰৎচন্দ্ৰ গোস্বামীৰ জীৱন পৰিচয় দাঙি ধৰিছোঁ। পুথিখনি উছৰ্গা কৰিছো সুদীৰ্ঘ কাল ধৰি সহকাৰী সম্পাদক, প্ৰধান সম্পাদক স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰা স্বৰ্গীয় হৰি প্ৰসাদ নেওগৰ স্মৃতিত। মনে প্ৰাণে সাহিত্য সভাৰ বাবে স্বৰ্গীয় নেওগে যিখিনি কৰি গল সেই কথা সৰ্বজন বিদিত। অকালতে মৃত্যু বৰণ কৰা এই গৰাকী প্ৰাক্তন প্ৰধান সম্পাদকৰ জীৱন পৰিচয়ো পৰিশিষ্টত সন্নিবিষ্ট কৰা হৈছে।

ষ্টুডেন্ট ফৰামৰ স্বত্বাধিকাৰী কলেজীয়া সহপাঠী শ্ৰীকামেশ্বৰ কলিতাৰ পৰামৰ্শ মতে এই কিতাপখন ৰচনা কৰা হৈছে। সেইবাবে বন্ধুবৰ কলিতালৈ শলাগ জনাইছো। অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, বিষ্ণুকিঙ্কৰ কলিতা, যোগেশ দাস, ডক্টৰ হেমন্ত কুমাৰ শৰ্মা, অতুল চন্দ্ৰ বৰুৱা, ভগগিৰী ৰায় চৌধুৰী আৰু উপেন দত্তই আমাক কিতাপ খন ৰচনাত আৰু প্ৰকাশনত নানান ধৰণে সহায় সহযোগ আগবঢ়াইছে। সকলোটিৰে ওচৰত আমি চিৰ কৃতজ্ঞ।

কিতাপখনত বৈ যোৱা ভুল-ভ্ৰান্তি আঙুলিয়াই দেখুৱালে আমি কৃতাৰ্থ হম।

বৰুৱা এজেন্সিৰ শ্ৰীবদন চন্দ্ৰ বৰুৱাই আগ্ৰহেৰে কিতাপখনৰ প্ৰকাশৰ দায়িত্ব লোৱাৰ বাবে আমাৰ আন্তৰিক শলাগ জনাইছোঁ।

নন্দ তালুকদাৰ

সূচীপত্র

পদ্মনাথ গোহাঞি বৰুৱা ...	১	চন্দ্ৰধৰ বৰুৱা ...	৪
কালিৰাম মেধি ...	৭	হেমচন্দ্ৰ গোস্বামী ...	৯
অমৃত ভূষণ দেৱ অধিকাৰী ...	১২	কনক লাল বৰুৱা ...	১৪
লক্ষ্মীনাথ বেজবৰুৱা ...	১৭	ৰজনীকান্ত বৰদলৈ ...	২১
বেণুধৰ ৰাজখোৱা ...	২৩	তৰুণ ৰাম ফুকন ...	২৫
কমলাকান্ত ভট্টাচাৰ্য্য ...	২৮	মফিজুদ্দিন আহম্মদ হাজৰিকা	৩০
নগেন্দ্ৰ নাৰায়ণ চৌধুৰী ...	৩৩	জ্ঞানদাভিৰাম বৰুৱা ...	৩৫
আনন্দ চন্দ্ৰ আগৰৱালা ...	৩৮	ৰঘুনাথ চৌধুৰী ...	৪১
কৃষ্ণকান্ত সন্দিকৈ ...	৪৪	ডক্টৰ মফিজুল ইচলাম বৰা	৪৮
নীলমণি ফুকন ...	৫০	অম্বিকাগিৰী ৰায়চৌধুৰী	৫৩
ডক্টৰ সূৰ্য্য কুমাৰ ভূঞা ...	৫৭	নলিনী বালা দেবী ...	৬১
যতীন্দ্ৰ নাথ দুৱৰা ...	৬৪	বেণুধৰ শৰ্মা ...	৬৭
পদ্মধৰ চলিহা ...	৭১	অতুল চন্দ্ৰ হাজৰিকা ...	৭৪
ত্ৰৈলোক্যনাথ গোস্বামী ...	৭৭	ৰত্নকান্ত বৰকাকতী ...	৮০
মিত্ৰদেৱ মহন্ত ...	৮৪	ডিম্বেশ্বৰ নেওগ ...	৮৭
বিনন্দ চন্দ্ৰ বৰুৱা ...	৯১	নকুল চন্দ্ৰ ভূঞা ...	৯৩
জ্ঞাননাথ বৰা ...	৯৬	আনন্দ চন্দ্ৰ বৰুৱা ...	৯৯
উপেন্দ্ৰ চন্দ্ৰ লেখাৰু ...	১০৩	তীৰ্থনাথ শৰ্মা ...	১০৫
হেম বৰুৱা ...	১০৮	গিৰিধৰ শৰ্মা ...	১১২
ডক্টৰ মহেশ্বৰ নেওগ ...	১১৫	ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা ...	১১৯
যজ্ঞেশ্বৰ শৰ্ম্মা ...	১২২	চৈয়দ আবদুল মালিক ...	১২৪

পৰিশিষ্ট

অসম সাহিত্য সভা ...	১৩০	শৰৎ চন্দ্ৰ গোস্বামী ...	১৪৮
হৰি প্ৰসাদ নেওগ ...	১৫২	অসম সাহিত্য সভাৰ প্ৰকাশন সমূহ ...	১৫৫
অসম সাহিত্য সভা পত্ৰিকা ...	১৬৪	অ' মোৰ আপোনাৰ দেশ	
গ্ৰন্থপঞ্জী ...	১৬৬		

চিৰ চেনেহী মোৰ ভাষা জননী।
আই ধন্যে পুণ্যে হৃৎ পাৱনী॥
প্ৰকৃতি পৰশে ৰসে অমল কমল
চঞ্চল হৃদি জলে ধালে পৰিমল
কোমল চম্পাৰ কলি
ঢৌৱে ঢৌৱে ঢৌৱে তুলি
ৰিণিকি ৰিণিকি কোনে তোলে ৰাগিণী॥

সংসাৰ গুৰু ভাৰে অৱশ পৰাণ
হিয়াত বিলীন হয় হিয়া ভৰা গান
কাৰ নিচুকনি শুনা
শুনি বাণী ব্যথা পমা
চকুতে চকুৰ নীৰ লয় জিৰণি॥

জীৱনে মৰণে লহৰী সুধাৰ
ৰসনা শিতানে বহি সিচাঁ শত ধাৰ
হে মোৰ মধুৰাননা
মাগিছো মাধুৰী কণা
দিয়াঁ দিয়াঁ দিয়াঁ আই মধু ভাষিণী।

শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত

পদ্মনাথ গোহাঞি বৰুৱা

“এওঁৰেই নে নগা পৰ্বতীয়া ছাত্ৰ? চাহাবানি সাজ পাৰলৈ চাই লৰাটি অসমৰ জুহালতে পৈনত হৈ অহা যেন লাগে; কলিকতীয়া কমাৰ শালৰ সজুলি সদ্যহতে নিকিনিলেও গৈ চলিব।”

এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ ছাত্ৰ এজন কলিকতাৰ কলেজত পঢ়িবলৈ যাত্ৰা কৰি ওলাই আহিছিল। দিচাং মুখত জাহাজ ধৰিবলৈ হাতীৰ পিঠিত উঠি আহোতে বাটত মৌ চেপা বৰষুণে পালে। শিৱসাগৰৰ ঢাকায়া দৰ্জিয়ে চিলাই দিয়া ভিতা কোট-পেন্ট যোৰ শুকাবলৈ দাৱত মেলি দিছিল। ভিতা কোট-পেন্ট যোৰকে লক্ষ্য কৰি কথাষাৰ কৈছিল হৰি বিলাস আগৰৱালাই। কোট-পেন্ট পিন্ধা নগা পৰ্বতীয়া ছাত্ৰ জনেই আছিল পদ্মনাথ গোহাঞি বৰুৱা।

তেতিয়া অসমৰ প্ৰধান চহৰ সমূহত ৫।৬ খন হাইস্কুল। তথাপি পদ্মনাথ প্ৰমুখ্যে তিনিজন ছাত্ৰ নগা পৰ্বতৰ কহিমা হাইস্কুল পাইছিল গৈ। ছাত্ৰ তিনিজনে হাতী, ঘোঁৰাৰ পিঠিত উঠি, খোজ কাঢ়ি, দুৰ্গম পথ অতিক্ৰম কৰি গৈ কহিমা চহৰ ওলাইছিল। পদ্মনাথ প্ৰমুখ্যে ছাত্ৰ কেইজন কহিমালৈ যোৱাৰ প্ৰধান আকৰ্ষণ আছিল কৃতী শিক্ষক চন্দ্ৰমোহন গোস্বামী।

পদ্মনাথ গোহাঞি বৰুৱা ১৮৯০ খৃঃত কহিমা হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পাছ কৰা প্ৰথম ছাত্ৰ। পিচত কলিকতাত ‘ৰিপন কলেজ, চেণ্ট জেভিয়াৰ্চ কলেজ, জেনেৰেল এছেম্ব্লি ইনষ্টিটিউচনত এফ এ আৰু আইন পঢ়ি কোনো পৰীক্ষা পাচ নকৰাকৈয়ে এদিন তেওঁ ‘সুদ’ হাতে উভতিব’ লগা হল।

গোহাঞি বৰুৱাই কলেজৰ প্ৰথম বাৰ্ষিকত পঢ়িয়ে ৰচনা কৰিলে প্ৰথম অসমীয়া উপন্যাস ‘ভানুমতী’ (১৮৯০ খৃঃ)। ভানুমতী প্ৰথম বছৰ ‘বিজুলীত’ ছোৱা ছোৱাকৈ প্ৰকাশ হৈছিল। তেওঁৰ দ্বিতীয় উপন্যাস ‘লাহৰী’ পিচৰ বছৰ পূজাৰ বন্ধত ২১ দিনৰ ভিতৰত ৰচনা কৰিছিল। ‘লাহৰী’ পুথিৰ আকাৰত ওলোৱা প্ৰথম অসমীয়া উপন্যাস (১৮৯২ খৃঃ)।

‘অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা’ আৰু ‘জোনাকী’ আলোচনী আছিল কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰৰ বাই আকৰ্ষণ। কিবা কাৰণত

'জোনাকী'ৰ কৰ্ণধাৰ সকলৰ লগত কেইজনমান অসমীয়া ছাত্ৰৰ মনোমালিন্য ঘটিল। এই সকল ছাত্ৰই নৈকে 'অসম লিটাৰেৰী ক্লাব' গঠন কৰি 'বিজুলী' নামৰ আন এখন আলোচনী প্ৰকাশ কৰিলে। কৃষ্ণ প্ৰসাদ দুৱৰা আৰু নীলকণ্ঠ বৰুৱা 'বিজুলী'ৰ প্ৰথম সম্পাদক।

গোহাঞি বৰুৱা এই বিজুলী গোষ্ঠীৰ লগ লাগিল। পিচত দ্বিতীয় আৰু তৃতীয় বছৰ 'বিজুলী' সম্পাদনা আৰু চলোৱাৰ ভাৰ পৰিল তেওঁৰ ওপৰতে। 'বিজুলী'তে প্ৰকাশ হয় তেওঁৰ ভালে মান কবিতা আৰু প্ৰবন্ধ।

উত্তৰ লক্ষীমপুৰৰ নকাৰী মৌজাৰ নকাৰী গাওঁত ১৭৯৩ শকৰ ৯ আঘোণ, ১৮৭১ খৃঃৰ ২৪ নবেম্বৰত পদ্মনাথৰ জন্ম। তেওঁৰ পিতৃ ঘিনাৰাম গোহাঞি বৰুৱা আৰু মাতৃ লক্ষীদেৱী। একে মাহ আৰু একে বছৰতে ওচৰা ওচৰিকৈ পানীন্দ্ৰনাথ গগৈৰো জন্ম হয়। পদ্মনাথ আৰু পানীন্দ্ৰনাথৰ সাহিত্য সাধনাৰ পাতনি নিচেই সৰু কালৰে পৰা। ছাত্ৰাৱস্থাতে দুয়ো বন্ধুৱে ৰচনা কৰিছিল 'পদ্মপাণি' নামেৰে এখনি সৰু কবিতা পুথি।

শিক্ষা শেষ কৰি ১৮৯৩ খৃঃৰ পৰা গোহাঞি বৰুৱাই কহিমা ইংৰাজী স্কুলৰ প্ৰধান শিক্ষক স্বৰূপে কৰ্মময় জীৱনৰ পাতনি মেলে। 'তেজপুৰ নৰ্মাল স্কুল, তেজপুৰ চৰকাৰী হাইস্কুল', 'যোৰহাট চৰকাৰী হাইস্কুল' তেওঁৰ আন আন কৰ্মক্ষেত্ৰ। কহিমাত থকা কালছোৱাতে স্থাপন কৰিছিল 'কহিমা সাহিত্য সভা'। তেজপুৰত অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ সম্পাদক, তেজপুৰ পৌৰ সভাৰ সভাপতি স্বৰূপেও তেওঁ কাৰ্য্য নিৰ্বাহ কৰিছিল। সেই সময়তে তেওঁ অসম কাউন্সিলৰ সদস্যও আছিল (১৯১৩)।

১৯০০ খৃঃত তেজপুৰৰ পৰাই প্ৰকাশ হৈছিল 'আসাম বন্তি'। প্ৰথমতে আঁৰে আঁৰে থাকি সম্পাদনাৰ কাৰ্য্যত লাগি ভাগি দিছিল যদিও পিচত 'আসাম বন্তি'ৰ সম্পূৰ্ণ সম্পাদনা আৰু পৰিচালনাৰ ভাৰ পৰিছিল গোহাঞি বৰুৱাৰ ওপৰত। গোহাঞি বৰুৱা সম্পাদিত তৃতীয় খন আলোচনী 'উষা' (১৯০৬ খৃঃ)। মাহেকীয়া আলোচনী উষা মাত্ৰ পাঁচ বছৰ কাল জীয়াই আছিল যদিও ৰোমাণ্টিক যুগৰ ভালেমান ন-লিখাৰু সৃষ্টিত উষা আলোচনীৰ কৃতিত্ব সৰ্বাধিক।

স্কুলীয়া ছাত্ৰাৱস্থাতে পূজাৰ বন্ধত কামাখ্যালৈ আহোতে বঙালী যাত্ৰাভিনয় 'অভিমন্যু বধ' নাটকৰ অভিনয় চোৱাৰ সুযোগ পাইছিল। উভতি যাওঁতে নাটক এখন কিনি লৈ গৈ শিৱসাগৰত মঞ্চ সাজি অভিনয়

কৰিছিল। গোহাঞি বৰুৱাই বঙলা নাটক অভিনয় কৰি ছাত্ৰাৱস্থাতে অনুভব কৰিব পাৰিছিল মঞ্চোপযোগী অসমীয়া নাটকৰ অভাৱৰ কথা। প্ৰকৃততে এয়েই তেওঁৰ “নাটক ৰচনাৰ ফালে ধাউতিৰ আঁতি গুৰি।”

পিচত তেজপুৰৰ বাণ ৰঙ্গমঞ্চৰ তেওঁ আছিল এগৰাকী অন্যতম পৃষ্ঠপোষক। ‘জয়মতী’ (১৯০০ খৃঃ), ‘গদাধৰ’ (১৯০৭ খৃঃ) ‘সাধনী’ (১৯১১ খৃঃ), আৰু ‘লাচিত বৰফুকন’ (১৯১৫ খৃঃ) গোহাঞি বৰুৱাৰ বুৰঞ্জীমূলক নাটক। ‘বাণ ৰজা’ (১৯৩২), পৌৰাণিক নাটক আৰু ‘গাওঁ বুঢ়া’ (১৮৯৭ খৃঃ), ‘টেটোন তামুলী’ (১৯০৯ খৃঃ) আৰু ‘ভূত নে ভ্ৰম’ (১৯১৫ খৃঃ) তিনিখন প্ৰহসন।

‘জুৰণি’ (১৯০১ খৃঃ) আৰু ‘ফুলৰ চানেকি’ (১৯৪১ খৃঃ) তেওঁৰ দুখন কবিতাৰ সংকলন। ‘জুৰণিৰ ১০৮টা কবিতাৰ ভিতৰত ৩৫টা চনেট। গোহাঞি বৰুৱাই শেষ বয়সত ‘আদ্য লীলা’, ‘মধ্য লীলা’, আৰু ‘অন্তলীলা’ তিনিখণ্ডত ‘শ্ৰীকৃষ্ণ গ্ৰন্থ’ ৰচনা কৰিছিল। ‘গীতা সাৰ’ তেওঁৰ আন এখন পুথি। ‘ভূগোল দৰ্পন’, ‘নীতিশিক্ষা’, শিক্ষাবিধি’, ‘অসম বুৰঞ্জী’, ‘বুৰঞ্জীবোধ,, ‘দেশী কহবৎ’ আৰু ‘সাহিত্য সংগ্ৰহ’ গোহাঞি বৰুৱা ৰচিত পঢ়াশালীয়া পুথি।

লীলাৱতী গোহাঞি বৰুৱাৰ প্ৰথমা পত্নী। নিচেই কম বয়সতে লীলাৱতীৰ মৃত্যু হয়। প্ৰথমা পত্নীৰ কৰুণ মৃত্যু সুঁৱৰিয়ে কৰিয়ে ৰচনা কৰিছে ‘লীলা কাব্য’। গৰুৰ গাড়ীৰে নববিবাহিতা পত্নী লীলাৱতীক গোলাঘাটৰ পৰা কহিমালৈ লৈ যোৱা কহিমা যাত্ৰাৰ বিৱৰণ কাব্য খনিত ভয়াবহ অথচ মনোৰম ৰূপত প্ৰকাশ কৰিছে। হীৰাৱতী তেওঁৰ দ্বিতীয়া পত্নী।

সাহিত্য সভাৰ উপৰিও ছাত্ৰ সন্মিলন (ডিব্ৰুগড়, ১৯১৮) অসম এচোচিয়েচন (বৰপেটা, ১৯১৯), আদিৰ সভাপতিৰ দায়িত্ব বহন কৰি ৰাজহুৱা জীৱনৰ লগতো গোহাঞি বৰুৱা জড়িত আছিল।

১৯১৭ খৃঃত অসম সাহিত্য সভাৰ জন্ম। পদ্মনাথ গোহাঞি বৰুৱা সাহিত্য সভাৰ প্ৰথম অধিবেশনৰ সভাপতি। ২৬ আৰু ২৭ ডিচেম্বৰত শিৱসাগৰত সাহিত্য সভাৰ প্ৰথম অধিবেশন অনুষ্ঠিত হয়। সাহিত্য সভাৰ প্ৰথম অধিবেশনতে শৰৎ চন্দ্ৰ গোস্বামী প্ৰধান সম্পাদক আৰু দেবেশ্বৰ শৰ্মা সহকাৰী সম্পাদক নিৰ্বাচিত হয়। ভ্ৰমৰঙ্গ নাটকৰ অন্যতম নাট্যকাৰ গুণানন্দ বৰুৱা আৰু লক্ষ্মীকান্ত বৰুৱা ক্ৰমে অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু সম্পাদক।

দ্বিতীয় বছৰ (১৯১৮ খৃঃ) গোহাঞি বৰুৱা সাহিত্য সভাৰ সম্পাদক। তেতিয়াৰ দিনত এবাৰ সভাপতি হৈও পিচত সম্পাদকৰ দায়িত্ব লবলৈ

দ্বিধাবোধ নকৰিছিল। সাহিত্য সভাৰ চতুৰ্দ্দশ অধিবেশনত (উত্তৰ লক্ষীমপুৰ, ১৯৩৩) গোহাঞি বৰুৱাক সম্বৰ্দ্ধনা জনোৱা হয়। ১৯০৬ খৃঃত গোহাঞি বৰুৱাই প্ৰথমতে ইংৰাজ চৰকাৰৰ পৰা এটা ২৫ টকীয়া সাহিত্যিক পেন্সন লাভ কৰিছিল।

নিষ্ঠা আৰু ঐকান্তিকতাৰে ভাষা জননীৰ সেৱা কৰিযোৱা গোহাঞি বৰুৱাৰ ১৯৪৬ খৃঃৰ ২১ এপ্ৰিলত তেজপুৰৰ 'পদ্ম কুটিৰ'ত তিনি কুৰি পোন্ধৰ বছৰ বয়সত জীৱন বন্তি নিৰ্বাপিত হয়। ●

চন্দ্ৰধৰ বৰুৱা

"বামুণ বোৰেই ভাৰত বৰ্ষৰ
য'ত আপদৰ মূল ;
বামুণেই দেশ নিগমে মাৰিলে
নাই তাত কোনো ভুল।
বামুণেই দেশ খালে
বামুণ নেৰিবা পালে।"

সমাজৰ অনাচাৰ, অন্ধ আভিজাত্য, অৰ্দ্ধশিক্ষিতৰ ফোপজহী মনোভাবৰ প্ৰতি এনেদৰে তীব্ৰ ব্যঙ্গোক্তি প্ৰকাশ কৰিছিল জোনাকী যুগৰ কবি চন্দ্ৰধৰ বৰুৱাই। চন্দ্ৰধৰ বৰুৱা নিজেও জাতত ব্ৰাহ্মণ। তেওঁৰ পিতৃ দুৰ্গাধৰ বৰুৱা নেঘেৰিটিং দ'লৰ বৰঠাকুৰ বংশৰ। মাতৃ প্ৰেমাৱতী দেৱী।

'ৰঞ্জন' তেওঁৰ একমাত্ৰ কবিতাৰ সংকলন। ব্যঙ্গ কবি হিচাপে বৰুৱা ডাঙৰীয়াৰ স্থান লক্ষীনাথ বেজবৰুৱাৰ পিচতে। অকল ব্যঙ্গৰ শানিত অস্ত্ৰৰে ঘাইল কৰিয়ে কবি বৰুৱা ক্ষান্ত থাকিব পৰা নাছিল। মধ্যবিত্ত সমাজৰ সমস্যাৰ কথা চালি জাৰি চোৱাটো তেওঁৰ অন্যতম উদ্দেশ্য।

'সাহিত্য ৰত্ন' চন্দ্ৰধৰ বৰুৱাক কামৰূপ সঞ্জীৱনী সভাই দিয়া উপাধি বা ভূষণ (১৯২৯)। চন্দ্ৰধৰ বৰুৱা অকল সাহিত্য ৰত্নই নহয়; তেওঁ আছিল সাহিত্য সভাৰ এজন আশাশুধীয়া কৰ্মী। সাহিত্য সভাৰ লগত তেওঁ আদিৰে

পৰা জড়িত। প্ৰথম বছৰ যিসকল প্ৰথিত যশা সাহিত্যিকৰ উপস্থিতিত সাহিত্য সভা গঠন কৰা হৈছিল চন্দ্ৰধৰ বৰুৱা সেইসকলৰ ভিতৰৰে এজন।

গোৱালপাৰাত অনুষ্ঠিত সাহিত্য সভাৰ দ্বিতীয় অধিবেশনৰ (১৯১৮ খৃঃ ২৭ ডিচেম্বৰ) চন্দ্ৰধৰ বৰুৱা সভাপতি। অভ্যৰ্থনা সমিতিৰ সভাপতি জমিদাৰ যতীন্দ্ৰ নাৰায়ণ চৌধুৰী। পদ্মনাথ গোহাঞি বৰুৱা দ্বিতীয় অধিবেশনত প্ৰধান সম্পাদক নিৰ্বাচিত হয়। দ্বিতীয় অধিবেশনত যোগদান কৰা প্ৰতিনিধিৰ সংখ্যা একশ জন। তেতিয়া সাহিত্য সভাৰ স্বীকৃত সভা ১১ খন আৰু শাখা সভাৰ সংখ্যা দহ খন। গোৱালপাৰা অধিবেশনতে সাহিত্য সভাৰ পুঁজি টনকিয়াল কৰিবলৈ দান বিচৰা হয়। সভাস্থলীতে ২২৪২ টকাৰ প্ৰতিশ্ৰুতি লাভ কৰে। তাৰে ভিতৰত ৬৪৭ টকা তেতিয়াই সংগ্ৰহ কৰা হয়।

নগাওঁত অনুষ্ঠিত সাহিত্য সভাৰ অষ্টম অধিবেশনৰ চন্দ্ৰধৰ বৰুৱা সঙ্গীত শাখাৰ সভাপতি। নগাওঁ অধিবেশনতে সাহিত্য সভাৰ পত্ৰিকা এখন প্ৰকাশ কৰিবলৈ স্থিৰ কৰি চন্দ্ৰধৰ বৰুৱাক সম্পাদক নিৰ্বাচিত কৰা হয়। বৰুৱাৰ সম্পাদনাতে অসম সাহিত্য সভা পত্ৰিকাৰ প্ৰথম সংখ্যা (আহিন-আঘোণ ১৯২৬ খৃঃ) প্ৰকাশ হয়। মঙ্গলদৈত অনুষ্ঠিত সাহিত্য সভাৰ পঞ্চদশ অধিবেশনতো পুনৰ চন্দ্ৰধৰ বৰুৱাক প্ৰধান সম্পাদক নিৰ্বাচিত কৰা হৈছিল।

১৮৭৪ খৃঃৰ ১৫ অক্টোবৰত যোৰহাট চহৰতে চন্দ্ৰধৰ বৰুৱাৰ জন্ম। যোৰহাট চহৰতে তেওঁৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ। যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ১৮৯২ খৃঃত তেওঁ এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াৰ পিচত উচ্চশিক্ষাৰ বাবে কলিকতালৈ যায়গৈ। কলিকতাত পোনতে মেট্ৰোপলিটান কলেজত এফ এ আৰু চেণ্ট জেভিয়াৰ্চ কলেজত বি, এ পঢ়িছিল। ঘৰুৱা বিপৰ্য্যয়ত পৰি বি, এ পৰীক্ষা নিদিয়াকৈ ঘৰলৈ উভতিব লগা হয়। ঘৰৰ পৰাই ১৯০০ খৃঃত আইন পৰীক্ষাত উত্তীৰ্ণ হয়।

বৰুৱা ডাঙৰীয়াই কোনো ধৰণৰ চৰকাৰী চাকৰিলৈ মন নেমেলি যোৰহাটতে স্বাধীন ভাবে আইন ব্যৱসায় কৰিছিল। সেই সময়ত যি কেইগৰাকী উচ্চশিক্ষিত ব্যক্তিয়ে চাহখেতিত লাগিছিল চন্দ্ৰধৰ বৰুৱা সেই সকলৰে এজন।

চন্দ্ৰধৰ বৰুৱা অকল চাহ খেতি বা আইন ব্যৱসায়তে সীমাবদ্ধ নাছিল। তেতিয়াৰ ৰাজনৈতিক অনুষ্ঠান অসম এচোচিয়েচনৰ তেওঁ আছিল এগৰাকী সক্ৰিয় সদস্য। যোৰহাট পৌৰসভাৰ উপপৌৰপতি (১৯১৬), অসম ব্যৱস্থাপক

সভাৰ সদস্য (১৯১৮), কাউন্সিল অব ষ্টেটচৰ সদস্য (১৯২২) স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল। লণ্ডনত প্ৰথম (১৯৩০) আৰু দ্বিতীয় (১৯৩১) ঘূৰণীয়া মেজ মেলত যোগদান তেওঁৰ ৰাজনৈতিক কাৰ্য্যকলাপৰ সুন্দৰ নিদৰ্শন।

কলিকতা কলেজত পঢ়াকাল ছোৱাত বৰুৱা ডাঙৰীয়া আছিল অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ এগৰাকী সক্ৰিয় সদস্য। উন্নতি সাধিনী সভাৰ সপ্তম বছৰৰ সম্পাদক ৰমাকান্ত বৰকাকতী আৰু কনকলাল বৰুৱা। আৰু সহকাৰী সম্পাদক চন্দ্ৰধৰ বৰুৱা। জোনাকী কাকতৰ লগতো বৰুৱা ডাঙৰীয়া জড়িত। সম্ভৱত জোনাকীত প্ৰকাশিত "বায়ুৰ ভৰে"ই তেওঁৰ প্ৰথম ৰচনা। জোনাকীত তেওঁৰ কবিতাও প্ৰকাশ হৈছিল। 'সাহিত্য আৰু সভ্যতাৰ সম্বন্ধ' 'উন্নতি' সাধিনী সভাৰ আলোচনাত পাঠ কৰা তেওঁৰ উল্লেখযোগ্য ৰচনা।

'মেঘনাদ বধ' (১৯০৪), 'ভাগ্যপৰীক্ষা' (১৯১৫), 'তিলোত্তমা সম্ভৱ' (১৯২৬) আৰু 'ৰাজৰ্ষি' (১৯৩৭) বৰুৱা ডাঙৰীয়াৰ প্ৰকাশিত চাৰিখন নাট। 'ভাগ্য পৰীক্ষা'ৰ বাহিৰে বাকী তিনিখন নাট পৌৰাণিক। 'ভাগ্য পৰীক্ষা' আৰবা উপন্যাসৰ কাহিনীৰ ওপৰত ভেটি কৰি ৰচনা কৰা ব্যঙ্গাত্মক নাট। অমিত্ৰাক্ষৰ ছন্দৰ ব্যৱহাৰে তেওঁৰ নাট কেইখন সুখ পাঠ্য কৰিছে। 'বিয়া বিলৈ', 'আহোম সন্ধ্যা', 'মোগল বিজয়', 'ৰাজৰ্ষি', 'পুনৰ্জন্ম' তেওঁৰ আন আন নাট।

'ৰঞ্জন' (১৯২৭) এক মাত্ৰ কবিতাৰ সংকলন। 'কামৰূপ জীয়ৰী' আৰু 'বিদ্যুৎ বিকাশ' দুখন কাব্য।

তেওঁৰ বিলাত ভ্ৰমণৰ কথা 'বিলাতৰ কথা' শিৰোনামাৰে 'আমাৰ দেশ'ত প্ৰকাশ হৈছিল। 'শান্তি' তেওঁৰ একমাত্ৰ উপন্যাস (১৯৪৩)। 'নতুন পাঠ', 'উজু সাহিত্য', 'জিৰণিৰ চিন্তা', 'মুক্তাৱলী' আদি তেওঁৰ আন আন পুথি।

'ৰত্নকোষ' প্ৰথম আৰু দ্বিতীয় খণ্ড বৰুৱা ডাঙৰীয়াৰ উল্লেখযোগ্য পুথি। 'ৰত্নকোষৰ প্ৰথম খণ্ড 'খণ্ড বাক্য' আৰু দ্বিতীয় খণ্ড 'ফকৰা আৰু যোজনা'ৰ সংকলন। তেওঁৰ ভালেমান গীত আৰু চুটি গল্পও প্ৰকাশ হৈছিল। সকলোবোৰ ৰচনাই 'চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী'ত (১৯৭৫) প্ৰকাশ হৈছে।

সংস্কৃত সঞ্জীৱনী সভাৰো চন্দ্ৰধৰ বৰুৱা আছিল সভাপতি।

চন্দ্ৰধৰ বৰুৱাৰ পত্নী স্বৰ্ণশশী বি, এ জগন্নাথ বৰুৱাৰ একমাত্ৰ কন্যা। ১৯৬১ খৃঃৰ ২৬ অক্টোবৰত চাবি কুৰি পাচ বছৰ বয়সত যোৰহাটৰ নিজ ঘৰতে চন্দ্ৰধৰ বৰুৱাৰ মৃত্যু হয়। ●

কালিৰাম মেধি

"ইৰাজী Good morning ক সুপ্ৰভাত নকৰি 'নমস্কাৰ' কৰিলেহে আমাৰ ভাষাত শুৱলা হব। বহুত উদাহৰণৰ আৱশ্যক নাই। কিন্তু এটা কথা কণ্ঠ ভুৰবাক দাবেৰা, বকৰাক বৰোৰা, সন্দিকৈক হেন্দিক কৰি আমাৰ কথাকে ইংৰাজীৰ সাজ পিন্ধোৱাটো বৰ দুখৰ কথা।"

এই কথাষাৰী সাম্প্ৰতিক কালৰ কোনো ভাষাবিদৰ কথা নহয়; ১৯১৯ খৃঃ ইংৰাজ আমোলৰ এগৰাকী উচ্চ পদস্থ চৰকাৰী চাকৰীয়ালে সাহিত্য সভাৰ সভাপতিৰ ছপা অভিভাষণত কৰা তাৎপৰ্য্যপূৰ্ণ মন্তব্য।

এই তাৎপৰ্য্যপূৰ্ণ মন্তব্য কৰিছিল কালিৰাম মেধিয়ে অসম সাহিত্য সভাৰ বৰপেটা অধিবেশনৰ (তৃতীয়, ১৯১৯ খৃঃ) সভাপতিৰ আসনৰ পৰা। তেতিয়া তেওঁ উচ্চ পদস্থ চৰকাৰী বিষয়া। ২৬ ডিচেম্বৰৰ পৰা বৰপেটাৰ মৰানদীৰ পাৰত এই অধিবেশন অনুষ্ঠিত হয়। অভ্যৰ্থনা সভাৰ সভাপতি ৰাম প্ৰসাদ দাস বি এল। কথা সাহিত্যিক সত্যনাথ বৰা সেই বছৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

১৮৭৮ খৃঃত উত্তৰ কামৰূপৰ ৰামদিয়া গাওঁত কালিৰাম মেধিৰ জন্ম। তেওঁৰ পিতৃ ভুকলি মেধি আৰু মাতৃ সোণতৰা। তেওঁলোকৰ পূৰ্ব পুৰুষ কামৰূপ জিলাৰ সৰভোগ অঞ্চলৰ। পিচত ৰামদিয়া গাওঁত নিগাজীকৈ বসতি কৰিছিল। মেধিৰ পৰিয়াল ৰামদিয়া সত্ৰৰ এজন শুৰি ধৰোঁতা। লৰা-কালত কালিৰাম মেধি সত্ৰৰ শেহৰাম আতৈৰ বিশেষ সংস্পৰ্শলৈ আহিছিল। ধৰ্মভীৰু আতৈৰ সৰল নৈষ্ঠিক জীৱনে মেধিৰ ওপৰত সৰুৰে পৰা গভীৰ সাঁচ বহুৱাইছিল।

সৰুৰে পৰা মেধি আছিল এগৰাকী মেধাবী ছাত্ৰ। গুৱাহাটী কলেজিয়েট হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাত কলেজীয়া শিক্ষা লাভ কৰিছিল। সংস্কৃত আৰু অঙ্ক শাস্ত্ৰ বিষয় হিচাপে লৈ ১৯০১ খৃঃত বি এ ডিগ্ৰী লাভ কৰিছিল। ১৯০৩ খৃঃত কলিকতা বিশ্ববিদ্যালয়ৰ পৰাই পদাৰ্থ বিজ্ঞানত

দ্বিতীয় শ্ৰেণীত পঞ্চম স্থান অধিকাৰ কৰি এম, এ, ডিগ্ৰী লাভ কৰিছিল। তেওঁৰ পূৰ্বতে এম, ডিগ্ৰী লাভ কৰা ডেকা দুজন ৰাধানাথ ফুকন আৰু অন্নদা চৰণ ভট্টাচাৰ্য্য।

মেধি ডাঙৰীয়াই ১৯০৫ খৃঃ ত চবডেপুটি কলেক্টৰ স্বৰূপে চৰকাৰী চাকৰিত যোগদান কৰিছিল। নগাওঁ তেওঁৰ প্ৰথম কৰ্মস্থান। নিজৰ দক্ষতা আৰু কৰ্ম নিষ্ঠাৰ বলতে দোপত দোপে উন্নতি কৰি ক্ৰমে ই এ চি, মহকুমাধিপতি আৰু জিলাৰ উপায়ুক্ত হৈছিল গৈ। নগাৱতে তেওঁৰ চৰকাৰী চাকৰিৰ আৰম্ভ আৰু ১৯৩৫ খৃঃ ত উপায়ুক্ত স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰি নগাৱতে অৱসৰ গ্ৰহণ কৰিছিল।

ডিব্ৰুগড়ত চৰকাৰী দায়িত্বত থকা কালছোৱাত 'আসাম বান্ধৱ' আৰু 'আলোচনীত' মেধি ডাঙৰীয়াৰ সাহিত্য সাধনাৰ সূচনা হয়। 'আসাম বান্ধৱত' প্ৰকাশিত সৰহ ভাগ প্ৰবন্ধই প্ৰাচীন অসমীয়া সাহিত্য, ভাষাতত্ত্ব আৰু প্ৰত্নতত্ত্ব সম্বন্ধীয়।

মেধি ডাঙৰীয়াৰ প্ৰথম সম্পাদিত গ্ৰন্থ হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত' (১৯১৩ খৃঃ)। পুথিখনৰ পাতনিত মেধি ডাঙৰীয়াই হেম সৰস্বতীয়ে ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰা দুৰ্লভ নাৰায়ণৰ সময় নিৰ্ণয় কৰিবলৈ যত্ন কৰিছে।

মেধি ডাঙৰীয়াৰ প্ৰখ্যাত গ্ৰন্থ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব (Assamese Grammer and Origin of the Assamese Language. 1936) ১২৫ পৃষ্ঠাৰ ইংৰাজীত লিখা ভূমিকাখনত (Introduction) তেওঁ অসমীয়া ভাষাৰ উৎপত্তি আৰু সাহিত্যৰ চমু আভাস দাঙি ধৰিছে। মূল পুথি খনত আলোচনা কৰিছে ব্যাকৰণ আৰু ভাষাতত্ত্বৰ কথা।

মেধি ডাঙৰীয়াৰ সম্পাদনাত প্ৰকাশ হোৱা 'অঙ্কাৱলী' (১৯৫০ খৃঃ) একৈশ খন অঙ্কীয়া নাটৰ সংকলন। অঙ্কাৱলীৰ ইংৰাজীত লিখা ১১২ পৃষ্ঠাৰ ভূমিকাত অঙ্কীয়া নাটৰ উৎপত্তি আৰু লক্ষণ আদিৰ কথা খৰচি মাৰি আলোচনা কৰিছে। মেধি ডাঙৰীয়া সংকলিত আন এখন পুথি "মহাপুৰুষ শ্ৰীশঙ্কৰ দেৱৰ বাণী" (১৯৪৮ খৃঃ)। "অৰিজিন অৱ দি আছামিজ ড্ৰামা' (Origin of the Assamese Dramma) তেওঁৰ এটি গবেষণা মূলক আলোচনা (Aspects of Early Assamese Literature-ed : Dr. B. Kakti)

গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত থকা লক্ষ্মীনাথ বেজবৰুৱাৰ মাৰ্বলৰ আবক্ষ মূৰ্ত্তি নিৰ্মানৰ গুৰিটো আছিল মেধি ডাঙৰীয়া। মূৰ্ত্তিটো প্ৰথমতে নবীন বৰদলৈ হলত স্থাপন কৰা হৈছিল।

কামৰূপ অনুসন্ধান সমিতি আৰু অসম ৰাজ্যিক সংগ্ৰহালয়বো ভালেকেই বছৰ সভাপতিৰ দায়িত্ব বহন কৰিছিল মেধি ডাঙৰীয়াই। সমিতিৰ মুখপত্ৰ The Journal of the Assam Research Society ত তেওঁৰ ভালেকেইটি প্ৰবন্ধ প্ৰকাশ হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগতো তেওঁ জন্ম লগ্নৰে পৰা জড়িত। এসময়ত তেওঁ আছিল বিশ্ববিদ্যালয়ৰ একজিকিউটিভ কাউন্সিলৰ সদস্য।

১৯৫৪ খৃঃ ৰ ২৪ জানুৱাৰীত মেধি ডাঙৰীয়াৰ লোকান্তৰ হ'য়। ●

হেমচন্দ্ৰ গোস্বামী

সৌন্দৰ্য্যৰ বুকুৰ কাঁচলি উদঙাই,
প্ৰকৃতিৰ চোঁ-ঘৰ চালো পিত পিত ;
কুকুৰা-ঠেঙীয়া এই আখৰকিটিত
যি অমিয়া যঁহা আছে, ক'তো আৰু নাই।

কুকুৰা ঠেঙীয়া আখৰ কিটিত সৌন্দৰ্য্যৰ বুকুৰ কাঁচলি উদঙাই চোৱা তৰুণ কবিজনা হেমচন্দ্ৰ গোস্বামী। কবিতাটো ৰচনাৰ সময়ত তেওঁ কলিকতা প্ৰেচিডেন্সী কলেজৰ বি এ মহলাৰ ছাত্ৰ। তৃতীয় বছৰ জোনাকীত প্ৰকাশিত এই 'প্ৰিয়তমাৰ চিঠি'য়েই ইটালিয়ান গীতি কবি পেট্ৰাৰ্কাৰ আৰ্হিত ৰচনা কৰা প্ৰথম অসমীয়া চনেট।

উনবিংশ শতিকাৰ শেষৰ ফালে এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যোৱা ছাত্ৰৰ সংখ্যা ভালেকেইজন। পঢ়াশালীয়া ছাত্ৰ ৰূপে ডিগ্ৰীলাভৰ প্ৰতি এইদল ছাত্ৰ একাগ্ৰতীয়াকৈ লগা উচিত আছিল। কিন্তু তেওঁলোকৰ কৰ্মক্ষেত্ৰ পঢ়াশালিৰ চাৰিবেৰৰ মাজত সীমাবদ্ধ নাথাকিল। আধুনিক অসমীয়া সাহিত্যৰ তেতিয়া আমা-ডিমা অৱস্থা। গুণাভিৰাম বৰুৱা সম্পাদিত 'আসাম বন্ধু'ত দুই এটি ৰোমান্টিক ধৰ্মী কবিতাৰ কলি ফুলিছেহে মাথোন। ৰোমান্টিক সাহিত্যৰ ৰ.-ৰভাহ তেতিয়াও ভালকৈ বলা নাই।

কলিকতাৰ ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ মেছতে এদিন আবেলিৰ চাহমেল ৰূপী সভা এখনতে গঠন হল ‘অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ (১৮৮৮ খৃঃ ২৫ আগষ্ট)। সভাত আলোচনা কৰিলে “অসমীয়া সহিত্যতো ৰোমাণ্টিক ধৰ্মী নতুন সাহিত্য সৃষ্টি কৰাৰ কথা। পিচৰ বছৰৰ মাঘ বিহুৰ পৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত প্ৰকাশ হৈছিল “জোনাকী” নামৰ এখন মাহেকীয়া আলোচনী।” দ্বিতীয় বছৰ জোনাকীৰ সম্পাদনাৰ ভাৰ পৰিছিল হেমচন্দ্ৰ গোস্বামীৰ ওপৰত। গোস্বামী তেতিয়া এফ-এ মহলাৰ ছাত্ৰ।

জন্ম লগ্নৰে পৰা গোস্বামী অঃ ভাঃ উঃ সাঃ সভাৰ এগৰাকী সক্ৰিয় সদস্য। দৰাচলতে চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী এই ত্ৰি-মূৰ্তিক কেন্দ্ৰ কৰিয়ে অঃ ভাঃ উঃ সাঃ সভা আৰু জোনাকী আলোচনীৰ জন্ম আৰু বিকাশ। বেজবৰুৱা ৩য়-৪ৰ্থ বছৰ জোনাকীৰ সম্পাদক। জোনাকীতে প্ৰকাশ হয় চন্দ্ৰকুমাৰৰ প্ৰথম অসমীয়া চুটি গল্প ‘কন্যা’ আৰু গোস্বামীৰ প্ৰথম অসমীয়া চনেট ‘প্ৰিয়তমাৰ চিঠি’।

১৮৭২ খৃঃৰ ৮ জানুৱাৰীত গোলাঘাটৰ ওচৰৰ ঢেকিয়াল মৌজাৰ গোৰাং সত্ৰত হেমচন্দ্ৰ গোস্বামীৰ জন্ম। তেওঁৰ পিতৃ ডম্বৰু ধৰ গোস্বামী আৰু মাতৃ ঘনকান্তী দেৱী। গাওঁৰ পঢ়াশালিৰ পৰা তিনি টকীয়া বৃত্তি লাভ কৰি গোস্বামীয়ে গোলাঘাটৰ উইলিয়ামচন মাইনৰ স্কুলত পঢ়িছিল। নগাওঁ চৰকাৰী হাইস্কুলৰ পৰা ১৮৮৮ খৃঃত প্ৰথম বিভাগত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ কুৰি টকীয়া জলপানী লাভ কৰিছিল।

ইয়াৰ পিচত কলিকতা প্ৰেচিডেন্সী কলেজত পঢ়ি এফ-এ পৰীক্ষাত উত্তীৰ্ণ হল যদিও বি-এ ডিগ্ৰী লাভ কৰা নহল। কলেজীয়া শিক্ষাৰ সিমানতে সামৰণি মাৰি গোস্বামী ডাঙৰীয়াই চাকৰি জীৱন আৰম্ভ কৰিছিল সোণাৰাম হাইস্কুলৰ হেডমাষ্টৰ হিচাবে (১৮৯৪ খৃঃ)। অসমীয়া বুৰঞ্জী এখন মনোৰম ভাষাত ইংৰাজীলৈ ভৰ্জমা কৰি দিয়া কাৰ্য্যাবে তেওঁৰ চাৰ এডৱাৰ্ড গেইটৰ লগত যোগ সূত্ৰ স্থাপন হয়। আৰু গেইটৰ সৌজন্যতে শ্বিলঙৰ সচিবালয়ত নিযুক্তি লাভ কৰিলে (১৮৯৫ খৃঃ)। পিচত চৰ ডেপুটি কলেক্টৰ, ই এ চি, ডেপুটি মেজিষ্ট্ৰেট আদি বিভিন্ন পদত নিযুক্ত হৈ ১৮২৬ খৃঃত অৱসৰ গ্ৰহণ কৰে।

উচ্চ পদস্থ চৰকাৰী বিষয়া হৈও গোস্বামী ডাঙৰীয়াই চৰকাৰী ফাইলৰ বঙা ফিটাৰ মেৰ পাকত নিজকে বিলীন কৰি দিয়া নাছিল। প্ৰাচীন পুথিৰ

অনুসন্ধানৰ নিচিনা পাণ্ডিত্যপূৰ্ণ আৰু দায়িত্বপূৰ্ণ কাৰ্য্যতো আত্মনিয়োগ কৰিছিল।

কামৰূপ অনুসন্ধান সমিতিৰ লগতো গোস্বামী ডাঙৰীয়া আদিৰে পৰা জড়িত। মৃত্যুৰ আগ মুহূৰ্তলৈকে সুদীৰ্ঘ কাল তেওঁ কামৰূপ অনুসন্ধান সমিতিৰ সভাপতি (১৯১৮-২৩ খৃঃ আৰু ১৯২৫-২৮ খৃঃ)।

অসম সাহিত্য সভাৰ লগতো গোস্বামী ডাঙৰীয়া জন্ম লগ্নৰে পৰা জড়িত। সাহিত্য সভাৰ গোৱালপাৰাত অনুষ্ঠিত দ্বিতীয় অধিবেশনতে তেওঁ সভাপতি নিৰ্বাচিত হৈও সেই পদ গ্ৰহণ কৰিব নোৱাৰিলে। পিচত ১৯২০ খৃঃৰ ২৮ চেপ্টেম্বৰৰ পৰা তেজপুৰত অনুষ্ঠিত চতুৰ্থ অধিবেশনত পৌৰহিত্য কৰিছিল গোস্বামী ডাঙৰীয়াই। দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা তেজপুৰ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি। এই অধিবেশনতে শৰৎচন্দ্ৰ গোস্বামী দ্বিতীয়বাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

গোস্বামী ডাঙৰীয়াৰ সাহিত্য সাধনাৰ স্পৃহা নিচেই সৰু কালৰে পৰা। 'আসাম বন্ধু'ত (সঃ গুণাভিৰাম বৰুৱা ১৮৮৫ খৃঃ) 'ক্ষেতি' নামৰ প্ৰথম ৰচনা খন প্ৰকাশ কৰাৰ সময়ত তেওঁ নগাওঁ হাই স্কুলৰ ছাত্ৰ। 'আসাম বন্ধু'তে প্ৰকাশ হৈছিল তেওঁৰ 'জাহাজ', 'বিশ্বাস', 'মন', 'সংসাৰত সুখ নাই', 'বিজুলী' আৰু 'প্ৰকৃতি' আদি কবিতা। 'পুৰা' জোনাকীত প্ৰকাশিত এটি মনোৰম কবিতা। 'জাহাজ' আৰু 'পুৰা' এই দুটি কবিতাৰ মাজেৰে তৰুণ কবিয়ে নৱন্যাস তথা পাশ্চাত্যৰ নতুন ভাব আদৰ্শক স্বাগতম জনাইছে। বিভিন্ন আলোচনীত প্ৰকাশিত তেওঁৰ কবিতাবোৰৰে সংকলন 'ফুলৰ চাকি' (১৯০৭ খৃঃ)।

বিজ্ঞানসম্মত ভাবে কৰা সম্পাদনা আৰু সংকলনৰ বাবে গোস্বামী ডাঙৰীয়া সুপৰিচিত। হেমচন্দ্ৰ বৰুৱাই সমগ্ৰ জীৱনৰ সাধনাৰে মুগুত কৰা 'হেম কোষ' খন হেমচন্দ্ৰ গোস্বামীৰ যত্নতে প্ৰকাশ হৈছিল (১৯০০ খৃঃ)। অভিধান খনৰ অসমীয়া খণ্ড গোস্বামীয়ে আৰু ইংৰাজী শব্দমালা কৰ্ণেল পি আৰ টি গৰ্ডনে সম্পাদনা কৰিছিল। ভট্টদেৱৰ 'কথাগীতা' (১৯১৮ খৃঃ), সূৰ্য্যখৰি দৈবজ্ঞৰ 'দৰং ৰাজবংশাৱলী', 'পুৰণি অসম বুৰঞ্জী' (১৯২১ খৃঃ) আৰু 'কাম ৰত্ন তন্ত্ৰ' গোস্বামী সম্পাদিত আন আন পুথি। সংকলক-সম্পাদক স্বৰূপে গোস্বামী ডাঙৰীয়াৰ কীৰ্তি স্তম্ভ হল 'অসমীয়া সাহিত্যৰ চানেকি'। তিনিটা ভাগত সাতটি খণ্ডত সম্পাদিত অসমীয়া সাহিত্যৰ চানেকিত অনাখৰি সাহিত্যৰ পৰা জোনাকী যুগলৈকে প্ৰায়বিলাক ৰচনাকে ঠাই দিয়া হৈছে।

১৫৬ খন অসমীয়া, ৭৭ খন সংস্কৃত পুথিৰ মূল পৰিচয়েৰে মুদ্ৰিত কৰা 'অসমীয়া পুথিৰ বিৱৰণ মূলক তালিকা, (Descriptive Catalogue of Assamese Manuscripts) এখনি উল্লেখযোগ্য গ্ৰন্থ। ভট্টদেৱৰ 'কথা ভাগৱত' আৰু গুৰু দুজনাৰ অত-তত পৰি থকা অঙ্কীয়া নাটসমূহ একগোট কৰি 'অঙ্কীয়া বাৰ নাট' নাম দি ছপাবলৈ যো-জা কৰোতেই মৃত্যুৰ মুখত পৰিল।

১৯০৮ খৃঃত মহাত্মা গান্ধীয়ে ইয়ং ইণ্ডিয়াত অসমীয়া জাতিক কোল ভীল আদি বনৰীয়া অসভ্য জাতি বুলি লিখিছিল। মহাত্মা গান্ধী অসমলৈ আহোতে তৰুণৰাম ফুকনৰ ঘৰত মহাত্মা গান্ধীক সাক্ষাৎ কৰি 'হস্তী-বিদ্যাৰ্ণৱ' আদি পুৰণি পুথি পাঁজি দেখুৱাই অসমীয়া সাহিত্য সংস্কৃতি শিল্প সম্পৰ্কে তেওঁক ভালদৰে বুজাই দিছিল। নিজৰ ভুল বুজিব পাৰি ইয়াৰ পিচতে গান্ধীজীয়ে 'মনোৰম অসম' (Lovely Assam) শীৰ্ষক আন এটা প্ৰবন্ধত অসমক ভূয়সী প্ৰশংসা কৰিছিল।

১৯২৮ খৃঃৰ ২ মেইত গুৱাহাটীৰ নিজ ঘৰতে গোস্বামী ডাঙৰীয়াই মৃত্যু বৰণ কৰে। ●

অমৃত ভূষণ দেৱ অধিকাৰী

গোৱালপাৰাক বঙলা ভাষা-ভাষী কৰিবলৈ কৰা ষড়যন্ত্ৰ আজিৰ নহয় অতীজৰে পৰা। ষড়যন্ত্ৰৰ মূলতে আমোলাতন্ত্ৰ আৰু এচাম অসমীয়া বিদ্বেষী বহিৰাগত। এনে আমোলাতন্ত্ৰ আৰু সৰ্বগ্ৰাসী ষড়যন্ত্ৰৰ পৰা ৰক্ষা কৰিবলৈ যি কেইগৰাকী মহান ব্যক্তিয়ে নিৰ্ভীক চিত্তে উঠি-পৰি লাগিছিল অমৃত ভূষণ দেৱ অধিকাৰী সেই সকলৰ ভিতৰৰে এজন।

এবাৰ গৌৰীপুৰত অনুষ্ঠিত হৈছিল নিখিল গোৱালপাৰা সন্মিলন। সন্মিলন খন অনুষ্ঠিত হোৱাটো দেখাত সহজ হ'লেও ইয়াৰ অন্তৰালত লুকাই আছিল গোৱালপাৰা জিলাক বঙলা ভাষা-ভাষী কৰাৰ ষড়যন্ত্ৰ। দেৱানৰ পাক চক্ৰত পৰি গৌৰীপুৰৰ জমিদাৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱায়ো সেই কথাৰ উমান ধৰিব পৰা' নাছিল।

এই ষড়যন্ত্ৰ মৰিমূৰ কৰিবলৈ উঠি পৰি লাগিছিল অমৃত ভূষণ দেৱ অধিকাৰী। অধিকাৰী তেতিয়া গৌৰীপুৰ হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক আৰু ছাত্ৰাবাসৰ ছুপাৰিণ্টেণ্ডেণ্ট। গৌৰীপুৰ হাইস্কুল ৰজা বাহাদুৰৰে স্কুল। তেতিয়াৰ দিনত জমিদাৰৰ অৰ্থৰে পালিত এজন শিক্ষাবিদৰ বাবে স্বাধীন চিন্তীয়াভাৱে দেশ মাতৃকাৰ হক ৰক্ষাৰ্থে আন্দোলন কৰাটো সহজ কথা নাছিল। আওপকীয়া ভাবে আন্দোলনো আছিল ৰজাৰ কাৰ্য্যৰ বিৰুদ্ধে। শেষত অধিকাৰীৰে জয় হল। এই কাৰ্য্যত অকুণ্ঠ চিত্তে সহযোগ আগবঢ়াইছিল গোৱালপাৰা বাসীয়ে।

অমৃত ভূষণ দেৱ অধিকাৰীৰ জন্ম ১২৬৬ চন, ১৭ পুহ, ১৮৫৮ খৃঃত দলগোমা সত্ৰত। তেওঁৰ পিতৃ কণ্ঠভূষণ দেৱ অধিকাৰী আৰু মাতৃ আকাশী লতা। দলগোমা সত্ৰ গোৱালপাৰা জিলাৰ দক্ষিণ পাৰৰ এখন প্ৰাচীন মহাপুৰুষীয়া সত্ৰ। মাধৱদেৱৰ ভাগিন ৰামচৰণ ঠাকুৰৰ তৃতীয় পুত্ৰ নৰহৰি দেৱ দলগোমা সত্ৰৰ প্ৰতিষ্ঠাতা। অমৃত ভূষণৰ পিতৃ কণ্ঠ ভূষণ নৰহৰি দেৱৰপৰা পঞ্চম পুৰুষ।

সৰুৰেপৰা অমৃত ভূষণ আছিল তীক্ষ্ণ বুদ্ধিৰ লৰা। সৰুতে তেওঁৰ পিতৃ বিয়োগ হয়। ককায়েকৰ তত্বাৱধানত পঢ়ি সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। পিচত তেওঁ কলিকতালৈ গৈ জেনেৰেল এচেম্বলী কলেজত পঢ়িছিল। কিন্তু বি এ পৰীক্ষাৰ আগে আগে ককায়েকৰ মৃত্যু হোৱাত সিমানতে পঢ়াৰ সামৰণি মাৰিব লগা হ'ল।

শিক্ষাদানকে জীৱনৰ অবলম্বন স্বৰূপে বাচি লৈ তেওঁ প্ৰথমতে যোৰহাট বেজবৰুৱা হাইস্কুলত সহকাৰী প্ৰধান শিক্ষক হিচাপে কাৰ্য্য নিৰ্বাহ কৰিছিল। পিচত গৌৰীপুৰৰ জমিদাৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱাই তেওঁক মাতি আনি নকৈ স্থাপন কৰা গৌৰীপুৰ হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক নিযুক্ত কৰিছিল।

গৌৰীপুৰত অধিকাৰী ডাঙৰীয়া অকল স্কুলৰ চাৰিবেৰৰ মাজত সীমাবদ্ধ থকা নাছিল। গোৱালপাৰাৰ সাহিত্য-সংস্কৃতিৰ চিন্তা-চৰ্চা কৰা আছিল তেওঁৰ প্ৰধান লক্ষ্য। বৈষ্ণৱ ধৰ্ম আৰু সাহিত্য সম্বন্ধে আছিল গভীৰ জ্ঞান। স্বভাৱত আছিল তেওঁ সৰল প্ৰকৃতিৰ লোক। সেইবাবে ৰজা-প্ৰজা সকলোৰে আছিল এগৰাকী শ্ৰদ্ধাভাজন ব্যক্তি।

অমৃত ভূষণ অধিকাৰী ৰচিত পুথি 'শ্ৰীনামাম ঘোষা'। 'শ্ৰীনামাম ঘোষা' শ্ৰীমাধৱদেৱৰ নাম ঘোষাৰ সৰল ব্যাখ্যা (১৮৩৩ শক, ১৯১১ খৃঃ)। শ্ৰীমাধৱ

দেৱৰ 'ভক্তি ৰত্নাৱলী'খনো টীকা ব্যাখ্যা সহ সম্পাদনা কৰি প্ৰকাশ কৰিবলৈ যো-জা কৰিছিল। কিন্তু সেই কাম সম্পূৰ্ণ কৰিবলৈ নৌ পাওঁতেই মৃত্যুৰ মুখত পৰিল।

১৯২৩ খৃঃত ৩১ মাৰ্চৰ পৰা যোৰহাটত অসম সাহিত্য সভাৰ পঞ্চম অধিৱেশন অনুষ্ঠিত হয়। অমৃত ভূষণ অধিকাৰী পঞ্চম অধিৱেশনৰ সভাপতি। ৰাধাকান্ত সন্দিকৈ আছিল উক্ত অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি। শৰৎ চন্দ্ৰ গোস্বামী এইবাৰো প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

১৮৬৪ শকৰ ১৩ আঘোন (১৯৪২ খৃঃ) অধিকাৰী ডাঙৰীয়া চাৰি কুৰি চাৰি বছৰ বয়সত বৈকুণ্ঠগামী হয়। ●

কনকলাল বৰুৱা

'পঞ্চম কোঠাত দুইটি বৰুৱা
এনচাই ক্লপেডিয়া ব্ৰিটেনিকা
যিহকে বিচৰা সকলোকে পাবা
দুইটি সকলো বিষয়ে পকা।'

পঞ্চম কোঠাৰ 'দুইটি বৰুৱা'ৰ এজন কনকলাল বৰুৱা আৰু আনজন কৃষ্ণ কুমাৰ বৰুৱা। কোঠাটি কলিকতা ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ অসমীয়া মেছৰ কোঠা। বাকী কেইটা কোঠাত থাকে ৰজনীকান্ত বৰদলৈ, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, কমল চন্দ্ৰ শৰ্মা প্ৰভৃতি জোনাকী যুগৰ আন আন গুৰিয়ালসকল। মেছৰ প্ৰতিজন ছাত্ৰৰে দৈনিক কাৰ্য্যকলাপ বৰ্ণনা কৰি ধেমেলীয়া কবিতাটো ৰচনা কৰিছিল যজ্ঞেশ্বৰ শৰ্মা নেওগে।

এনচাইক্লোপেডিয়া ব্ৰিটেনিকা আখ্যা পোৱা কনকলাল বৰুৱা তেতিয়া কলিকতাৰ জেনেৰেল এছেম্বলী কলেজৰ এফ এ শ্ৰেণীৰ ছাত্ৰ। ১৮৮৮ খৃঃ ত গুৱাহাটী কলেজীয়েট হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ কুৰিটকীয়া বৃত্তি লাভ কৰি কলিকতাৰ কলেজত পঢ়িছিল।

কলিকতাত পঢ়া কালছোৱাত বৰুৱা অঃ ভাঃ উঃ সাঃ সভা আৰু জোনাকী আলোচনীৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। পঞ্চম বছৰ 'জোনাকীৰ' সম্পা-

দনাৰ ভাৰ পৰিছিল কনকলাল বৰুৱাৰ ওপৰতে। তৃতীয় বছৰ জোনাকীতে প্ৰকাশ হৈছিল কনকলালৰ জনপ্ৰিয় কবিতা ব্ৰহ্মপুত্ৰ

"এক ধ্যান এক জ্ঞান এক মন্ত্ৰ স্মৰি
সদায় গইছা তুমি কুলু কুলু কৰি।"

কবিতাটো পঢ়িয়ে সাহিত্যৰথী হেমচন্দ্ৰ বৰুৱাই কৈছিল " এই কৰি পোৱালীটি আগলৈ উজ্বল ৰত্ন হব।"

কনকলালৰ প্ৰথম কবিতা 'স্তোত্ৰ' প্ৰকাশ হৈছিল গুণাভিৰাম বৰুৱা সম্পাদিত 'আসাম বন্ধু'ত। তেতিয়া তেওঁ হাইস্কুলৰ ছাত্ৰ।

চাৰিজন কলেজীয়া ছাত্ৰই 'চাৰিটা মুৰ একে মুৰ কৰি' ৰচনা কৰা ভ্ৰমৰঙ্গ নাটকৰ প্ৰথম অভিনয় হৈছিল মীৰ্জাপুৰ ষ্ট্ৰীটৰ মেছতে। প্ৰথম নিশাৰ অভিনয়ত লাহী দেহৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ কনকলালৰ ওপৰত পৰিছিল মালতীৰ ভাও।

১৮৯৪ খৃঃ ত বি এ পাচ কৰি তেওঁ কলিকতাতে আইন কলেজত ভৰ্ত্তি হল। ইয়াৰ পিচত ভ্ৰমৰঙ্গৰ অভিনয়ত তেওঁ ভাও ললে মালতীৰ সলনি নিৰঞ্জনৰ।

ৰমাকান্ত বৰকাকতীৰ লগত তেওঁ এবাৰ অঃ ভাঃ উঃ সাঃ সভাৰ যুটীয়া সম্পাদকৰ দায়িত্ব বহন কৰিছিল। তেওঁলোকৰ যুটীয়া, সম্পাদনাতে প্ৰকাশ হৈছিল 'অসমীয়া পুথিৰ তালিকা' (১৮৯৫)।

'সাবিত্ৰী সত্যবান' (১৮৯১ খৃঃ) কনকলাল বৰুৱা, ৰজনীকান্ত বৰদলৈ আৰু গোপাল কৃষ্ণ দেই ৰচনা কৰা এখন পৌৰাণিক নাটক।

১৭৯৪ শকৰ ২৫ আঘোণ, ১৮৭২ খৃঃৰ ডিচেম্বৰ মাহত গুৱাহাটী চহৰতে কনকলাল বৰুৱাৰ জন্ম। তেওঁৰ পিতৃ লক্ষ্মীলাল বৰুৱা আৰু মাতৃ পদ্মাৱতী। তেওঁৰ পূৰ্ব পুৰুষ উজনিৰ বিখ্যাত নামতীয়াল কাকতী বংশৰ। লক্ষ্মীলাল বৰুৱাৰ পিতৃ স্তুতিৰাম বৰুৱা আছিল মণিৰাম দেৱানৰ সোঁহাত স্বৰূপ।

কনকলালৰ আঠ বছৰ বয়সতে পিতৃ লক্ষ্মীলালৰ মৃত্যু হয়। লক্ষ্মীলাল আছিল মুন্সেফ। পিতৃৰ মৃত্যুৰ পিচত তেওঁৰ পঢ়াশুনাৰ নজৰ দিছিল সাহিত্য ৰথী হেমচন্দ্ৰ বৰুৱাই। জীৱনত নানান বিপৰ্য্যয়কো হেলাৰঙে ঠেলি কনকলালে জীৱনত উন্নতি লাভ কৰিছিল।

বি এ ডিগ্ৰী লাভ কৰি প্ৰথমতে গুৱাহাটীত কিছুকাল আইন ব্যৱসায় কৰিছিল (১৮৯৬-১৯১০)। পিচত ই এ চি পদ লাভ কৰে। অসমৰ বিভিন্ন ঠাইত ই এ চি, মহকুমাধিপতি স্বৰূপে কাৰ্য্যনিৰ্বাহ কৰি কৃষি আৰু শিল্প বিভাগৰ ডিৰেক্টৰলৈ পদোন্নতি লাভ কৰাৰ উপৰিও তেওঁ আছিল লিষ্টেড গ্ৰেডৰ আই চি এছ।

চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিচত অসম ব্যৱস্থাপক সভালৈ নিৰ্বাচিত হৈ আঠ বছৰ কাল (১৯২৯—৩৭ খৃঃ) স্বায়ত্ত শাসন বিভাগৰ মন্ত্ৰী স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল।

জীৱনৰ শেষ চোৱাত সুদীৰ্ঘ কাল তেওঁ কামৰূপ অনুসন্ধান সমিতিৰ সভাপতি (১৯২৮—৪০খৃঃ)। ১৯৩৩ খৃঃ ৰ পৰা তেওঁৰেই সম্পাদনাত প্ৰকাশ হৈছিল সমিতিৰ মুখ পত্ৰ The Journal of the Assam Research Society.

তেওঁৰ উক্ত আলোচনী আৰু The Indian Culture ত প্ৰকাশিত প্ৰবন্ধ সমূহৰ সংকলন Early History of Assam (ডক্টৰ মহেশ্বৰ নেওগ সম্পাদিত, ১৯৭২ খৃঃ)। জোনাকী, উষা, বাঁহী, আৱাহন আদিত প্ৰকাশিত তেওঁৰ অসমীয়া প্ৰবন্ধবোৰৰ সংকলন 'কনকলাল বৰুৱা ৰচনাৱলী' (নন্দ তালুকদাৰ সম্পাদিত, ১৯৭২)।

জীৱদ্দাশত প্ৰকাশিত বৰুৱা ডাঙৰীয়াৰ গ্ৰন্থ Early History of Kamrupa (১৯৩৩ খৃঃ)। কলেজত পঢ়ি থাকোতে পঢ়া খৰচ উলিয়াবলৈ 'ভূগোল শিক্ষা' নামৰ পুথি এখন লিখিছিল।

অসমত সংগ্ৰহালয় এটি স্থাপনৰ পৰিকল্পনা আছিল অনুসন্ধান সমিতিৰ জন্মলগ্নৰে পৰা। কনকলাল বৰুৱাৰ যত্নতে সেই সংগ্ৰহালয় গঢ়ি উঠিছিল।

বৰুৱা ডাঙৰীয়া ইণ্ডিয়ান হিষ্টৰিকেল ৰেকৰ্ড কমিচনৰ সদস্য আছিল। ৰেকৰ্ড কমিচনৰ সভাত যোগ দিবৰ বাবে তেওঁ কলিকতালৈ যায় আৰু কলিকতাতে ১৯৪০ খৃঃ ৰ ৮ জানুৱাৰীত মৃত্যু বৰণ কৰিছিল।

১৯২৪ খৃঃ ৰ ১৯ এপ্ৰিলৰ পৰা ডিব্ৰুগড়ত অনুষ্ঠিত অসম সাহিত্য সভাৰ ষষ্ঠ অধিবেশনৰ তেওঁ সভাপতি। উক্ত অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি শিৱৰাম শৰ্মা বৰদলৈ আৰু সঙ্গীত শাখাৰ সভাপতি ইন্দ্ৰেশ্বৰ বৰঠাকুৰ। শৰৎ চন্দ্ৰ গোস্বামী পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল। গুৱাহাটীত অনুষ্ঠিত সপ্তদশ অধিবেশনৰো (১৯৩৭ খৃঃ) বুৰঞ্জী শাখাৰ সভাপতি আছিল কনকলাল বৰুৱা।

গভীৰ জ্ঞান, বিস্তৃত অধ্যয়ন আৰু তথ্য বহুল ৰচনা ৰাজিৰ গুণত তেওঁ M. R. A. S. (Member of the Royal Asiatic Society of Great Britain and Ireland), M. R. S. (Member of the Royal Asiatic Society of Bengal) আৰু F. R. E. S (Fellow of the Royal Economic Society of London) ৰ সভ্য ভুক্ত হৈছিল। ●

লক্ষ্মীনাথ বেজবৰুৱা

অসমৰ অটব্য হাবিৰ মাজ। দিনতে অন্ধকাৰ। চকা পাটত বহাৰ সময়। চুট-পেণ্ট পিন্ধা ইংৰাজী সাজৰ এজন তিনিকুৰি চাৰি বছৰ বয়সীয়া লোক। হাবিত ঘূৰি ঘূৰি ক্লান্ত শ্ৰান্ত। হাবিৰ মাজতে শিল এচটাত বহি পৰিছে।

তেনেতে দুজন গাৰো কৰতিয়া কাষ চাপি আহিল। সিঁহতৰ লগতো একো নাই। আছিল মাথোন বাহৰ চুঙাত অনা চেচাঁ চাহ এটোপা। তাকেই মুখত ৰাকী দিলে।

'বাবু যাব পাৰিব।'

'উহু! খোজ কাৰিব নোৱাৰোঁ।'

'তেন্তে বোকোচাতে উঠ।' বোকোচাত তুলি লৈ আহিল 'লাইলাকত' থকা বাহৰলৈ। লাইলাকৰ বাহৰত থকা একমাত্ৰ সম্বল উৰিয়া লগুৱা ভালু অৰ্থাৎ বাল মুকুন্দ।

আৰু অসমৰ হাবিত কাম কৰা নহল। ১৯১৬ খৃঃৰ পৰা একেবাহে বাৰ বছৰ কাল কাম কৰি ১৯২৮ খৃঃত বাৰ্ড কোম্পানীৰ কামৰ পৰা একেবাৰে অব্যাহতি ললে।

অসম, বঙ্গদেশ আৰু উৰিষ্যাৰ হাবিয়ে বননিয়ে কাঠৰ ব্যৱসায়ত লিপ্ত থকা এইজনেই জোনাকী যুগৰ কৰ্ণধাৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা। তেওঁৰ জীৱনৰ একমাত্ৰ ব্যৱসায় কাঠৰ ব্যৱসায়। শিক্ষা সাং কৰি বেজবৰুৱাই কাঠৰ ব্যৱসায়ত লাগিছিল। প্ৰথমতে বিখ্যাত ব্যৱসায়ী ভোলা বৰুৱাৰ লগত, পিচত বাৰ্ড কোম্পানীৰ তলত কাঠৰ কামকে কৰিছিল।

বেজবৰুৱাই জীৱনৰ সৰহকাল কটাইছিল কলিকতা আৰু উৰিষ্যাৰ সম্বলপুৰত। তেওঁৰ ব্যৱসায় কাঠৰ ব্যৱসায়, হাতত কুঠাৰ এখন। মাজে মাজে হাবিৰ পৰা আহি হাতৰ কুঠাৰখন বেৰৰ চুকত থৈ হাবিকেন লেম্প এটা জ্বলাই লৈ যেতিয়া হাতত কলম তুলি লয়; তেতিয়া তেওঁ অটব্য হাবিৰ মাজৰ সকলো দুখ কষ্ট পাহৰি যায়। এনে ভাবেই তেওঁ বাণীৰ বাবে ৰচনা কৰিছিল জাপ জাপ প্ৰবন্ধ, কবিতা, গল্প আৰু কৃপাবৰী ৰচনা। এনেদৰে কুঠাৰ কলমৰ মিলনৰ নিদৰ্শন বিৰল।

বেজবৰুৱাই ইচ্ছা কৰা হলে সেইকালত হাকিম মুন্সিফ হব পাৰিলেহেতেন। বেজবৰুৱাৰ পত্নী প্ৰজ্ঞা সুন্দৰী কলিকতাৰ জোড়াসাকোৰ ঠাকুৰ পৰিয়ালৰ হেমেন্দ্ৰ নাথ ঠাকুৰৰ কন্যা। তেওঁলোকৰ তিনিগৰাকী কন্যা তেওঁলোকও মাকৰ নিচিনা বঙলা শিক্ষা সংস্কৃতিৰে দীক্ষিত। ঘৰত কন্যা-তিৰোতাৰ লগত পতা মাত-কথা বঙলা আৰু তেওঁলোকলৈ লিখা চিঠিখনবো ভাষা বঙলা নাইবা ইংৰাজী। কিন্তু তেনে এক প্ৰতিকূল পৰিবেশৰ মাজত থাকিও বেজবৰুৱাই ৰচনা কৰিলে বিধে বিধে পুথি।

বেজবৰুৱাৰ পিতৃ দীননাথ বেজবৰুৱা আৰু মাতৃ থানেশ্বৰী দেৱী। ১৮৬৪ খৃঃৰ লক্ষ্মী-পূৰ্ণিমাৰ দিনা ব্ৰহ্মপুত্ৰৰ বুকুত নাৱৰ ওপৰতে লক্ষ্মীনাথৰ জন্ম। লক্ষ্মীপুৰত বঙলা ভাষাৰ মাধ্যমেৰে তেওঁৰ বিদ্যাৰম্ভ হয়। ১৮৮৬ খৃঃত শিৱসাগৰ হাইস্কুলৰ পৰাই এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ জলপানী লাভ কৰি কলিকতাৰ কলেজত উচ্চ শিক্ষা লাভ কৰিছিল।

কলিকতাত এম এ আৰু ল পঢ়া কালছোৱাতে অঃভাঃ উঃসাঃ সভাৰ কৰ্ণধাৰ স্বৰূপে প্ৰধান সম্পাদক, ধনভৰালী আদি বিভিন্ন দায়িত্ব বহন কৰিছিল। জোনাকী আলোচনীবো তৃতীয় আৰু চতুৰ্থ বছৰৰ সম্পাদক আছিল বেজবৰুৱা। বেজবৰুৱা সম্পাদিত দ্বিতীয়খন আলোচনী বাঁহী (আঘোণ, ১৯০৯ খৃঃ)।

'আসাম বন্ধু'ত প্ৰকাশিত 'মৃত্যু-শৰ্য্যা' নামৰ কবিতাটো সম্ভৱত বেজ-বেজবৰুৱাৰ প্ৰথম ৰচনা। জোনাকীত সৰহ সংখ্যক কবিতা, উপন্যাস, নাটিকা প্ৰবন্ধ আদি প্ৰকাশ হৈছিল বেজবৰুৱাৰে। তেওঁৰ জোনাকীত প্ৰকাশিত 'কন্যা'ই (২য় বছৰ ৩য় সংখ্যা) প্ৰথম অসমীয়া চুটি-গল্প।

কবিতাৰ সংকলন 'কদমকলি' (১৯১৩ খৃঃ), একমাত্ৰ উপন্যাস 'পদুম কুঁৱৰী' (১৯০৫ খৃঃ), চুটি গল্পৰ সংকলন 'সুৰভি' (১৯০৯ খৃঃ) 'সাধুকথাৰ কুকি' (১৯১২ খৃঃ) 'জোনবিৰি' (১৯১৩ খৃঃ) কেহোকলি (১৯৬৮ খৃঃ) সাধুকথাৰ সংকলন 'জুনুকা' (১৯১০) 'বুঢ়ী আইৰ সাধু' (১৯১১ খৃঃ) 'ককা-দেউতা আৰু নাতিলৰা' (১৯১২ খৃঃ), ধেমেলীয়া নাট 'লিতিকাই' (১৮৯০ খৃঃ), 'নোমল' (১৯১৩), 'পাচনি' (১৯১৩ খৃঃ), 'চিকৰপতি নিকৰপতি' (১৯১৩ খৃঃ) 'বজা গদাধৰ' আৰু বুৰঞ্জীমূলক নাট 'জয়মতী কুঁৱৰী' (১৯১৫ খৃঃ), 'চক্ৰধ্বজ সিংহ' (১৯১৫ খৃঃ), 'বেলিমাৰ' (১৯১৫ খৃঃ) বেজবৰুৱাৰ উল্লেখ-যোগ্য ৰচনা।

বেজবৰুৱাৰ কৃপাবৰী ৰচনা অসমীয়া সাহিত্যৰ সম্পদ। এই কৃপাবৰী ছাস্যৰসৰ বাবেই শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ ত্ৰয়োদশ অধি-বেশনত সভাপতি নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে বেজবৰুৱাক ৰসৰাজ উপাধিৰে বিভূষিত কৰিছিল। 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা' (১৯০৪), কৃপাবৰ বৰুৱাৰ ওভোতনি' (১৯০৯), 'বৰবৰুৱাৰ ভাবৰ বুৰবুৰণি' (১৯৫১) আৰু 'বৰবৰুৱাৰ বুলনি' (১৯৬৪) তেওঁৰ কৃপাবৰী ৰচনাৰ সংকলন।

'মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ' (১৯১৪) আৰু 'শঙ্কৰদেৱ' (১৯১১), 'তত্ত্ব কথা', 'কৃষ্ণ কথা', 'অসমীয়া ভাষা আৰু সাহিত্য' বৈষ্ণৱ ধৰ্মৰ গভীৰ তত্ত্ব আৰু অসমীয়া ভাষা সম্পৰ্কে আলোচনা কৰা পুথি। 'বাখৰ' (১৯১৪), 'কামত কৃতিত্ব লভিবৰ সঙ্কেত' (১৯০৩), 'ভাগৱত কথা' (১৯১৫ খৃঃ) 'দীননাথ বেজবৰুৱাৰ জীৱনী' (১৯০৯), 'বেজবৰুৱাৰ বংশাৱলী' (১৯৩৪) 'ভাৰতবৰ্ষৰ বুৰঞ্জী' (১৯১৯), 'মোৰ জীৱন সোঁৱৰণ', 'দিনলেখা' 'পত্ৰলেখা' প্ৰভৃতি বেজবৰুৱাৰ আন আন পুথি।

১৯২৪ খৃঃৰ ২৭ ডিচেম্বৰৰ পৰা সাহিত্য সভাৰ সপ্তম অধিবেশন গুৱাহাটীত বেজবৰুৱাৰ পৌৰহিত্যত সম্পন্ন হয়। সত্যনাথ বৰা গুৱাহাটী অধিবেশনৰ অভ্যৰ্থনা সভাৰ সভাপতি। সঙ্গীত শাখাৰ সভাপতি ৰজনীকান্ত বৰদলৈ। শৰৎচন্দ্ৰ গোস্বামী পুনৰ সম্পাদক নিৰ্বাচিত হয়।

বৰোদাৰ গাইকোৱাঁৰৰ আমন্ত্ৰণ ক্ৰমে বেজবৰুৱাই ভাৰতবৰ্ষৰ ইতিহাস আৰু বৈষ্ণৱ ধৰ্ম সম্পৰ্কে এলানি বক্তৃতা দিছিল (১৯৩৩ খৃঃ)। 'The Religion of Love and Devotion' তেওঁৰ বৰোদা বক্তৃতা দুটিৰে সংকলন (১৯৬৮)।

বেজবৰুৱাই ১৮৯১ খৃঃত এলাহাবাদত আৰু ১৯০৩ খৃঃ ত মাদ্ৰাজত দুবাৰ ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰি ভাষণ দিছিল। ১৯১৬ খৃঃত গুৱাহাটীত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিবেশনৰ সভাপতি বেজবৰুৱা।

বেজবৰুৱাৰ বাঁহীত (১ম বছৰ ৭ম সংখ্যা ১৯১০ খৃঃ) প্ৰকাশিত মোৰ দেশ' শীৰ্ষক 'অ' মোৰ আপোনাৰ দেশ' গীতটো জাতীয় সঙ্গীত ৰূপে গ্ৰহণ কৰা হয়।

১৯৩৮ খৃঃৰ ২৬ মাৰ্চত ডিব্ৰুগড় চহৰত বেজবৰুৱাৰ জীৱন-বন্তি নিৰ্বাপিত হয়। ●

ৰজনীকান্ত বৰদলৈ

"তুমি অসমৰ শিক্ষিত ডেকা। এজন গ্ৰেজুৱেট। অথচ অসমৰ বিষয়ে একোকে নাজানা।"

কথাষাৰ শুনি ডেকা গ্ৰেজুৱেটজন থৰ লাগিল। তাতে এই মৃদু ভৎসনা সূচক কথাষাৰ কওঁতা জন হল এজন ইংৰাজ উচ্চপদস্থ বিষয়া।

ডেকাজনে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে ১৮৮৯ খৃঃত বি এ ডিগ্ৰী লাভ কৰি পোনতে গুৱাহাটীৰ উপায়ুক্তৰ কাৰ্য্যালয়ত ৪০ টকা দৰমহাত চতুৰ্থ কেৰাণী নিযুক্ত হৈছিল। সাধাৰণ কেৰাণী চাকৰি কৰিলেও কথাষাৰ ডেকাজনৰ ইকাণেৰে সোমাই সিকাণেৰে ওলাই নগল। অন্তৰত গভীৰ ভাবে ৰেখাপাত কৰিলে।

এই ডেকাজনেই এলানি বুৰঞ্জীমূলক উপন্যাসৰ জনক ৰজনীকান্ত বৰদলৈ। কথাষাৰ কৈছিল আন এগৰাকী বুৰঞ্জীবিদ চাৰ এডৱাৰ্ড গেইটে। বুৰঞ্জী-জ্ঞানৰ অভাৱত যিজন গেইট চাহাবৰ ওচৰত মৃদু ভৎসনা পাব লগা হৈছিল, পিচত সেইজনা গেইট চাহাবে তেওঁৰ কামত সন্তুষ্ট হৈ চব্ ডেপুটি কলেক্টৰ পদ লাভৰ ব্যৱস্থা কৰি দিয়ে। গেইট চাহাবকো 'A History of Assam' ৰচনাত ভালেখিনি সমল যোগাইছিল বৰদলৈ ডাঙৰীয়াই।

চাকৰি জীৱনত বৰদলৈ ডাঙৰীয়াই দোপত দোপে উন্নতি লাভ কৰি ই এ চি আৰু জিলাৰ উপায়ুক্তৰ দায়িত্ব লাভ কৰিছিল। পোনতে উত্তৰ লক্ষীম পুৰত চব ডেপুটি কলেক্টৰ নিযুক্ত হৈ পিচত বৰপেটালৈ বদলি হৈ আহে।

১৮৯৪ খৃঃৰ কথা, নবেম্বৰ মাহ। তেতিয়াৰ দিনত আজি কালিৰ দৰে ৰেল-মটৰ আৰু আকাশীযানৰ ব্যৱস্থা নাছিল। হাতী, ঘোঁৰা আৰু নাওঁ ভ্ৰমণৰ প্ৰধান অবলম্বন। এবাৰ বৰদলৈ ডাঙৰীয়াই মানাহ নদীৰ বুকুয়েদি দীঘলীয়া ভ্ৰমণ কৰিবলগীয়া হল। ভ্ৰমণ আছিল চৰকাৰী ভ্ৰমণ, সীমা বিবাদৰ মীমাংসা কৰা। নদীৰ বুকুত এখন হৈ দিয়া নাওঁ। নাৱৰীয়াই বঠা মাৰি নাওঁ আগুৱাই নিছে। বৰদলৈৰ এই দীঘলীয়া যাত্ৰা ভাল লগা নাই। এনেদৰে খাই-বই মৌজাদাৰ, মণ্ডল, কাননগুৰ লগত কথা পাতি দুদিন কটোৱা যায় কেনেকৈ। কাগজ কলম গোটাই লৈ শোৱা গাকটোকে মেজ কৰি ললে।

আৰু ভেনে ভাবে দুদিন একে লেঠাৰিয়ে বহি ৰচনা কৰিলে প্ৰথম অসমীয়া সামাজিক উপন্যাস 'মিৰি জীয়ৰী'। উত্তৰ লক্ষীমপুৰৰ মিৰি সমাজৰ পট-ভূমি উপন্যাস খনৰ প্ৰধান উপজীব্য। উপন্যাসখন বৰপেটাতে সনাতন ধৰ্ম যন্ত্ৰত ছপা কৰা হয় (১৮৯৫ খৃঃ)।

উত্তৰ লক্ষীমপুৰত থাকোতে মিৰি সম্পৰ্কে গেইট চাহাবক এটা টোকা যুগুত কৰি দিব লগা হৈছিল। উপন্যাসখন ৰচনা কৰিবলৈ ইয়াৰ বাহিৰে আৰু বেলেগ সমল সংগ্ৰহ কৰা নাছিল।

বৰদলৈ ডাঙৰীয়াৰ স্কট বঙ্কিমচন্দ্ৰৰ নিচিনাকৈ এলানি উপন্যাস ৰচনা কৰাৰ সংকল্প আছিল কলেজীয়া ছাত্ৰাৱস্থাৰে পৰা। তেওঁৰ মনৰ সংকল্পৰ কথা শুনি ৰমাকান্ত বৰকাকতীয়ে কৈছিল "সাৱধান বৰদলৈ, উপন্যাস লিখি উঠি অহা ডেকা গাভৰু সকলৰ মন নৈতিক অৱনতিৰ ফালে যেন নিনিয়া।" এইষাৰ কথা বৰদলৈয়ে ওৰেটো জীৱন মনত ৰাখিছিল। সেয়েহে প্ৰেমৰ মাজতো সংযম তেওঁৰ উপন্যাসৰ অন্যতম বৈশিষ্ট্য।

'মনোমতী' বৰদলৈ ডাঙৰীয়াৰ দ্বিতীয় উপন্যাস (ৰচনা ১৮৯৬ খৃঃ) প্ৰকাশ ১৯০০ খৃঃ)। উপন্যাসখন মানৰ তৃতীয় আক্ৰমণ আৰু বৰনগৰীয়া চণ্ডী বৰুৱাকলৈ ৰচনা কৰা। চণ্ডীনাৰায়ণৰ লীলাভূমি বৰনগৰ অঞ্চল তেওঁ পিটি পিটিকৈ চাই ফুৰিছিল। বৰনগৰ আৰু চণ্ডীবৰুৱা সম্পৰ্কেও এটি টোকা প্ৰস্তুত কৰি গেইট চাহাবক দিব লগা হৈছিল।

গুৱাহাটীত থকা সময়ত এবাৰ প্ৰায় এবছৰ কাল পাতি দৰং অঞ্চলত তহচিলদাৰ আছিল। ৰঙিয়াত মাটি পিয়ল কৰি ফুৰোতে এদিন এজন গাৱৰ বুঢ়া মানুহে এখন ঝাৰণিলৈ আঙুলিয়াই কৈছিল—"বাপা এই যে ঝাৰণিখন দেখিছা সেইখনেই আগৰ জিকেৰিয়া বৰুৱা হৰদত্ত আৰু বীৰদত্তৰ গাওঁ আছিল।" পিচত হৰদত্ত বীৰদত্তৰ আতি-গুৰি বিচাৰি সেই কাহিনীকে লৈ ৰচনা কৰিছিল 'দন্দুৱা দ্ৰোহ' উপন্যাস (১৯১৮ খৃঃ)।

'ৰঙিলী' (১৯২৫), 'নিৰ্মল ভকত' (১৯২৫), 'তাম্ৰেশ্বৰীৰ মন্দিৰ' (১৯২৬) আৰু 'ৰহদৈ লিগিৰী' (১৯৩০) বৰদলৈৰ বুৰঞ্জীমূলক উপন্যাস। 'ৰাধাৰুক্মিনী ৰণ' আৰু 'খাৰা খোইবীৰ সাধু কথা' আন দুখন উপন্যাস। গল্প সংকলন 'ভোলাই শৰ্মা', 'জ্ঞান সোপান' আৰু 'মনোবিজ্ঞান' তেওঁৰ আন আন পুথি। অৱসৰ গ্ৰহণ কৰাৰ পিচত 'অসম প্ৰদীপিকা' নামৰ এখন আলোচনীও সম্পাদনা কৰিছিল (১৯২৫)।

১৮৬৭ খৃঃৰ ২৪ নবেম্বৰত গুৱাহাটী চহৰত ৰজনীকান্ত বৰদলৈৰ জন্ম। আৰু ১৯৪০ খৃঃৰ ২৫ মাৰ্চত তিনি কুৰি তেৰ বছৰ বয়সত গুৱাহাটী চহৰতে তেওঁৰ মৃত্যু।

বৰদলৈৰ পূৰ্ব পুৰুষ দিহিঙ অঞ্চলৰ আৰু দিহিঙীয়া বৰদলৈ বুলি খ্যাত। তেওঁৰ পিতৃ নবনাথ বৰদলৈ আৰু মাতৃ স্বৰ্ণময়ী দেবী।

বৰদলৈৰ পঢ়াশলীয়া শিক্ষা গুৱাহাটীতে আৰম্ভ আৰু ১৮৮৫ খৃঃত গুৱাহাটী চৰকাৰী হাইস্কুলৰ পৰাই কুৰি টকীয়া বৃত্তি লাভ কৰি এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। কলিকতা মেট্ৰোপলিটান ইনষ্টিটিউটৰ পৰা বি এ ডিগ্ৰী লাভ কৰি আইনো পঢ়িছিল। বি এ পঢ়াৰ লগতে ডাক্তৰীও পঢ়িছিল। আইন বা ডাক্তৰী পঢ়া কোনোটোৱে সম্পূৰ্ণ নহল।

কলিকতাত পঢ়া কালচোৱাত ৬৭নং মীৰ্জাপুৰ ষ্ট্ৰীটৰ অসমীয়া ছাত্ৰৰ মেচ বাসী হিচাপে বৰদলৈও অঃ ভাঃ উঃ সাঃ সভাৰ লগত জড়িত। মেডিকেল কলেজৰ ছাত্ৰ হিচাপে প্ৰথমতে জোনাকীতে তেওঁৰ প্ৰকাশ হৈছিল 'শৰীৰ তত্ত্ব' শীৰ্ষক এলানি প্ৰবন্ধ। 'ভ্ৰমৰঙ্গ' নাটৰ প্ৰথম নিশাৰ অভিনয়ৰ ভাওৰীয়া সকলৰ ভিতৰত বৰদলৈ এজন। কনকলাল বৰুৱা আৰু গোপালকৃষ্ণ দে'ৰ লগত যুটীয়া ভাবে তেওঁ 'সাবিত্ৰী সত্যবান' নামৰ নাট এখন ৰচনা কৰা কথা আমি পূৰ্বতে উল্লেখ কৰিছো।

১৯২৫ খৃঃৰ ২৭ ডিচেম্বৰৰ পৰা নগাৱঁত অনুষ্ঠিত সাহিত্য সভাৰ অষ্টম অধিবেশনৰ বৰদলৈ ডাঙৰীয়া সভাপতি। জ্ঞানদাভিৰাম বৰুৱা অভ্যৰ্থনা সমিতিৰ সভাপতি। হিতেশ্বৰ বৰবৰুৱা আৰু চন্দ্ৰধৰ বৰুৱা এই অধিবেশনৰে বুৰঞ্জী আৰু সঙ্গীত শাখাৰ সভাপতি। শৰৎচন্দ্ৰ গোস্বামী পুনৰ প্ৰধান সম্পাদক আৰু চন্দ্ৰধৰ বৰুৱা প্ৰথম বাৰৰ বাবে পত্ৰিকা সম্পাদক নিৰ্বাচিত হয়। বৰদলৈ গুৱাহাটীত অনুষ্ঠিত সপ্তম অধিবেশনৰ সঙ্গীত শাখাৰো সভাপতি আছিল।

অৱসৰ গ্ৰহণ কৰাৰ পিচত চাহ খেতিলৈ মন মেলিছিল যদিও কৃতকাৰ্য হব নোৱাৰিলে। প্ৰথম আৰু দ্বিতীয় পুত্ৰৰ অকাল মৃত্যুৰ বাবে তেওঁৰ পাৰিবাৰিক জীৱনো আছিল দুখ বেদনাৰে পৰিপূৰ্ণ। ●

বেণুধৰ ৰাজখোৱা

"মই টকা দিবলৈ গাত লৈছোঁ হয়, কিন্তু এটা চৰ্ত্তো আছে। সেইটো এই—তই 'জোনাকী' আৰু 'বিজুলী'ত নিলিখো বুলি আৰু কোনো সাহিত্যৰ কামত হাত নিদিও বুলি শপত খাব পাৰ ; তেহে মই তোক কলিকতালৈ পঠিয়াম।"

কলিকতা কলেজত পঢ়ি দুবাৰকৈ পৰীক্ষা দিও বি-এ মহলাত উঠিব নোৱাৰাত ককায়েকে বেণুধৰ ৰাজখোৱাক কথাষাৰ কৈছিল। ককায়েকৰ কথাষাৰ তেওঁৰ গাজত লাগিল। একো প্ৰতিজ্ঞা নকৰিলে যদিও মনতে সংকল্প কৰিলে এইবাৰ বি এ ডিগ্ৰী লবই লাগিব। সচাকৈয়ে কলিকতালৈ উভতি গৈ ৰাতিক দিন কৰি পঢ়ি তৃতীয় বাৰত বেণুধৰ ৰাজখোৱাই বি-এ ডিগ্ৰী লাভ কৰিলে (১৮৯৬ খৃঃ)।

১৮৮৯ খৃঃত ডিব্ৰুগড় চৰকাৰী হাইস্কুলৰ পৰা ৰাজখোৱাই সুখ্যাতিৰে এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈছিল। মিতিৰ কুটুমৰ ঘৰত ভোজ ভাত জা-জলপান খাই যিদিনা তেওঁ উচ্চ শিক্ষাৰ বাবে কলিকতালৈ ওলাইছিল, সিদিনা আকৌ ঘৰত হুৰা-হুৰা কান্দোন-কাটোন। যেন বিয়া দিয়া জোৱালীহে যাবলৈ ওলাইছে।

আদিতে কলিকতা নিবাসী সকলো ছাত্ৰ আছিল অঃ ভাঃ উঃ সাঃ সভাৰ সদস্য। সভাৰ মুখপত্ৰ স্বৰূপে জোনাকী সকলোৰে জপৰ আদৰৰ ধন। প্ৰথম বছৰ জোনাকীতে ছাত্ৰ ৰচনা শিতানত প্ৰকাশ হৈছিল বেণুধৰ ৰাজ-খোৱাৰ 'মাতৃ-ভক্তি'।

এবাৰ পদ্মনাথ গোহাঞি বৰুৱা আৰু বেণুধৰ ৰাজখোৱাই ৰচনা কৰিছিল 'ডেকা গাভৰু' নামৰ এখনি সৰু নাটিকা। নাটিকাখনৰ 'বিহু দৃশ্য' বোলা দৃশ্যটিয়ে মানুহৰ মাজত বিৰূপ সমালোচনাৰ সৃষ্টি কৰিছিল। এই বিষয়ে জোনাকীত আলোচনাও ওলাইছিল। এই বিৰূপ সমালোচনা আৰু আন কেইটামান কাৰণত ৰাজখোৱাকে আদি কৰি এদল ছাত্ৰ অঃ ভাঃ উঃ সাঃ

সভা আৰু জোনাকী গোষ্ঠীৰ পৰা ফালৰি কাটি গৈ ১৪নং প্ৰতাপচন্দ্ৰ চেটাৰ্জী লেনত 'আসাম ষ্টুডেন্ট লিটাৰেৰী ক্লাব' বুলি নকৈ সভা এখন গঠন কৰিলে। আৰু বিজুলী নামৰ আন এখন আলোচনী প্ৰকাশ কৰিলে। ৰাজখোৱা আছিল 'বিজুলী' সম্পাদনাত সোঁহাত স্বৰূপ আৰু তেওঁৰ ভালে মান প্ৰবন্ধ বিজুলীতে প্ৰকাশ হয়।

১৮৭২ খৃঃৰ ১১ ডিচেম্বৰত ডিব্ৰুগড়ৰ ওচৰৰ খোৱাং চহৰত বেণুধৰ ৰাজখোৱাৰ জন্ম। তেওঁৰ পিতৃ ছুচন্দৰাম ৰাজখোৱা আৰু মাতৃ হীৰাৱতী। পিতৃ আছিল মৌজাদাৰ। প্ৰথমতে বেণুধৰ ৰাজখোৱা চৰডেপুটি কলেক্টৰ স্বৰূপে চৰকাৰী চাকৰিত সোমায় (১৮৯৯ খৃঃ)। পিচত ই এ চি, উপায়ুক্ত স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰি ১৯৩২ খৃঃত অৱসৰ গ্ৰহণ কৰে।

ৰাজখোৱা ডাঙৰীয়া স্কুল কলেজত পঢ়া দিনৰে পৰা নানান ৰাজহুৱা কামৰ লগত জড়িত। ডিব্ৰুগড় ছোৱালী হাইস্কুল, কানৈ কলেজ আদি স্থাপন কৰাত ৰাজখোৱা ডাঙৰীয়াই আগ ভাগ লৈছিল। এক সময়ত তেওঁ ডিব্ৰুগড় কানৈ কলেজৰ অসমীয়া বিভাগত অধ্যাপনা কৰিছিল।

ৰাজখোৱা ডাঙৰীয়া ধুবুৰীত অনুষ্ঠিত সাহিত্য সভাৰ নৱম অধিবেশনৰ সভাপতি (১৯২৬ খৃঃ)। জমিদাৰ ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী ধুবুৰী অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি। ডক্টৰ সূৰ্য্যকুমাৰ ভূঞা আৰু ষড়ানন তৰ্কতীৰ্থ ক্ৰমে বুৰঞ্জী আৰু দৰ্শন শাখাৰ সভাপতি। এইবাৰো শৰৎচন্দ্ৰ গোস্বামী প্ৰধান সম্পাদক নিৰ্বাচিত হয়। অসমীয়া ভাষাৰ স্বকীয় বৈশিষ্ট্য সম্পৰ্কে সভাপতিৰ ভাষণত কৰা মন্তব্যত এচাম অনা অসমীয়া লোক অসন্তুষ্ট হৈছিল যদিও সভা সুকলমে সমাধা হৈ যায়। ডিব্ৰুগড়ত সাহিত্য সভাৰ বিংশ অধিবেশনৰ ৰাজখোৱা অভ্যৰ্থনা সমিতিৰ সভাপতি।

ৰাজখোৱা ডাঙৰীয়াৰ সাহিত্য চৰ্চা নিচেই সৰু কালৰে পৰা। তেওঁৰ নিচিনাকৈ ইংৰাজী আৰু অসমীয়া ভাষাত সমানে পুথি ৰচনা কৰা ব্যক্তি সেই কালত বিৰল। অসমীয়া পুথিৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ ৰচনা কৰিছিল বিবিধ বিষয়ৰ পুথি।

'লৰা পুথি', 'সাহিত্য প্ৰবেশ', 'নীতি পাঠ', 'লীলাৱতী' (বীজগণিত) ৰাজখোৱা ডাঙৰীয়াৰ পঢ়াশলীয়া পুথি। 'সেউতী কিৰণ' (১৮৯৪) 'কুৰি শতিকাৰ সভ্যতা' (১৯০৮), 'অশিক্ষিতা ঘৈণী' (১৯১২), 'যমপুৰী' (১৯৩১), 'তিনি ঘৈণী' (১৯২৮), চোৰৰ সৃষ্টি' (১৯৩১), টোপনিৰ পৰিণাম' (১৯৩২)

তেওঁৰ ধেমেলীয়া নাট। 'দক্ষ যজ্ঞ' (১৯০৮) আৰু 'দুৰ্য্যোধনৰ উৰু ভঙ্গ' দুখন পৌৰাণিক নাট।

'অসমীয়া ভাই' (১৯০১), 'সৰু লৰাৰ গান' (১৯১০). 'বাঁহী' (১৯০৬), 'পঞ্চ কবিতা' (১৮৯৫), 'চন্দ্ৰ সম্ভৱ কাব্য' (১৮৯৯), 'পুনৰুত্থান' (১৯৩১), 'দশ গীত' (১৮৯৯), 'দেহাৰ প্ৰলয়' (১৯২৯), 'সিপুৰীৰ বাতৰি' (১৯২৯), 'জীৱন সন্ধিয়া' (১৯৩০) তেওঁৰ গীত আৰু কবিতাৰ পুথি। ৰাজখোৱা ডাঙৰীয়াৰ উল্লেখযোগ্য পুথি 'অসমীয়া' খণ্ড বাক্য কোষ' (১৯১৭)। 'বিহু' 'মহাসতী জয়মতী', 'মোৰ জীৱন দাপোন, তেওঁৰ আন আন পুথি।

ৰাজখোৱা ডাঙৰীয়াৰ দ্বাৰা ৰচিত ইংৰাজী পুঁথিসমূহ হল : 'Assamese Demonology' (১৯০৫) ; 'Notes on the Sylhetee Dialect' (১৯১৩) ; 'Short Account of Assam' (১৯১৫), 'Assamese Popular Superstitions' (১৯২০) ; 'A Note on the Miri Tribe in Assam', 'A Note on Co-education', 'Assamese Popular Proverbs, 'Short sketches of Assam'। শঙ্কৰদেৱৰ 'The Gunamala' (১৯২৩), 'Vipra Damodar' (১৯১৮) ; মাধৱদেৱৰ 'The Holy Nam Ghosha (১৯১৯) আৰু শ্ৰীধৰ কন্দলীৰ কাণখোৱাৰ The Ear Eater (১৯২০)।

১৯৫৫ খৃঃৰ ২২ জুনত বেণুধৰ ৰাজখোৱাৰ মৃত্যু হয়। ●

তৰুণ ৰাম ফুকন

"মৃত্যুক উপেক্ষা কৰি সমুখ সমৰত প্ৰাণ দিবলৈ সাজু হৈ যুঁজ দিবৰ মনেৰে গজেন্দ্ৰই ঘূৰি মোৰ পিনে আগবাঢ়িল। ১০ হাত অন্তৰতে পাই কপালত ৰক্ত চন্দনৰ বজ্ৰললাটিকা পিন্ধাই দিয়া হল ; তেওঁ সগৌৰৱে আঁঠু ললে ; মন্ত্ৰে সসম্ভ্ৰমে অগ্নিবাণ নিক্ষেপ কৰি মৃত্যু মঙ্গল আচৰণ কৰিলো। ওপৰৰ পৰা হুইকি তলত ভালদৰে পৰ্বত ক্ৰোড়শায়ী হল। আমি বিজয় ঘোষণা কৰি কেম্পলৈ উভতি আহিলো।"

এইয়া তৰুণ ৰাম ফুকনৰ নিজ হাতে বাঘমৰা-হাতী চিকাৰৰ কাহিনী। সঁচা-লোমহৰ্ষক ঘটনা ফুকনে মনোৰম ভাষাত গল্প-উপন্যাসৰ দৰে লিখি গৈছিল।

ফুকন ডাঙৰীয়া একেবাহে এগৰাকী ৰাজনীতি বিদ, সাহিত্যিক আৰু চিকাৰী। হাতীমৰা বাঘমৰাত যেনে পাকৈত চিকাৰী, বৰশীৰে মাছ ধৰা, নাৱ খেলা আদিতো তেওঁ আছিল নিপুন লোক। তেওঁৰ চিকাৰৰ মনোৰম কাহিনী প্ৰথমতে 'আৱাহনত' প্ৰকাশ হৈছিল। পিচত 'চিকাৰ কাহিনী' (১৯৭২) পুথিৰ আকাৰত ছপাহৈ ওলাইছে। নিৰস চিকাৰৰ বৰ্ণনা ফুকন ডাঙৰীয়াৰ কাপত মনোৰম সুখ পাঠ্যত পৰিণত হৈছে।

১৯২৬ খৃঃ ত প্ৰথমতে গুৱাহাটীৰ ওচৰত পাণ্ডুত নিখিল ভাৰত কংগ্ৰেছ কমিতিৰ অধিবেশন শ্ৰীনিবাস আয়েঙ্গাৰৰ পৌৰহিত্যত অনুষ্ঠিত হয়। ফুকন আছিল এই সভাৰ অভ্যৰ্থনা সমিটিৰ সভাপতি।

ফুকন ডাঙৰীয়াৰ জন্ম ১৭৯৯ শক, ১৮৭৭ খৃঃৰ ২২ জানুৱাৰীত। তেওঁৰ পিতৃ বলোৰাম ফুকন উজনীৰ বিখ্যাত টীয়কীয়া অধ্যাপক বংশধৰ। আৰু তেওঁৰ মাতৃ ভাগীৰথী দেৱী। সম্বন্ধত তৰুণৰাম ফুকন আনন্দৰাম ঢেকীয়াল ফুকনৰ ভতিজাক।

তৰুণ ৰাম ফুকন সৰুৰে পৰা মেধাবী ছাত্ৰ। গুৱাহাটী কলেজিয়েট স্কুলৰ পৰা ১৮৯২ খৃঃত এণ্ট্ৰেন্স পৰীক্ষাত উৰ্ত্তীৰ্ণ হৈ কলিকতা প্ৰেচিডেন্সী কলেজত পঢ়িছিল। ১৯০১ খৃঃ ত তেওঁ বেৰিষ্টাৰী পঢ়িবৰ বাবে বিলাতলৈ যায়। বেৰিষ্টাৰী পাচ কৰি ১৯০৫ খৃঃত স্বদেশলৈ উভতে। ফুকন অসমৰ তৃতীয় বেৰিষ্টাৰ। প্ৰথম আনন্দৰাম বৰুৱা আৰু দ্বিতীয় আবদুল মজিদ।

প্ৰথমতে ফুকন ডাঙৰীয়াই কলিকতাত আইন ব্যৱসায় কৰিছিল, পিচত গুৱাহাটীলৈ আহে। কিছুকাল তেওঁ গুৱাহাটীৰ আৰ্ল ল কলেজত অধ্যাপনাও কৰিছিল।

ফুকন ডাঙৰীয়াই ১৯২০ খৃঃ ৰ পৰাহে ৰাজনীতিত সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰিছিল। ১৯২১ খৃঃ ত প্ৰথমতে মহাত্মা গান্ধী অসমলৈ আহোতে ফুকনৰ ঘৰতে আলোহী আছিল। গান্ধীজীৰ উপস্থিতিত ফুকনৰ ঘৰৰ সমূখতে বিলাতী কাপোৰ বৰ্জন মহাযজ্ঞত ফুকন আৰু ভালেমান লোকৰ মূল্যবান কাপোৰ ভস্মীভূত কৰিছিল।

ফুকন ডাঙৰীয়া গুৱাহাটী লোকেল বোৰ্ডৰ প্ৰথম বেচৰকাৰী চেয়াৰমেন। তেৱেঁই অসমৰ পৰা কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰো সদস্য আছিল।

কংগ্ৰেছৰ ভিতৰতে পিচত মতিলাল নেহেৰু, চিত্তৰঞ্জন দাস আদিৰ যত্নত স্বৰাজ্য দল গঠন কৰা হয়। ফুকনো উক্ত দলৰ সক্ৰিয় সদস্য ভুক্ত হয়। কিছুমান

কাৰণত মত বিৰোধ হোৱা বাবে তেওঁ কিছুকাল কংগ্ৰেছৰ পৰা আঁতৰি আছিল। পিচত তেওঁ পুনৰ কংগ্ৰেছৰ কামত উঠি পৰি লাগিল। ১৯৩৮ খৃঃ ত পোন প্ৰথম বাৰৰ বাবে গোপীনাথ বৰদলৈয়ে কংগ্ৰেছী মন্ত্ৰীসভা গঠন কৰাৰ মূলতো আছিল তৰুণৰাম ফুকনৰ নানান কূট কৌশল।

১৯২৭ খৃঃ ৰ অক্টোবৰৰ পৰা সাহিত্য সভাৰ দশম অধিবেশন ফুকনৰ পৌৰ-হিত্যত গোৱালপাৰাত অনুষ্ঠিত হয়। ভোলানাথ চৌধুৰী এই অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি। পূৰ্ণানন্দ শৰ্মা পাঠক প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

অসম ছাত্ৰ সন্মিলনৰো তেজপুৰত অনুষ্ঠিত ত্ৰয়োদশ অধিবেশনৰ (১৯২৮ খৃঃ) ফুকন সভাপতি। উক্ত অধিবেশনতে 'অ মোৰ আপোনাৰ দেশ' গীতটি জাতীয় সঙ্গীত স্বৰূপে গ্ৰহণ কৰা হয়।

ফুকন ডাঙৰীয়া এগৰাকী সুবক্তা, ইংৰাজী, হিন্দী, উৰ্দু বঙলা আদি কেবাটা ভাষাতো বক্তৃতা দিব পাৰিছিল। স্বাধীনতা আন্দোলনত তেওঁ কেবা বাৰো কাৰাবৰণ কৰিব লগা হৈছিল।

'স্মৃতিমালা' (১৯২৬) ফুকন্ ডাঙৰীয়াৰ একমাত্ৰ কবিতাৰ সংকলন। সৰহ ভাগ কবিতাই অসহযোগ আন্দোলনৰ সময়ত কাৰাবৰণ কৰোতে শিলচৰ জেলত লিখা। 'যৌনতত্ব, (১৯৩৩) তেওঁৰ আন এখন পুথি।

গুৱাহাটী চহৰত প্ৰথম চাইকেল আনি চলাইছিল ফুকন ডাঙৰীয়াই। সামাজিক নীতি নিয়ম পালনতো তেওঁ আছিল উদাৰ। গুৱাহাটী চহৰত প্ৰথমতে পত্নীৰ লগত মুকলি ভাবে ফুৰা চকা কৰিছিল ফুকন ডাঙৰীয়াই।

১৯৩৯ খৃঃ ৰ ২৮ জুলাইত ফুকন ডাঙৰীয়া মৃত্যুৰ মুখত পৰে। ●

কমলাকান্ত ভট্টাচাৰ্য্য

'Are you a Bangalee'

'No' I am Assamese, not Bengali

'Is Assamese different from Bangali ? Is not Assamese a vulgar dialect of Bengali ?'

এইবাৰ আৰু দৃঢ় স্বৰে নিৰ্ভিক ভাবে উত্তৰ দিলে No it can not be,, Assamese is a more ancient language than Bengali. Assamese is our mother language because we never dreamt in Bengali except in Assamese. That no nation can dream in foreign language is as true as daylight.

এন্ট্ৰেন্স পৰীক্ষা দিবলৈ ওলোৱা লৰা এজনক ইংৰাজ কবি গ্ৰেৰ কবিতা এটা সুন্দৰ ভাবে মুখস্থ মতা বাবে পৰীক্ষকে বঙালী বুলি প্ৰশ্ন কৰিছিল। তেতিয়াৰ দিনত এন্ট্ৰেন্স দিবলৈ ওলোৱা লৰাৰ পৰীক্ষা লৈছিল চীফ চেক্ৰেটাৰীয়ে। তেতিয়াৰ চীফ চেক্ৰেটাৰী ছাৰ জন চাহাবৰ কথাষাৰ শুনি লৰাজনে উত্তৰ দিছিল "মই বঙালী, নহওঁ অসমীয়াহে"।

'ছাত্ৰাৱস্থাৰে পৰা দেশ মাতৃ কাৰ প্ৰতি থকা গভীৰ অনুৰাগেৰে এনেভাবে নিৰ্ভিকতাৰ পৰিচয় দিয়া 'টপ্‌টলো' ডেকা লৰা জন আছিল 'অগ্নিঋষি কমলাকান্ত ভট্টাচাৰ্য্য। ভট্টাচাৰ্য্যৰ 'স্বদেশ প্ৰেম, সজাতি প্ৰেম, নিৰ্ভীকতা স্পষ্টবাদিতা, সৰ্বজন বিদিত। যতেই অসমীয়াৰ জাতীয় চৰিত্ৰৰ অৱনতি দেখিছিল, যেতিয়াই স্বদেশ প্ৰেমৰ অভাৱ অনুভৱ কৰিছিল, তেতিয়াই সিংহ নিনাদেৰে গৰ্জি উঠিছিল কমলাকান্ত।

> 'ঠিক অসমীয়া মানুহ নহয়
> অসম শ্মশান নোহে কোনে কয়।'

কমলাকান্তৰ স্বদেশ প্ৰেমৰ চানেকী ফুটি উঠিছে 'চিন্তানল' আগছোৱা (১৮৯০), 'চিন্তানল' শেষছোৱা (১৯২২) আৰু 'চিন্তাতৰঙ্গ' আগছোৱাৰ (১৯৩৩) তেজোদীপ্ত কবিতা ৰাজিত। কবিৰ মতে 'চিন্তানল মোৰ বুকুৰ জুই।'

তেজপুৰৰ বিশ্বনাথ ঘাটৰ ওচৰৰ গড়েহাগী নামৰ গাৱঁত বিখ্যাত শিৰোমণি ভট্টাচাৰ্য্যৰ বংশত ১৮৫০ খৃঃ ৰ ২৩ ডিচেম্বৰত কমলাকান্তৰ জন্ম। তেওঁৰ পিতৃ ৰানেশ্বৰ ভট্টাচাৰ্য্য আছিল পুলিচ বিভাগৰ চাকৰিয়াল, দাৰোগা।

কমলা কান্ত সৰুৰে পৰা তীক্ষ্ণ বুদ্ধিৰ লৰা। প্ৰথমতে ঘৰতে তেওঁক নিত্যানন্দ ঠাকুৰে ক খ পঢ়াইছিল। তেওঁৰ ইংৰাজী শিক্ষা তেজপুৰ আৰু গুৱাহাটী হাইস্কুলত।

তেতিয়া অসমৰ পঢ়াশালিৰ ভাষা বঙলা ভাষা। সেই সময়ৰ লেফ্‌টেনেণ্ট গৱৰ্ণৰ চাৰ জৰ্জ কেম্বল চাহাবে অসমত অসমীয়া ভাষা প্ৰচলন হব লাগে নে বঙলা ভাষা প্ৰচলন হব লাগে· এই বিষয়ে গেজেতৰ জৰিয়তে মতামত বিচাৰিছিল। আৰু স্কুলীয়া ছাত্ৰ কমলাকান্তই তেতিয়াই অসমীয়া ভাষা প্ৰচলন হব লাগে বুলি এটি আন্দোলন গঢ়ি তুলিছিল।

হাইস্কুলত পঢ়ি থাকোতে পিতৃ বিয়োগ হোৱাত ঘৰুৱা অৱস্থাৰ বাবে পঢ়িব নোৱাৰি প্ৰথমতে চাহ বাগিচাৰ কেৰানী কামত সোমায়। পিচত তেওঁ হাতী ব্যৱসায়ৰ পৰা ৰবৰ, সৰিয়হৰ ব্যৱসায়লৈকে নানান ব্যৱসায়ত লিপ্ত হব লগীয়া হৈছিল।

ভট্টাচাৰ্য্যই দাদাভাই নৌৰাজীৰ সভাপতিত্বত কলিকতাত (১৮৮৫) অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছ অধিবেশনত যোগদান কৰিছিল।

১৯২৪ খৃঃ ত ভট্টাচাৰ্য্য ডাঙৰীয়া সপৰিয়ালে কলিকতালৈ যায়। আৰু কলিকতাৰ পৰাই ভূদেৱ মুখোপধ্যায়ৰ পুত্ৰ কুমাৰ দেৱ মুখোপধ্যায়ৰ লগলাগি 'আসাম হিতৈষী' নামৰ এখন পষেকীয়া আলোচনী প্ৰকাশ কৰিছিল (১৯২৫)। তেজপুৰৰ পৰা প্ৰকাশ হৈছিল ইংৰাজী অসমীয়া সংবাদ পত্ৰ 'আসাম বন্তি'। মথুৰা মোহন বৰুৱা আছিল আসাম বন্তিৰ সম্পাদক আৰু ভিতৰি ভিতৰি অসমীয়া ভাগ সম্পাদনা কৰিছিল কমলাকান্ত ভট্টাচাৰ্য্য আৰু পদ্মনাথ গোহাঞি বৰুৱাই।

কমলাকান্তৰ প্ৰথম ৰচনা প্ৰকাশ হয় 'অৰুনোদই সম্বাদ পত্ৰত'। অৰুনোদইৰ পৰা আৰাহনলৈকে এই সুদীৰ্ঘ তিনিকুৰি বছৰ কাল বিভিন্ন আলোচনীত কবিতা প্ৰবন্ধ প্ৰকাশ হৈছিল। 'টাইমচ অৱ আসাম' আৰু 'এডভোকেট অৱ আসামত' তেওঁৰ কেবাটাও ইংৰাজী প্ৰবন্ধ প্ৰকাশ হয়। 'গুটিদিয়েক চিন্তাৰ ঢৌ', 'গীতাৰ ৰহস্য ব্যাখ্যা' আদি এলানি চিন্তা গধুৰ প্ৰবন্ধ প্ৰকাশ হৈছিল 'বাহী', 'আসাম বান্ধৱ' আৰু 'চেতনা'ত।

'কঃ পন্থা' তেওঁৰ একমাত্ৰ প্ৰকাশিত গদ্যৰ পুথি (১৯৩৪) 'টুপীৰ দোকান' 'কছাৰী জাতীৰ বুৰঞ্জী', মোৰ মনত পৰা কথা' 'মেগ্নাম অপাছ' আদি পুথি পাণ্ডুলিপিতে থাকিল।

ভট্টাচাৰ্য্য যোৰহাটত অনুষ্ঠিত সাহিত্য সভাৰ একাদশ সন্মিলনৰ সভাপতি (১৯২৯, ৩০ মাৰ্চ) শিৱপ্ৰসাদ বৰুৱা যোৰহাট অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি। এইবাৰ পূৰ্ণানন্দ শৰ্মা পাঠক প্ৰধান সম্পাদক নিৰ্বাচিত হয়। প্ৰমথ নাথ চক্ৰৱৰ্ত্তী এই অধিবেশনৰ বুৰঞ্জীশাখাৰ সভাপতি।

১৯৩৬ খৃঃৰ ১৪ ডিচেম্বৰত চাৰি কুৰি তিনিবছৰ বয়সত কমলা কান্ত ভট্টাচাৰ্য্য স্বৰ্গী হয়। ●

মফিজুদ্দিন আহম্মদ হাজৰিকা

"কামৰূপীয়াৰ যি শব্দ শুনিবলৈ ভাল তাক উজনীয়াই লোৱাত আপত্তি হব নালাগে; আৰু উজনীয়াৰ যি ভাল মাত তাকো কামৰূপীয়াই লোৱাত আপত্তি কৰিব নালাগে। এনে কৰিব পাৰিলেই এই কেৰোণৰ জইন একেবাৰে মাৰিব বুলি মোৰ বিশ্বাস।"

"বৰ্তমান অসমীয়া হিন্দু মুছলমানৰ ভিতৰত "গড় গঞা মিতিৰৰ ভাও মুখেৰে থাক থাক ভৰিৰে হেচোকে নাওঁ"– এই ভাওৰ। এই কেৰোণটোৱেই হৈছে সকলোতকৈ ডাঙৰ আৰু সকলোতকৈ সাংঘাতিক। এই দোষটো থাকিলে শেষত অসমীয়া ভাষাটো গা কৰিব নোৱাৰিবই। তদুপৰি অসমীয়া জাতিটোকো ঘৰুৱা বহুৰূপী ঘুনে খুলি খুলি খাই জুকলা কৰিব। আৰু একো পথ্যে পাহুৱাল হবলৈ নিদি আদখিনি বাটতে ঠিহিৰা আৰু মজুৰা কৰি বিদেশী ধনী চহকীৰ বহতীয়া কৰিব।"

নিৰ্ভীক আৰু উদাৰ চিত্তেৰে অসম সাহিত্য সভাৰ সভাপতি স্বৰূপে দিয়া এইয়া মফিজুদ্দিন আহম্মদ হাজৰিকা ডাঙৰীয়াৰ ভাষণৰ অংশ বিশেষ। উজনি-নামনি (কামৰূপীয়া) আৰু হিন্দু মুছলমানৰ যি বিভেদ ভাবৰ বিষবৃক্ষৰ গজালি দেখিছিল তাৰ শিপা উভালিবলৈকে হাজৰিকা ডাঙৰীয়াৰ এই আহ্বান।

গ্ৰীচ দেশৰ কবি টুনিকচে জীৱনত মাথোন এটা কবিতা লিখি প্ৰখ্যাত হোৱাৰ দৰে মফিজুদ্দিন আহম্মদ হাজৰিকা ডাঙৰীয়াই জীৱনত এখন কবিতা পুথি প্ৰকাশ কৰিয়ে সমাদৰ লাভ কৰিছে। ১৮৯৬ খৃঃত যেতিয়া 'জ্ঞান মালিনী' প্ৰকাশ হয় তেতিয়া কবিৰ বয়স একুৰি ছয় বছৰ মাত্ৰ।

হেৰা ! হেৰা ! টপটলৌ ডেকা লৰাইঁত
অলপতে কিয় এনে হৈছা উধাৱত ?'
আলিবাটে চালি ধৰি খিন্তিঙালি কৰি
অত পালি কৰা কিয় মুখে ভৰি কাঢ়ি ?

আৰু

লাহতী সেওঁতা ফলা মহী বৰণীয়া কলা
নিতে 'পমেটম' ধহা যতনৰ চুলি
বাছ বুঢ়া কালে ধৰি ৰূপ যেন বগা কৰি
লাওখোলা উদঙাই নিব তুলি তুলি।

এইয়া জ্ঞান মালিনীৰ জনপ্ৰিয় কবিতাৰ ফাকি। উনৈশ শতিকাৰ শেষ দশক ৰোমাণ্টিক আন্দোলনৰ পয়োভৱৰ কাল। জ্ঞানমালিনী উনৈশ শতিকাৰ শেষ দশকৰ পুথি হলেও ৰোমান্তিক ভাব আদৰ্শৰ পৰা মুক্ত। 'জ্ঞান মালিনী'ত অতীত পৰ্য্যালোচনা, প্ৰিয়াৰ ৰূপ কল্পনা, সৌন্দৰ্য্য সন্ধান, ব্যক্তি স্বতন্ত্ৰতা আদি ৰোমাণ্টিক আন্দোলনৰ ঘাই ঘাই লক্ষণসমূহ প্ৰকাশ পোৱা নাই। কিন্তু জ্ঞান মালিনীৰ ৰচনা-ৰীতিত ৰোমাণ্টিক কবিতাৰ আন আন লক্ষণ বিদ্যমান।

মফিজুদ্দিন আহম্মদ হাজৰিকাৰ বংশক বিখ্যাত বাঘ হাজৰিকাৰ বংশ বুলি জনা যায়। তেওঁৰ যিগৰাকী পূৰ্ব পুৰুষে একুৰি পাঁচ বছৰ বয়সতে সুদূৰ দিল্লী নগৰীৰ পৰা অসম পাইছিলহি তেওঁৰ নাম ইছমাইল চিদ্দিক। পিচত এগৰাকী আহোম ছোৱালী বিয়া কৰাই একেবাৰে অসমীয়া হৈ পৰা এৱেঁই প্ৰখ্যাত বাঘ (বাঘা) হাজৰিকা। এওঁকে গড়গঞা সেনাপতি বুলিও জনা যায়। শৰাই ঘাটৰ যুদ্ধত মোগলৰ বিৰুদ্ধে গড়গঞা পালি সেনাপতি স্বৰূপে এৱেঁই যুদ্ধ পৰিচালনা কৰিছিল।

বিখ্যাত বাঘ হাজৰিকাৰ বংশতে ১৮৭০ খৃঃৰ ৩০ আগষ্টত ডিব্ৰুগড়ত মফিজুদ্দিন আহম্মদ হাজৰিকাৰ জন্ম। তেওঁৰ পিতৃ হিম্মতুদ্দিন আহম্মদ হাজৰিকা আৰু মাকৰ নাম বাহদুৰী।

ডিব্ৰুগড়তে তেওঁ পঢ়াশলীয়া শিক্ষা গ্ৰহণ কৰিছিল আৰু ডিব্ৰুগড় হাইস্কুলতে এণ্ট্ৰেন্স মহলালৈ পঢ়িছিল।

তেওঁৰ প্ৰথম চাকৰি বন বিভাগৰ ফৰেষ্টাৰ (১৮৯৩)। পিচত তহচিলদাৰৰ কাৰ্য্যালয়ত সোমায়। ১৯২৬ খৃঃত ডিব্ৰুগড় আদালতৰ পৰা চিভিল পেষ্কাৰ স্বৰূপে অৱসৰ গ্ৰহণ কৰিছিল।

হাজৰিকা ডাঙৰীয়া সাহিত্য সভাৰ লগতো আদিৰে পৰা জড়িত। সাহিত্য সভাৰ গোলাঘাটত অনুষ্ঠিত দ্বাদশ অধিবেশনত (১৯২৯ খৃঃ ১৪ অক্টোবৰ) হাজৰিকা ডাঙৰীয়াই পৌৰহিত্য কৰিছিল। ব্ৰহ্মানন্দ দত্ত অভ্যৰ্থনা সমিতিৰ সভাপতি। দ্বাদশ অধিবেশনৰ বুৰঞ্জী শাখাৰ সভাপতি ৰজনী কুমাৰ পদ্মপতি আৰু প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল কমলাকান্ত বৰুৱা। ইয়াৰ পূৰ্বৰে পৰা তেওঁ ডিব্ৰুগড় সাহিত্য সভাৰ যুটীয়া সম্পাদক (১৮৯৭) আৰু সম্পাদক স্বৰূপে (১৯০৪—৩৪) কাৰ্য্য নিৰ্বাহ কৰিছিল। শিৱসাগৰ ছাত্ৰ সন্মিলনৰ সভাপতি (১৯২৮), শঙ্কৰদেৱ সংঘৰ সভাপতি (১৯৪৮) স্বৰূপে হাজৰিকা বিভিন্ন ৰাজহুৱা অনুষ্ঠানৰ লগত জড়িত।

'তত্ত্ব পাৰিজাত' আৰু 'মালিনীৰ বীণ' তেওঁৰ আন দুখন কবিতাৰ পুথি। তত্ত্ব পৰিজাত মৃত্যুৰ পিচত শতবাৰ্ষিকী উছৱৰ সময়তহে প্ৰকাশ হয় (১৯৭০)। হাজৰিকা ডাঙৰীয়াই ১৯২৬ খৃঃৰ পৰা এটি ২৫ টকীয়া সাহিত্যিক পেন্সন লাভ কৰিছিল।

১৯৫৮ খৃঃৰ ২৯ অক্টোবৰত উদাৰ হৃদয়, ধৰ্মপ্ৰাণ মফিজুদ্দিন আহম্মদ হাজৰিকাৰ জীৱন বন্তী নিৰ্বাপিত হয়। ●

নগেন্দ্ৰনাৰায়ণ চৌধুৰী

'গাভক মানে কি ?

'আপীবিলাক যেতিয়া যৌৱন অৱস্থা পায় সেই অৱস্থাকে গাভক বোলে।'

প্ৰথম মনোমতী উপন্যাসখন হাতত লৈ গাভক শব্দটি বুজিব পৰা নাছিল। আৰু গাভক শব্দটি বুজাই দিব লগা হৈছিল নলবৰীয়া বনকৰা লৰাটিয়ে।

গাভক শব্দটি বুজি নোপোৱা সমস্যা অসমৰ বাহিৰৰ কোনো ছাত্ৰৰ সমস্যা নহয়। অসমৰ ভিতৰৰে গোৱালপাৰা হাইস্কুলৰ ছাত্ৰ এজনৰ সমস্যা। ঘৰত আধা ভঙা অসমীয়া, স্কুলত বঙলা। ঘৰুৱা শিক্ষক জনো বঙালী। ৰাজ বাৰীৰ আমোলা, মহৰী লিগিৰা লিগিৰীৰ মুখতো বঙলা বা আধা ভঙা বঙলা। 'কৰ নোৱাৰো'ৰ ঠাইত 'কৰ নাপাং,' 'খাব নোৱাৰো'ৰ ঠাইত 'খাব নাপাং', কেতিয়া আহিলাৰ ঠাইত 'কখন আছ্‌লি ৰে'।

ৰাজবাৰীৰ পুথিভঁৰালত যি কেইখন পুথি পাজি আছে সৰহখিনি বঙলা, দুই চাৰিখনহে ইংৰাজী আৰু সংস্কৃত। দেউতাকক বৰদলৈ ডাঙৰীয়াই উপহাৰ দিছিল 'মনোমতী' উপন্যাসখন। এইখনেই লৰাজনৰ হাতত পৰা প্ৰথম অসমীয়া পুথি। দ্বিতীয়খন বৰদলৈৰে 'মিৰিজীয়ৰী'। 'গাভক', 'জৰিগছ', 'আকাশ ধুৰলী কুৰলী' আদি কোনোটো শব্দ বুজি পায়, কোনোটো শব্দ বুজি নাপায়। আৰু বুজি নোপোৱা শব্দটিৰ বাবে কাষ চাপিব লগা হয় নলবৰীয়া বন কৰা লৰাটিৰ। অসমীয়া ভাষা সাহিত্যৰ প্ৰতি সককালৰে পৰা আগ্ৰহ প্ৰকাশ কৰা লৰাজনেই হল নগেন্দ্ৰনাৰায়ণ চৌধুৰী।

নগেন্দ্ৰনাৰায়ণ চৌধুৰী গোৱালপাৰা মেছপাৰাৰ জমিদাৰ খগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ দ্বিতীয় পুত্ৰ। তেওঁৰ মাতৃ সাৰদাপ্ৰিয়া। ১৮৮১ খৃঃৰ ডিচেম্বৰ মাহত নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ জন্ম।

ৰাজবাৰীত বঙালী শিক্ষকৰ তলত বঙলা ভাষাৰ মাধ্যমেৰে তেওঁৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ। গোৱালপাৰা আৰু ধুবুৰী হাইস্কুলত তেওঁ হাইস্কুলীয়া শিক্ষা লাভ কৰিছিল। আৰু এণ্ট্ৰেন্স মহলাতে তেওঁৰ পঢ়াশলীয়া শিক্ষা সীমাবদ্ধ।

স্কুলত বঙলা পঢ়াৰ মৰ্মবেদনাই যি কেইজন ছাত্ৰৰ অন্তৰত খুন্দিয়াইছিল নগেন্দ্ৰনাৰায়ণ চৌধুৰী সেই সকলৰ ভিতৰত অন্যতম। এইদল ছাত্ৰই দৃঢ় প্ৰতিজ্ঞ হল স্কুলত বঙলা বৰ্জন কৰি অসমীয়া ভাষা পঢ়িবলৈ। এইদল ছাত্ৰই গঠন কৰিছিল অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা। গঠন কৰি চিন্তা চৰ্চা কৰিছিল যদিও তেতিয়াৰ ছাত্ৰ এজনৰ স্বাধীনতাই বা আছিল কিমান ?

এণ্ট্ৰেন্স মহলাতে হাইস্কুলীয়া শিক্ষাৰ সামৰণি মাৰি অসমৰ বাহিৰলৈ গৈ চিত্ৰাঙ্কন, সঙ্গীত বিদ্যা, মেজিক লাঠি, চুৰি খেল আদি বিবিধ বিষয়ে জ্ঞান লাভ কৰিছিল। সঙ্গীতৰ প্ৰতিও তেওঁৰ আছিল গভীৰ অনুৰাগ।

সাহিত্যৰ প্ৰতিও আছিল চৌধুৰীৰ প্ৰবল অনুৰাগ। কলিকতাৰ পৰা আৱাহনৰ নিচিনা এখন উচ্চ মান বিশিষ্ট আলোচনী প্ৰকাশৰ মূলতেও আছিল চৌধুৰী ডাঙৰীয়া। ১৯২৯ খৃঃত ডাঃ দীননাথ শৰ্মাৰ সম্পাদনাত আৱাহন প্ৰকাশ হয়। আৱাহনক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল এচাম ন লিখাক। আৰু আৱাহনক কেন্দ্ৰ কৰিয়ে বিকাশ সাধন হৈছিল অসমীয়া গল্প সাহিত্যৰ। প্ৰথম বছৰ প্ৰথম সংখ্যাৰ পৰাই চৌধুৰী ডাঙৰীয়াৰো ভালেমান গল্প আৱাহনতে প্ৰকাশ হয়। বৰদৈছিলা আদি আন আলোচনীতো তেওঁৰ দুই চাৰিটা গল্প প্ৰকাশ হৈছে। 'নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প' (১৯৬৩) আৰু বীণাৰ ঝঙ্কাৰ (১৯৬৪) তেওঁৰ দুখন চুটি গল্প সংকলন। দুয়োখন পুথিয়ে ডক্টৰ হেমন্তকুমাৰ শৰ্মাৰ দ্বাৰা সম্পাদিত।

তেওঁৰ ভালেমান প্ৰবন্ধ বিভিন্ন আলোচনীত প্ৰকাশ হৈছিল। কলিকতা এ এচ এল ক্লাবৰো তেওঁ এগৰাকী অন্যতম গুৰিয়াল।

চৌধুৰীৰ প্ৰথমা পত্নী কোচবিহাৰৰ। প্ৰথমা পত্নীৰ মৃত্যুৰ পিচত প্ৰফুল্ল-বালাৰ লগত দ্বিতীয়বাৰ বিবাহ হয়। প্ৰফুল্লবালা স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ নাতি যুৱৰাজ কেশৰকান্ত সিংহৰ কন্যা। অসমীয়া ভাষা সাহিত্যৰ প্ৰতি থকা অনুৰাগৰ বাবে আনকি আত্মীয় স্বজনৰ পৰাও স্ত্ৰীৰ ভাষা চৰ্চা কৰা বুলি নেৎচা কেওচা খাব লগা হৈছিল। সেই বিষয়ে তেওঁ লিখিছে—

"মোক অসমীয়া ভাষা চৰ্চা কৰা দেখি মোৰ কোনো ওচৰ সম্বন্ধীয় আত্মীয়ই কৰবলৈ ইতঃস্তত নকৰিলে যে মই মাতৃ ভাষা এৰি স্ত্ৰীৰ ভাষা চৰ্চা আৰম্ভ কৰি দিছো। কথাষাৰ যে শ্লেষ আৰু বিদ্ৰূপপূৰ্ণ তাক বহলাই কবৰ দৰকাৰ নকৰে। বঙলা ভাষা শিকিলেও আৰু তেতিয়া গোৱালপাৰা

কোৰ্টৰ ভাষা (Court Language) বঙলা থাকিলেও আমি মনে প্ৰাণে পুৰা দস্তুৰ অসমীয়া।"

নগেন্দ্ৰ নাৰায়ণ চৌধুৰী সাহিত্য সভাৰ শিৱসাগৰত অনুষ্ঠিত ত্ৰয়োদশ অধিবেশনৰ সভাপতি। অভ্যৰ্থনা সমিতিৰ সভাপতি ভুবনৰাম গগৈ। বুৰঞ্জী শাখাৰ সভাপতি সোণাৰাম চৌধুৰী। দেবেশ্বৰ চলিহা সেইবাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়।.. চৌধুৰী তেজপুৰ অধিবেশনত (১৯৩৬) পুনৰ সঙ্গীত শাখাৰ সভাপতি নিৰ্বাচিত হৈছিল।

জমিদাৰৰ পৰিয়ালত, অনা অসমীয়া ভাষা সংস্কৃতিৰ মাজত জন্মলাভ কৰিও নিষ্ঠা আৰু ঐকান্তিকভাবে চৌধুৰী ডাঙৰীয়াই ভাষা সাহিত্যৰ সেৱা কৰি যায়। ১৯৪৭ খৃঃৰ ১৩ নবেম্বৰত তিনি কুৰি সাত বছৰ বয়সত চৌধুৰী ডাঙৰীয়াৰ মৃত্যু হয়। ●

জ্ঞানদাভিৰাম বৰুৱা

আৰ্ল ল কলেজৰ প্ৰথম অধ্যক্ষ জ্ঞানদাভিৰাম বৰুৱা জন সমাজত জে. বৰুৱা নামেৰে খ্যাত। ১৯১৪ খৃঃত স্থাপন কৰা কালৰে পৰা ১৯৩৭ খৃঃলৈকে সুদীৰ্ঘ একুৰি তিনি বছৰ জে. বৰুৱা আৰ্ল ল কলেজৰ অধ্যক্ষ। আৰু অধ্যক্ষৰ বাস ভৱনতে বৰুৱাই সৰহ কাল কটাইছিল। সেই ভৱনতে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰো আলহী আছিল।

জ্ঞানদাভিৰাম বৰুৱা নিচেই সৰু কালৰে পৰা বিলাতত শিক্ষা-দীক্ষা লাভ কৰি ডাঙৰ দীঘল হোৱা লোক। ১৫ বছৰ বয়সতে ১৮৯৫ খৃঃত তেওঁ বিলাতলৈ গৈছিল। লণ্ডনত গৈ প্ৰথমতে চিক্‌চ ফৰম্মত (প্ৰথম শ্ৰেণীত) ভৰ্তি হৈছিল। বিলাতত প্ৰথমতে এণ্ট্ৰেন্স পৰীক্ষা পাচ কৰিছিল। পিছত ব্যাৰিষ্টাৰী পাছ কৰে। এবাৰ এবাৰকৈ বিলাতলৈ তেওঁ তিনিবাৰ যায়।

বিলাতৰ পৰা অসমলৈ আহি প্ৰথমতে তেওঁ মুন্সিফ হল। মুন্সিফ থকা কাল ছোৱাত বৰুৱা ডাঙৰীয়া 'ভাবকৰা হাকিম' বুলি জনাজাত আছিল। হাকিম হিচাপে জে. বৰুৱা আছিল বৰ উদাৰ। কোনো দোষীক জৰিমনা

কৰাৰ পিচত কল্দা কটা কৰি ধৰিলে অলপ ৰেহাই দিছিল। কোনো কোনোৱে যদিও তেওঁৰ জেপৰ পৰা জৰিমনা দিয়া বুলি লিখিছে সি সত্য নহয়।

"জৰিমনা মই জেপৰ পৰা কেতিয়াও দিয়া নাছিলোঁ। কিন্তু অলপ কমাই দিছিলোঁ। (জে. বৰুৱাৰ কথা)

জে. বৰুৱাৰ পিতৃ গুণাভিৰাম বৰুৱা। গুণাভিৰাম বৰুৱা আধুনিক অসমীয়া সাহিত্যৰ গুৰিয়াল স্বৰূপ। আধুনিক অসমীয়া নাট 'ৰামনৱমী' (১৮৫৮), 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ' (১৮৮০) 'অসম বুৰঞ্জী' (১৮৭৫) তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ। 'আসাম বন্ধু' (১৮৮৫-৮৬) গুণাভিৰাম বৰুৱা সম্পাদিত আলোচনী।

১৮৮০ খৃঃৰ ১৯ আগষ্টত নগাওঁ চহৰত জ্ঞানদাভিৰাম বৰুৱাৰ জন্ম। নগাৱঁতে তেওঁ চেডেন ক্লাচলৈ পঢ়িছিল। চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি গুণাভিৰাম বৰুৱা কলিকতাত বাস কৰিছিল আৰু ১৮৯৪ খৃঃৰ ২৫ মাৰ্চত কলিকতাতে তেওঁৰ মৃত্যু হয়। ইয়াৰ অলপ আগে পিচে তেওঁৰ পত্নী বিষ্ণুপ্ৰিয়া আৰু দুইপুত্ৰ কমলাভিৰাম আৰু কৰুণাভিৰামৰ মৃত্যু হয়।

জে বৰুৱা দেখিবলৈ থোলোকা চাহাব। দীঘল কাণ দুখনৰে সৈতে সুন্দৰ পুৰুষ। তেওঁৰ ইংৰাজী কোৱাৰ ধৰণ কৰণ চাহাবৰ নিচিনা। এহাতে যেনেকৈ গোড়া চাহাব আন হাতে তেনেকৈ নৈষ্ঠিক অসমীয়া। তেওঁৰ মুখৰ অসমীয়া নিৰহ-নিপানী অসমীয়া। তেওঁ কেতিয়াও অসমীয়া বাক্যৰ মাজত ইংৰাজী শব্দ ব্যৱহাৰ নকৰিছিল।

১৯৩৩ খৃঃৰ ২৭ ডিচেম্বৰৰ পৰা উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত সাহিত্য সভাৰ চতুৰ্দশ অধিবেশনৰ জ্ঞানদাভিৰাম বৰুৱা সভাপতি। সৰ্বেশ্বৰ বৰুৱা অভ্যৰ্থনা সমিতিৰ সভাপতি। দেবেশ্বৰ চলিহা এইবাৰো প্ৰধান সম্পাদক নিৰ্বাচিত হয়। উত্তৰ লক্ষীমপুৰ অধিবেশনতে পদ্মনাথ গোহাঞি বৰুৱাক ৰাজহুৱা ভাবে সম্বৰ্দ্ধনা জনোৱা হয়।

জ্ঞানদাভিৰাম বৰুৱাৰ ভালেমান প্ৰবন্ধ 'বাঁহী', 'আৱাহন', 'বৰদৈচিলা' আৰু 'ৰামধেনু'ত প্ৰকাশ হৈছিল। ৰামধেনুতে প্ৰকাশ হৈছিল তেওঁৰ আত্ম-জীৱনী 'মোৰ কথা।'

চেক্সপীয়েৰৰ 'মাৰ্চেন্ট অব ভেনিচ'ৰ আধাৰত ৰচনা কৰা 'ভেনিচৰ সাউদ' (১৯১২) তেওঁৰ প্ৰথম প্ৰকাশিত পুথি। চেক্সপীয়েৰৰ নাটৰ কাহিনীৰ আধাৰত

ৰচনা কৰা তেওঁৰ আন এখন পুথি 'পঞ্চৰত্ন' (১৯১৯)। তেওঁৰ 'দদাইৰ পঁজা' (১৯৩০) আঙক্লচ টমচ কেবিনৰ অসমীয়া অনুবাদ। তেওঁৰ 'বিলাতৰ চিঠি' (১৯৩৯) মনোৰম ভাষাত লিখা বিলাত ভ্ৰমনৰ কাহিনী। 'Folk Tales of Assam' (১৯১৫) তেওঁৰ এখনি ইংৰাজী গ্ৰন্থ। পুথিখনিত ১৭টা অসমীয়া সাধু ইংৰাজীলৈ ভাঙনি কৰিছে।

জে বৰুৱা আছিল এগৰাকী সুনিপুন অভিনেতা। তেওঁ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ইন্দ্ৰ মালতীত এটি প্ৰধান ভূমিকাৰ ভাও লৈছিল। ইন্দ্ৰ মালতীত তেওঁৰ পুত্ৰ মনোভিৰামে ইন্দ্ৰৰ ভূমিকা লৈছিল। জে বৰুৱাক ভাও লবলৈ দি হেনো জ্যোতি প্ৰসাদে কৈছিল "আইন্ জীৱী জে বৰুৱাক আনিছোঁ তেখেতে কোৰ্টত কোৱা অতি সুন্দৰ এটি ইংৰাজী ভাষণ মই ইন্দ্ৰ মালতীত ডকুমেন্টৰী ৰূপে ধৰি ৰাখিম। জে বৰুৱা অসমৰ বুৰঞ্জীত সদায় থাকিব। তেওঁৰ দৰে বাৰিষ্টাৰৰ ভাষণ বুৰঞ্জী হৈ ৰব। আৰু মই দলিল চিত্ৰৰ (ডকুমেন্টৰী) বুৰঞ্জীক বন্দী কৰিম যাতে ভৱিষ্যতৰ অসমীয়া চামে তেখেতক আৰু তেখেতৰ ইংৰাজীক মনত ৰাখে।"

বৰুৱা ডাঙৰীয়াই ৰবীন্দ্ৰনাথৰ পৰিয়ালৰ স্বৰ্ণলতাৰ লগত বিবাহ বন্ধনত আবদ্ধ হৈছিল। জোৰাসাকোৰ ঠাকুৰ পৰিয়ালৰ মাজত হোৱা 'বাল্মীকি প্ৰতিভা' নাটকৰ অভিনয়ত স্বয়ং ৰবীন্দ্ৰনাথে বাল্মীকিৰ ভাও লৈছিল। জে বৰুৱাই লৈছিল দস্যু চৰ্দাৰৰ ভূমিকা। বেজবৰুৱাৰ কণ্যা অৰুণাই লৈছিল বনদেৱীৰ ভাও। অধ্যক্ষ থকা কালছোৱাত আইন কলেজৰ অভিনয়তো জে বৰুৱাই নিজে লৰাৰ লগত অংশ গ্ৰহণ কৰিছিল।

১৯৫৫ খৃঃৰ ২৭ জানুৱাৰীত তিনি কুৰি পোন্ধৰ বছৰ বয়সত এইজনা মহান পুৰুষৰ গুৱাহাটীৰ শিলপুখুৰীৰ 'অভিৰাম'ত লোকান্তৰ হয়। ●

আনন্দচন্দ্ৰ আগৰৱালা

'আনন্দি! শুনিছোঁ বোলে তেজপুৰত এটা হেড কনিষ্টবলৰ কাম খালি হৈছে ?'

'কব নোৱাৰোঁ'

'খবৰ কৰি তই তাতেই নোসোমাৱ কিয় ? পুলিচৰ চাকৰি হলে ভাল হব।'

কথাষাৰ শুনি আনন্দি মানে আনন্দচন্দ্ৰ আগৰৱালা চমকি উঠিল। পুলিচৰ চাকৰি, তাতে আকৌ কনিষ্টবল। ৰঙা পাগুৰি, খাকি হাফপেণ্ট, হাফচাৰ্ট ককালত পিতলৰ ঘূৰণীয়া চকাটোৰ সৈতে চামৰাৰ বেল্ট এডাল আৰু বুকুত জিলিকি থকা পিতলৰ নম্বৰ কেইটা।

'দেউতা হেড কনিষ্টবলৰ চাকৰি'

'এৰা তই সোমা ; মই তোক আশীৰ্বাদ দিছোঁ, তোৰ ইয়াতেই মঙ্গল হব।"

আনন্দ বিমোৰত পৰিল। ৰঙা পাগুৰি মৰা হেড কনিষ্টবল। চকু দুটি মুদি আৰু এবাৰ ভাবি চালে। চকুত ভাহি উঠিল বুকুত পিতলৰ নম্বৰ কেইটাৰ সৈতে হেড কনিষ্টবলৰ ছবি এখন।

ইয়ালৈকে কলিকতালৈ গৈ এফ এ মহলালৈ পঢ়িছিল নে ? ইয়ালৈকে কলিকতীয়া কালছোৱাত উন্নতি সাধিনী সভা জোনাকী বিজুলী কাকতত প্ৰবন্ধ কবিতা লিখি ভাষা সাহিত্য চৰ্চা কৰিছিল নে ? আৰু কলিকতাত পঢ়া কালছোৱাৰ বন্ধু-বান্ধৱসকল ? কোনো জন বি এ ফেল ভূমি হাকিম, কোনো জন ই এ চি, মুন্সিফ আৰু কোনোজনৰ স্বাধীন ব্যৱসায় ওকালতি। আৰু তেওঁ সিসকলৰ আগলৈ ওলাব ৰঙা পাগুৰি পিন্ধা কনিষ্টবল সাজি।

ইপিনে পিতৃৰ আজ্ঞা 'তই সোমা, তোৰ মঙ্গল হব।' আৰু এবাৰ চকুমুদি ভাবিলে। শেষত পিতৃ বাক্য শিৰত লৈ ভাগ্যক ধিয়াই এদিন ৰঙা পাগুৰি পিন্ধি হেড কনিষ্টবল স্বৰূপে পুলিচ বিভাগত যোগদান কৰিলে।

মনত আক্ষেপ থাকিল যদিও কামত আক্ষেপ নাই। নিয়াৰিকৈ কৰ্তব্য-নিষ্ঠাৰে নিজৰ দায়িত্ব পালন কৰি গৈছে। ছমাহ পিচতে পুলিচ চব্ ইন্সপেক্টৰ পদলৈ পদোন্নতি। ছমাহ পিচতে পিতৃৰ আশীৰ্বাদ এনেদৰে ফলিয়াব বুলি

আনন্দই ভাবিবকে পৰা নাছিল। তাৰ পিচত ইটো খাপৰ পৰা সিটো খাপ আৰু এদিন আনন্দচন্দ্ৰ আগৰৱালা পুলিচ চুপাৰিণ্টেণ্ডেণ্ট।

আগৰৱালা পৰিয়ালৰ অসমলৈ অহা আদি পুৰুষ নৱৰঙ্গৰাম আগৰৱালা। ভাগ্য অন্বেষণৰ বাবে তেওঁ সুদূৰ ৰাজপুতনাৰ পৰা অসমলৈ আহিছিল। গোৱালপাৰা বিশ্বনাথ আদিত ব্যৱসায় কৰি গমিৰিত থিতাপি লয়। আৰু অসমত নিগাজীকৈ থাকিবৰ মনেৰে তেওঁ প্ৰথমতে ৰাজখোৱা পৰিয়ালৰ সাদৰীক আৰু পিচত শইকীয়াৰ ঘৰৰ সোণপাহীক বিয়া কৰায়। সাদৰীৰ পুত্ৰ হৰিবিলাস আৰু সোণপাহীৰ পুত্ৰ কাশীৰাম। চন্দ্ৰকুমাৰ, পৰমানন্দ (জ্যোতিপ্ৰসাদৰ পিতৃ) আদি হৰিবিলাসৰ পুত্ৰ।

কাশীৰামৰ পুত্ৰ আনন্দচন্দ্ৰ আগৰৱালা। আনন্দচন্দ্ৰৰ মাতৃ ৰাধিকা। ১৮৭৪ খৃঃৰ ভাদত তেজপুৰৰ ওচৰৰ কলংপুৰ মৌজাত আনন্দচন্দ্ৰৰ জন্ম। কলংপুৰ আৰু তেজপুৰতে তেওঁৰ পঢ়াশলীয়া শিক্ষা লাভ হয়। ১৮৯১ খৃঃত সুখ্যাতিৰে কুৰি টকীয়া বৃত্তি লাভ কৰি তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা তেওঁ এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়।

কলিকতাত আগৰৱালাই মেট্ৰোপলিটান কলেজত এফ এ পঢ়িছিল। তেতিয়া তেওঁৰ উপাধি আনন্দচন্দ্ৰ গুপ্ত।

আনন্দচন্দ্ৰৰ নিচেই সৰু কালতে 'লৰা বন্ধু'ত (কৰুণাভিৰাম বৰুৱা সম্পাদিত) প্ৰথম ৰচনা প্ৰকাশ হয়। প্ৰথম বছৰ জোনাকীতে ছাত্ৰৰচনা শিতানত তেওঁৰ প্ৰকাশ হৈছিল 'পৰীক্ষা' নামৰ ৰচনা এখন।

কলিকতালৈ আহিয়ে 'জোনাকী' আৰু অঃ ভাঃ উঃ সাঃ সভাৰ বাবে উঠি পৰি লাগিছিল। আৰু অঃ ভাঃ উঃ সাঃ সভাৰ সহকাৰী সম্পাদক স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল। ভাষা সাহিত্যৰ উন্নতিৰ বাবে উঠি পৰি লগাৰ বাবেই আন আন ছাত্ৰৰ দৰে আনন্দচন্দ্ৰয়ো এফ এ মহলাত উত্তীৰ্ণ হব নোৱাৰিলে।

সিমানতে শিক্ষা শেষ কৰি কিছুদিন শিৱসাগৰ বেজবৰুৱা হাইস্কুলত শিক্ষকতা কৰিছিল। আৰু খুড়ায়েক হৰিবিলাস আগৰৱালাৰ লগত ব্যৱসায়ো কৰিছিল।

পুলিচৰ চাকৰি কৰিলেও খাকী পোছাক আৰু চামৰাৰ বেল্ট ডালে আনন্দচন্দ্ৰক অকল চোৰ ডকাইত আৰু বগা ফিটাৰ মেৰ পাকত বান্ধি ৰাখিব নোৱাৰিলে। তেওঁ যতেই যেনে ভাবে যি পদৱীতে নাথাকক সেই অৱস্থাতে ভাষা সাহিত্যৰ সেৱা কৰিবলৈ কেতিয়াও অৱহেলা কৰা নাছিল।

১৯২৯ খৃঃত প্ৰথম বাৰৰ বাবে ধুবুৰীত সাহিত্য সভাৰ নৱম অধিবেশন অনুষ্ঠিত হোৱাৰ গুৰিতেও আছিল আগৰৱালা। তেতিয়া তেওঁ ধুবুৰীত পুলিচ চুপাৰিণ্টেণ্ডেণ্ট। এই অধিবেশন উপলক্ষে তেওঁ ৰচনা কৰিছিল "গোৱালপাৰাৰ পুৰণি বিৱৰণ" শীৰ্ষক এখনি সৰু পুথি।

সাহিত্য সভাৰ পঞ্চদশ মঙ্গলদৈ (১৯৩৪ খৃঃ, ডিচেম্বৰ) অধিবেশনৰ আগৰৱালা সভাপতি। তপেশ্বৰ শৰ্মা মঙ্গলদৈ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি। সঙ্গীত শাখাৰ সভাপতি পদ্মধৰ চলিহা। চন্দ্ৰধৰ বৰুৱা প্ৰধান সম্পাদক নিৰ্বাচিত হয়। তেজপুৰত অনুষ্ঠিত সাহিত্য সভাৰ ষোড়শ অধিবেশনৰ আগৰৱালা অভ্যৰ্থনা সমিতিৰ সভাপতি।

জোনাকীতে তেওঁৰ ভালেমান কবিতা আৰু প্ৰবন্ধ প্ৰকাশ হয়। 'আলোচনী', 'উষা', 'বাঁহী', 'আৱাহন', 'জয়ন্তী' আদিতো তেওঁৰ ভালেমান কবিতা, তথ্য গধুৰ পুৰাতত্ত্ব বিষয়ক প্ৰবন্ধ প্ৰকাশ হয়। •

প্ৰথমতে কলিকতাত পঢ়োতে কেইজনমান বন্ধুৰ লগত 'ব্ৰহ্ম সঙ্গীত' নামেৰে ১৪১টা গীতৰ পুথি প্ৰকাশ কৰিছিল (১৮৯১)।

অসমীয়া 'আদি পাঠ' (ক আৰু খ মানৰ বাবে) আৰু 'কোমল পাঠ' (১৯১০) তেওঁৰ পঢ়াশলীয়া পুথি।

আগৰৱালাৰ একমাত্ৰ কবিতাৰ সংকলন 'জিলিকনি' (১৯২২)। ইংৰাজী কবিতাৰ ভাঙনি কবিতাসমূহ 'জিলিকনি'ৰ জনপ্ৰিয় কবিতা। 'ভাঙনি কোঁৱৰ অসমীয়া সাহিত্যত তেওঁৰ পোছাকী সম্ভাষণ। গাৱলীয়া সমাজৰ নিখুট চিত্ৰৰূপ তেওঁৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। তেওঁৰ কবিতা সংখ্যা সাপেক্ষ নহয়; কিন্তু মুষ্টিমেয় কবিতাৰ মাজত প্ৰকাশ পাইছে কবিৰ স্বকীয় বৈশিষ্ট্য।

১৯৩৬ খৃঃত তিনি কুৰি ছয় বছৰ বয়সত আগৰৱালাৰ জীৱনবন্তি নিৰ্বাপিত হয়। আগৰৱালাৰ কথাৰে কবলৈ হলে

মহামহা পুৰুষৰ চানেকীৰে জীৱনৰ
আমিও কৰিব পাৰোঁ জীৱন পঢ়িত
অভিনয় শেষ হলে আয়ুবেলি মাৰ গলে
থৈ যাব পৰে' খোজ সময় বালিত। ●

ৰঘুনাথ চৌধাৰী

১৯১২ খৃঃ। নির্জন বীৰকুচি গাওঁ। জানুৱাৰী মাহ। সিদিনা পূর্ণগ্রাস সূর্য্য গ্রহণ। সূর্য্য গ্রহণৰ পিচতে দিনৰ পোহৰে হালধীয়া ৰূপ ললে। প্রকৃতিৰ এনে অস্বাভাৱিক পৰিবর্তনত বনৰ চৰাই-চিৰকতি, পথাৰৰ গৰু-গাইৰ মনতো এক ত্রাসৰ ভাব। লৰি-চাপৰি ফুৰিছে।

…এপাৰমান বেলিৰ পিচত প্রকৃতিয়ে পুনৰ স্বাভাৱিক ৰূপ ললে। তেতিয়া চকাপাটত বহাৰ সময়। পথাৰৰ কঠীয়াতলীৰ কাষৰ এডাল চোপ গছৰ তলত হঠাৎ এটা বগা শিল আকাশৰ পৰা সৰি পৰিল।

'এইটো শিল কোনে দলিয়ালে'

'নহয় দেউতা, এইটো আকাশী শিল' দুজন গাৱঁলীয়া মানুহ আগবাঢ়ি আহি কলে।

'এইটো আকাশী শিল! ইমান ডাঙৰ শিল আগে পিচে দেখা নাই।'

'দেউতা আপুনি ঘৰলৈ যাওক। আজি কথা বিষম। আজি ধুমুহা আহিব।' মানুহ দুজনে বিদায় লৈ কোবাকুবিকৈ খোজ ললে।

মুখ আন্ধাৰী লাগিছেহে মাত্র। চৌত্রিশ বছৰীয়া ডেকা জন ঘৰলৈ উভতিল। অলপ পিচতে পশ্চিমৰ পৰা সোঁ-সোৱনি, হোঁ-হোৱনি, বতাহ, ধুমুহা শিলাবৃষ্টি, গোজৰণি, বিজুলীৰ চিকমিকনি। গছ বিবিধ যেন উভালি পৰিব। পৃথিবী যেন ধ্বংস হব। ঘৰৰ মুধচ যেন উৰি যাব। উপায় না পাই গোৱা চালপীৰাখনৰ তলতে আশ্রয় ললে।…

…লাহে লাহে প্রকৃতি শান্ত হল। আকাশ মুকলি হল, বতৰো ফৰকাল হল। শুনা গল দূৰৰ পৰা ভাহি অহা এটি কৰুণ অস্পষ্ট সুৰ। সেই সুৰ লাহে লাহে স্পষ্টতৰ হৈ আহিল। প্রকৃতিৰ কি যে বিচিত্র খেলা। তীব্র বেদনাৰ আঘাতত দুখ পোৱা হৃদয়খনে অলপ শান্তনা পালে। অনুভব হল ই যেন এটি শান্তিৰ বার্তাবাহী দূত। সেই সুৰ চিৰ পৰিচিত। চিৰ পৰিচিত শ্বাসত সুৰৰ প্রেৰণাতে ডেকা কবিৰ কাপৰ পৰা ওলাল

ক'ৰ পৰা তই আহিলি সোনাই
কোন দিশে যাব উৰি
কিয় বা ফুৰিছ দূৰ দূৰণিত
অকলৈ ঘূৰি ঘূৰি।

তেতিয়াৰ কেতেকীৰ ডেকা কবি জনাই বিহগী কবি ৰঘুনাথ চৌধাৰী। কবিৰ জন্মও প্ৰকৃতিৰ মাজত গাৱঁলীয়া পৰিবেশত। উত্তৰ কামৰূপৰ লাওপাৰা গাওঁ কবিৰ জন্মস্থান। তেওঁৰ পিতৃ ভোলানাথ চৌধাৰী আৰু মাতৃ দয়ালতা সহজ সৰল আৰু উদাৰ প্ৰকৃতিৰ লোক। ১৮৭৮ খৃঃৰ ৬ মাঘ গনেশ পূজাৰ দিনা কবি চৌধাৰীৰ জন্ম।

ৰঘুনাথৰ বয়স ন মাহ মাত্ৰ। মাকে চাৰি পাৰি ন মহীয়া কেচুৱাক শুৱাই থৈ গা ধুবলৈ গৈছিল। ওচৰত ৰখীয়া কাণী বুঢ়ী এজনী। ৰখীয়া কাণী-বুঢ়ীৰ কেতিয়া টোপনি আহিল কবকে নোৱাৰিলে। নমহীয়া কেচুৱা ঔ বগৰাদি বাগৰি গৈ পিৰালিৰ দাঁতিত পৰি থকা শিলৰ মাজত ভৰি দুখন সোমাই পৰিল। গগন ফলা চিঞৰ শুনি মাক লৰি আহি শিলৰ চেপাৰ পৰা কোনোমতে উলিয়াই আনিলত কি যে এক হৃদয় বিদাৰক দৃশ্য। নমলীয়া কেঁচুৱাটিৰ ককালৰ তলছোৱা ভাগি গৈছে। গাৱলীয়া ওঁজা বেজৰ নানান চিকিৎসাত ৰঘুনাথৰ জীৱন ৰক্ষা পৰিল। কিন্তু কাললৈ ঘৃণীয়া হল। ভৰি এখন চিঞা পৰি ৰল। যিখন পৃথিৱীৰ ৰংৰূপ চাই কবি এদিন আপোন পাহৰা হল; সেইখন পৃথিৱীৰ যাত্ৰা পথ সুস্থ শৰীৰেৰে অতিক্ৰম কৰাৰ ভাগ্য তেওঁৰ নঘটিল।

চাৰি বছৰ পিচত মাক দয়ালতা আৰু ককায়েক বায়েক তিনি জনেই ওচৰা ওচৰিকৈ আঁতৰি গ'ল। পত্নী আৰু পুত্ৰ কন্যাক হেৰুৱাই পিতৃ ভোলানাথ চৌধাৰীও উন্মাদ প্ৰায়। চাৰি বছৰীয়া ৰঘুনাথ আনৰ আশ্ৰয়ত ডাঙৰ দীঘল হব লগা হ'ল।

ছ বছৰ বয়সত গাৱঁৰে কাশীনাথ নামৰ শিক্ষক এজনৰ ওচৰত ৰঘুনাথ চৌধাৰীৰ বিদ্যাৰম্ভ হয়। তেওঁলোকৰ এনে বিপৰ্য্যয়ৰ সময়তে ৰঘুনাথ চৌধাৰীৰ শিক্ষা-দীক্ষাৰ ভাৰ লবলৈ আগবাঢ়ি আহিল বালকৰাম চৌধাৰীৰ পুত্ৰ গৰ্গৰাম চৌধাৰী।

এদিন বৰলীয়া নদীত গুৱাহাটীলৈ যাত্ৰাৰ উদ্দেশ্যে শিশু ৰঘুনাথ নাৱত উঠিল। লগত গৰ্গৰাম চৌধাৰী। পাৰত সজল নয়নেৰে ৰ লাগি চাই ৰল সৰ্বহাৰা পিতৃ ভোলানাথ চৌধাৰী আৰু শৈশৱৰ খেলাৰ লগৰী জিকাফুলী। জিকাফুলী লাওপাৰা গাৱঁৰে তেওঁলোকৰ ঘৰত বনকৰা ভিৰোতা লাওফুলীৰ কন্যা।

নাৱ এৰি দিলে। ভোলানাথ চৌধাৰী—জিকাফুলী লাহে লাহে চকুৰে নেদেখা হল।...নাৱ আহি উজান বজাৰ ঘাটত লাগিল। উজান বজাৰ

গৰ্গৰাম চৌধাৰীৰ থকা ঠাই। তেতিয়া তেওঁ গুৱাহাটী কছাৰীত নাজিৰ। গৰ্গৰাম চৌধাৰীৰ ঘৰ খনেই হল ৰঘুনাথৰ আপোন ঘৰ।

ঘৰুৱা জীৱনৰ দৰে কবিৰ শিক্ষা জীৱনো সংঘাতপূৰ্ণ। কলেজীয়েট হাইস্কুলত পঢ়ি থাকোতে এদিন শিক্ষকৰ লগত ভুল বুজা বুজিৰ বাবে মনো-মালিন্য ঘটিল। স্কুল এৰি এদিন উজনি মুৱা যাত্ৰীবাহী জাহাজত উঠি তেজপুৰ পালে।

ইয়াৰ পিচত কিছুদিন ১৫ টকা দৰমহাত গুৱাহাটী প্ৰাথমিক বালিকা বিদ্যালয়ৰ শিক্ষক নিযুক্ত হল। কিছুদিন লতাশিল প্ৰাইমাৰী স্কুলতো শিক্ষকতা কৰিছিল। ১৮৯৯ খৃঃত পিতৃৰো মৃত্যু হল।

চৌধাৰীৰ আশ্ৰয়দাতা গৰ্গৰাম চৌধাৰীৰ অকাল মৃত্যু তেওঁৰ বাবে আন এটি বিপৰ্য্যয়। গৰ্গৰামৰ পুত্ৰ উমেশ চৌধাৰীৰ বয়স চাৰি বছৰ মাত্ৰ। সেয়েহে ঘৰখনৰ সকলো দায়িত্ব পৰিল ৰঘুনাথৰ ওপৰত। তেওঁৰ এটি নতুন জীৱন আৰম্ভ হল চহৰৰ পৰা নিলগত বীৰ কুছি গাৱঁত। বীৰ কুছি গাৱঁত তেওঁ খেতিত মনপুতি লাগিল। বীৰ কুছি গাৱঁতে কানি নিবাৰণী আন্দোলনত নেতৃত্ব লয়ে আৰু ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়ত বেলতলা অঞ্চলত খাজনা বন্ধ আন্দোলনত আগ ভাগ লৈ পোন্ধৰ মাহৰ বাবে জেললৈ যাব লগা হল।

ছাত্ৰাৱস্থাতে ৰচনা কৰা 'এটি মনৰ ভাব' তেওঁৰ প্ৰথম ৰচনা। আৰু প্ৰথম প্ৰকাশিত কবিতা ও জোনাকীত ওলোৱা (সত্যনাথ বৰা সম্পাদিত) 'এটি মনৰ ভাব'। সত্যনাথ বৰাৰ সম্পাদনাত ওলোৱা দ্বিতীয় খণ্ড জোনাকীৰ চৌধাৰী আছিল সহকাৰী সম্পাদক। শিশু আলোচনী 'মইনা' (১৯২৩), 'জয়ন্তী' (১৯৩৭) আৰু 'সুৰভি' (১৯৪০) চৌধাৰীৰ সম্পাদনাত প্ৰকাশ হোৱা আন আন আলোচনী।

তেজপুৰত অনুষ্ঠিত সাহিত্য সভাৰ ষোড়শ অধিবেশনৰ ৰ(১৯৩৬ খৃঃ এপ্ৰিল) চৌধাৰী সভাপতি। তেজপুৰ অধিবেশনত দেবেশ্বৰ শৰ্মা প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

'সাদৰী' (১৯১০ খৃঃ) কবিৰ প্ৰথম কবিতাৰ সংকলন। দ্বিতীয় কবিতাৰ সংকলন 'দহিকতৰা' (১৯৩১ খৃঃ)। 'কেতেকী' (১৯১৮ খৃঃ) আৰু 'কাৰবালা' (১৮২৩ খৃঃ) দুখনি কাব্য আৰু 'নৱমল্লিকা' (১৯৫৮ খৃঃ) কথা কবিতা বা গদ্য কবিতাৰ সংকলন।

চৌধাৰীৰ কবিতা প্ৰধানকৈ দুটা শ্ৰেণীত ভাগ কৰিব পাৰি কিছুমান বৈৰাগ্যমূলক আৰু কিছুমান প্ৰকৃতি বিষয়ক। প্ৰকৃতি বিষয়ক কবিতা ৰাজিক আৰু দুটা উপশাখাত ভাগ কৰিব পাৰি। চৰাই জীৱনকলৈ ৰচনা কৰা আৰু প্ৰকৃতিৰ বিভিন্ন সম্ভাৰকলৈ ৰচনা কৰা কবিতা। চৰাই জীৱনকলৈ ৰচনা কৰা কবিতা ৰাজিৰ বাবে স্মাৰ্য্যাৰীশ হলিৰাম ডেকাই চৌধাৰীক বিহগী কবি আখ্যা দিছিল। নিভাজ অসমীয়া আৰু জাতীয় জীৱন ছুই যোৱা কল্পচিত্ৰ আৰু উপমাৰে চৌধাৰীৰ ৰচনা ৰাজি সমৃদ্ধ।

১৯৬৭ খৃঃৰ ১৮ নবেম্বৰত প্ৰায় নব্বৈ বছৰ বয়সত চৌধাৰীৰ জীৱন বন্তি নিৰ্বাপিত হ'ল। ●

কৃষ্ণকান্ত সন্দিকৈ

এবাৰ এজন কলেজৰ ছাত্ৰৰ ইংৰাজী বিষয়ত পাৰচেণ্টেজ নথকাত নন কলেজীয়েট হ'ল। ছাত্ৰজন দুখীয়া আছিল। এজন অধ্যাপকক ধৰকৈ ধৰাত তেওঁ পাৰচেণ্টেজ দি কলেজীয়েট কৰি দিলে। কথাষাৰ অধ্যক্ষৰ কাণত পৰিল। তেওঁ অধ্যাপকজনক নিজৰ কোঠালৈ মাতি নি কিয় তেনে কৰিলে সুধিলে। অধ্যাপকজনে বিনয় নম্ৰভাবে কলে লৰাজন দুখীয়া, কিয় তেওঁক মিছাতে নন কলেজীয়েটৰ টকা কুৰিটা ভৰাব লাগে।"

অধ্যক্ষই একো নকৈ টকা কুৰিটা নিজৰ জেপৰ পৰা উলিয়াই লৰাজনক দিবলৈ দিলে। আৰু ছাত্ৰজনক পুনৰ নন কলেজীয়েট কৰিবলৈ অধ্যাপক জনক নিৰ্দেশ দিলে। এনেদৰে নীতি নিয়মৰ কটকটীয়া ৰাস্তোনেৰে অনুশাসন চলোৱা এইজন মহান ব্যক্তিয়ে একালৰ জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ পণ্ডিত প্ৰৱৰ শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।

আৰু এবাৰ অসম চৰকাৰৰ কোনোবা এজন মন্ত্ৰী সন্দিকৈৰ বাসভবনলৈ দেখা কৰিবলৈ যাব বুলি জনোৱাত তেতিয়া তেওঁ সময় নাই বুলি কৈ পঠিয়ালে। সন্দিকৈ তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য। এই ঘটনাৰ পিচত মন্ত্ৰীগৰাকীয়ে আক্ষেপ কৰি কৈছিল "সন্দিকৈ ডাঙৰীয়াৰ নিচিনা

এগৰাকী সময় জ্ঞান থকা ব্যক্তিক এনেদৰে দেখা কৰিবলৈ বিচৰাটো তেওঁৰেই ভুল হৈছে।

পৃথিবীত কিতাপ পঢ়ি ভাল পোৱা মানুহ নোহোৱা-নহয়। কিন্তু কৃষ্ণকান্ত সন্দিকৈৰ নিচিনা আজীৱন জ্ঞান আহৰণৰ বাবে অধ্যয়ন কৰি বাহিৰ জগতৰ কোনো প্ৰকাৰৰ মান-সন্মান যশস্যা পদবী আদিৰ প্ৰতি উদাসীন হৈ ঋষি মুনিয়ে তপস্যা কৰাদি জ্ঞান আহৰণ কৰা মানুহ আজিও পৃথিবীত মুষ্টিমেয় দুই চাৰি জনহে পোৱা যায়। সন্দিকৈ ডাঙৰীয়া তেনে এজন নিস্পৃহ মহান ব্যক্তি।

১৮৯৮ খৃঃৰ ২০ জুলাইত যোৰহাট চহৰত সন্দিকৈ ডাঙৰীয়াৰ জন্ম। তেওঁৰ পিতৃ ৰাধাকান্ত সন্দিকৈ অসমৰ প্ৰখ্যাত সাত ঘৰীয়া আহোমৰ আদাৰবীয়া পৰিয়ালৰ। আৰু মাতৃ নাৰয়ণী সন্দিকৈ পদ্মনাথ গোহাঞি বৰুৱাৰ ভনীয়েক। অসম সাহিত্য সভাৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, চন্দ্ৰকান্ত অভিধান, ৰাধাকান্ত সন্দিকৈ ছোৱালী কলেজ আৰু নাৰায়ণী সন্দিকৈ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ দানবীৰ ৰাধাকান্ত সন্দিকৈৰ অমৰ কীৰ্ত্তি।

কৃষ্ণকান্ত সন্দিকৈয়ে যোৰহাটতে পঢ়ি ১৯১৩ খৃঃত চৰকাৰী হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষা প্ৰথম বিভাগত জলপানী সহ উত্তীৰ্ণ হয়। কটন কলেজৰ পৰা প্ৰথম বিভাগত আই এ (১৯১৫), কলিকতা বিশ্ববিদ্যালয়ৰ সংস্কৃত কলেজৰ পৰা সংস্কৃতত প্ৰথম শ্ৰেণীৰ অনাৰ্চ সহ বি এ (১৯১৭) আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰাই সংস্কৃতৰ বেদ গ্ৰুপত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম এ ডিগ্ৰী লাভ কৰিছিল (১৯১৯)।

১৯২০ খৃঃত সন্দিকৈ উচ্চ শিক্ষাৰ বাবে বিলাতলৈ যায়। অক্সফোৰ্ড বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি আধুনিক বুৰঞ্জী বিভাগত অনাৰ্চ লৈ এম এ ডিগ্ৰী লাভ কৰিছিল (১৯২৩ খৃ;) ফৰাচী আৰু জাৰ্মান দেশলৈকো গৈ পেৰিচ আৰু বাৰ্লিন বিশ্ববিদ্যালয়ত বিভিন্ন ভাষা সাহিত্য অধ্যয়ন কৰি জাৰ্মান, ফৰাচী, ৰুচ, গ্ৰীক, লেটিন, ইটালিয়ান, স্পেনিচ ভাষা শিকিছিল। ডিগ্ৰী লাভতকৈ সন্দিকৈয়ে গুৰুত্ব আৰোপ কৰিছিল জ্ঞান আহৰণৰ ওপৰতহে বেছিকৈ।

১৯৩০ খৃঃত যোৰহাটত জগন্নাথ বৰুৱা কলেজ (প্ৰথমতে উজনি অসম কলেজ) স্থাপন হয়। সন্দিকৈ আৰম্ভণীৰে পৰা সুদীৰ্ঘ ওঠৰ বছৰ কাল জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ। ১৯৪৮ খৃঃত অসমৰ প্ৰথম খন বিশ্ববিদ্যালয় গুৱাহাটীত স্থাপন কৰা হয়। আদিৰে পৰা সন্দিকৈ বিশ্ববিদ্যালয় খনৰ

উপাচাৰ্য্য। ১৯৫৭ খৃঃলৈ একেৰাহে তিনিবাৰ তেওঁ উপাচাৰ্য্য নিৰ্বাচিত হৈছিল। উপাচাৰ্য্যৰ দায়িত্ব লৈয়ে সন্দিকৈ ডাঙৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ মান উন্নীত কৰি এখন উচ্চমান বিশিষ্ট বিশ্ববিদ্যালয়ৰ সম পৰ্য্যায়ৰ কৰি গঢ়ি তুলিবলৈ সংকল্প কৰিছিল। অকল শিক্ষা গ্ৰহণতে সীমাবদ্ধ নাথাকি শিক্ষাদান আৰু গবেষণাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল।

গুৱাহাটীত অনুষ্ঠিত সাহিত্য সভাৰ সপ্তদশ সন্মিলনৰ (১৯৩৭ খৃঃ ডিচেম্বৰ) সন্দিকৈ ডাঙৰীয়া সভাপতি। লোকপ্ৰিয় গোপীনাথ বৰদলৈ অভ্যৰ্থনা সমিতিৰ সভাপতি। গুৱাহাটী অধিবেশনৰ কনকলাল বৰুৱা বুৰঞ্জী শাখাৰ উমাকান্ত গোস্বামী অৰ্থনীতি শাখাৰ, ৰাধিকানন্দ চৌধুৰী দৰ্শন শাখাৰ, কীৰ্তিনাথ বৰদলৈ সঙ্গীত শাখাৰ আৰু ৰামেশ্বৰ বৰুৱা পুথি ভৰাল শাখাৰ সভাপতি। ৰামেশ্বৰ বৰুৱা প্ৰধান সম্পাদক নিৰ্বাচিত হয়। গুৱাহাটী অধিবেশনতে প্ৰথমবাৰৰ বাবে অভ্যৰ্থনা সমিতিৰ দ্বাৰা এখন 'প্ৰবন্ধ সংগ্ৰহ' প্ৰকাশ কৰা হৈছিল।

সাহিত্য সভাৰ সভাপতিৰ ভাষণৰ ভিতৰত সন্দিকৈৰ ভাষণ খনিয়ে চমু। তেওঁৰ ভাষণত বিশ্ব-সাহিত্যৰ এটি পাণ্ডিত্যপূৰ্ণ আৰু তুলনামূলক আলোচনা কৰা হৈছে। বিশ্ব-সাহিত্যৰ পৰিপ্ৰেক্ষিতত অসমীয়া ভাষা সাহিত্যৰ বৰ্তমান অৱস্থাৰ কথা পৰ্য্যালোচনা কৰি যি যি বিষয়ত ভাষা সাহিত্য পিচ পৰি আছে সেইবোৰ বিষয়ৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছে।

লক্ষ্ণৌত অনুষ্ঠিত সৰ্বভাৰত প্ৰাচ্য সন্মিলনৰ (Oriental Conference) প্ৰাচীন সংস্কৃত শাখাত সন্দিকৈ ডাঙৰীয়াই পৌৰহিত্য কৰিছিল (১৯৫১)। মাদ্ৰাজত অনুষ্ঠিত উপাচাৰ্য্য সন্মিলনত (১৯৫২) আৰু ৱালটেয়াৰত অনুষ্ঠিত আন্তঃবিশ্ববিদ্যালয় সমিতিৰ বছৰেকীয়া অধিবেশনত (১৯৫৩) সন্দিকৈ ডাঙৰীয়াই পৌৰহিত্য কৰিছিল।

ছাত্ৰাৱস্থাৰে পৰা তেওঁ অসম ছাত্ৰ সন্মিলনৰ লগত জড়িত। গোলাঘাটত অনুষ্ঠিত ছাত্ৰ সন্মিলনৰ চতুৰ্দশ সন্মিলনত (১৯২৯) সন্দিকৈ ডাঙৰীয়া সভাপতি নিৰ্বাচিত হৈছিল।

স্কুলীয়া ছাত্ৰাৱস্থাৰে পৰা সন্দিকৈ ডাঙৰীয়াৰ সাহিত্য সেৱাৰ প্ৰতি আগ্ৰহ আছিল বেচি। পোনতে কমলাকান্ত গোস্বামী আৰু নকুলচন্দ্ৰ ভূঞাৰ লগত লগ হৈ এখনি হাতে লিখা আলোচনী উলিয়াইছিল। তিনিও 'জয়কৃষ্ণ পেট্ৰিয়ট'-ছদ্ম নামত 'মাধুৰী' নামৰ কবিতা এটি ৰচনা কৰি উষাত প্ৰকাশ কৰিছিল।

তেওঁৰ 'বাঁহী', 'আৱাহন', 'মিলন', 'চেতনা', 'সন্মিলন প্ৰবন্ধাৱলী', আৰু 'আলোচনী'ত প্ৰকাশ হৈছিল ভালে মান মূল্যবান প্ৰবন্ধ। 'সাংখ্য দৰ্শন', 'গ্ৰীক ভাষা', 'অনুবাদৰ কথা', 'কচ অভিনয়', 'গ্ৰীক নাটকৰ গান', 'চক্ৰেটিছৰ মতে কবিৰ প্ৰকৃতি', 'য়ুৰোপৰ ভাষা আৰু সাহিত্য', 'স্পেনীয় সাহিত্যত ৰমিঅ' জুলিয়েট', 'জাৰ্মান সাহিত্যৰ সপোন নাটক', 'ভাৰতীয় চিন্তা', 'প্ৰাচীন বেবিলনৰ বেদ', আদি সন্দিকৈ ডাঙৰীয়াৰ বিভিন্ন আলোচনীত প্ৰকাশিত মূল্যবান প্ৰবন্ধ।

সন্দিকৈৰ প্ৰকাশিত গ্ৰন্থ দুখন শ্ৰীহৰ্ষৰ 'নৈষধ চৰিত্ৰ'ৰ ইংৰাজী অনুবাদ আৰু পাণ্ডিত্যপূৰ্ণ টীকা সম্বলিত পুথি 'নৈষধচৰিত' (১৯৩৪) আৰু সোম দেৱৰ 'যশস্তিলক এণ্ড ইণ্ডিয়ান কালচাৰ' (১৯৪৯)। উক্ত দুয়োখন পুথিয়ে বিশ্বৰ পণ্ডিত মণ্ডলীৰ পৰা উচ্চ প্ৰশংসা লাভ কৰিছে।

সন্দিকৈ ডাঙৰীয়া উপাচাৰ্য্যৰ কামত ব্যস্ত থকা সময়তে পুনৰ সংস্কৃত কাব্য সাহিত্যৰ বুৰঞ্জী এখন প্ৰণয়নৰ কামত আত্মনিয়োগ কৰা বুলি শুনা গৈছিল। সম্প্ৰতি তেওঁ ৰচনা কৰা পুথি প্ৰৱৰ সেনৰ মাৰাঠী প্ৰাকৃত গ্ৰন্থ 'সেতু বন্ধন'।

আগ বয়সত তেওঁ অসমীয়া ভাষাত গীত আৰু কবিতাও ৰচনা কৰিছিল। 'নবীন ছন্দে জগত বন্দে' সন্দিকৈ ৰচনা কৰা গীত।

ভাৰত চৰকাৰে সন্দিকৈ ডাঙৰীয়াক পদ্মশ্ৰী (১৯৫৫) আৰু পদ্মভূষণ (১৯৬৭) উপাধি দান কৰে। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে সন্মানিত ডি লিট উপাধি দান কৰিছিল। কিন্তু তেওঁ কোনো ধৰনৰ উপাধি গ্ৰহণ কৰিবলৈ যোৱা নাছিল। তেওঁৰ নিজৰ পুথি ভৰালৰ ৫২টা আলমাৰীত থকা বিশ্বৰ বিভিন্ন ভাষাৰ পুথিসমূহৰ মাজতে সদায় ব্যস্ত।

ঐশ্বৰ্য্য, পাণ্ডিত্য আৰু সন্মানৰ অধিকাৰী হৈও সন্দিকৈ ডাঙৰীয়: মানুহ হিচাপে সহজ সৰল আৰু অনাড়ম্বৰ। সহজ সৰল জীৱন যাপন কৰি জ্ঞান চৰ্চা কৰাই তেওঁৰ জীৱনৰ প্ৰধান ধৰ্ম। ●

ডক্টৰ ময়িদুল ইচলাম বৰা

নিজৰ অধ্যৱসায় আৰু পাণ্ডিত্যৰ গুণত অসমৰ বাহিৰত থাকি সুপণ্ডিত স্বৰূপে প্ৰতিষ্ঠা লাভ কৰা লোক অসমীয়াৰ মাজত সৰহ নহয়। যি দুই এক ব্যক্তিয়ে অসমৰ বাহিৰত থাকি নিজৰ অধ্যৱসায় বুৎপত্তি আৰু মেধাশক্তিৰ পৰিচয় দিব পাৰিছে ডক্টৰ ময়িদুল ইচলাম বৰা সেইসকলৰ ভিতৰত অন্যতম।

তেওঁৰ জন্ম শিৱসাগৰৰ জেঙনি কটীয়াৰ সম্ভ্ৰান্ত অসমীয়া পৰিয়ালত। তেওঁৰ পূৰ্বপুৰুষ আহোম ৰজা ঘৰীয়া বৰা বিষয়া আছিল। তেওঁৰ ককা দেউতাক ৰাজেন বৰা। ৰাজেন বৰাৰ পুত্ৰ মেহেৰুদ্দিন বৰা। মেহেৰুদ্দিন ময়িদুল ইচলাম বৰাৰ পিতৃ।

ময়িদুল ইচলাম বৰা সৰুৰে পৰা তীক্ষ্ণ বুদ্ধিৰ লৰা। শিৱসাগৰতে তেওঁৰ পঢ়াশুনীয়া শিক্ষা আৰম্ভ আৰু ১৯১৭ খৃঃত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ কলেজীয়া শিক্ষা লাভ কৰে কটন কলেজত। পিচত ঢাকা বিশ্ববিদ্যালয়ত পঢ়ি পাৰ্চিয়ানত প্ৰথম শ্ৰেণীত প্ৰথম স্থান লাভ কৰি এম. এ. ডিগ্ৰী লাভ কৰিছিল। পঢ়াশুনীৰ পৰা বিশ্ববিদ্যালয়লৈকে তেওঁ আছিল এগৰাকী বৃত্তিধাৰী ছাত্ৰ।

ঢাকা বিশ্ববিদ্যালয়তে তেওঁ পাৰ্চিয়ানৰ অধ্যাপক নিযুক্ত হয়। পিচত তেওঁ বিলাতলৈ গৈ লণ্ডনৰ স্কুল অৱ অৰিয়েন্টাল এণ্ড আফ্ৰিকান ষ্টাডিজত গৱেষণা কৰি পি এইচ ডি ডিগ্ৰী লাভ কৰিছিল। তেওঁৰ গৱেষণাৰ বিষয় আছিল দিল্লীৰ কবি আমীৰ হাচানৰ সাহিত্যিক জীৱন আৰু কাৰ্য্যাৱলী (The Life and Works of Amir Hosan Ali)। সময়ত ডক্টৰ বৰাৰ ঢাকা বিশ্ববিদ্যালয়ৰ পাৰ্চিয়ান আৰু উৰ্দ্দু বিভাগৰ প্ৰধান অধ্যাপকলৈ পদোন্নতি হয়।

ডক্টৰ বৰাৰ জীৱনৰ কীৰ্ত্তি স্তম্ভ হল, 'বাহাৰিস্তান-ই-ঘায়েবী' (Bahari-stan-i-Ghaybi) পাৰ্চী ভাষাত লিখা এই অমূল্য গ্ৰন্থখনিৰ মিৰ্জানাথনে ৰচনা কৰা। ডক্টৰ বৰাই পুথিখনি ইংৰাজীলৈ তৰ্জমা কৰে। পুথিখনিত জাহাঙ্গীৰ আৰু চাহ জাহানৰ দিনত হোৱা অসম, বঙ্গদেশ, কোচবিহাৰ আৰু উৰিষ্যাৰ লগত সংঘটিত হোৱা ৰণৰ কথা বৰ্ণনা কৰা আছে। পুথিখনি সেই সময়ৰ মোগল আৰু অসমীয়াৰ এখন তথ্য বহুল ইতিহাস।

যোৰহাটত অনুষ্ঠিত সাহিত্য সভাৰ অষ্টাদশ সন্মিলনৰ ডক্টৰ বৰা সভাপতি (১৯৪০, ডিচেম্বৰ)। অভ্যৰ্থনা সমিতিৰ সভাপতি হেৰম্ব প্ৰসাদ বৰুৱা। প্ৰধান সম্পাদক নিৰ্বাচিত হয় ৰামেশ্বৰ বৰুৱা।

সভাপতিৰ আসনৰ পৰা বৰা ডাঙৰীয়াই দিয়া অভিভাষনত কেইটামান কথাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। হিন্দু-মুছলমানৰ সম্প্ৰিতিৰ কথা উল্লেখ কৰি কৈছিল "হিন্দু আৰু মুছলমান ভাৰতৰ সন্তান। আমি সদায় একে লগে আছোঁ আৰু থাকিব লাগিব। তেন্তে অনাহকতে এজনে আনজনৰ মনত কষ্ট দি কিয় ঘৃণাৰ ভাব সৃষ্টি কৰো? আমাৰ ভিতৰত মিলা প্ৰীতিৰ ভাব স্থাপন কৰিম আৰু প্ৰত্যেকক নিজ ধৰ্ম আৰু সমাজৰ নিয়ম পালি চলিবলৈ দিম বুলি যদি প্ৰত্যেক মানুহে মনত বান্ধি লৈ কাৰ্য্যত পৰিণত কৰি দেখুৱাই আৰু সাহিত্যিক সকলে এই বাণী জন সমাজৰ মাজত প্ৰচাৰ কৰে; তেন্তে বৰ্ত্তমান সাম্প্ৰদায়িক সমস্যা পানীত ঔটেঙা উটি যোৱাদি উটি গৈ বঙ্গ সাগৰত লয় পাবগৈ।"

বৰা ডাঙৰীয়াই অসমৰ লিখক সকলক এই বিষ বৃক্ষ নিৰ্মূল কৰিবলৈ আহ্বান জনাই লিখিছে "অসমৰ লিখাৰু সকলক অনুৰোধ কৰোঁ যাতে তেওঁবিলাকৰ লিখনিৰ মাজেদি এই বিষ অসমত স্থায়ী হবলৈ নেপায়। বৰঞ্চ তেওঁবিলাকে বিশেষ চেষ্টা কৰে যাতে সাহিত্যৰ জৰিয়তে জনসাধাৰণৰ মাজত মিলা প্ৰীতি আৰু পৰস্পৰ ভিতৰত ভাই ভাই সম্বন্ধ স্থাপন হয়। আৰু সোণালী অসমলৈ অতীতৰ সোণালী যুগ ঘূৰি আহে।"

১৯৩৫ খৃঃত গুৱাহাটী কটন কলেজত অনুষ্ঠিত প্ৰতিভা দেৱী সোঁৱৰণী বক্তৃতামালাৰ প্ৰথম বক্তৃতা দিছিল ডক্টৰ মফিজুল ইছলাম বৰাই। ইংৰাজীত দিয়া ডক্টৰ বৰাৰ ভাষণৰ বিষয় বস্তু আছিল 'মুছলমান বুৰঞ্জীবিদৰ ৰচনাত অসম বুৰঞ্জীৰ সমল (The History of Assam as told by Muslim Historians)।

যোৰহাটত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ অষ্টাদশ সন্মিলনৰ (১৯৩৪) ডক্টৰ বৰা সভাপতি। অসমৰ বাহিৰত অধ্যাপনা কৰিছিল যদিও অসমৰ উঠি অহা ডেকা গাভৰু আৰু সাহিত্য প্ৰেমী সকলৰ লগত মনে প্ৰাণে সম্পৰ্ক ৰক্ষা কৰাটো আছিল ডক্টৰ বৰাৰ অন্যতম লক্ষ্য। ঢাকাৰ এ এছ এল ক্লাবৰো তেওঁ গুৰি ধৰিছিল। সকবে পৰা তেওঁ নানান দুখ কষ্টৰ মাজেৰে অধ্যয়ণ কৰিছিল।

অসমীয়া ভাষাত ৰচনা কৰা মুষ্টিমেয় প্ৰবন্ধ কেইটিৰ মাজেৰে তেওঁৰ অধ্যৱসায় আৰু পাণ্ডিত্যৰ চানেকি প্ৰকাশ পাইছে। My First Reader, My Second Reader তেওঁৰ এখানি পঢ়াশালীয়া পুথি।

ডক্টৰ বৰা ৰোগাক্ৰান্ত হৈ চিকিৎসাৰ বাবে লক্ষ্ণৌলৈ যায়। লক্ষ্ণৌ চহৰতে ১৯৪৪ খৃঃৰ ৫ মেই তাৰিখে দুকুৰি পাচ বছৰ বয়সতে তেওঁৰ মৃত্যু হয়।

নীলমণি ফুকন

১৯০০ খৃঃৰ কথা। এজন কুৰি বছৰীয়া কলেজীয়া ছাত্ৰই কিছুদিন অসুখ ভুগী আছিল। অলপ অলপ হাৰ্টৰ অসুখো। লগৰীয়া দুজনে এদিন ডাক্তৰৰ ওচৰলৈ লৈ গল। ল'ৰাজন দিনে দিনে খীনাই আহিছে।

ডাক্তৰজন এজন খ্যাতনামা হাৰ্ট স্পেচিয়েলিষ্ট। অসুখীয়া ল'ৰাজনক ভালদৰে পৰীক্ষা কৰি চাই চেম্বাৰৰ পৰা পঠিয়াই দিলে। লগৰীয়া দুজন ডাক্তৰৰ কাষ চাপিল।

"ডাক্তৰ বাবু কি ৰকম দেখলেন?"

ডাক্তৰে এটি দীঘল হুমুনিয়া এৰিলে। "উনাকে বাৰীতে পাঠিয়ে দিন। কিছু লাভ নাই। উনি এক বছৰ টিকবেন।"

এই বুলি কৈ ঔষধ কেইটিমান লিখি দিলে।

'এক বছৰ টিকবেন' কথাষাৰে লগৰীয়া দুজনৰ মনত বাৰে বাৰে খুন্দিয়াব ধৰিলে।

বাহিৰত উৎকণ্ঠাৰে ৰৈ আছিল বেমাৰী ডেকাজন। 'ডাক্তৰে কি কলে'।

'ডাক্তৰে তোমাক কিছুদিন ঘৰত গৈ জিৰণি লৈ থাকিবলৈ কৈছে।' যাওঁ বোলা। সোনকালে তোমাক ঘৰলৈ পঠিয়াই দিয়া ভাল হব।'

'মই সকলো শুনিছো। মোক ফাঁকি দি লাভ নাই। মাত্ৰ এবছৰ বাহি থাকিম বুলি কোৱা নাই জানো।' হাঁহি হাঁহি নিজৰ আসন্ন মৃত্যুৰ কথাকে কলে।

মুখৰ সেই হাঁহি কোনো দিনে মাৰ যোৱা নাই। কলিকতাৰ বিখ্যাত হাৰ্ট স্পেচিয়েলিষ্টৰ মতে মাত্ৰ এবছৰ কাল জীয়াই থাকিব লগা এই বেমাৰী ডেকা

জনেই এশ বছৰৰ প্ৰায় কাষ চপা, সকলোৰে পূজ্য, ককাৰ পদত অধিষ্ঠিত বাগ্মীবৰ ডক্টৰ নীলমণি ফুকন। ককাক গুৱাহাটী বিশ্ববিদ্যালয়ে সম্মানিত ডক্টৰ অৱ লিটাৰেচাৰ উপাধিৰে বিভূষিত কৰিছে। ৯০ বছৰ বয়সত (১৯৬৯) বাৰ্লিনত অনুষ্ঠিত বিশ্ব শান্তি পৰিষদত যোগদান কৰি লগতে মস্কো আদি ভ্ৰমণ কৰি আহিছে।

নীলমণি ফুকন অসমৰ প্ৰথম উচ্চ শিক্ষাৰ অনুষ্ঠান কটন কলেজৰ ১৯০১ খৃঃৰ প্ৰথম দলৰ ছাত্ৰ। ১৯০০ খৃঃতে ডিব্ৰুগড় চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈছিল। কুৰিটকীয়া বৃত্তি লাভ কৰি কলিকতাৰ প্ৰেচিডেন্সী কলেজৰ এফ এ শ্ৰেণীত ভৰ্ত্তি হৈছিল। কটন কলেজ স্থাপন হোৱাত ফুকন প্ৰমুখ্যে কলিকতা কলেজৰ দ্বিতীয় বাৰ্ষিকত পঢ়া ভালেমান ছাত্ৰ উভতি আহি কটন কলেজৰ দ্বিতীয় বাৰ্ষিকত নাম লগালে।

মাজতে দুবছৰ মান অসুখ ভোগাৰ বাবে কিছুদিন পঢ়াত ক্ষতি হ'ল। ১৯০৫ খৃঃত কটন কলেজৰ পৰা এফ এ মহলাত উঠিল। পিচত কোচবিহাৰৰ ভিক্টোৰীয়া কলেজত পঢ়ি ১৯০৭ খৃঃত বি এ ডিগ্ৰী লাভ কৰিলে। স্বাধীন ভাবে আইন ব্যৱসায় কৰিবৰ মনেৰে কলিকতাত গৈ দুবছৰ আইন পঢ়িলে।

১৮৮০ খৃঃৰ ২২ জুনত ডিব্ৰুগড় চহৰত বিখ্যাত খাৰঘৰীয়া ফুকনৰ বংশত নীলমণি ফুকনৰ জন্ম। তেওঁৰ পিতৃ লম্বোদৰ ফুকন, মাতৃ চন্দ্ৰাৱলী ফুকননী। ডিব্ৰুগড়তে তেওঁৰ পঢ়াশালীয়া শিক্ষা আৰম্ভ।

তেওঁ আইনৰ শেষ পৰীক্ষা নিদিয়াকৈ ঘৰলৈ উভতি আহি নকৈ স্থাপন হোৱা জৰ্জ ইনষ্টিটিউচনৰ প্ৰধান শিক্ষকৰ দায়িত্ব লয়। সুদীৰ্ঘ সোতৰ বছৰ কাল ফুকন ডাঙৰীয়াই জৰ্জ ইনষ্টিটিউচনৰ প্ৰধান শিক্ষক স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰি স্কুলখন এখন লেখৰ স্কুল স্বৰূপে গঢ়ি তুলিছিল। (১৯১১—২৮)।

মাজতে কিছুদিন এখন চাহ বাগিছা খুলি 'নীলমণি চাহ বাগিছা' নাম দি চাহ খেতিত লাগিছিল। তেতিয়া তেওঁ 'চুট-টাই' পিন্ধা সম্পূৰ্ণ চাহাবী সাজত নীলমণি চাহাব। ১৯২১ খৃঃত তেওঁ স্বতন্ত্ৰ ভাবে অসম কাউন্সিলৰ সদস্য নিৰ্বাচিত হৈছিল। স্বাধীনতা লাভৰ পিচতো তেওঁ কংগ্ৰেছ প্ৰাৰ্থী হিচাপে বিধান সভাৰ সদস্য নিৰ্বাচিত হৈছিল। অম্বিকাগিৰী ৰায়চৌধুৰীৰ লগত ফুকন ডাঙৰীয়াই কিছুকাল 'সংৰক্ষিনী সভাৰো' গুৰি ধৰিছিল। বৰ্তমান তেওঁ সদাচাৰ সমিতিৰ সদস্য স্বৰূপে মদ নিবাৰণৰ বাবে উঠি পৰি লাগি আছে।

ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'আলোচনী'ৰ কিছুকাল ফুকন ডাঙৰীয়া আছিল

সম্পাদক। চন্দ্রকুমাৰ আগৰৱালাৰ 'অসমীয়া' খনৰো আঁৰত থাকি তেওঁ সম্পাদনা কাৰ্য্যত সহায় কৰিছিল।

অসমৰ প্ৰথম দৈনিক কাকত খনৰো সম্পাদক ফুকন ডাঙৰীয়া। শিৱসাগৰৰ ওচৰৰ ঠেঙালৰ পৰা ওলোৱা 'দৈনিক বাতৰি'ৰ গুৰিতে আছিল শিৱপ্ৰসাদ বৰুৱা। প্ৰথমতে 'বাতৰি' খন আছিল সাদিনীয়া। ফুকন ডাঙৰীয়াই সম্পাদকৰ দায়িত্ব লোৱাৰ ছমাহ পিচৰে পৰা 'দৈনিক বাতৰি' ৰূপে প্ৰকাশ হয় (১৯৩২)। পাচ বছৰ কাল দৈনিক বাতৰি স্বৰূপে (১৯৩২—৩৭) প্ৰকাশ হোৱা কাকত খন তেতিয়াৰ দিনত ১৫০০ খন ছপা হৈছিল। বেণুধৰ শৰ্মা, আনন্দ চন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ ফুকন প্ৰভৃতি এসময়ত দৈনিক বাতৰিৰ সহ-সম্পাদক।

দৈনিক বাতৰি প্ৰকাশ হোৱাৰ পূৰ্বতে পাণ্ডু কংগ্ৰেছৰ সময়ত (১৯২৬) "অসমীয়া" খন কেইদিন মান দৈনিক ৰূপত প্ৰকাশ হৈছিল। ফুকন ডাঙৰীয়া সম্পাদিত 'নজোন' এখন মাহেকীয়া আলোচনী।

শিৱসাগৰত অনুষ্ঠিত সাহিত্য সভাৰ উনবিংশ অধিবেশন (১৯৪৪ খৃঃ, অক্টোবৰ) আৰু ডিব্ৰুগড়ত অনুষ্ঠিত সাহিত্য সভাৰ বিংশ সম্মিলনত (১৯৪৭ খৃঃ, এপ্ৰিল) একেৰাহে দুবাৰ ফুকন ডাঙৰীয়াই সভাপতিৰ পদত অধিষ্ঠিত হৈছিল। মহম্মদ মহিবুল্লা আৰু বেণুধৰ ৰাজখোৱা ক্ৰমে শিৱসাগৰ আৰু ডিব্ৰুগড় অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি। ডিম্বেশ্বৰ নেওগ শিৱসাগৰত আৰু মুক্তানাথ বৰুৱা ডিব্ৰুগড়ত ক্ৰমে প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল। শিৱসাগৰ অধিবেশনৰ পৰাই মুকলি অধিবেশনৰ সভাপতিয়ে গোটেই বছৰ ধৰি সাহিত্য সভাৰ সভাপতি স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰাৰ নিয়ম প্ৰবৰ্ত্তিত হয়। শিৱসাগৰ অধিবেশনতে পোন প্ৰথম বাৰৰ বাবে প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰিছিল তেতিয়াৰ অসমৰ প্ৰধান মন্ত্ৰী ছাৰ ছৈয়দ মহম্মদ ছাদুল্লাই। অম্বিকাগিৰী ৰায়চৌধুৰী এই অধিবেশনৰ সঙ্গীত শাখাৰ সভাপতি।

ডিব্ৰুগড় অধিবেশনৰ সৰ্বানন্দ ৰাজকুমাৰ বুৰঞ্জী শাখাৰ, এন কে ৰুস্তমজী সঙ্গীত শাখাৰ আৰু জীৱন ৰাম ফুকন বিজ্ঞান শাখাৰ সভাপতি।

নীলমণি ফুকন এগৰাকী কবি আৰু কথা সাহিত্যিক। 'সাহিত্য কলা' (১৯৪০), 'জয়াতীৰ্থ' (১৯৪১), 'চিন্তামণি' (১৯৪২), 'মহাপুৰুষীয়া ধৰ্ম,', 'কীৰ্ত্তনৰ লৰনু' (১৯৭৩), 'জগদগুৰু শ্ৰীমন্ত শঙ্কৰৰ ভক্তি মাৰ্গ দৰ্শন' তেওঁৰ গদ্য ৰচনাৰ পুথি। 'জ্যোতি কণা' (১৯৩৮), 'মানসী' (১৯৪৩), 'সন্ধানী' (১৯৫৩), 'অমিত্ৰা'

(১৯৫২), 'গুটিমালী' (১৯৫০), 'জিজিৰি' (১৯৫২), 'মৰ্মবাণী' (১৯৬২), 'আহুতি' (১৯৬১), 'তৰুণ অসম' (১৯৬৫), 'মৰা ডালত কুঁহিপাত' (১৯৬৫), 'শতধাৰা' 'তুমিনো নোহেৰা কি' (১৯৭১), "মানস প্ৰতিমা" (১৯৭১) তেওঁৰ কবিতাৰ পুথি।

কবি হিচাপে নীলমণি ফুকন নৱন্যাস আন্দোলনৰ শেষ ছোৱাৰ কবি। তেওঁৰ সৰহভাগ কবিতাই জীৱনৰ ভাটী বয়সৰ ৰচনা। জীৱনৰ ভাটী বয়সত ৰচনা কৰা বাবেই বোধকৰো নৱন্যাস আন্দোলনৰ কবি হলেও ফুকন ডাঙৰীয়াৰ কবিতাত আত্ম পৰিতৃপ্তিৰ হাবিয়াস কম। তেওঁৰ কবিতাত। ভাৰতীয় দৰ্শনৰ প্ৰভাৱ সুস্পষ্ট। নীলমণি ফুকন ৰহস্য সন্ধানী কবি।

নীলমণি ফুকন এগৰাকী সুবক্তা। বাগ্মীৰ তেওঁৰ এটি পোছাকী সম্ভাষণ। অসমৰ বাহিৰত ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত আৰু ভাৰতবৰ্ষৰ বাহিৰত বাৰ্লিন, ৰুচদেশ আদিত তেওঁৰ বাগ্মীতাৰ পৰিচয় দিব পাৰিছিল। সাহিত্য একাডেমীৰ পৰা অসমীয়াৰ ভিতৰত একমাত্ৰ ফেলচীপ লাভ কৰিছে ফুকন ডাঙৰীয়াই। নলবাৰী সংস্কৃত সঞ্জীৱনী সভাই ফুকন ডাঙৰীয়াক সাহিত্য ৰত্ন উপাধী প্ৰদান কৰিছিল।

ফুকন ডাঙৰীয়াৰ অদম্য কৰ্মপ্ৰেৰণাত আজিও বয়সে আচোৰ পেলাব পৰা নাই। ১৯৮০ খৃঃৰ ২২ জুনত শ্ৰীফুকনৰ জন্ম শতবাৰ্ষিকী উচৰ তেওঁক সমুখতলৈ পালন কৰিবলৈ অসমৰ সমগ্ৰ সাহিত্যপ্ৰেমী ৰাইজ আগ্ৰহেৰে বাট চাই আছে। ●

অম্বিকাগিৰী ৰায়চৌধুৰী

পলাশবাৰী জাহাজ ঘাট। সময় ৰাতি পুৱা। জাহাজ আহি ঘাটত লাগিল। লগে লগে দুই এজনকৈ যাত্ৰী পাৰলৈ নামি আহিল। পাৰত এখন সৰু-সৰা বজাৰ। কল, কুহিয়াৰ, নাৰিকল, মোথফল (অমিতা), লাউ, কোমোৰা, তিল, আথৈৰ লাড়ু আগত লৈ বিবিধ পোহাৰী। যাত্ৰীবোৰে পোহাৰে পোহাৰে বিধে বিধে দুই এপদ বস্তু কিনি কুটি লৈছে। কোনোৱে দাম-দৰ কৰিছে কোনোৱে কৰা নাই।

এনেতে পোহাৰী এজন আৰু ধুতি পিন্ধা মানুহ এজনৰ মাজত টনা-আজোঁৰা লাগিল। বাবুজনে মোথফল এটা লৈ এক অনা দিছে। পোহাৰী জনে নিদিয়ে তিনি অনা লাগে। বাবুজনে একঅনা দি নিবলৈ ওলোৱাত পোহাৰী জনে বাধা দিছে। তেতিয়া বাবুজনে দিলে পোহাৰী জনৰ কপালতে গোৰ এটা মাৰি। পোহাৰী জন চিটিকি পৰিল। পাৰৰ সকলো যাত্ৰী, পোহাৰী নিৰৱ দৰ্শক। কিন্তু নিৰৱ দৰ্শক হৈ নাথাকিল ১৪ বছৰীয়া ছাত্ৰ এজন। কাড় অহাদি আহি দুই হাতেৰে বাবুজনক ধুচিয়াবলৈ ধৰিলে। বাবুজন ৰব নোৱাৰি জাহাজত আশ্ৰয় লব লগা হ'ল। পিচত বিচাৰ হলত সকলোৱে বাবুজনক দোষী সাব্যস্ত কৰিলে আৰু ৫ টকা জৰিমনা কৰি পোহাৰীক ক্ষতি পূৰণ হিচাপে দিবলৈ দিলে। ১৪ বছৰ বয়সতে এনেভাবে অন্যায়ৰ বিৰুদ্ধে নিৰ্ভিকতাৰে থিয়হোৱা লৰাজনেই অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী।

ৰায়চৌধুৰীয়ে পাঠশালা পৰীক্ষাত বৃত্তি লাভ কৰি গুৱাহাটী ইংৰাজী স্কুলত পঢ়িবলৈ খোলাবন্ধাৰ পৰা জাহাজত আহিছিল। কমলা কান্ত ভট্টাচাৰ্য্য আৰু হৰিবিলাস আগৰৱালা সেইখন জাহাজৰে আন আন যাত্ৰী। উক্ত কাৰ্য্যত তেওঁৰ সৎ-সাহসৰ পৰিচয় পাই কমলা কান্ত ভট্টাচাৰ্যই জাহাজতে তেওঁক সাবটি ধৰিছিল। কমলা কান্তই আৰু সন্তোস পালে যেতিয়া তেওঁ জানিলে অম্বিকাগিৰীৰ পূৰ্ব্ব পুৰুষ শ্ৰীমন্ত শঙ্কৰদেবৰ বংশধ ৰামৰায় বা জগতানন্দ। বৰপেটাৰ বিখ্যাত ৰায়গিৰী পৰিয়ালৰ কৃষ্ণ ৰাম ৰায়চৌধুৰী অম্বিকাগিৰীৰ পিতৃ আৰু মাতৃ দেৱকী দেবী, ৰামচৰণ ঠাকুৰৰ বংশধৰ। বৰপেটা ধামতে ১৮৮৫ খৃঃৰ ৪ পুহত অম্বিকাগিৰীৰ জন্ম।

সৰুতে পিতৃ হেৰুৱা ৰায়চৌধুৰীৰ জীৱন নানান বিপৰ্য্যয় আৰু সংঘাতৰ মাজেৰে অতিবাহিত কৰা জীৱন। অষ্টম মান শ্ৰেণীয়ে তেওঁৰ পঢ়াশালীয়া শিক্ষাৰ শেষ সীমা। পঢ়াশুনাতকৈ সঙ্গীত শিক্ষা, ব্যায়াম শিক্ষা আদিৰ প্ৰতি আছিল ধাউতি বেচি।

স্কুলত পঢ়া কালচোৱাতে ৰায়চৌধুৰী প্ৰমুখ্যে এদল ছাত্ৰই গঠন কৰিছিল 'এনাৰ্কিষ্ট পাৰ্টি।' ১৯০৪-০৫ খৃঃ ৰ কথা। দীঘলী পুখুৰীৰৰ উত্তৰ পাৰত খেৰ বাঁহৰ চালৰ চাহাব সকলৰ আছিল এটি ক্লাব ঘৰ। হাতত কিছুমান ধপাত খোৱা টিকিৰা, কলৰ শুকান পাত আৰু তামোলৰ চকুৱাৰে মেৰাই নিশাৰ অন্ধকাৰত কেইজন মান ডেকা ক্লাবটোৰ কাষ চাপিল। কলৰ শুকান

পাণ্ড আৰু চকুৱাৰে মেৰোৱা টিকিৰাত জুই জ্বলাই ক্লাবটোৰ ব্ৰহ্মপুত্ৰৰ পিনৰ খেৰৰ চালত গুঁজি থৈ আহিল। ফাগুন মাহ ব্ৰহ্মপুত্ৰৰ বুকুত বতাহ বলে আৰু সেই বতাহতে জ্বলি উঠা টিকিৰাৰ জুয়ে ক্লাব ঘৰটো ভস্মী ভূত কৰিলে। ক্লাব ঘৰ এনেদৰে ভস্মী ভূত কৰা দলৰ ভিতৰত অম্বিকাগিৰী আছিল অন্যতম নেতা।

ছাত্ৰাৱস্থাতে ৰায়চৌধুৰীয়ে 'বন্দিনী ভাৰত' নামেৰে এখন নাটক লিখি সৰস্বতী পূজাত অভিনয় কৰিছিল। নাটক খনে দৰ্শকৰ মাজত উত্তেজনাৰ সৃষ্টি কৰাত পুলিচে নাট খনি বাজেয়াপ্ত কৰি লৈ যায়। চৌধুৰীৰ, কাৰ্য্য কলাপে পুলিচৰ চকুত সন্দেহ ভাব সৃষ্টি কৰাত ১৯০৫ খৃঃৰ পৰা বৰপেটাত নজৰ বন্দী হিচাপে থাকিবলৈ বাধ্য হয়।

বৰপেটাত এসময়ত বঙলা নাটৰ প্ৰচলনেই আছিল বেচি। সেই অভাবৰ প্ৰতি লক্ষ্য কৰি 'জয়দ্ৰথ বধ' নাটক ৰচনা কৰি অভিনয় কৰিছিল। 'ভক্ত-গৌৰব বা শিখিধ্বজ আৰু 'কল্যাণময়ী' এই কালছোৱাতে ৰচনা কৰা নাট। 'তুমি' (১৯১৬), 'বীণা' (১৯১৬) আদি কবিতাৰ আন পুথিও এই কালছোৱাৰে ৰচনা।

'আসাম বান্ধৱ'ৰ সহকাৰী সম্পাদক স্বৰূপে (১৯১৪) ডিব্ৰুগড়ত ৰায়-চৌধুৰীৰ সাংবাদিক জীৱন আৰম্ভ। ডিব্ৰুগড়ত তেওঁ সঙ্গীতজ্ঞ আৰু অভিনেতা স্বৰূপেও জনপ্ৰিয়তা অৰ্জন কৰিছিল।

পিচত হাতত দুটকা মাথোন মূল ধন লৈ অৰুণা প্ৰেছ স্থাপন কৰি 'চেতনা' নামৰ আলোচনী এখন প্ৰকাশ কৰিছিল। পুনৰ ১৯২১ খৃঃৰ অসহযোগ আন্দোলনত যোগ দান কৰি তেওঁ কাৰাবৰণ কৰিবলগীয়া হ'ল। তেতিয়াই তেওঁৰ প্ৰাণৰ অৰুণা প্ৰেছ আৰু চেতনা কাৰ্য্যালয় ভস্মীভূত হয়।

১৯২৬ খৃঃত পাণ্ডুত অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছৰ অধিবেশন উপলক্ষে ৰায়চৌধুৰীয়ে ৰচনা কৰিছিল 'আজি বন্দো কি ছন্দেৰে' সমবেত সঙ্গীতটি। সেই বছৰৰে ৯ এপ্ৰিলত ৰায়চৌধুৰীৰ ঘৰত সংৰক্ষিণী সভাৰ জন্ম। পিচত সংৰক্ষিণী সভাই জাতীয় মহাসভা নামেৰে নতুন ৰূপ লয় (১৯৩৩)। আৰু ৰায়চৌধুৰীৰ সম্পাদনাত প্ৰকাশ হয় 'ডেকা অসম' নামৰ এখন পষেকীয়া কাকত। ৰায়চৌধুৰী 'চেতনা' আৰু 'ডেকা অসম' সম্পাদনা কৰাৰ উপৰিও তেৱেঁই আছিল কাকত দুখনৰ আখৰ বাছোঁতা, ছপাওঁতা আৰু শেষত এবোজা কাকত হাতত লৈ মানুহৰ ঘৰে ঘৰে গৈ দি অহা খিয় পোহাৰী (Hawker)।

ডেকাকালত ৰায়চৌধুৰীয়ে কামৰূপ মায়াবিনী কেমীকেল ৱৰ্কচ নামেৰে এটি প্ৰতিষ্ঠান স্থাপন কৰি তাৰ পৰা 'জয়মতী স্নো, 'চেনেহী' চিয়াহী, অসম ইঙ্ক, 'জিলিকনি' জোতাৰ ৰং আৰু 'মায়াবিনী' তেল প্ৰস্তুত কৰিছিল। এবাৰ তেওঁ শঙ্কৰ দেৱ চাৰ্কাচ পাৰ্টি এটিও গঠন কৰিছিল।

১৯৪৬ খৃঃৰ গ্ৰুপিঙৰ সময়তো সিংহ গৰ্জনেৰে গৰ্জি উঠিছিল ৰায়চৌধুৰী। আৰু জাতীয় মহাসভাৰ পৰা এটা সজাতি দল লৈ গৈ কংগ্ৰেছ ৱৰ্কিং কমিটিত প্ৰতিবাদ জনাইছিল।

মাৰ্ঘেৰিটাত অনুষ্ঠিত সাহিত্য সভাৰ এক বিংশতম অধিবেশনৰ ৰায়চৌধুৰী সভাপতি (১৯৫০ খৃঃ, ১১ মাৰ্চ)। বিপিন কুমাৰ বৰগোহাঞি অভ্যৰ্থনা সমিতিৰ সভাপতি। সঙ্গীত শাখাৰ সভাপতি ইন্দ্ৰেশ্বৰ বৰঠাকুৰ। কেশৱ নাৰায়ণ দত্ত মাৰ্ঘেৰিটা অধিবেশনত প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

ৰায়চৌধুৰী একেৰাহে এগৰাকী কবি, নাট্য কাৰ, গীতিকাৰ, নিবন্ধ কাৰ, সাংবাদিক। 'তুমি' (১৬১৬) 'বীণাৰ' (১৯১৬) উপৰিও 'অনুভূতি' (১৯৫৪), 'স্থাপন কৰ স্থাপন কৰ' (১৯৫৮), 'বন্দো কি ছান্দেৰে' (১৯৫৮), 'বেদনাৰ উল্কা' (১৯৬৪) আৰু 'দেশেই ভগবান' (১৯৬৫) ৰায়চৌধুৰীৰ পূৰ্ব প্ৰকাশিত কবিতা আৰু গীতৰ সংকলন। 'আহুতি' (১৯৫৩), 'ডেকাডেকেৰীৰ বেদ' (১৯৪২) তেওঁৰ গদ্য ৰচনাৰ পুথি।

'মোৰ দাদা' গিৰিশ চন্দ্ৰ চৌধুৰীৰ জীৱন চৰিত্ৰ। 'মোৰ জীৱনৰ ধুমুহ. এচাটি' (১৯৭৪) সংগ্ৰামী কবিৰ আত্ম জীৱনী। 'Songs of the Cell' তেওঁৰ বছা বছা গীতৰ ইংৰাজী অনুবাদ। গীত বাজী ইংৰাজীলৈ অনুবাদ কৰিছিল ডক্টৰ বাণীকান্ত কাকতী আৰু ডক্টৰ বিৰিঞ্চি কুমাৰ বৰুৱাই। 'বেদনাৰ উল্কা' নামৰ কবিতা পুথি খনিৰ বাবে তেওঁ ১৯৬৬ চনৰ সাহিত্য একাডেমীৰ বটা লাভ কৰিছিল।

ৰায়চৌধুৰীৰ কবিতা ৰাজিৰ অন্যতম বৈশিষ্ট্য শুদ্ধ সবল প্ৰেম। তেওঁৰ কবিতাৰ প্ৰেম বহুধা বিভক্ত। ডেকাকালৰ উদভ্ৰান্ত ব্যক্তি প্ৰেমক কেন্দ্ৰ কৰিয়ে তুমি কাব্যৰ ভগৱৎ প্ৰেমৰ সূচনা। তুমি কাব্যৰ অটলস্পৰ্শী ভগৱন্ত প্ৰেমৰ ঠাইত পিচৰ ৰচনাত প্ৰকাশ পাইছে সুগভীৰ স্বদেশ প্ৰেম। গদ্য-পদ্য সকলো ৰচনাতে কবিৰ এনে স্বদেশ প্ৰেম পৰিস্ফুট।

১৯৬৭ খৃঃৰ ২ জানুৱাৰীত এই গৰাকী জাতীয়তা বাদী কবিৰ চান্দমাৰীৰ নিজা ঘৰত জীৱন বন্তী নিৰ্বাপিত হ'ল। ●

ডক্টৰ সূৰ্য্যকুমাৰ ভূঞা

প্ৰায় ত্ৰিশ বছৰ আগৰ কথা। পুৰণি শিক্ষক এজনৰ মনত অপাৰ আনন্দ। ছাত্ৰ এজন ডি পি আই হৈছে। ডি পি আই শিক্ষা বিভাগৰ গুৰিয়াল। শিক্ষক এজনৰ বাবে ইয়াতকৈ ডাঙৰ আনন্দ আৰু কি হব পাৰে ?

কাৰ্য্যবশত শিক্ষক জন এবাৰ গুৱাহাটীলৈ আহিল। সেই সময়তে ডি পি আই ও গুৱাহাটীৰ বাস ভৱনতে আছিল। ভাবিলে এবাৰ দেখা কৰিয়ে যোৱা যাওক।

দুপৰীয়া সময়। শিক্ষক জন গৈ বাৰান্দাত থিয় হল। ইফালে সিফালে ভুমুকিয়াই চালে। কাকো দেখা নাপালে। মানুহ অহাৰ অলপ সহাঁৰি দিলে।

ডি পি আই স্বয়ং ওলাই আহিল। সাধাৰণ সাজ পাৰ, ধুতি-চোলা। বহু দিন দেখা সাক্ষাত নোহোৱা বাবে প্ৰথমতে শিক্ষক জনক চিনিব পৰা নাছিল। সেয়েহে সুধিলে "কাক বিচাৰিছে ?"

শিক্ষক জনেও পুৰণি ছাত্ৰ জনক প্ৰথমতে হয় নে নহয় ধৰিব পৰা নাছিল। সম্বোধন কৰে কি বুলি ? তুমি নে আপুনি। লাহে লাহে কলে ডি পি আই কে বিচাৰিছিলোঁ।

'আপোনাক·········'

'মই ধনাই বৰা।'

'চাৰ আহিছে। আহক চাৰ ভিতৰলৈ আহক। ইয়াত কিয় বৈ আছে ? মই ধৰিব পৰা নাছিলো চাৰ। হেৰা চাৰ আহিছে।" এই বুলি পুৰণি শিক্ষক ধনাই বৰাক চৰণ চুই সেৱা কৰি আথে বেথে ভিতৰলৈ লৈ গল। আৰু ঘৰতো জাননী দি হুলস্থূল লগালে। ধনাই বৰা 'কবিতাৰ চন্দ্ৰিকা' নামৰ কবিতা পুথি ৰচনা কৰা এগৰাকী কৃতী শিক্ষক। ধনাই বৰাক এনেদৰে চৰণ চুই সেৱা কৰি আথে বেথে ভিতৰলৈ নি এদিন নে দুদিন তেওঁৰ ঘৰতে আলহী ৰাখি গুৰু দক্ষিণা দিয়া একালৰ পুৰণি ছাত্ৰ ডি পি আই জনেই অসমৰ খ্যাত নামা বুৰঞ্জীবিদ, শিক্ষাবিদ ডক্টৰ সূৰ্য্য কুমাৰ ভূঞা।

নিষ্ঠা আৰু ঐক্যান্তিকতাৰে আজীৱন শিক্ষাদান আৰু সাহিত্য সেৱা কৰা ডক্টৰ ভূঞাই শিক্ষা আৰু সাহিত্য ক্ষেত্ৰত পাব লগা সকলো সন্মানৰে অধিকাৰী হব পাৰিছিল। তেওঁৰ প্ৰতিভা অকল অসমৰ চাৰি সীমাৰ মাজতে সীমাবদ্ধ নহয়। সমগ্ৰ ভাৰত বৰ্ষ আৰু ভাৰতবৰ্ষৰ বাহিৰতো তেওঁৰ যশস্যা বিয়পি পৰিছিল।

Little thing is a little thing, but faithfulness to a little thing is a great thing. এইষাৰ কথা তেওঁ নিজ হাতে লিখি দিছিল। কথাষাৰৰ অৰ্থ বুজিব পাৰিছিল বাবেই ডক্টৰ ভূঞা এগৰাকী প্ৰতিভাশালী ব্যক্তিত্ব সম্পন্ন সুপণ্ডিত। তেওঁৰ পুথি ভঁৰাল আৰু পঢ়া খোটালীটোৱে এটি গবেষণাগাৰ। মেজত ৰবৰৰ পৰা ৰঙা নীলা পেঞ্চিল বেজিলৈকে নিৰ্দিষ্ট ঠাইত পৰিপাটিকৈ ৰখাৰ উপৰিও ১৯২৮ খৃঃৰ পৰা বিভিন্ন জনক দিয়া চাৰ্টিফিকেটৰ প্ৰতিলিপি, চিঠি, চিঠিৰ উত্তৰ আৰু সকলো কাগজ পত্ৰকে বিধে বিধে সযতনে সংৰক্ষণ কৰা কাৰ্য্য অননুকৰনীয়।

১৮৯৪ খৃঃৰ ২৩ জানুৱাৰীত নগাঁৱৰ ফৌজদাৰীপটিত সূৰ্য্যকুমাৰ ভূঞাৰ জন্ম। তেওঁৰ পিতৃ ৰবিলাল ভূঞা আৰু মাতৃ ভুবনেশ্বৰী। নিচেই সৰু কালতে তেওঁৰ মাতৃ বিয়োগ হয়।

নগাওঁ চহৰতে তেওঁৰ পঢ়াশালীয়া শিক্ষা আৰম্ভ। পিচত ছিলং চৰকাৰী হাইস্কুলত পঢ়ি ১৯০৯ খৃঃত প্ৰথম বিভাগত এন্ট্ৰেন্স পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৃত্তি লাভ কৰে। এন্ট্ৰেন্স পৰীক্ষা দি উঠিয়ে ছিলঙৰ বাজহুৱা পুথি ভঁৰালৰ বিভিন্ন আলোচনী আৰু অৰুনোদইৰ পৰা সংগ্ৰহ কৰি ৰচনা কৰিলে 'আহোমৰ দিন'।

কটন কলেজৰ আই এ শ্ৰেণীত পঢ়া কালছোৱাতে 'উষাত' কবিতা আৰু প্ৰবন্ধ প্ৰকাশ হয়। ভূঞা ডাঙৰীয়াই ইংৰাজীত অনাৰ্চ লৈ বি এ আৰু ইংৰাজীত এম এ পঢ়িছিল কলিকতা প্ৰেচিডেন্সী কলেজ আৰু কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত। ১৯১৬ খৃঃত বিশ্ববিদ্যালয়ত পঞ্চম স্থান অধিকাৰ লাভ কৰি এম এ ডিগ্ৰী লাভ কৰে। পিচত তেওঁ বি এল মহলাতো উঠিছিল।

কলিকতাত পঢ়া সময়তে ইডেন হিন্দু হোষ্টেলত বঙালা চনেট কবিতা প্ৰতিযোগীতাত প্ৰথম স্থান লাভ কৰিছিল ভূঞা ডাঙৰীয়াই। সেই সময়তে Ye Sons of England নামৰ ইংৰাজী চনেট এটি The Century Review ত প্ৰকাশ হৈছিল।

শিক্ষা শেষ কৰি যোৰহাট বেজবৰুৱা হাইস্কুল আৰু মিছনস্কুলত শিক্ষা-দান কৰাৰ পিচত ১৯১৮ খৃঃৰ পৰা ভূঞা কটন কলেজৰ অধ্যাপক। ডক্টৰ ভূঞাই কটন কলেজৰ প্ৰথম অসমীয়া অধ্যাপক, প্ৰথম অসমীয়া অধ্যক্ষ (১৯৪৬) আৰু প্ৰথম অসমীয়া শিক্ষাধিকাৰ (D. P. I) (১৯৪৮-৪৯)। ডক্টৰ ভূঞা গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বিতীয় উপাচাৰ্য্য (১৯৫৭-৬০)।

লণ্ডন বিশ্ববিদ্যালয়ৰ অধীনত গবেষণা কৰি ১৯৩৮ খৃঃত তেওঁ পি এইচ ডি ডিগ্ৰী লাভ কৰে। An Anglo Assamese Relation তেওঁৰ গবেষণা গ্ৰন্থ। বুৰঞ্জী সাহিত্য সম্পৰ্কীয় ৰচনা বাজিৰ বাবে লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা পিচত ডি লিট ডিগ্ৰী লাভ কৰিছিল (১৯৫১)।

ডক্টৰ ভূঞাৰ জীৱনৰ কীৰ্তি স্তম্ভ হল বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ। ১৯২৮ খৃঃত স্থাপন কৰা উক্ত বিভাগৰ প্ৰথমতে তেওঁ সহকাৰী ডিৰেক্টৰ আৰু পিচত ডিৰেক্টৰ স্বৰূপে সুদীৰ্ঘ কাল (১৯৫৭ খৃঃ লৈকে) কাৰ্য্য নিৰ্বাহ কৰিছিল। প্ৰথমতে তেওঁৰ বাস ভৱনতে উক্ত বিভাগ স্থাপন কৰা হয়। পিচতহে ৰাধাকান্ত সন্দিকৈৰ দানেৰে নাৰায়ণী সন্দিকৈ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ ভৱন নিৰ্মাণ কৰা হয়। উক্ত বিভাগতে প্ৰায়বোৰ বুৰঞ্জী সংগ্ৰহ আৰু প্ৰতিলিপি কৰি সংৰক্ষণৰ ব্যৱস্থা কৰিছিল। 'অসম বুৰঞ্জী', 'কামৰূপ বুৰঞ্জী', 'দেওধাই অসম বুৰঞ্জী', 'তুঙখুঙীয়া বুৰঞ্জী', 'অসমৰ পদ্য বুৰঞ্জী', 'ত্ৰিপুৰা বুৰঞ্জী', 'কছাৰী বুৰঞ্জী' ডক্টৰ ভূঞাই বিজ্ঞান সম্মত ভাৱে সম্পাদনা কৰি উক্ত বিভাগৰ পৰা প্ৰকাশ কৰা বুৰঞ্জী।

'Lachit, Barphukan and his Times' (১৯৪৭), 'Annals of the Delhi Badshahete' (১৯৪৭), 'Assamese Nur Jahan' (১৯২৬), 'Tungkhngiya Buranji' (১৯৩১), 'Atan Buragohain and His Times' (১৯৫৭), 'Studies in the History of Assam' (১৯৬৫), 'An Account of Assam' (১৯৪০), 'Early British Relations with Assam' (১৯২৮) তেওঁৰ ইংৰাজীত ৰচিত আৰু সম্পাদিত বুৰঞ্জী।

বুৰঞ্জীৰ মনোৰম কাহিনীক লৈ ৰচনা কৰা পুথি 'ৰমণী গাভৰু' (১৯৫১), 'অসম জীয়াৰী', (১৯৩৫), 'জয়মতী উপাখ্যান' (১৯২০), 'বুৰঞ্জীৰ বাণী'. (১৯৫১) 'কোঁৱৰ বিদ্ৰোহ' (১৯৪৮), 'লাচিত বৰফুকন' (১৯৬২), 'স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ' (১৯৬৬), 'মিৰজুমলাৰ অসম আক্ৰমণ' (১৯৫৬)।

অসমীয়া জীৱনী সাহিত্যটো ভূঞাৰ স্থান আগ শাৰীত। 'আনন্দ ৰাম

বকৰা' (১৯২০), 'গোপালকৃষ্ণ গোখলে' (১৯১৬), 'ৰবীন্দ্ৰ নাথ ঠাকুৰ' (১৯২০), 'হৰিহৰ আতা' (১৯৬০), 'জোনাকী' (১৯২৮) আৰু 'চানেকি' (১৯২৮) তেওঁৰ জীৱনী গ্ৰন্থ। 'পঞ্চমী', (১৯২০) আৰু 'নিৰ্মালী' (১৯১৮) তেওঁৰ একমাত্ৰ চুটি গল্প আৰু কবিতাৰ সংকলন। 'ত্ৰিপদী' (১৯৫৯)' 'শৰাইঘাটৰ সুৰচনি' (১৯৬৩), 'বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা' (১৯৫৫), 'বৰফুকনৰ গীত' (১৯২৪), 'সাতসৰী অসম বুৰঞ্জী' (১৯৬০), 'Studies in the Literature of Assam' (১৯৫৬), 'Men I have Met (১৯৫৭), 'The Seven Hindrances (১৯৫৩), 'Some Literary Reminicences' (১৯৫৪) তেওঁৰ আন আন গ্ৰন্থ।

ছিলংত অনুষ্ঠিত সাহিত্য সভাৰ দ্বাবিংশ সন্মিলনৰ (১৯৫৩, ৮ নবেম্বৰ) ডক্টৰ ভূঞা সভাপতি। তেতিয়াৰ বিত্তমন্ত্ৰী মতিৰাম বৰা অভ্যৰ্থনা সমিতিৰ সভাপতি। বেণুধৰ শৰ্মা বুৰঞ্জী শাখাৰ, কুলধৰ চলিহা সঙ্গীত শাখাৰ আৰু অধ্যক্ষ পিউ বিজ্ঞান শাখাৰ সভাপতি। প্ৰধান সম্পাদক নিৰ্বাচিত হয় অতুলচন্দ্ৰ হাজৰিকা। ৰাজ্যপাল জয়ৰাম দাস দৌলতৰাম আৰু বিষ্ণু ৰাম মেধিয়ে ক্ৰমে প্ৰদৰ্শনী আৰু মূল সভা উদ্বোধন কৰিছিল।

ভাৰতীয় বুৰঞ্জী কংগ্ৰেছৰ লগতো ডক্টৰ ভূঞা জন্ম লগ্নৰেপৰা জড়িত। উক্ত বুৰঞ্জী কংগ্ৰেছৰ গোৱালিয়ৰত আধুনিক বুৰঞ্জী শাখাত (১৯৫২) আৰু গুৱাহাটীত স্থানীয় বুৰঞ্জী (Local History Section, ১৯৫৯) শাখাত তেওঁ দুবাৰ পৌৰহিত্য কৰিছিল। সাহিত্য সভাৰ ধুবুৰী অধিবেশনৰো বুৰঞ্জী শখাৰ (১৯২৬) তেওঁ সভাপতি।

কামৰূপ অনুসন্ধান সমিতি (১৯২১-২২আৰু ১৯২৬-২৯) আৰু ৰাজিক সংগ্ৰহালয় সমিতিৰো (১৯৪০) ক্ৰমে সম্পাদক, সভাপতি স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল।

১৯৫২ খ্ৰঃত তেওঁ ৰাজ্যসভাৰ মনোনীত সদস্য। ইংৰাজ চৰকাৰৰ আমোলত তেওঁ যেনেদৰে ৰায়বাহাদুৰ আৰু M. B. E আদি খিতাপ লাভ লাভ কৰিছিল, স্বাধীন চৰকাৰৰ পৰাও তেনেদৰে পদ্মশ্ৰী উপাধি লাভ কৰিছিল।

১৯৬৪ খ্ৰঃৰ ৫ জুলাইত তিনিকুৰি দহ বছৰ বয়সত এই গৰাকী কৰ্মযোগী পুৰুষৰ জীৱন বন্তি নিৰ্বাপিত হয়। ●

নলিনী বালা দেবী

১৮৯৭ খৃঃৰ প্ৰলয়ঙ্কাৰী ভূঁইকপ। পৃথিৱী তল ওপৰ লাগিল। মাটি ফাটি চিৰ-চিৰ হল। মেদিনীৰ বুকু ভেদি প্লাবনৰ সৃষ্টি কৰিলে।

অসমৰ আন চহৰৰ দৰে বৰপেটা চহৰৰ বুকুৰেও বাগৰি গল বৰ ভূঁইকপৰ জোকাৰণি। মাটি ফাটি চিৰা চিৰ হল। চাউল খোৱা নখন্দা উফন্দি উঠিল। চহৰৰ ভেটি-মাটি পানীত তল গল। মানুহে ঘৰ-দুৱাৰ এৰি নাৱৰ বুকুত আশ্ৰয় ললে।

পিচত পানী শুকালত নাৱৰ বুকুৰ পৰা ঘৰা-ঘৰি যাবলৈ ধৰিলে। কিন্তু যি সকলৰ ঘৰ ভূইকপত ভাগি গল সিসকলৰ বাবে হল এক সমস্যা। সমস্যা সৃষ্টি হল স্বয়ং বৰপেটা মহকুমাৰ মহকুমাধিপতিজনৰ। মহকুমাধিপতিৰ বাস বাসভৱন তেতিয়া ভগা ছিগা অৱস্থাত।

ওচৰতে আছিল বৰপেটাৰ লোকেল বোৰ্ডৰ গুদাম ঘৰ এটি। ঘৰটিৰ দুটা কোঠা ভূঁইকপত বিশেষ নষ্ট হোৱা নাছিল। মহকুমাধিপতিয়ে সেই কোঠা দুটাকে ভাল কৰি ললে। মাধৱ চন্দ্ৰ বৰদলৈ তেতিয়া বৰপেটা মহকুমাৰ মহকুমাধিপতি। বহুদিনলৈকে গুদাম ঘৰেই বৰদলৈৰ বাসস্থান।

বৰপেটাৰ সেই লোকেলবোৰ্ডৰ গুদাম ঘৰতে মাধৱ চন্দ্ৰ বৰদলৈৰ নাতিনী, কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ প্ৰথম সন্তান নলিনী বালাৰ জন্ম। সিদিনা আছিল ১৮৯৮ খৃঃৰ ২৩ মাৰ্চ, চ'ত মাহৰ শুক্লা চতুৰ্দশী। নলিনী বালাৰ মাকৰ নাম হেমন্ত কুমাৰী। ককা দেউতাকে নৱজাতকৰ নাম ৰাখিলে পদ্মিনী; কিন্তু আধুনিক ৰুচি সম্পন্ন দেউতাক নবীন চন্দ্ৰৰ সেই নাম মনপূত নহল; তেওঁ নাম ৰাখিলে নলিনী।

মাধৱচন্দ্ৰ বৰদলৈৰ পূৰ্ব পুৰুষ শিৱসাগৰৰ; মানৰ দিনত উত্তৰ গুৱাহাটীলৈ আহি বসতি কৰিছিল। পিচত তেওঁ জোৰ পুখুৰীৰ পাৰত ঘৰ সজায়। ইংৰাজ আমোলৰ এগৰাকী উচ্চ পদস্থ বিষয়া আছিল যদিও বৰদলৈ আনহাতে এগৰাকী বিদ্যানুৰাগী ব্যক্তি। মাধৱ কন্দলীৰ ৰামায়ণ (১৯০০) আৰু দীপিকা ছন্দ (১৮৯৫)প্ৰথমতে বৰদলৈয়ে সম্পাদনা কৰি প্ৰকাশ কৰিছিল।

নলিনী বালাৰ পিতৃ নবীনচন্দ্ৰ বৰদলৈ এজন অকল স্বাধীনতা ৰণৰ বনুৱা আৰু অসমৰ আগশাৰীৰ নেতাই নহয় একেবাহে কবি আৰু নাট্যকাৰ। 'কৃষ্ণ লীলা', 'অনিতা গেৰিবল্ডি', 'হাতেম তাই', 'গৃহলক্ষী', 'দনুৱী দমন', 'তৰুণ কাঞ্চন', 'তীৰ্থ যাত্ৰী' প্ৰভৃতি তেওঁৰ ৰচিত গ্ৰন্থ।

তেতিয়াৰ দিনত সিমান স্ত্ৰীশিক্ষাৰ প্ৰচলন নাছিল যদিও বৰদলৈ আছিল স্ত্ৰীশিক্ষাৰ অনুৰাগী। প্ৰথমতে সু-সাহিত্যিক, সংস্কৃতজ্ঞ গোপাল কৃষ্ণ দেক ঘৰুৱা শিক্ষক স্বৰূপে নিয়োগ কৰি নলিনী বালা দেবীৰ শিক্ষাৰ ব্যৱস্থা কৰি দিয়ে। পিচত কলেজিয়েট স্কুলৰ শিক্ষক দুজনৰ হতুৱাই অঙ্ক, ইংৰাজী আদি পঢ়ুৱাইছিল। স্কুল-কলেজলৈ নোযোৱাকৈয়ে নলিনীবালা দেবীয়ে প্ৰয়োজনীয় শিক্ষা লাভ কৰে। তেওঁৰ প্ৰথম কবিতা 'পিতা' প্ৰকাশ হয় 'আলোচনী'ত (১ম বছৰ ৩ য় সংখ্যা' ১৯১০ খৃঃ)

এদিন নলিনী বালাই "সোণৰ বাখৰুৱা মুঠি আৰু নুটা বাখৰুৱা বিৰিৰে সোণৰ শিকলি গথা ঢৰীয়া বিৰি, বাখৰুৱা জোন বিৰি, সোণ পটোৱা খুপিয়া মনি, বাৰৰি ফুলীয়া জেঠী নেজীয়া বাখৰুৱা আঙঠি, মালা মনি, দুগদুগী, বাখৰুৱা থুৰীয়া আদিৰে জেৰোণ পিন্ধি বিবাহ বন্ধনত আবদ্ধ হল। তেওঁৰ স্বামী শিৱসাগৰৰ নিত্যানন্দ চতুৰ্বেদীৰ বংশৰ কৃষ্ণ প্ৰাণ চাংকাকতিৰ মাজু পুত্ৰ জীবেশ্বৰ চাংকাকতী। তেতিয়া নলিনীবালাৰ বয়স এঘাৰ বছৰ।

শান্তি বিয়াৰ পিচত প্ৰাচুৰ্য্যৰে ভৰা দাম্পত্য জীৱনৰ মধুৰ আঠোটা বছৰ তেওঁ সুকলমে অতিবাহিত কৰিলে। এটি এটিকৈ পাচোটি সন্তানৰ জননী হল। কিন্তু তেওঁৰ এনে মধুৰ দাম্পত্য জীৱন আছিল দুদিনীয়া। মাত্ৰ কুৰি বছৰ বয়সতে গাভৰু নলিনীবালা দেবীয়ে এদিন স্বামী শত্ৰু হেৰুৱাব লগা হল। বুকুত আমা-ডিমা পাচঁটি সন্তন লৈ বিধবাৰ নিৰাভৰণ বেশেৰে উভতি আহি পিতৃৰ কাষ চাপিল।

আইতাকে কলে "আই! মই তোৰ এই বেশ চাব নোৱাৰোঁ, তই ঘৰত সদাই পাটৰ ৰিহা মেখেলা পিন্ধিবি।"

"নহয় আই! কিয় পাটৰ ৰিহা মেখেলা পিন্ধিম? মোৰ আইক মই ইমান দিনে মনৰ জোখাৰে বহা বহা অলঙ্কাৰ আৰু সাজপাৰেৰে চাই ভাল পাইছিলো। আজিৰ পৰা ভাল পাম অন্তৰে বাহিৰে মহাশ্বেতাৰ দৰে ৰূপ চাবলৈ।" শোক বিহ্বল অথচ ধীৰ স্থিৰ ভাবে কথাষাৰ কৈছিল পিতৃ নবীন চন্দ্ৰ বৰদলৈয়ে।

স্বামীৰ মৃত্যুৰ লগে লগে নলিনী বালা দেৱীৰ জীৱনৰ করুণ নাটৰ আৰম্ভণ। স্বামীৰ মৃত্যুৰ শোকৰ বহ্নি নুমাবলৈ নৌপাওঁতেই আকৌ তেওঁৰ স্নেহৰ পুত্ৰ পুতলীক হেৰুৱাব লগা হল। ইয়াৰ পিচত কাণ সমনীয়া পুত্ৰ পবিত্ৰও অকালতে আঁতৰি গল। পবিত্ৰ আছিল আৰ্ল ল কলেজৰ ছাত্ৰ সন্থাৰ সম্পাদক। পুতলিৰ মৃত্যুত ৰবদলৈয়ে ছিলেট জেলৰ পৰাই অচল অটল ভাবে কন্যাক সন্তনা দি লিখিলে—"তোমাৰ পুতলিৰ মুখখনি জগতৰ প্ৰত্যেক শিশুৰ মুখত দেখিবলৈ চেষ্টা কৰিবা।"

স্বামী পুত্ৰ হেৰুৱাই নলিনী বালা দেৱীয়ে ধৰ্মগ্ৰন্থ, দৰ্শন উপনিষদৰ মাজত জীৱনৰ চৰম শান্তি পথৰ সন্ধান বিচাৰি পালে—"জীৱন যুদ্ধত যুঁজ কৰি ৰক্তাক্ত হিয়াৰে মোৰ কঠোৰতম ত্যাগ, সংযম, সহিষ্ণুতালৈ যি অৱস্থাতে প্ৰতিটি দিন কটাইছিলোঁ। সেই স্মৰনীয় দুখৰ বাটৰ ধ্ৰুৱ তৰাৰ দৰে ঈশ্বৰৰ ওপৰত নিৰ্ভৰ আৰু আকুল প্ৰাৰ্থনাই মোক নিতে দগ্ধ প্ৰাণত শান্তি পানী ছটিয়াইছিল। অধ্যয়নেই আছিল মোৰ শান্তিৰ পথ।"

স্বামী পুত্ৰ হেৰুৱা বিৰহ বেদনাই নলিনীবালা দেৱীক অভিভূত কৰিলে। ব্যক্তিগত জীৱনৰ কাৰুণ্যই তেওঁৰ সৰহ ভাগ কবিতাৰ উৎস। কবি চিৰ সুন্দৰৰ অন্বেষণত ব্যাকুল হল।

'সন্ধিয়াৰ সুৰ' (১৯২৮) কবিৰ প্ৰথম কবিতাৰ সংকলন। 'সপোনৰ সুৰ' (১৯৪৩), 'পৰশমণি' (১৯৫৪), 'যুগদেৱতা' (১৯৫৭), 'জাগৃতি' (১৯৬০) আৰু 'অলকা নন্দা' (১৯৬৭) কবিৰ আন আন কাব্য গ্ৰন্থ। 'স্মৃতি তীৰ্থ' (১৯৪৮) পিতৃদেৱৰ বিষয়ে লিখা জীৱন চৰিত। 'বিশ্বদীপা' (১৯৬১), 'চৰ্দাৰ বল্লভ ভাই পেটেল' আন দুখনি জীৱনী গ্ৰন্থ। 'পাৰিজাতৰ অভিশেষ', 'মীৰাবাই', 'শেষ পূজা', আৰু 'প্ৰহ্লাদ' চাৰিখন শিশু নাটিকা। 'শান্তি পথ' প্ৰবন্ধ সংকলন আৰু 'এৰি অহা দিন বোৰ' কবিৰ আত্ম জীৱনী।

যোৰহাটত অনুষ্ঠিত সাহিত্য সভাৰ ত্ৰয়োবিংশ সন্মিলনৰ (১৯৫৪ খৃঃ ৩১ ডিচেম্বৰ) নলিনী বালা দেৱী সভানেত্ৰী। ৰাধানাথ ফুকন অভ্যৰ্থনা সমিতিৰ সভাপতি। ডক্টৰ হিৰণ্য চন্দ্ৰ ভূঞা আৰু সুৰেশ চন্দ্ৰ ৰাজখোৱা ক্ৰমে বিজ্ঞান আৰু বুৰঞ্জী শাখাৰ সভাপতি। প্ৰদৰ্শনীৰ দ্বাৰ উদ্বোধন কৰিছিল মহাদেৱ শৰ্মাই। অতুল চন্দ্ৰ হাজৰিকা পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

ষটত্ৰিংশ বৰপেটা অধিবেশনৰো কবি সন্মিলনীৰ নলিনী বালা দেৱী সভানেত্ৰী। সাহিত্য সভাৰ উপৰিও গোলাঘাটত অনুষ্ঠিত 'সদৌ অসম ছাত্ৰ

সম্মিলন' (১৯৪৭) আৰু নগাওঁত অনুষ্ঠিত অসম প্ৰাদেশিক মহিলা সমিতিৰো নলিনী বালা দেৱী আছিল সভানেত্ৰী।

আজীৱন সাহিত্য চৰ্চা কৰা এই গৰাকী কবিৰ 'অলকানন্দা' পুথিৰ বাবে ১৯৬৭ খৃঃত সাহিত্য একাডেমীৰ বঁটা লাভ কৰিছিল। ১৯৫৭ খৃঃত তেওঁক 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰা হয়।

নলিনী বালা দেৱী এগৰাকী ৰহস্যবাদী কবি। ব্যক্তিগত জীৱনৰ কাৰুণ্যই কবিৰ ৰহস্যবাদৰ মূল উৎস। ভাৰতীয় দৰ্শনেৰে পৰিপুষ্ট এইগৰাকী কবি পাশ্চাত্য ৰোমাণ্টিক আন্দোলনৰ দ্বাৰা প্ৰভাবান্বিত হলেও ভাৰতীয় দৰ্শনৰ জন্মান্তৰবাদ, কৰ্মফল বাদ আদিৰেহে বেচিকৈ প্ৰভাবান্বিত। আজিও নলিনী বালা দেৱীৰ সাহিত্য সৃষ্টিৰ অদম্য কৰ্ম প্ৰেৰণাত বাৰ্দ্ধক্য জনিত কোনো ধৰণৰ অৱসাদে আচোৰ পেলাব পৰা নাই। ●

যতীন্দ্ৰ নাথ দুৱৰা

"তিনিও জনে তিনিখন নাৱত উঠি লুইতৰ বহল বুকুত নাও মেলি দিলে—তেওঁলোকৰ উলাহ চায় কোনে? এনেদৰে গৈ থাকোঁতে হঠাতে এজনৰ নাও খনি চাতকৰে কেনিবাদি আঁতৰি গল—আন দুজনে বহুত পৰ বিচাৰিও তাৰ একো উৱাদিহ নাপালে। ..... অলপ পৰ গৈ এটা ঘাট পাই আন জনেও তাতে তেওঁৰ নাও বান্ধিলে—কিন্তু ইজনে নোৱাৰিলে। সোঁতৰ টানে তেওঁৰ নাও উটাই লৈ গল। এতিয়াও তেওঁ সোঁতৰ মাজত নাৱৰ বুকুত।"

ৰাতি পুৱা ৰংমনে 'লুইত চাবলৈ' যোৱা ছাত্ৰ তিনিজন, এসময়ৰ কলিকতাৰ কলেজত পঢ়া ছাত্ৰ। 'চাত কৰে আতৰি যোৱা' জন বলীন্দ্ৰ খাউণ্ড। বলীন্দ্ৰ খাউণ্ড চিৰদিনৰ বাবে নিৰুদ্দেশ হল। তেওঁ ডিব্ৰুগড়ৰ পৰশুৰাম খাউণ্ডৰ পুত্ৰ।

ঘাট পাই নাও বন্ধা জন ৰাধিকানন্দ চৌধুৰী, প্ৰশান্ত মূৰ্ত্তি। প্ৰথমতে এওঁ নিৰুদ্দেশ হৈছিল। সোঁতৰ মাজত নাৱৰ বুকুত থকা জনেই যতীন্দ্ৰ নাথ দুৱৰা। তিনিও জন কলেজীয়া বন্ধু কলিকতাত এজন সন্ন্যাসীৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। দুৱৰায়ো দীঘল চুলি ৰাখি যাত্ৰাৰ বাবে প্ৰস্তুত হৈছিল।

পিচত যেনিবা লক্ষ্মীনাথ বেজবৰুৱাই দীঘল চুলি কটোৱাই সেই যাত্ৰালৈ ৰক্ষা কৰিলে। দুৱৰা কিন্তু চিৰকুমাৰ হৈয়ে থাকিল। অৱশ্যে তেওঁৰ চিৰ কৌমাৰ্য্যৰ আন কাৰণো নথকা নহয়।

১৮৯২ খৃঃৰ ৪ মাৰ্চত ৰংপুৰৰ দিখৌৰ পাৰৰ আমোলা পটিত দুৱৰাৰ জন্ম। তেওঁৰ পিতৃ শ্যাম সুন্দৰ দুৱৰা আৰু মাতৃ পুন্যদা দুৱৰা।

শিৱসাগৰৰ ছাত্ৰ বৃত্তি স্কুলত বঙলা ভাষাৰ মাধ্যমেৰে দুৱৰাৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ। বঙলা ভাষাৰ মাধ্যমেৰ পঢ়িব লগা বাবে দুৱৰাৰ মনত বৰ বেজাৰ। এদিন তেওঁক প্ৰধান শিক্ষক ৰাম মোহন মিত্ৰই সুধিলে "তুমি যে মাতৃ ভাষা, মাতৃ ভাষা কৰ মাতৃ ভাষা আবাৰ কি ?

"মাকৰ কোলত শুই কেচুৱাই পিয়াহ খাওঁতে পোন প্ৰথমতে যিটো ভাষাৰে আই বুলিবলৈ শিকে, সেয়ে তাৰ মাতৃ ভাষা। ই স্বৰ্গতো অধিক। দুখৰ বিষয় আমি এই মাতৃ ভাষাৰ পৰা বঞ্চিত।" এই বুলি কৈ দুৱৰাই হুক হুককৈ কান্দিছিল। মিত্ৰই তেতিয়া মূৰত হাত বুলাই শান্তনা দিছিল— "তোমাৰ মাতৃ ভাষা আবাৰ ফিৰে আচবে। তুমি আৰ কাঁদনা।"

শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা ১৯০৯ খৃঃত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ দুৱৰাই কলেজীয়া শিক্ষা লাভ কৰিছিল কটন কলেজ আৰু কলিকতা স্কটিছ চাৰ্চ কলেজত ১৯১৩ খৃঃত বি এ পাচ কৰি কলিকতা বিশ্ববিদ্যালয়তে এম এ আৰু আইন পঢ়িছিল যদিও পৰীক্ষা দিয়া নহল।

সম্ভ্ৰান্ত দুৱৰা কাকতি বংশৰ উচ্চ শিক্ষিত দুৱৰা কায়িক ৰূপটো কতো অকণো কতি খুন নাছিল "দৰশিত সুন্দৰ গৌৰ কলেবৰ'। ইচ্ছা কৰিলে সহজতে তেওঁ হাকিম মুন্সিফ হব পাৰিলে হেঁতেন; কিন্তু দুৱৰাই চিৰকুমাৰ হৈ কোনো চৰকাৰী চাকৰিকে গ্ৰহণ নকৰি ওৰেটো জীৱন দেশ বিদেশৰ কাব্য চৰ্চ্চা কৰি স্কটিছ চাৰ্চ্চ স্কুলৰ শিক্ষকতাকে জীৱিকা হিচাপে গ্ৰহণ কৰিছিল।

১৯৩৮ খৃঃৰ পৰা কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া এম এ শ্ৰেণী আৰম্ভ হোৱাত দুৱৰাও অধ্যাপক নিযুক্ত হয়। ১৯৪২ খৃঃ লৈকে তেওঁ বিশ্ববিদ্যালয়তে অধ্যাপনা কৰিছিল। পিচত ডিব্ৰুগড় কানৈ কলেজত (১৯৪৮—৬১) অধ্যাপনা কৰেহি। কলিকতাত থকা কালচোৱাত তেওঁ লেডী জেন ডাণ্ডাজ হোষ্টেল আৰু ওগিলভি হোষ্টেলৰ চুপাৰিণ্টেডেণ্ট আছিল। কলিকতাৰ এ এছ এল ক্লাবৰ লগতো তেওঁ জড়িত আৰু একালৰ সভাপতি।

গুৱাহাটীত অনুষ্ঠিত সাহিত্য সভাৰ চতুৰ বিংশ (১৯৫৫ খৃঃ, ২৫ ডিচেম্বৰ)

অধিবেশনৰ দুৱৰা সভাপতি। হলিৰাম ডেকা অভ্যৰ্থনা সমিতিৰ সভাপতি। ডক্টৰ বিৰিঞ্চি কুমাৰ বৰুৱা বুৰঞ্জী শাখাৰ, ডক্টৰ ৰোহিণী কান্ত বৰুৱা বিজ্ঞান শাখাৰ, শ্ৰীশ্ৰীমিত্ৰ দেৱ মহন্ত সাংস্কৃতিক অধিবেশনৰ সভাপতি। প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰিছিল শ্ৰীনীলমণি ফুকনে। শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা এইবাৰেো প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

দুৱৰাই তেওঁৰ কবি জীৱন আৰম্ভ কৰিছিল অনুবাদ কবিতাৰে। স্কুলীয়া ছাত্ৰাৱস্থাতে Twinkle Twinkle little star কবিতাটিৰ অসমীয়া ভাঙনি কৰিছিল 'চিকি মিকি চিকি মিকি সৰু তৰাটিৰ, কেনেকৈ শোভা কৰে ওখ আকাশত।' ৰচিত পাচ খন পুথিৰ ভিতৰত 'আপোন সুৰ' (১৯৩৮) আৰু 'বনফুলৰ' (১৯৫২) বাহিৰে 'ওমৰ তীৰ্থ' (১৯২৬), 'কথা কবিতা' (১৯৩৩) আৰু 'মিলনৰ সুৰ' (১৯৫৮) বিদেশী গ্ৰন্থৰ ছাঁলৈ ৰচনা কৰা।

দুৱৰাই যিমান সংখ্যক কবিতা প্ৰকাশ কৰিছে, সিমান সংখ্যক কবিতাকে লিখি উঠি ফালি পেলাইছে।

ওমৰ তীৰ্থ তেওঁৰ প্ৰথম প্ৰকাশিত পুথি। প্ৰথমতে তেওঁ ওমৰ খায়ামৰ সাহিত্যৰ সোৱাদ লাভ কৰে বিহাৰী সহপাঠি বন্ধু এজনৰ সৌজন্যত। ফিট্-জাৰলড্, হুইটফিল্ডৰ সংস্কৰণ আৰু আন আন ইংৰাজী পুথিত পাৰচীয় সাহিত্য সম্বন্ধে অধ্যয়ন কৰি ওমৰৰ কবিতা আৰু জীৱন দৰ্শন সম্বন্ধে খৰচি মাৰি জানি লয়। পিচত ওমৰ খায়াম অসমীয়ালৈ ভাঙনি কৰিবলৈ মনে যদিও প্ৰথমতে তেওঁৰ কেনা লাগিল, কৰিব নোৱাৰিলে। আমন জিমনকৈ কলিকতা কাৰ্জন পাৰ্কত কবিয়ে এদিন সন্ধিয়া নিৰবে বহি আছে। এনেতে অকস্মাতে তেওঁৰ মনত বিজুলী চমকে ওমৰ তীৰ্থৰ অসমীয়া ছন্দই পৰশ পেলাই গল

সোণালী ৰথত আলোকি বিমানে
মাৰিলে সুৰুযে সোণৰ কাঁড়
পলাল আন্ধাৰ হৰিণীয়ে যেন
হয় নিমিষতে চকুৰ আঁৰ।'

সেইদিন আছিল ১৯২৫ খৃঃৰ ১ জুন। একেৰাহে ৬ দিনৰ মূৰত অৰ্থাৎ ৬ জুনত ১০৫ টা স্তবকত ওমৰ তীৰ্থ ৰচনা কৰি শেষ কৰিলে।

ডক্টৰ কাকতিৰ সুৰত কবলৈ হলে 'কথা কবিতা দুৱৰাৰ বিশিষ্ট দান—নোহোৱা নোপোজা কবিতাৰ পুথি।' কবিতা চিৰ কালেই ছন্দৰ মাজেদি

ৰচনা কৰা হৈছে। গদ্যৰ মাজেদি যে কবিতাৰ ভাব প্ৰকাশ কৰিব পাৰি, কথা কবিতা তাৰ প্ৰথম চিনাকি। টলষ্টয়ৰ পৰামৰ্শ মতে প্ৰথমতে ৰুচ ভাষাত কথা কবিতাৰ সূচনা কৰিছিল প্ৰখ্যাত কথা সাহিত্যিক আইভান টুৰ্গেনিভে। টুৰ্গেনিভৰ কথা কবিতাৰ সংকলন চনিলীয়া আৰু ৰাচিয়ান ভিগনেটছ (Russian Vignettes) দুৱৰাৰ কথা কবিতাৰ আৰ্হি স্বৰূপ। আঙ্গিক আৰু উপস্থাপন ৰীতিত টুৰ্গেনিভৰ প্ৰভাৱ পৰিলেও দুৱৰাৰ সৰহ ভাগ কথা কবিতাৰ বিষয় বস্তু কবিৰ নিজৰ। বিদেশী সাহিত্যৰ ভাব আদৰ্শলৈ ৰচনা কৰা আন· এখন কবিতাৰ পুথি 'মিলনৰ সুৰ'।

নোপোৱাৰ বেদনা, বেদনাতুৰ প্ৰাণৰ কাকুতি উপচি পৰা বিৰহ দুৱৰাৰ 'আপোন সুৰ' আৰু 'বনফুলৰ' সৰহ ভাগ কবিতাৰ প্ৰাণকেন্দ্ৰ। কবিতা ৰাজিত শুনা যায় কবি জীৱনৰ 'যুগমীয়া বিৰহ আৰু হেৰুৱা সৌন্দৰ্য্যৰ প্ৰতি ব্যাকুল বিননি।' নদী, নাও আৰু নাৱৰীয়া তেওঁৰ সৰহ ভাগ কবিতাৰে প্ৰতীক। অকলশৰীয়া জীৱনৰ বেদনা বোধ তেওঁৰ কেবাটিও কবিতাতে স্পষ্ট। দুৱৰাৰ কবিতাৰ ভাষা সহজ সৰল আৰু সাৱলীল ছন্দত ৰচিত।

জীৱনৰ সৰহ ভাগ কাল প্ৰবাসতে কটাই শেষ জীৱনত দুৱৰা পুনৰ পৈতৃক ভেটিলৈ উভতি আহিল আৰু ইয়াতে ১৯৬৪ খৃঃৰ ৫ জুলাইত তিনি কুৰি বাৰ বছৰ বয়সত তেওঁৰ জীৱন বন্তী নিৰ্বাপিত হল। ●

বেণুধৰ শৰ্ম্মা

> 'বাইকে বচনে পিন্ধনে উৰণে
> খাটি অসমীয়া লোক
> অসমৰ কথা কওঁতে বাপুৰ
> পেটতো নালাগে ভোক।'

বাইকে বচনে খাটি অসমীয়া লোক জন সৰ্বজন পৰিচিত বুৰঞ্জীবিদ বেণুধৰ শৰ্ম্মা—'ঐতিহ্যৰ টাৱ চিলিঙি।'

১৯১৬ খৃঃৰ পাচৰ কথা। বেণুধৰ শৰ্ম্মা তেতিয়া চকল ডেকা বঙ্গবাসী কলেজৰ ছাত্ৰ। কটন কলেজ স্থাপন হোৱাৰ পিচত কলিকতাত তিতৰি

ভিতৰি সকলোৱে অসমীয়াৰ প্ৰতি হেয় ভাব পোষণ কৰাৰ উমান পোৱা গৈছিল। আনকি কলেজৰ শ্ৰেণীটো এদিন অধ্যাপকে মন্তব্য কৰিবলৈ সঙ্কোচ নকৰিছিল "অসমীয়াৰা জঙ্গলী'।

কথাষাৰ শুনিয়ে তীব্ৰভাবে প্ৰতিবাদ কৰিছিল পিচৰ বেঞ্চত অকলশৰে বহি থকা একমাত্ৰ অসমীয়া ছাত্ৰ চাৰিঙৰ বেণুধৰ শৰ্মাই। অকল প্ৰতিবাদেই নহয় কথাষাৰ উঠাই লবলৈকো দাবী জনাইছিল।

অকল শ্ৰেণীৰ ছাত্ৰ শিক্ষকৰ মাজতে এই বিদ্বেষ, এই হেয় মনোভাব সীমাবদ্ধ নহয়। লাইব্ৰেৰীত গৈ 'হিন্দু পেট্ৰিয়টৰ' নিচিনা কাকততো পায় অসমীয়াৰ প্ৰতি বিৰূপ মন্তব্য। কলেজৰ বাহিৰত সুখদুখৰ কথা পতা বঙালী সহপাঠী এজনেও এদিন প্ৰশ্ন কৰিলে "অসমত নন্দ কুমাৰ আদিৰ দৰে স্বদেশ প্ৰেমীক স্বহীদ আছে জানো ?"

সেই দিনাও বেণুধৰ শৰ্মাই নিৰ্ভিক ভাবে উত্তৰ দিছিল "আছে।"

'আছে' বুলি কৈয়ে তেওঁ ক্ষান্ত থকা নাছিল। তেতিয়া কলিকতাৰ 'আকাশত' অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ বেলি অস্তমিত আৰু এ এছ এল ক্লাবৰ কাচিয়লি ৰ'দ। এ এছ এল ক্লাবৰ কাচিয়লি ৰ'দতে এদিন কলিকতাৰ চিটি কলেজত অনুষ্ঠিত হল মণিৰাম দেৱানৰ স্মৃতি সভা আৰু সেই সভাতে শৰ্মাই পাঠ কৰিলে '৫৭ চাল' শীৰ্ষক মণিৰাম দেৱানৰ বিষয়ে প্ৰবন্ধ এটি। পিচত মণিৰাম দেৱানৰ জন্ম স্থান চাৰিঙত বৰ আৰম্ভৰে পাতিছিল মণিৰাম দেৱানৰ স্মৃতি সভা। 'মণিৰাম দেৱান' গ্ৰন্থই বেণুধৰ শৰ্মাৰ সাহিত্য সাধনাৰ কীৰ্ত্তি স্তম্ভ।

শিৱসাগৰৰ চাৰিং গাওঁতে ১৮৯৫ খৃঃৰ ১৫ নবেম্বৰত বেণুধৰ শৰ্মাৰ জন্ম। শৰ্মাৰ কথাৰে কবলৈ হলে "তেওঁৰ গুৰিহে চাৰিঙত হেদালিখন গোটেই অসমত।" তেওঁৰ পিতৃ ডিম্বেশ্বৰ শৰ্মা আৰু মাতৃ তুলসী দেবী। চমাৰ গাওঁ পাঠশালাৰ পৰা তিনিটকীয়া বৃত্তি লাভ কৰি শিৱসাগৰ চৰকাৰী হাইস্কুলত পঢ়িছিল। ১৯১৪ খৃঃত উক্ত স্কুলৰ পৰা প্ৰবেশিকা পাচ কৰি কলিকতা বঙ্গবাসী কলেজত আই এ আৰু বি এ পঢ়িছিল। প্ৰবেশিকা পৰীক্ষা দি উঠিয়ে কিছুদিন শিৱসাগৰ ফুলেশ্বৰী হাইস্কুল আৰু যোৰহাট বেজবৰুৱা হাইস্কুলত শিক্ষাদান কৰিছিল।

শিৱসাগৰত পঢ়া কালছোৱাত বাল্যশ্ৰম ছাত্ৰসভাত কবিতা পাঠ, প্ৰবন্ধ পাঠ, তৰ্কসভাত অংশ গ্ৰহণ কৰা শৰ্মা এগৰাকী অন্যতম সদস্য। সেই সময়তে

ভগৱতী প্ৰসাদ বৰুৱাৰ সতে সম্পাদনা কৰিছিল 'জেউতী' নামৰ এখনি আলোচনী। জেউতীত প্ৰকাশ হোৱা চুটিগল্প 'হৃদয় ৰাজ্য' পিচত 'আলোচনী'ত প্ৰকাশ হয় (ষষ্ঠবছৰ)।

কলিকতাত পঢ়ি থকা সময়তে গান্ধীজীৰ আহ্বানত কলেজ এৰি বেণুধৰ শৰ্মা গাওঁ পালেহি। চাৰিঙত থাকিয়ে অসহযোগ আন্দোলনত যোগ দি ১৯২১ খৃঃত কাৰাবৰণ কৰিব লগীয়া হৈছিল। দেশকৰ্মী স্বৰূপে জেল-জৰিমনা সকলো মূৰ পাতি লব লগা হৈছিল। ১৯৩৫ খৃঃত শৰ্মাই নানান কাৰণত কংগ্ৰেছৰ পৰা ওলাই আহি 'ঘৰফলীয়া' কংগ্ৰেছ নাম দি আন অনুষ্ঠান এটি গঠন কৰিছিল। কংগ্ৰেছ কৰ্মী স্বৰূপে লাভ কৰা অভিজ্ঞতা আৰু জীয়া স্মৃতিৰে ৰচনা কৰিছিল 'কংগ্ৰেছৰ কাচিয়লি ৰ'দত' (১৯৫৯) আৰু এইখন গ্ৰন্থৰ বাবে ১৯৬০ খৃঃত সাহিত্য একাডেমীৰ বটা লাভ কৰে।

জীৱন নিৰ্বাহৰ বাবে শৰ্মা ডাঙৰীয়াই বহুতো ব্যৱসায়ত হাত দিব লগীয়া হৈছিল। হাতীমহলত 'হাতী খেতৰ' পৰা 'আমাৰ দোকান'লৈকে বিবিধ কৰ্ম। 'আমাৰ দোকান'ৰ সামগ্ৰীও বিবিধ—"হাতেকটা সূতাৰ থান কাপোৰ, চুৰিয়া, তলত পৰা, শেতেলী ঢকা, মেজৰ কাপোৰ, ব্লাউজৰ ছীট, পিতলৰ টাকুৰী, যঁতৰ, নেওঠনি আৰু বাঙিকৈ (ডাকত) পঠিয়াব পৰা মুখত খোৱা ধপাত, পুৰণি কুঁজি থেকেৰা, ফুলাম গামোচা, চেলেং, পিঠাগুৰি চলা চালনী' ইত্যাদি।" অকল ইমানেই নহয় মাজে মাজে চাইকেলৰ কেৰিয়াৰত ধোবাৰ টোপোলাৰ নিচিনা একোটা টোপোলা লৈও চাহ বাগিছাৰ বনুৱাৰ মাজত ৰংবিৰঙৰ কাপোৰ চ'ৰা দামত বেচি ফুৰিছিল। খাদি কাপোৰ বেচি ফুৰা বাবে তেওঁৰ ওপৰত বাগিচাৰ বগা চাহাবৰ বেকা চকু পৰিছিল। ব্যৱসায়ী বুদ্ধিত তীখৰ হব নোৱাৰাৰ বাবেই এদিন শৰ্মা ডাঙৰীয়াৰ "আমাৰ দোকানত' লালবাতি জ্বলিল।

ইয়াৰ পিচত তেওঁ নীলমণি ফুকন সম্পাদিত 'দৈনিক বাতৰিৰ' সহকাৰী সম্পাদক। 'এই বেলি লণ্ডন লণ্ড ভণ্ড', 'হিটলাৰে লেটা কুন্দাইছে', 'এই বেলি শেনৰ এজাত', 'এই বেলি বানে হে বান' ইত্যাদি শিৰোনামাৰে তেতিয়াৰ 'দৈনিক বাতৰিয়ে' অসমীয়া ভাষা সাহিত্যৰ বৈশিষ্ট্য প্ৰকাশ কৰিছিল। 'তৰুণ অসম' শৰ্মা ডাঙৰীয়া সম্পাদিত আন এখন সংবাদ পত্ৰ (১৯৩৯)।

বেণুধৰ শৰ্মাৰ বৰ পুত্ৰ অজিত কুমাৰ শৰ্মাই গুৱাহাটীত অধ্যাপনা কৰাৰে পৰা তেওঁৰ কৰ্মভূমি চাৰিঙৰ পৰা গুৱাহাটীলৈ সলনি হল।

ধুবুৰীত অনুষ্ঠিত সাহিত্য সভাৰ পঞ্চবিংশ ৰূপালী জয়ন্তী অধিবেশনৰ শৰ্মা ডাঙৰীয়া সভাপতি নিৰ্বাচিত হয় (১৯৫৬ খৃঃ, ২৭ ডিচেম্বৰ)। প্ৰমথ নাথ চক্ৰবৰ্ত্তী ধুবুৰী অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি। ৰূপনাথ ব্ৰহ্ম বুৰঞ্জী শাখাৰ, প্ৰফুল্লচন্দ্ৰ বৰুৱা সঙ্গীত শাখাৰ আৰু লক্ষ্মীনাথ দাস বিজ্ঞান সভাপতি। পৰাগধৰ চলিহা প্ৰধান সম্পাদক নিৰ্বাচিত হয়। চিলঙত অনুষ্ঠিত দ্বাবিংশ অধিবেশনৰ বুৰঞ্জীশাখাৰ শৰ্মা সভাপতি আছিল।

কলেজ পঢ়োতেই গিৰীন্দ্ৰচন্দ্ৰ নাথৰ লগলৈ ৰচনা কৰা 'ৰবিঞ্চন ক্ৰচ' (১৯১৮) শৰ্মা ডাঙৰীয়াৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ।

'মণিৰাম দেৱান' গ্ৰন্থ খনেই তেওঁৰ জীৱনৰ কীৰ্তিস্তম্ভ স্বৰূপ (১৯৫০)। 'সাতাৱন ছাল বা স্বাধীনতাৰ প্ৰথম যুদ্ধ' (১৯৪৭) আৰু ইংৰাজী গ্ৰন্থ Rebellion of 1857' (১৯৫৮) গ্ৰন্থ দুখনিত ১৮৫৭ খৃঃৰ স্বাধীনতা যুদ্ধৰ কাহিনী বৰ্ণনা কৰিছে। 'দক্ষিণ পাট সত্ৰৰ বুৰঞ্জী' (১৯৬৭) তেওঁৰ আন এখন উল্লেখ যোগ্য পুথি। চাৰ জন পিটাৰ ওৱেডৰ 'An Account of Assam' খনো লণ্ডনৰ বৃটিছ মিউজিয়ামৰ পৰা আনি সম্পাদনা কৰি প্ৰকাশ কৰিছিল শৰ্মা ডাঙৰীয়াই (১৯২৭)।

'গঙ্গা গোবিন্দ ফুকন' (১৯৫০), 'পণ্ডিত জৱহৰলাল নেহৰুৰ বন্দী জীৱন', 'সীমান্ত কেশৰী আবদুল গফুৰ খান', 'হেমচন্দ্ৰ গোস্বামী' (১৯৭২) 'অৰ্ঘাৱলী' (১৯৬৪)' তেওঁৰ জীৱনী সাহিত্য। 'দুৰ্বৰীণ' (১৯৫১) আৰু 'দুনৰি' (১৯৬৩) দুখনি প্ৰবন্ধ সংকলন। 'লাতুমনি' (১৯৫৯), 'ৰাংপতা' (১৯৪৩), 'মঙ্গলতীৰ কণ্ঠীমালা' (১৯৪৯), 'মৰমৰ কাৰেং' (১৯৬৯), 'ফুলচন্দন' (১৯৬৯), 'চটাই চ'ৰাৰ কথা' (১৯৬৯), 'বঙ্গামুৰা নৌযাত্ৰাৰ আপদীয়া কাহিনী' (১৯৫৫), 'বেজদলৈ ভাণ্ডাৰি বৰুৱাৰ ইতিবৃত্ত' শৰ্মা ডাঙৰীয়াৰ আন আন পুথি। হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী' শতবাৰ্ষিকী উপলক্ষে শৰ্মা সম্পাদিত এখনি পুথি (১৯৭২)।

বহুবছৰ আগৰ কথা। হেমচন্দ্ৰ গোস্বামীয়ে এদিন তেওঁক বাৰ্ণচ চাহাবৰ লগত চিনাকি কৰি দিছিল। বাৰ্ণচ চাহাবে তেওঁক চব ডেপুটিৰ বাবে দৰ্খাস্ত কৰিবলৈ কৈছিল ; কিন্তু তেওঁ ৰঙাফিটাৰ মেৰ পাকত হেৰাই যাব নিবিচাৰিলে।

চুকে কোনে যতেই অকণ মান বুৰঞ্জীৰ সমল পাইছিল, যতেই অলপ ঐতিহ্য আৰু পুৰাবৃত্তৰ চানেকি দেখিছিল সেইখিনিকে 'টোকোৰা বাহত' ভৰাই আনিছিল। আৰু আৰ ভাঙি নিৰহ নি পানীকৈ সূত লগা কথাৰে গাঁথি

পাঠকৰ আগত দাঙি ধৰিছে। দাঙি ধৰিছে নিভাজ অসমীয়া মাত কথাৰে নিভাজ অসমীয়া সাজত।

নিষ্ঠা আৰু ঐকান্তিকতাৰে ভাষা জননীৰ সেৱা কৰি থকা শৰ্মা ডাঙৰীয়াৰ কৰ্ম প্ৰেৰণাত আজিও বয়সে আচোৰ পেলাব নাই। ●

পদ্মধৰ চলিহা

গুৱাহাটীলৈ তেতিয়া টকী (কথাছবি) অহাৰ বেছি দিন হোৱা নাই। নতুন বস্তুৰ প্ৰতি মানুহ আকৰ্ষিত হোৱাটো স্বাভাৱিক কথা। দুজন বন্ধুৱে এদিন ঠিক কৰিলে টকী চাব। তেতিয়া টকী চলি আছিল পল্টন বজাৰৰ কেলভিন ছবিঘৰত। এজনৰ অস্থায়ী বাহৰ চেনিকুঠীৰ ওচৰত। ইজন আহিছে। আন এখন চহৰৰ পৰা। দুয়ো বন্ধু ভাত পানী খাই নিশা আঠ মান বজাত টকী চাবলৈ ওলাল। গুৱাহাটীত সেই সময়ত ৰিক্সা, চিটি বাছৰ প্ৰচলন নাছিল। দুয়ো পদব্ৰজে আগবাঢ়িল।

দুয়োজন আপোন ভোলা। এজন কবি, আনজন গীতিকাৰ, সাংবাদিক। কথা পাতি দুয়ো আপোন পাহৰা হৈ গৈ আছে। কথাৰ চলতে কেলভিন ছবি ঘৰ এৰি গৈ কেতিয়া ছিলং ৰোড পালে কবকে নোৱাৰিলে। ছিলং ৰোড পাই দুয়ো পূৱ মূৱা হল। পল্টন বজাৰ, উলুবাৰী এৰি গৈ দিশপুৰ পালেগৈ। দুয়োৰে খবৰ নাই গৈয়ে আছে। সিদিনা আছিল ফৰিং ফুটা জোনাক নিশা। খানাপাৰা পাওঁ পাওঁ হওঁতে যেতিয়া দূৰৈত পাহাৰ দেখিলে, তেতিয়াহে গীতিকাৰৰ গাত হুচ আহিল। কবিৰ পিছে খবৰ নাই। কোনোবা ভাব ৰাজ্যত।

এইবাৰ দুয়ো ভুল বুজিব পাৰি ওভোতনি যাত্ৰা আৰম্ভ কৰিলে। ঠিকে ঠাকে যেনিবা কেলভিন ছবিঘৰ পালে। গেটকিপাৰক দু অনাকৈ পইছা দি দুয়ো ভিতৰ সোমাল। বহিবৰ আসন নাই। থিয় হৈয়ে চালে। ছবিখন আছিল আলিবাবা। তেতিয়া মৰ্জিয়ানাই ৰূপালী পৰ্দাত নাচি আছিল। কিছুসময় পিছত নাচি নাচিয়ে দস্যু চৰ্দাৰৰ বুকুত চুৰিখন বহুৱাই দিলে। অলপ পিছত আৰ-কাপোৰ পৰিল। কবি আৰু গীতিকাৰে যেনেকৈয়ে

নহওঁক সিদিনা টকী চাইহে এৰিলে। এনেভাবে গুৱাহাটীত প্ৰথম বাৰৰ বাবে টকীছোৱা গীতিকাৰ আৰু কবি জন পদ্মধৰ চলিহা আৰু ৰন্তকান্ত বৰকাকতী।

১৯১৭ খৃঃত সাহিত্য সভাৰ প্ৰথম অধিবেশন উপলক্ষে বিবিধ সাংস্কৃতিক অনুষ্ঠানৰ লগতে গোহাঞি বৰুৱাৰ 'জয়মতী' নাটক খনি মঞ্চস্থ কৰিবলৈ আয়োজন চলিল। ইন্দ্ৰেশ্বৰ বৰঠাকুৰে ভাও ললে গদাপানী আৰু জয়মতীৰ ভাও লব লগা হল পদ্মধৰ চলিহাই। চলিহা ইয়াৰ আগতে ইংৰাজীত এম এ ডিগ্ৰী লাভ কৰা তেজে গাল ফুটো কৰা চফল ডেকা। অধিবেশনৰ উপলক্ষে তেওঁ ৰচনা কৰিছিল কেইটি মান বচা বচা গীত। এম এ পাচ কৰালৈকে সকলো অভিনয়তে নায়িকাৰ ভূমিকা ভাগত পৰিছিল পদ্মধৰ চলিহাৰ ওপৰত।

পদ্মধৰ চলিহা একাধাৰে এগৰাকী সঙ্গীতজ্ঞ, সু অভিনেতা, নাট্যকাৰ, কবি, গীতিকাৰ, সাংবাদিক আৰু শিক্ষাবিদ। ১৮৯৫ খৃঃত শিৱসাগৰ চহৰতে চলিহা কাকতী বংশত পদ্মধৰ চলিহাৰ জন্ম। তেওঁৰ পিতৃ ফনীধৰ চলিহা আৰু মাতৃ গুণদা লতা।

পদ্মধৰ চলিহা সৰুৰে পৰা তীক্ষ্ণ বুদ্ধিৰ লৰা। শিৱসাগৰতে তেওঁৰ পঢ়া-শলীয়া শিক্ষা আৰম্ভ আৰু ১৯০৮ খৃঃত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰাই প্ৰথম বিভাগত অসমৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। আই এ পৰীক্ষাতো কটন কলেজৰ পৰা বিশ্ববিদ্যালয়ত ত্ৰয়োদশ স্থান অধিকাৰ কৰি উত্তীৰ্ণ হয় (১৯১০)। ইয়াৰ পিচত ইংৰাজী সাহিত্যত অনাৰ্চ লৈ প্ৰেচিডেন্সী কলেজৰ পৰা বি এ ডিগ্ৰী লাভ কৰিলে। তেওঁৰ ইচ্ছা আছিল বিলাতত গৈ আই চি এছ, বাৰিষ্টাৰী আদি পঢ়া। কিন্তু অনিবাৰ্য্য কাৰণ বশত হৈ নুঠিল। এই কালছোৱাতে তেওঁ ফুলেশ্বৰী ছোৱালী হাইস্কুল, উত্তৰ গুৱাহাটী হাইস্কুলৰ শিক্ষক। পুনৰ কলিকতালৈ গৈ ইংৰাজী সাহিত্যত এম এ (১৯১৬) আৰু গুৱাহাটী আৰ্ল ল কলেজৰ পৰা বি এল ডিগ্ৰী (১৯২০) লাভ কৰিছিল।

সৰুৰে পৰা তেওঁৰ সঙ্গীত চৰ্চ্চা, সভা-সমিতি আদিৰ প্ৰতি আছিল গভীৰ অনুৰাগ। শিৱসাগৰৰ বাল্যশ্ৰম আৰু ছাত্ৰ সভা, বিমলালয় সভা আদিৰ গুৰি ধৰোতা। গুৱাহাটীত থকা কালছোৱাত তেনেদৰে সন্মিলনী সন্মীলনীৰ লগতো জড়িত আছিল।

বি এল পৰীক্ষাত উত্তীৰ্ণ হৈ চলিহাই ডিব্ৰুগড়ত আইন ব্যৱসায় কৰিছিল। জাতীয় আন্দোলনত অংশ গ্ৰহণ কৰি ১৯৩০ খৃঃত আইন ব্যৱসায় ত্যাগ কৰি

চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিষ্ঠিত 'অসমীয়া' কাকতৰ সম্পাদক হয়। তিনিদিনীয়া 'অসমীয়া' সম্পাদনা কৰাৰ লগতে তেওঁ বেজবৰুৱাৰ 'বাঁহীবো' সহকাৰী সম্পাদক আছিল। ডিব্ৰুগড়ত আইন ব্যৱসায় কৰা কালছোৱাতো সিংহ দত্তদেৱ অধিকাৰীৰ লগ হৈ 'অৰ্ঘ্য' নামৰ এখনি পষেকীয়া আলোচনী যুটীয়া ভাবে সম্পাদনা কৰিছিল (১৯২৩)। জীৱনৰ শেষ বয়সতো 'অসম জ্যোতি' নামেৰে এখনি পষেকীয়া আলোচনী সম্পাদনা কৰিছিল।

বিয়াল্লিছৰ আন্দোলনত তেওঁ কিছুকাল কাৰাবৰণ কৰিব লগীয়া হৈছিল। জাতীয় আন্দোলনৰ উদ্দেশ্যে ৰচনা কৰিছিল স্বদেশ প্ৰেমমূলক গীত।

ডেকাবয়সতে তেওঁ চৰকাৰী চাকৰি নকৰিলে যদিও ভাটি বয়সত তেওঁ এবাৰ ই এ চি পদ গ্ৰহণ কৰিলে। ১৯৪৭ খৃঃৰ আৰাম্ভনীৰে পৰা সুদীৰ্ঘ কাল চলিহা শিৱসাগৰ কলেজৰ অধ্যক্ষ।

তিনিচুকীয়াত অনুষ্ঠিত সাহিত্য সভাৰ ষড়বিংশ অধিবেশনৰ (১৯৫৮ খৃঃ, ১৮ এপ্ৰিল) চলিহা ডাঙৰীয়া সভাপতি। যদুনাথ ভূঞা অভ্যৰ্থনা সমিতিৰ সভাপতি। বিষ্ণু প্ৰসাদ ৰাভা সঙ্গীত শাখাৰ, হৰি প্ৰসাদ বৰুৱা বিজ্ঞান শাখাৰ, হলিৰাম ডেকা আলোচনা চক্ৰৰ আৰু ৰাজমোহন নাথ বুৰঞ্জী শাখাৰ সভাপতি। মূল সভা মহেন্দ্ৰমোহন চৌধুৰীয়ে আৰু প্ৰদৰ্শনী গুৱাৰ দেবেশ্বৰ শৰ্মাই উদ্বোধন কৰিছিল। বিনন্দচন্দ্ৰ বৰুৱা প্ৰধান সম্পাদক নিৰ্বাচিত হয়। মঙ্গলদৈত অনুষ্ঠিত সাহিত্য সভাৰ পঞ্চদশ অধিবেশনৰো সঙ্গীত শাখাৰ সভাপতি আছিল চলিহা।

ছাত্ৰাবস্থাত চলিহা অসম ছাত্ৰ সন্মিলনৰ লগতো জড়িত আছিল। বেজবৰুৱাৰ পৌৰহিত্যত অনুষ্ঠিত ছাত্ৰ সন্মিলনৰ প্ৰথম অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক আছিল চলিহা।

'গীতি লহৰী' (১৯২৬), 'স্বৰাজ সঙ্গীত' (১৯২১) আৰু 'ফুলনি' (১৯১৫) চলিহা ডাঙৰীয়াৰ গীতৰ পুথি। স্বৰাজ সঙ্গীতৰ সৰহ ভাগ গীতেই জনপ্ৰিয় আৰু দেশপ্ৰেমমূলক। 'শৰাই' (১৯২৮) আৰু 'পদ্মমণি' (১৯৬৬) তেওঁৰ আন আন কবিতাৰ পুথি।

'নিমন্ত্ৰণ বা অতো নষ্ট ততো ভ্ৰষ্ট' (১৯১৭), 'কেনেমজা' (১৯২৩), 'অমৰ লীলা' (১৯২০) চলিহা ৰচিত নাট। অমৰ লীলা চেক্সপীয়েৰৰ ৰমিঅ' জুলিয়েটৰ ছাঁৰে ৰচনা কৰা নাট।

'মহাবীৰ লাচিত বৰফুকন' (১৯৫৫), 'অসমীয়া সাহিত্যলৈ ৰংপুৰৰ বৰঙনী'

(১৯৫৬), 'ৰংপুৰে কথা কয়' (১৯৫৬), 'পৰ্বত ভৈয়াম' আৰু The Sahitya rathi of Assam (১৯৫৪) তেওঁৰ আন আন গ্ৰন্থ। 'জীৱন বীণৰ সুৰ' (১৯৬৩) তেওঁৰ আত্মজীৱনী।

১৯৬৯ খৃঃৰ ১২ জুনত এই জনা কবি নাট্যকাৰ শিক্ষাবিদে তিনিকুৰি চৈধ্য বছৰ বয়সত শিৱসাগৰতে মৃত্যুবৰণ কৰিলে। ●

অতুলচন্দ্ৰ হাজৰিকা

ভালেমান বছৰ আগৰ কথা। গুৱাহাটী উজান বজাৰত নকৈ মানিকচন্দ্ৰ মধ্য ইংৰাজী স্কুল স্থাপন হৈছে। চমুকৈ 'এম চি এম ই'। উক্ত স্কুলৰে প্ৰথম দলৰ ছাত্ৰক শিক্ষক উপেন গোস্বামীয়ে হাতীৰ বিষয়ে ৰচনা এখন লিখিবলৈ দিছিল। এজন ছাত্ৰৰ ৰচনা খন পঢ়িয়ে শিক্ষকে বহীত লিখি দিলে "অভ্যাস নেৰিলে তুমি এজন প্ৰখ্যাত লেখাক হ'ব পাৰিবা।" সচাকৈয়ে শিক্ষকৰ আশীৰ্বাদ অথলে নাযায়। তেতিয়াৰ শিক্ষকৰ আশীৰ্বাদ লাভ কৰা সেই ছাত্ৰজনে প্ৰখ্যাত কবি নাট্যকাৰ অতুলচন্দ্ৰ হাজৰিকা।

১৯০৩ খৃঃৰ ভাদ মাহত গুৱাহাটী চহৰতে অতুলচন্দ্ৰ হাজৰিকাৰ জন্ম। তেওঁৰ পিতৃ ৰমাকান্ত হাজৰিকা আৰু মাতৃ নিৰুপমা হাজৰিকা। নিৰুপমা হাজৰিকা 'অভিমন্যু বধ' কাব্য ৰচোঁতা ৰমাকান্ত চৌধুৰীৰ কন্যা।

উজান বজাৰৰ পদ্ম পণ্ডিতৰ পাঠশালাতে তেওঁৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ। ১৯২৩ খৃঃত কলেজীয়েট হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। কটন কলেজৰ পৰা ক্ৰমে আই, এছ, চি, আৰু বি, এ, (১৯২৮) আৰু আৰ্ল ল কলেজৰ পৰা বি, এল, ডিগ্ৰী লাভ কৰিছিল। পিচত বি, টি, আৰু অসমীয়াত এম, এ, (১৯৪৩) পৰীক্ষাত উত্তীৰ্ণ হয়।

শিক্ষকতাই তেওঁৰ জীৱনৰ লক্ষ্য আছিল আৰু তাৰ বাবে প্ৰথম অৱস্থাত নানান চেষ্টা কৰিবলগীয়া হৈছিল। তেওঁৰ নিজৰ কথাত কবলৈ হলে "স্কুলীয়া চাকৰিৰ বাবে অ'ত ত'ত ৰবৰী পেলাই আছিলো যদিও টোপৰোৰ অথলে গৈছিল। এই অভাজনৰ জীৱনত শৰতৰ জোনাক এচেৰেঙা কোনো

দিনেই নপৰিল।" গুৱাহাটী সোণাৰাম হাইস্কুল আৰু অসমৰ ভালে কেইখন চৰকাৰী হাইস্কুলত তেওঁ শিক্ষাদান কৰিছিল (১৯৩১—৪৫)। মাজতে কিছুদিন ছাব ইন্সপেক্টৰ অব স্কুলছ হিচাপে কাৰ্য্য নিৰ্বাহ কৰিছিল। পিচত তেওঁ কটন কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ বি, টি, শ্ৰেণীতো অধ্যাপনা কৰিছিল।

গুৱাহাটীৰ সন্ধিয়া সম্মিলনী আৰু অসম ছাত্ৰ সম্মিলনৰ লগতো তেওঁ আদিৰে পৰা জড়িত। ছাত্ৰ সম্মিলনৰ মুখপত্ৰ মিলনৰ সপ্তম বছৰৰ তেওঁ সম্পাদক (১৯২৮)।

নগাৱত অনুষ্ঠিত সাহিত্য সভাৰ সপ্তবিংশ অধিৱেশনৰ (১৯৫৯) হাজৰিকা সভাপতি। অভ্যৰ্থনা সমিতিৰ সভাপতি মহীচন্দ্ৰ বৰা। ডক্টৰ পদ্মেশ্বৰ গগৈ বুৰঞ্জী শাখাৰ, ডক্টৰ পৱনচন্দ্ৰ মহন্ত বিজ্ঞান শাখাৰ আৰু ডক্টৰ মহেশ্বৰ নেওগ আলোচনা চক্ৰৰ সভাপতি। পদ্মধৰ চলিহাই সঙ্গীত সন্ধিয়া আৰু ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাই প্ৰদৰ্শনীৰ দুৱাৰ উদ্বোধন কৰিছিল। মূল সভা উদ্বোধন কৰিছিল ৰত্নকান্ত বৰকাকতীয়ে। যতীন্দ্ৰনাথ গোস্বামী প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

ছিলং অধিৱেশনত প্ৰধান সম্পাদক নিৰ্বাচিত হোৱাৰে পৰা কেবা বছৰ প্ৰধান সম্পাদক উপসভাপতি স্বৰূপে তেওঁ কাৰ্য্য নিৰ্বাহ কৰিছিল। তেওঁ প্ৰধান সম্পাদক থকা কালছোৱাতে গ্ৰহণ কৰিছিল বিবিধ পুথি সংকলন আৰু প্ৰকাশনৰ আঁচান। 'সাহিত্য সভা বাৰ্ষিকী' ১ম, ২য়, 'ভাষনাৱলী' ১ম ২য় আৰু ৩য় ভাগ তেওঁৰে সম্পাদনাত প্ৰকাশ হৈছিল। সাহিত্য সভাৰ জৰিয়তে প্ৰকাশিত বেজবৰুৱাৰ বিবিধ গ্ৰন্থ সম্পাদনাৰো ভাৰ গ্ৰহণ কৰিছিল হাজৰিকা ডাঙৰীয়াই। 'বেজবৰুৱাৰ গ্ৰন্থাৱলী' ১ম আৰু ২য়, 'কেহোকলি', 'অসমীয়া ভাষা আৰু সাহিত্য', 'বৰবৰুৱাৰ বুলনি', 'তত্ত্বকথা' হাজৰিকা সম্পাদিত পুথি।

ছাত্ৰ সম্মিলনৰ সভাপতিৰ ভাষনাৱলী 'ভাষণ মালা' 'অসমীয়া লোক গীতি সংগ্ৰহ', 'কৃষ্ণ কথা', 'মৰহা ফুলৰ কৰণি', 'জাতীয় সঙ্গীত', 'উছৱৰ ভোগজৰা' উছৱৰ ৰংচৰা 'গলপতা' 'কামৰূপ ৰত্নমালা' আদি তেওঁৰ সম্পাদিত গ্ৰন্থ।

হাজৰিকাৰ যত্নতে জ্যোতি সোঁৱৰণী সংস্থাৰ সৌজন্যত প্ৰকাশ হৈছিল জ্যোতি প্ৰসাদ আগৰৱালাৰ 'ৰূপালীম', 'নিমাতী কইনা', 'জ্যোতি ধাৰা' 'লুইত পাৰৰ অগ্নিসুৰ' আৰু 'জ্যোতি সাতসৰি' আদি ভালেকেইখন পুথি।

হাজৰিকা একেবাৰে কবি নাট্যকাৰ আৰু শিশু-সাহিত্যিক। গুৱাহাটী

কুমাৰ ভাস্কৰ নাট্য মন্দিৰক কেন্দ্ৰ কৰিয়ে তেওঁৰ সৰহ ভাগ নাট ৰচনা কৰা হৈছিল। কুমাৰ ভাস্কৰৰ অভিনেতা সকলৰ মাজত হাজৰিকাও এজন। 'নৰকাসুৰ' তেওঁৰ প্ৰথম প্ৰকাশিত নাট (১৯৩০)। 'স্বদেশ মন্ত্ৰত আত্ম বলিদান', 'মাতৃমঙ্গল', 'দাতা কৰ্ণ', 'একলব্য', 'ভানুমতী', আদি প্ৰায় কুৰি খন সৰু সৰু নাটিকা বাঁহী, মিলন আৰু আৱাহনত প্ৰকাশ হৈছিল। হাজৰিকা ৰচিত নাটৰ ভিতৰত পৌৰাণিক নাটকৰ সংখ্যাই সৰহ। অকল শ্ৰীকৃষ্ণৰ চৰিত্ৰৰ ওপৰত ভেটি কৰি ৰচনা কৰা নাট 'নন্দ দুলাল', 'ৰুক্মিণী হৰণ', 'নৰকাসুৰ', 'কুৰুক্ষেত্ৰ' আৰু 'চম্পাৱতী'। 'শ্ৰীৰামচন্দ্ৰ'. 'সীতা', 'সাবিত্ৰী', 'দময়ন্তী', 'শকুন্তলা' আৰু 'বেউলা' আন আন পৌৰাণিক নাট। 'কণৌজ কুৱৰী', 'ছত্ৰপতি শিৱাজী', 'টিকেন্দ্ৰজিত', 'মূলা গাভৰু', 'ছেৰচাহ', 'পানিপথ', আদি ঐতিহাসিক নাট। 'কল্যাণী', 'আহুতি', 'মৰ্জিয়ানা', 'মানস প্ৰতিমা', 'বণিজ কোঁৱৰ', 'অশ্ৰুতীৰ্থ', 'তপতী', 'বিসৰ্জন' আদি তেওঁৰ আন আন নাট।

অসমীয়া শিশু সাহিত্যলৈকো তেওঁৰ দান অতুলনীয়। প্ৰায় ডেৰ কুৰি খন শিশুৰ উপযোগী পুথি ৰচনা কৰি শিশু সাহিত্যৰ ভঁড়াল চহকী কৰিছে। 'কথাকীৰ্ত্তন', 'কথা দশম', 'পুৰণি সাহিত্যৰ পাৰিজাত', 'অঙ্কীয়া নাটৰ সাধু', 'কাব্যকাহিনী', 'কাব্য কথা', 'ৰামায়ণৰ ৰহঘৰা', 'ভাৰত জেউতি', 'নীলা চৰাই', 'গ্ৰীচৰ সাধু', 'এগুাৰচনৰ সাধু', 'স্বৰ্গতো অধিক জনম ভূমি', 'মানিকী মধুৰী', 'ৰুনুক জুনুক', 'বিশ্বজ্যোতি', 'অপেষৰীৰ দেশ', 'হাঁহি চম্পা', 'ঈছপৰ সাধু', 'লৰাৰ জাতক', 'দিগ্বীজয়ী', 'আমাৰ দেশ', 'আগৰ দিন', 'ৰাণী হিমানী' 'আইতাৰ সাধু', 'জলকুৱৰী' আদি শিশু সাহিত্যৰ পুথি।

কৃষ্ণকান্ত সন্দিকৈৰ সভাপতিত্বত গুৱাহাটীত অনুষ্ঠিত সাহিত্য সভাৰ মুকলি অধিবেশনত 'বন্দিনী' নামৰ কবিতা এটি তেওঁ পাঠ কৰিছিল। অৱশ্যে ইয়াৰ আগেয়ে তেওঁৰ কেবাখনো কবিতাৰ পুথি ছপা হৈ ওলায়। 'মণিমালা' (১৯৩০), 'পাঞ্চজন্য' (১৯৩১), 'দীপালী', 'মুকুতামালা', 'মণিমালা', 'ৰুনুক জুনুক', 'ফেঈজালি', 'মাণিকী মধুৰী', 'তপোবন', 'ৰক্তজবা', 'জয়তু জননী', 'ঝঙ্কাৰ', 'মণিকুট', 'সন্ধ্যা ললিতা আৰু কান্তা', 'কল্পনা', 'বাংঢালী', 'ঐক্যতান' প্ৰভৃতি তেওঁৰ কবিতাৰ পুথি। 'মণিমালা' তেওঁৰ চতুৰ্দ্দশপদী কবিতাৰ সংকলন।

১৯৬৯ খৃঃত সাহিত্য একাডেমীৰ বটা লাভ কৰা ৫৪২ পৃষ্ঠাৰ 'মঞ্জলেখা' হাজৰিকাৰ সাহিত্য সাধনাৰ কীৰ্ত্তি স্তম্ভস্বৰূপ। সাতটি খণ্ডত ভাগ কৰ

'মঞ্চলেখা'ত হাজৰিকা ডাঙৰীয়াই অসমৰ মঞ্চ আন্দোলনৰ কথা আদিৰে পৰা মনোৰম ভাষাত ৰচনা কৰিছে। 'স্মৃতি লেখা' আৰু 'স্মৃতিৰ পাপৰি' তেওঁৰ আন দুখনি উল্লেখযোগ্য পুথি।

হাজৰিকা ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰৰ পৰা পদ্মশ্ৰী উপাধি লাভ কৰিছে। হাজৰিকা এগৰাকী আজীৱন শিক্ষাসেৱী আৰু সাহিত্য সেৱী। এবাৰ এটি প্ৰধান ৰাজনৈতিক দলে নিৰ্বাচনৰ সময়ত উপযাচী প্ৰাৰ্থীত্ব দিয়া সত্বেও হাজৰিকাই গ্ৰহণ নকৰিলে।

বৰ্তমান হাজৰিকা গুৱাহাটীৰ সাহিত্য সংস্কৃতি জগতৰ এগৰাকী গুৰিয়াল স্বৰূপ। তেওঁৰ তপোবন গুৱাহাটী তথা অসমৰ সাহিত্য সংস্কৃতিপ্ৰেমী সকলৰ অন্যতম আকৰ্ষণ আৰু মন্ত্ৰণালয়। গুৱাহাটীৰ অন্যতম সাহিত্য সভা সবিতা সভাৰো তেওঁ বৰ্তমান সভাপতি। হাজৰিকা ডাঙৰীয়াৰ সাহিত্য সৃষ্টিৰ অদম্য কৰ্ম প্ৰেৰণাত আজিও বয়সে আচোৰ পেলাব পৰা নাই। ●

ত্ৰৈলোক্য নাথ গোস্বামী

ত্ৰৈলোক্য নাথ গোস্বামী এগৰাকী আজীৱন শিক্ষা সেৱী আৰু সাহিত্য সেৱী। তেওঁৰ সাহিত্য সাধনাৰ স্পৃহা নিচেই সৰু কালৰে পৰা। গোস্বামী ডাঙৰীয়াই শিক্ষা দান জীৱনৰ ব্ৰত হিচাপে লৈছিল। উপযুক্ত শিক্ষা, বিশ্ব-বিদ্যালয় উচ্চ ডিগ্ৰী থকা সত্বেও একালত গোস্বামী ডাঙৰীয়াই সাধাৰণ শিক্ষকৰ চাকৰি এটিৰ বাবে হাবাথুৰি খাই ফুৰিব লগীয়া হৈছিল। কাৰোবাৰ ছুটিৰ সুযোগ লৈ দুইচাৰি মাহৰ বাবেহে কলেজত অধ্যাপনা কৰিবলৈ পাইছিল। আইনৰ ডিগ্ৰী থকা এজন ব্যক্তিয়ে স্কুল বা কলেজৰ চাকৰি এটাৰ বাবে হাবা-থুৰি খাই নুফুৰি আইন ব্যৱসায় কৰি সুখেৰে জীৱন যাপন কৰিব পাৰিলে-হেতেন। কিন্তু শিক্ষাদানৰ বাহিৰে জীৱন নিৰ্বাহৰ বাবে আন কোনো পথৰে কাষ নাচাপিল।

১৯০৬ খৃঃৰ ৩ মাৰ্চ্চত নলবাৰী সত্ৰত ত্ৰৈলোক্য নাথ গোস্বামীৰ জন্ম। তেওঁ পিতৃ যামিনী কান্ত গোস্বামী আৰু মাতৃ অমৃতপ্ৰিয়া। তেওঁৰ জেষ্ঠভ্ৰাতৃ

শশীকান্ত গোস্বামী আছিল এগৰাকী প্ৰবীণ আইনজ্ঞ আৰু সুনিপুন সঙ্গীতজ্ঞ। আন আন ভাতৃ সকলৰ ভিতৰত মহামহিমোহপধ্যায় বিপিন চন্দ্ৰ গোস্বামী এগৰাকী সংস্কৃত পণ্ডিত, বিশ্বগোস্বামী এগৰাকী বামপন্থী নেতা, ডক্টৰ উপেন গোস্বামী এগৰাকী ভাষাবিদ।

নলবাৰীতে গোস্বামীৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ। ১৯২৬ খৃঃত নলবাৰী গৰ্ডন হাইস্কুলৰ পৰাই প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। তেওঁৰ কলেজীয়া শিক্ষা আৰু উচ্চ শিক্ষা কটন কলেজতে আদি আৰু কটন কলেজতে অন্ত। ১৯২৮ খৃঃত প্ৰথম বিভাগত আই, এ আৰু ১৯৩০ খৃঃত দৰ্শনত দ্বিতীয় শ্ৰেণীৰ অনাৰ্চলৈ বি, এ পাচ কৰি কটন কলেজতে ইংৰাজী সাহিত্যত এম, এ, পঢ়িছিল। ১৯৩২ খৃঃত তেওঁ এম, এ ডিগ্ৰী লাভ কৰিছিল। ১৯৩৫ খৃঃত আৰ্ল ল কলেজৰ পৰা বি, এল ডিগ্ৰী লাভ কৰিছিল।

তেওঁৰ জীৱনৰ প্ৰথম চাকৰি কলিকতা অক্সফোৰ্ড ইউনিভাৰচিটি প্ৰেছৰ এচিষ্টেণ্ট মেনেজাৰ। কিছুদিন নলবাৰী গৰ্ডন হাইস্কুলৰ সহকাৰী শিক্ষক হয়। উত্তৰ গুৱাহাটী হাইস্কুলৰ প্ৰধান শিক্ষক, যোৰহাট চৰকাৰী, ধুবুৰী চৰকাৰী হাইস্কুলতো তেওঁ কিছুকাল শিক্ষা দান কৰিছিল। ইয়াৰ মাজতে কটন কলেজ আৰু চিলেটৰ মুৰাৰী চাদ কলেজতো অধ্যাপনা কৰিছিল।

১৯৪৫ খৃঃত নলবাৰী কলেজ স্থাপন হয়। আৰম্ভনীৰে পৰা কলেজখনৰ অধ্যক্ষৰ দায়িত্ব লৈ ১৯৬৮ খৃঃলৈকে সুদীৰ্ঘ একুৰি তিনি বছৰ কাল অধ্যাপনা কৰি কলেজখন এখন প্ৰথম শ্ৰেণীৰ পূৰ্ণাঙ্গ কলেজত পৰিণত কৰিলে।

নলবাৰী পুথি ভৰাল, নাট্যমন্দিৰ, সাহিত্য সমাজ, লেখক সমাজ আদিৰ গুৰিতেওঁ গোস্বামী ডাঙৰীয়া। বৰ্ত্তমান তেওঁ ‘পূৰ্ব্ব ভাৰতী’ৰ লগতে জড়িত।

পলাশবাৰীত অনুষ্টিত সাহিত্য সভাৰ অষ্টবিংশ (১৯৬০, অক্টোবৰ) আৰু গোৱালপাৰাত অনুষ্ঠিত ঊনবিংশ সম্মিলনৰ (১৯৬১, অক্টোবৰ) একে-বাহে দুবাৰ তেওঁ সাহিত্য সভাৰ সভাপতি। ডক্টৰ মহেশ্বৰ নেওগ এই কাল-ছোৱাৰ সাহিত্য সভাৰ সম্পাদক। অবলাকান্ত গোস্বামী পলাশবাৰী অধিবে-শনৰ আৰু খগেন্দ্ৰ নাথ গোৱালপাৰা অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি। পলাশবাৰী অধিবেশনৰ তীৰ্থনাথ শৰ্মা আলোচনা চক্ৰৰ আৰু মান গোবিন্দ চক্ৰবৰ্ত্তী সঙ্গীত শাখাৰ সভাপতি। প্ৰদৰ্শনী উদ্বোধন কৰিছিল নীলমণি ফুকনে। গোৱালপাৰা অধিবেশনৰ সঙ্গীত শাখাৰ সভাপতি পাৰ্বতি প্ৰসাদ

বকৰা আৰু বুৰঞ্জী শাখাৰ প্ৰেমধৰ চৌধুৰী। মূল সভা উদ্বোধন কৰিছিল মহেন্দ্ৰ মোহন চৌধুৰী আৰু প্ৰদৰ্শনী উদ্বোধন কৰিছিল ৰূপনাথ ব্ৰহ্মই।

নলবাৰীত অনুষ্ঠিত দ্বাত্ৰিংশত্তম সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি গোস্বামী ডাঙৰীয়া। ডিব্ৰুগড়ত কেন্দ্ৰীয় ভাবে অনুষ্ঠিত ৰজনী কান্ত বৰদলৈৰ শতবাৰ্ষিকী উৎসৱতো তেওঁ পৌৰহিত্য কৰিছিল (১৯৬৭)। গোস্বামী ডাঙৰীয়াৰ আটাইকেইখন ভাষনেই পাণ্ডিত্য পূৰ্ণ।

অসমীয়া সাহিত্যত গোস্বামী ডাঙৰীয়া কথা সাহিত্যিক আৰু সমালোচক স্বৰূপে সুপৰিচিত। সৰহ ভাগ সাহিত্যিকৰ দৰে গোস্বামী ডাঙৰীয়াই ডেকা কালত দুই চাৰিটা কবিতা ৰচনা কৰিছিল। 'মালতী' তেওঁৰ প্ৰথম কবিতা। কিন্তু তেওঁৰ সৰহভাগ কবিতা পাণ্ডুলিপিতে থাকিল। আবাহনক কেন্দ্ৰ কৰি যি সকল ডেকা সাহিত্যিকে গল্প সাহিত্যৰ এটি যুগৰ সূচনা কৰিছিল ত্ৰৈলোক্য-নাথ গোস্বামী সেই সকলৰ ভিতৰত অন্যতম।

'অকণা' (১৯৪৮), 'মৰীচিকা' (১৯৪৮), 'শিল্পীৰ জন্ম' (১৯৫৭), 'জীৱনৰ জীয়া জুই' (১৯৭০) তেওঁৰ গল্প সংকলন আৰু 'জীয়া মানুহ' (১৯৫৬) তেওঁৰ এখন ব্যঙ্গাত্মক উপন্যাস। 'সাহিত্য আলোচনা' (১৯৫০), 'আধুনিক অসমীয়া চুটি গল্প' (১৯৬৫), 'সমুদ্ৰ মন্থন' (১৯৬৮), 'ইংৰাজী সমালোচনাৰ ধাৰা আৰু অসমীয়া সাহিত্যত ইয়াৰ প্ৰভাব, (১৯৭০), 'সাহিত্য কলা আৰু তাৰ বিচাৰ' (১৯৭২) তেওঁৰ গদ্য ৰচনাৰ পুথি।

তেওঁৰ 'আধুনিক অসমীয়া চুটি গল্প' অসমীয়া চুটি গল্প সম্বন্ধে বিজ্ঞান সন্মতভাবে আলোচনা কৰা গ্ৰন্থ। এইখন গ্ৰন্থৰ বাবে সাহিত্য সভাৰ শ্ৰেষ্ঠ পুথি বটা (১৯৬৫) আৰু সাহিত্য একাডেমীৰ বটা (১৯৬৭) লাভ কৰিছিল।

স্কুলীয়া ছাত্ৰাৱস্থাত তেওঁ গল্প লিখিছিল ছদ্মনামত। একেখন আলোচনীত একেজন লিখকৰ গল্প কবিতা প্ৰকাশ হলে পাঠকৰ আগ্ৰহ কমিব পাৰে বুলিহে তেওঁ গল্পবোৰ ছদ্মনামত লিখিছিল। গোস্বামীৰ গল্পৰাজিত সমাজৰ নিষ্পেষণ অন্ধ সমাজ ব্যৱস্থা, আৰু সাম্প্ৰতিক সমাজৰ চিত্ৰ স্পষ্ট। সমাজৰ শঠতা, অনাচাৰ, শোষণ নিষ্পেষনৰ প্ৰতি তেওঁৰ গল্পত আছে গভীৰ বিদ্বেষ। তেওঁৰ গল্পৰাজি বাস্তৱ অভিজ্ঞতাৰ ওপৰত ভেটি কৰি ৰচনা কৰা বাবে সামাজিক চিত্ৰ স্পষ্টৰূপত প্ৰকাশ পাইছে।

'প্ৰবন্ধ চয়ন্' (১৯৬৫), 'আধুনিক অসমীয়া গল্প সংগ্ৰহ' (১৯৭২) আৰু 'মন্দাকিনী' আলোচনী তেওঁৰে সম্পাদনাত প্ৰকাশ হৈছিল।

১৯৫২ খৃঃত ছচিয়েলিষ্ট প্ৰাৰ্থী স্বৰূপে তেওঁ বিধান সভাৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও জয়ী হ'ব নোৱাৰিলে।

গোস্বামী ডাঙৰীয়াই অৱসৰ গ্ৰহণ কৰাৰ পিচত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা গবেষণা বৃত্তি লাভ কৰি গবেষণা কৰিছিল। Aesthetic Theories : Eastern and Western (১৯৭০) গ্ৰন্থ তেওঁৰ এই গবেষণাৰে ফল।

ৰত্নকান্ত বৰকাকতী

"এইখনেই মঞ্চ। এইখন মঞ্চতে আৰু এদিন আগতে এগৰাকী মহান ব্যক্তিক; এজনা বৰেণ্য কবিক অসমৰ সাহিত্য প্ৰেমী আৰু সাহিত্যিক সকলে সভাপতিৰ পদত বৰণ কৰি অসমীয়া জাতীয়ে দিব পৰা সৰ্বোচ্চ সন্মান যাচিছিল। আৰু এই খনেই মঞ্চ, মাত্ৰ এদিনৰ বিৰতিৰ পিচত আমি সকলোটি, সেইজনা বিগত আত্মাৰ চিৰ শান্তিৰ বাবে ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাবলৈ সমবেত হৈছো।" এই বুলি চলচলীয়া চকু আৰু থোকা থুকি মাতেৰে কথা কেইষাৰ কৈ মৌন হৈ পৰিছিল প্ৰবীণ সাহিত্যিক মহাদেৱ শৰ্মা।

এক গহীন নিৰৱতা। সকলোটি মৌনভাবে দণ্ডায়মান। মুখ মলিন। চকু চলচলীয়া। সমুখৰ ঘাঁহনিৰ শূইনত উৰি থকা অসম সাহিত্য সভাৰ পতকা অৰ্দ্ধনমিত।

১৯৬৩ খৃঃৰ ১৯ এপ্ৰিলৰ পৰা তিনদিনীয়াকৈ অসম সাহিত্য সভাৰ ত্ৰিংশ সন্মিলন নাজিৰাত অনুষ্ঠিত হয়। ৰত্নকান্ত বৰকাকতী আছিল নাজিৰা অধিবেশনৰ সভাপতি। বৰকাকতীয়ে অসমীয়া সাহিত্য প্ৰেমী ৰাইজৰ আদৰলৈ নেওচা নিদি সভাপতিৰ আসন গ্ৰহণ কৰিব বুলি সন্মতি জনালে যদিও তেওঁ শাৰীৰিক ভাবে আছিল অসুস্থ। অসুস্থ দেহাৰে ৮৫ পৃষ্ঠাৰ অভিভাষণ লিখি শেষ কৰিলে। প্ৰথম দিনৰ বিষয় বাছনি সভাৰ পৰাই বৰকাকতীয়ে সভাপতিৰ আসন গ্ৰহণ কৰিব লাগিছিল যদিও শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ নোৱাৰিলে।

২০ এপ্ৰিলৰ দিনৰ দুই বজাৰ পৰা মুকলি অধিবেশন। হাজাৰ হাজাৰ লোকে সভামণ্ডপ ভৰি পৰিছে। সেইদিনা নৰিয়া গাৰে বৰকাকতী নাজিৰাত গৈ উপস্থিত হল। গায়নে-বায়নে ঢোলে দগৰে সভাপতি স্বৰূপে বৰকাকতীক আদৰি নিয়া হল। সভাপতিৰ আসন গ্ৰহণ কৰি বৰকাকতীয়ে মাথোন থোকা থুকি মাতেৰে কৈছিল "আজি মোক আপোনালোকে যি হিয়া ভৰা মৰম যাচিছে আৰু সন্মান দিছে তাৰ বাবে মই আপোনালোকৰ ওচৰত চিৰ কৃতজ্ঞ।" এই বুলি কৈয়ে তেওঁ হুক হুককৈ কান্দিছিল। তেওঁৰ মনৰ অৱস্থা বুজিয়ে বিদায়ী সভাপতি ত্ৰৈলোক্যনাথ গোস্বামীয়ে সমুখৰ পৰা মাইকটো একপ্ৰকাৰ আতৰাই লৈ গৈছিল। সভাপতিৰ নিৰ্দ্দেশক্ৰমে সভা পৰিচালনা কৰিছিল গোস্বামী ডাঙৰীয়াই। বৰকাকতীৰ ৮৫ পৃষ্ঠাৰ অভিভাষণখন পাঠ কৰিছিল মহেশচন্দ্ৰ দেৱ গোস্বামীয়ে। সেই দিনাৰ মুকলি সভাখন উদ্বোধন কৰিছিল নীলমণি ফুকনে। অসুস্থ হলেও অভিভাষণ পাঠ কৰাৰ সময়ত বৰকাকতীৰ মন আছিল প্ৰফুল্লিত। মুখত যেন এক জ্যোতি। আজীৱন কৰা সাহিত্য সাধনা সিদিনা যেন সফল হোৱা দেখিছিল।

মুকলি সভাৰ অন্তত দিগ্বিজয়ী বীৰৰ দৰে ঘৰৰ ফালে বুলি বৰকাকতী ওভোতনি যাত্ৰা কৰিলে। সভামণ্ডপ তেতিয়াও দলদোপ-হেন্দোলদোপ। উভতিলে হয়, উভতি কিন্তু ঘৰ আৰু নাপালে। যাত্ৰা কৰিলে একেবাৰে নিজ ঘৰলৈ বুলি।

যোৰহাট পাওতে বেছিকৈ অসুস্থ হৈ পৰিল। মিশন হস্পিটেলত ভৰ্তি কৰিব লগা হল। যোৰহাটৰ সকলোটি ডাক্তৰ এক গোট হল। পিচদিনা ২১ এপ্ৰিল। সিপিনে নাজিৰাত সভা পূৰ্ণোদমে চলি আছে। শ্ৰীমতীইন্দিৰা মিৰিৰ পৌৰহিত্যত আলোচনা চক্ৰ; ডিম্বেশ্বৰ নেওগৰ পৌৰহিত্যত কবি সন্মিলন, ডক্টৰ প্ৰতাপচন্দ্ৰ চৌধুৰীৰ পৌৰহিত্যত বুৰঞ্জী সভা আৰু ডক্টৰ ভূপেন হাজৰিকাৰ পৌৰহিত্যত সঙ্গীত সন্মিলন। প্ৰদৰ্শনীৰ দ্বাৰ উদ্বোধন কৰিছিল বিমলাপ্ৰসাদ চলিহাই। নতুন বছৰৰ বাবে পুনৰ ডক্টৰ মহেশ্বৰ নেওগ প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল। সভা সুকলমে হৈ যোৱাৰ পিচত ২১ এপ্ৰিল নিশা সকলোৱে আনন্দ মনেৰে সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰি আছিল।

মিশন হস্পিটেলত বৰকাকতীৰ অৱস্থা লাহে লাহে বেয়াৰ পিনে চাল খালে। আৰু শেষত ২১ এপ্ৰিলৰ সন্ধিয়া যোৰহাট চহৰতে বৰকাকতীৰ জীৱনবন্তি নিৰ্বাপিত হল। শেৱালি মৰহি পৰিল। ইমান মৰম আৰু সন্মানৰ

৬

অধিকাৰী হোৱাৰ পিচত বৰকাকতী আৰু বন্ধ ঘৰৰ চাৰিবেৰৰ মাজত সোমাই পৰাটো সম্ভৱ নহল

'কত আজানাৰে জানাইলে তুমি
কত ঘৰে দিলে ঠাই
দূৰকে কৰিলে নিকট বন্ধু
পৰকে কৰিলে ভাই।

তেতিয়া নাজিৰাত সাংস্কৃতিক সমাৰোহ চলি আছিল। এক আনন্দ মুখৰ পৰিবেশ। এনেতে মঞ্চত সঙ্গীতৰ মৃদু গুঞ্জৰনৰ সলনি কঁপা কঁপা মাতেৰে ঘোষিত হ'ল "বৰকাকতি আৰু ইই সংসাৰত নাই।" বিনামেঘে বজ্ৰপাত মঞ্চৰ পাদ প্ৰদীপ নুমাই গ'ল।

পিচদিনা সেইখন মঞ্চতে মহাদেৱ শৰ্মাৰ সভাপতিত্বত মাত্ৰ এদিনৰ বিৰতিৰ পিচত শোক সভা। বৰকাকতী বোধহয় ইয়ালৈকে জীয়াই আছিল। তেতিয়া তেওঁৰ বয়স তিনি কুৰি ছ বছৰ।'

১৮৯৭ খৃঃৰ ২০ জুনত নগাওঁ জিলাৰ খিং মৌজাৰ আঠগাৱঁত এটি অভিজাত পৰিয়ালত তেওঁৰ জন্ম। তেওঁৰ পিতৃ ৰায়চাহেব ভুধৰ বৰকাকতী আৰু মাতৃ তুলসীময়ী। পিতৃ ভুধৰ বৰকাকতী খিংমৌজাৰ প্ৰতিপত্তিশালী মৌজাদাৰ। ৰত্নকান্তৰ জন্মৰ সময়ত ককাদেউতাক (মাতৃপক্ষৰ) দেবনাথ বৰুৱাই এটি হাতী পোৱালী দিহে নাতিয়েকক কোলাত লৈছিল। বৰুৱা আছিল হাতী মহলেৰে সৈতে আঢ্যবন্ত লোক। ৰত্নকান্তৰ ঘৰত মতা নাম আছিল 'চিত্ৰ' কোনো কোনোৱে তেওঁক 'চিত' বুলিছিল।

আঠগাৱৰ পাঠশালাতে তেওঁৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ। নগাওঁলৈ ইংৰাজী স্কুলত ভৰ্ত্তি হবলৈ অহাৰ পথত বৰদোৱা থান আৰু শঙ্কৰ শিলিখাৰ তলত সেৱা এটি জনালে। গছৰ পৰা শিলিখা এটি সৰি ৰত্নকান্তৰ মুৰত পৰিল। কথাষাৰ শুনি পিতৃৰ মনত মহা আনন্দ "মোৰ পুত্ৰই প্ৰভুৰ প্ৰসাদ লভিছে।" সচাকৈয়ে পিতৃৰ অভিলাষ পূৰণ হ'ল ; ৰত্নকান্ত কবি ৰূপে খ্যাত হ'ল।

১৯১৫ খৃঃত নগাওঁ চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা পাচকৰি প্ৰথমতে কটন কলেজত পঢ়িছিল। পিচত কলিকতালৈ গৈ বিপন কলেজ আৰু হুগলি কলেজত পঢ়িছিল। কিন্তু তেওঁৰ ডিগ্ৰী লাভ কৰা নহল। ১৯২০ খৃঃত অসহযোগ আন্দোলনৰ দ্বাৰা প্ৰভাবান্বিত হৈ কলেজীয়া শিক্ষাৰো সামৰণি মাৰিলে।

পিতৃৰ মৃত্যুৰ পিচত বৰকাকতীয়ে মৌজাৰ দায়িত্ব মূৰ পাতি লব লগা হ'ল। ভাব-প্ৰবন কবি বৰকাকতীৰ বাবে মৌজা ঘৰ সংসাৰ সকলোটি আছিল বোজা স্বৰূপ।

নগাওঁত অঃ ভাঃ উঃ সাঃ সভাৰ গুৰি ধৰি সভাৰ বাৰ্ষিক উৎসৱ উপলক্ষে ৰচনা কৰিছিল 'আলাপ' (১৯১৯) নামৰ সৰু পুথি এখনি। কলিকতাৰ পৰা অহাৰ পিচত গান্ধীজীৰ 'হিন্দ স্বৰাজ' খন (১৯২১) অসমীয়ালৈ ভাঙনি কৰিছিল। নগাওঁ হাইস্কুলত পঢ়া সময়ত তেওঁৰ যত্নতে স্থাপন কৰা হৈছিল "অসমীয়া ছাত্ৰৰ হিত সাধিনী সভা'। স্কুলৰ হাতেলিখা আলোচনী 'কিৰণ'ৰো তেওঁ আছিল সম্পাদক। স্কুলীয়া কালতে তেওঁৰ ভালে কেইটি কবিতা উষাত প্ৰকাশ হয়।

'শেৱালি' (১৯৩২), 'তৰ্পন' (১৯৫৩), 'চন্দ্ৰহাৰ' (১৯৬৩) তেওঁৰ তিনিখন কবিতাৰ পুথি। 'অলকা' বৰকাকতীৰ এখন নাটক। নাটকখনি বাময়েনুত হৰিণ চুমা' নামেৰে প্ৰকাশ হৈছিল। 'আমাৰ লিপি প্ৰশ্ন' বা Our Script Question তেওঁৰ লিপি সম্পৰ্কে লিখা পুথি।

বৰকাকতী অসমীয়া সাহিত্যত সুপৰিচিত শেৱালিৰ কবি হিচাপে। তেওঁৰ কবিতাৰ অন্যতম বৈশিষ্ট হৈছে ছন্দ বৈচিত্ৰ। অসমীয়া কবিতাত প্ৰথম ছন্দ বৈচিত্ৰ প্ৰকাশ পাইছে বৰকাকতীৰ কবিতাত। অসমীয়া কাব্য সাহিত্যত তেওঁৰ কবিতাৰ ছন্দেৰে এটি নতুন যুগৰ সৃষ্টি কৰিছে।

সকৰে পৰা বৰকাকতী আছিল ৰবীন্দ্ৰনাথৰ ভক্ত। ৰবীন্দ্ৰ নাথ তেওঁৰ মনত 'বৈকুণ্ঠ বিহঙ্গ'। কলিকতাত পঢ়োতে তেওঁ ৰবীন্দ্ৰনাথৰ সাক্ষাৎ লাভৰ সুযোগ পাইছিল। বৰকাকতীৰ কবিতাত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ পৰিছিল তিনিটা ৰূপত—ভাব, ভাষা আৰু ছন্দত।

১৯৫৯ খৃঃত নতুন দিল্লীত অনুষ্ঠিত আকাশ বাণীৰ কবি সন্মিলনত বৰকাকতীয়ে যোগদান কৰিছিল। এবাৰ তেওঁ মাদ্ৰাজলৈ গৈ সৰ্ব ভাৰতীয় লেখক সমাৰোহতো যোগদান কৰিছিল। বৰকাকতী আছিল মৌজাদাৰ সন্মিলনৰো সভাপতি। আজীৱন সাহিত্য চৰ্চা কৰিছিল যদিও বৰকাকতীৰ ৰচনা সংখ্যা সাপেক্ষ নহয়।

'এনেছিলে সাথে কৰে মৃত্যুহীন প্ৰাণ
মৰণে তাহাই তুমি কৰে গেল দান।'

মিত্ৰদেৱ মহন্ত

"শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ যোৰহাট থিয়েটাৰৰ বহুমূলীয়া ৰত্ন স্বৰূপ আছিল। বৰঠাকুৰ (ইন্দ্ৰেশ্বৰ) আৰু মহন্ত এই দুয়োজনাই জন্মতে অভিনেতা হৈ আহিছিল যেন লাগে। মহন্তই এহাতে যেনেকৈ ধেমেলীয়া অভিনয় ভাও দি দৰ্শকক হুহুৰাই পেটৰ নাড়ী ছিগিব পাৰিছিল আৰু স্ত্ৰীৰ চৰিত্ৰৰ অভিনয়তো অনুপম আছিল। নূৰজাহান, অযোধ্যাৰ বেগম, চিত্ৰ লেখা, মাকৰী মেমৰ ভূমিকাত মহন্তক দেখা সকলে পুৰুষে তেনেকৈ স্ত্ৰী চৰিত্ৰত ভাও দিব পাৰে বুলি ধাৰণা কৰিবলৈ টান পাইছিল।"—'মঙ্গলেখা'।

ফকচাহাবৰ মাকৰী মেম, নূৰজাহান, অযোধ্যাৰ বেগম আদি নাৰী চৰিত্ৰসমূহ নিখুঁটভাবে অভিনয় কৰি দৰ্শকক আনন্দ দিব পৰা অভিনেতা জনেই আছিল আজিৰ লেটুগ্ৰাম সত্ৰৰ নৈষ্ঠিক সত্ৰাধিকাৰ শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত।

সত্ৰীয়া পৰিবেশত ডাঙৰ দীঘল হোৱা আৰু ভাওনাত শ্ৰীকৃষ্ণৰ ভাও দিয়া মহন্ত ডাঙৰীয়াৰ পক্ষে মাকৰী মেমক নিচিনা এটি চৰিত্ৰ নাইবা নূৰজাহান, অযোধ্যাৰ বেগম আদিৰ ভাও দিয়াটো। তেতিয়াৰ যুগত অলপ টান কথাই আছিল। তাতেই তেওঁ আছিল যোৰহাট চৰকাৰী হাইস্কুলৰ শিক্ষক। শিক্ষকৰ পক্ষে এনেবোৰ চৰিত্ৰৰ ভাও লোৱাটো সহজ নহয়। তেতিয়া হলে ছাত্ৰৰ শ্ৰদ্ধা ভক্তিৰ পৰা বঞ্চিত হোৱাৰ আশঙ্কা থাকে। কিন্তু মহন্ত ডাঙৰীয়া আছিল ইয়াৰ ব্যতিক্ৰম। শিল্পী সুলভ মনোভাবেৰে যিকোনো চৰিত্ৰকে ৰঙ্গমঞ্চত ভাওঁ দিবলৈ তেওঁ কুণ্ঠাবোধ নকৰিছিল। যিকোনো চৰিত্ৰৰে নিখুঁট অভিনয় কৰিও ছাত্ৰ আৰু জনসাধাৰণৰ শ্ৰদ্ধাভক্তি অটুট ৰাখিব পাৰিছিল।

মহন্ত ডাঙৰীয়া একেৰাহে, এগৰাকী কবি, নাট্যকাৰ, গীতিকাৰ, চিত্ৰকৰ আৰু অভিনেতা। ১৯১৪-১৫ খৃঃত যোৰহাট থিয়েটাৰ প্ৰতিষ্ঠা কৰাত আগ ভাগ লওতা সকলৰ ভিতৰত মিত্ৰদেৱ মহন্ত অন্যতম। যোৰহাট থিয়েটাৰৰ বাবে মহন্ত ডাঙৰীয়াই নিজ হাতে আঁকি দিছিলে এখনি চিত্ৰপট।

অভিনেতা স্বৰূপে তেওঁ ৰজা, ঋষি ভাৰী, ধোবা, পুৰুষ মহিলাসকলে চৰিত্ৰৰে নিখুঁটভাৱে ভাওদি দৰ্শকক আনন্দ দিব পাৰিছিল।

১৮৯৪ খৃঃৰ ৯ জুনত যোৰহাটৰ সৰ্বাইবন্ধাৰ লেটুগ্ৰাম সত্ৰতে মিত্ৰদেৱ মহন্তৰ জন্ম। তেওঁৰ পিতৃ নিৰঞ্জনদেৱ অধিকাৰ গোস্বামী আৰু মাক বগীতৰা। যোৰহাটতে মহন্তৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ আৰু ১৯১২ খৃঃত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত আই এ পঢ়িছিল। ১৯১৪ খৃঃত আই এ মহলাত উঠিছিল। সিমানতে তেওঁৰ কলেজীয়া শিক্ষাৰ সামৰণি পৰিল। শিক্ষাদানকে তেওঁ জীৱনৰ বৃত্তি হিচাপে গ্ৰহণ কৰিলে। পিচত ঢাকাত তেওঁ এল টি প্ৰশিক্ষণ লৈছিল।

যোৰহাট চৰকাৰী হাইস্কুলৰ সহকাৰী শিক্ষক স্বৰূপে তেওঁৰ কৰ্মময় জীৱনৰ সূচনা (১৯১৫)। পিচত ক্ৰমে যোৰহাট নৰ্মাল স্কুলৰ সহকাৰী অধীক্ষক (১৯৩৭), গোলাঘাট চৰকাৰী হাইস্কুলৰ প্ৰধান শিক্ষক (১৯৪৭-৪৯) আৰু গোলাঘাট গুৰু ট্ৰেইনিং স্কুলৰ শিক্ষক স্বৰূপে শিক্ষাদান কৰি অবসৰ গ্ৰহণ কৰিছিল। শিক্ষক হিচাপে মহন্ত ডাঙৰীয়া আছিল এগৰাকী কৃতী আৰু শ্ৰদ্ধা ভাজন আদৰ্শ শিক্ষক।

শিক্ষাদানৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিচৰে পৰা তেওঁ লেটুগ্ৰাম সত্ৰৰ দায়িত্ব গ্ৰহণ কৰি সত্ৰাধিকাৰৰ থাকিব লগীয়া গুণগৰিমাৰে নিজকে সত্ৰৰ গাম্ভীৰ্য্য বৰ্দ্ধণ কৰে। মূৰত সত্ৰীয়া পাগুৰী, আঠুৰ অলপ তললৈকে পিন্ধা চুৰিয়া, ডিঙিত মেৰাই লোৱা চেলেং খনেৰে সৈতে এমোকোৱা হাঁহিৰে অতুচ্ছ দেহী শ্ৰীশ্ৰী মিত্ৰদেৱ মহন্ত এগৰাকী নিৰহ নিপানী সত্ৰাধিকাৰ।

মহন্ত ডাঙৰীয়াই কুমুদচন্দ্ৰ বৰুৱাৰ লগ হৈ হিজ মাষ্টাৰ কোম্পানী যোগে কেবাটাও গীত, হুচৰি, আদি ৰেকৰ্ড কৰিছিল। 'তাইমোৰ পিয়া পানেসই' তেওঁৰ এসময়ৰ এটি জনপ্ৰিয় ৰেকৰ্ড গীত।

ডিবগৈত অনুষ্ঠিত সাহিত্য সভাৰ একত্ৰিংশ সম্মিলনৰ (১৯৬৪, ১৭ এপ্ৰিল) শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত সভাপতি। অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰফুল্লচন্দ্ৰ বৰুৱা। আলোচনা-চক্ৰৰ সভাপতি দেৱকান্ত বৰুৱা আৰু সঙ্গীত সম্মিলনৰ শান্তিদেৱ ঘোষ। মূল সভা উদ্বোধন কৰিছিল ৰাজ্যপাল বিষ্ণু সহায়ে আৰু প্ৰদৰ্শনী দ্বাৰ গোবিন্দচন্দ্ৰ পৈৰাই। সভাত বিশিষ্ট অতিথি স্বৰূপে যোগদান কৰিছিল মুলক ৰাজ আনন্দে। সেই বছৰ প্ৰধান সম্পাদক ডক্টৰ মহেশ্বৰ নেওগ।

মহন্ত ডাঙৰীয়া অসমীয়া সাহিত্যত সুপৰিচিত এগৰাকী নাট্যকাৰ হিচাপে।

'কুকুৰী কণাৰ আঠমঙলা' (১৯১৮), 'বিয়া বিপৰ্য্যয়' (১৯২৫), 'অজামিলৰ মুক্তি' (১৯৬০), 'টেঙৰ ভেঙৰ' (১৯৩৫), 'চেচা জ্বৰ' (১৯১৫), 'লেক-লোলানি' (১৯১৫), 'টিপচহী', 'ভোটৰ ৰগৰ', 'এটা চুৰট', 'মেলটৰী' (১৯৪৩), 'নিবোকা ৰজা' (১৯২৮), 'স্বৰ্গনে মৰ্ত্য', 'টেঙৰী আইতা' (১৯৭০), 'ভাংকছাৰী' (১৯৭০), 'চোৰৰ পো', 'ভুৰুকাত হাতী' (১৯৭০), 'অচিন কাঠৰ থোৰা', 'বম ফটকা', 'সুৰা সংসাৰ', 'ঢোধৰ আলি', 'হাতী দাঁতে দাঁতে', 'শ্ৰীমতী' আদি তেওঁৰ ধেমেলীয়া নাট।

অম্বা' তেওঁৰ প্ৰথম পোৰাণিক নাট। নাটখনি এতিয়াও অপ্ৰকাশিত। 'চৰণৰ ধূলি' (১৯৫৫), 'প্ৰচ্ছন্ন পাণ্ডৱ' (১৯৫৬), 'বৈদেহী বিয়োগ' (১৯৬০) আদি তেওঁৰ পোৰাণিক নাট।

'গীতি শতদল' তেওঁৰ এখনি এশটি জনপ্ৰিয় গীতৰ সংকলন (১৯৫৯)। গীতি শতদলৰ ভালেমান গীতি বিভিন্ন সভা সমিতি উছৱ উপলক্ষে ৰচিত।

'চিৰ চেনেহী মোৰ ভাষা জননী
আই ধন্যে পুণ্যে হুৎ পাৱনী'

'অসম সাহিত্য সভাৰ মুকলি অধিৱেশনৰ উদ্বোধনী গীতটি মহন্ত ডাঙৰীয়া ৰচিত। 'গীতি শতদলৰ' গীত ৰাজি কেবাটাও ভাগত ভাগ কৰিছে ; স্বদেশ প্ৰীতিমূলক, ভক্তিমূলক বিবিধ বিষয়ক আৰু লঘু বিষয়ক। ধেমেলীয়া নাটৰ দৰে তেওঁৰ এই লঘু বিষয়ক ধেমেলীয়া গীত ৰাজিও জনপ্ৰিয়। 'ৰণ ৰঙ্গিনী' তেওঁৰ আন এখন গীতৰ পুথি।

'চন্দ্ৰহাৰ' (১৯২০), 'জ্ঞান লহৰী' (১৯২৪), 'ৰাংঢালী', 'অসমৰ ধৰ্ম্মাধিকাৰ সকলৰ উপাধী বিচাৰ' (১৯৩০) আদি তেওঁৰ আন আন উল্লেখযোগ্য পুথি। 'মো মহাভাৰত' (১৯২৫), 'জুনজুনি' (১৯৬৪), 'ধ্ৰুৱ', 'প্ৰহ্লাদৰ ক-খ' শিশুৰ উপযোগীকৈ ৰচনা কৰা পুথি। 'জুনজুনি' আৰু 'চেনেহ জৰী' পুথি দুখনৰ বাবে তেওঁ কেন্দ্ৰীয় চৰকাৰৰ পৰা শিশু সাহিত্যৰ বটা লাভ কৰিছিল। 'চন্দ্ৰহাৰ' আৰু 'মোহনভোগ' দুটি গল্পৰ পুথি।

সাহিত্য সংস্কৃতিৰ প্ৰতি থকা বহুমুখী প্ৰতিভাৰ বাবে ১৯৬১ খৃঃত সঙ্গীত নাটক একাডেমীয়ে তেওঁক বটা দি সন্মান আগ বঢ়াইছিল। ●

ডিম্বেশ্বৰ নেওগ

কমাৰফদীয়া এই সক গাওঁখনি মোৰ
ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৰণ
ইয়াতে শৈশৱ লীলা ইয়াতে এদিন মোৰ
কোনোবা শৰত ৰাতি
যৌৱনৰ ধীৰ জাগৰণ ।

কমাৰফদীয়া সক গাওঁখনিকে ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৰণ বুলি কল্পনা কৰা কবি জনা ডিম্বেশ্বৰ নেওগ। নেওগ ডাঙৰীয়াৰ সাহিত্য প্ৰতিভা বহুমুখী। তেওঁ একেৰাহে এগৰাকী কবি, নাট্যকাৰ, ঔপন্যাসিক, চুটি গল্প লিখক আৰু সমালোচক। বিভিন্ন বিষয়ত ৰচনা কৰা তেওঁৰ পুথিৰ সংখ্যা একাধিক যদিও খ্যাতি অৰ্জন কৰিব পাৰিছে কবি আৰু সমালোচক হিচাপে।

১৮৯৯ খৃঃৰ ২২ শাওনত শিৱসাগৰৰ কমাৰফদীয়া গাৱঁত নেওগ ডাঙৰীয়াৰ জন্ম। তেওঁৰ পিতৃ মানিকচন্দ্ৰ নেওগ আৰু মাতৃ চন্দ্ৰ প্ৰভা নেওগ। ১১৩ নং কমাৰফদীয়া স্কুলতে নেওগৰ বিদ্যাৰম্ভ। পাঠশালা স্কুলত বৃত্তি লাভ কৰি তেওঁ ইংৰাজী শিক্ষা লাভ কৰিছিল শিৱসাগৰ চৰকাৰী হাইস্কুলত। ১৯১৯ খৃঃত উক্ত স্কুলৰ পৰাই প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজৰ আই, এছ, চি শ্ৰেণীত ভৰ্তি হয়। ১৯২৪ খৃঃত বি, এছ, চি ডিগ্ৰী লাভ কৰি পুনৰ কটন কলেজৰে ইংৰাজীৰ এম, এ শ্ৰেণীত ভৰ্তি হৈছিল। কিন্তু তেওঁ এম এ, ডিগ্ৰী লাভ কৰিছিল অসমীয়া বিষয়তহে। ১৯৪০ খৃঃত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অসমীয়া ভাষাৰ এম, এ পৰীক্ষাৰ সূচনা। নেওগ ডাঙৰীয়াই পোন প্ৰথম বাৰতে দ্বিতীয় শ্ৰেণীত প্ৰথম স্থান অধিকাৰ কৰি এম, এ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৩৬ খৃঃত তেওঁ ছিলং এডমাণ্ডচ কলেজৰ পৰা বি, টি ডিগ্ৰীও লাভ কৰিছিল।

শিক্ষা শেষ কৰি নেওগ ডাঙৰীয়াই শিক্ষকতাকে জীৱনৰ বৃত্তি স্বৰূপে গ্ৰহণ কৰে। শিৱসাগৰ, ধুবুৰী, গুৱাহাটী, উত্তৰ লক্ষীমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট চৰকাৰী হাইস্কুল তেওঁৰ কৰ্মস্থান। শেষত যোৰহাট নৰ্মাল স্কুলৰ

অধ্যক্ষ পদত অধিষ্ঠিত হয় আৰু ১৯৫১ খৃঃত উক্ত পদৰ পৰাই অৱসৰ গ্ৰহণ কৰিছিল। নেওগ আছিল এগৰাকী কৃতী আৰু শ্ৰদ্ধা ভাজন শিক্ষাবিদ্।

নেওগ ডাঙৰীয়াৰ সাহিত্য সাধনাৰ স্পৃহা নিচেই সৰু কালৰে পৰা। ১৯১১ খৃঃত স্কুলৰ পৰা ওলোৱা 'ভূমুকি' নামৰ হাতে লিখা আলোচনী এখনৰ তেওঁ আছিল সহকাৰী সম্পাদক। কলেজীয়া কাল ছোৱাত অসম ছাত্ৰ সম্মিলনৰ লগত নিবিড় ভাবে জড়িত। ছাত্ৰ সম্মিলনৰ মুখ পত্ৰ স্বৰূপ 'মিলন'ৰ ভালে কেইবছৰ (১৯২৩-২৬) তেওঁ আছিল সম্পাদক। ইয়াৰ আগতে শুকদেৱ গোস্বামী আৰু দৈবচন্দ্ৰ তালুকদাৰৰ লগ হৈ 'জন্মভূমি' নামৰ কাকত এখনো সম্পাদনা কৰিছিল।

অসম সাহিত্য সভাৰ লগতো নেওঁগ ডাঙৰীয়াৰ সম্পৰ্ক বহুদিনীয়া। সাহিত্য সভাৰ পত্ৰিকা সম্পাদক (৫ম, ৭ম, ৮ম আৰু ১০ম বছৰ), প্ৰধান সম্পাদক (উনবিংশ অধিবেশন), কবি সম্মিলনীৰ সভাপতি (ত্ৰিংশ) পদত অধিষ্ঠিত হৈছিল।

নলবাৰীত অনুষ্ঠিত সাহিত্য সভাৰ দ্বাত্ৰিংশ অধিবেশনৰ (১৯৬৫ খৃঃ, ১৭ এপ্ৰিল) ডিম্বেশ্বৰ নেওগ সভাপতি। ত্ৰৈলোক্যনাথ গোস্বামী অভ্যৰ্থনা সমিতিৰ সভাপতি। হেম বৰুৱা আলোচনা চক্ৰৰ, দৈবচন্দ্ৰ তালুকদাৰ কবি সম্মিলনৰ, সৰ্ব্বেশ্বৰ বৰুৱা বুৰঞ্জী সম্মিলনৰ আৰু মুক্তিনাথ বৰদলৈ সঙ্গীত সম্মিলনৰ সভাপতি। মহাদেৱ শৰ্মাই মুকলি অধিবেশন আৰু প্ৰমথ নাথ চক্ৰবৰ্ত্তীয়ে প্ৰদৰ্শনীৰ দ্বাৰ উদ্বোধন কৰিছিল। হৰি প্ৰসাদ নেওগ পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

তেওঁৰ যোৰহাটৰ 'শুৱনি পজা'ত ডক্টৰ সুনীতি কুমাৰ চট্টোপাধ্যায় আলহী হোৱাৰ কথা উল্লেখ কৰি মৃত্যুৰ সময়ৰ শোক বাণীত লিখিছে—"অসমীয়া ভাষা সাহিত্যৰ অনুগত শ্ৰেষ্ঠ পণ্ডিত মণ্ডলীৰ মাজত নেওগো এজন আছিল: কিয়নো আগশাৰীৰ কবি আৰু সৃজনীমূলক লিখক সকলৰ ভিতৰত তেৰো অন্যতম। তেওঁৰ লগত বন্ধুত্ব স্থাপন কৰিবলৈ মোৰো সুযোগ মিলিছিল। যোৰহাটৰ তেওঁৰ ঘৰত আলহী হবলৈ আৰু দুয়ো একেলগে বহি এসাজ জুতি লগাই অসমীয়া খাদ্য খাবলৈ মোৰ সৌভাগ্য হৈছিল।"

নেওগৰ সুযোগ্যা পত্নী আজলীতৰা নেওগ এগৰাকী অসমীয়া সাহিত্যৰ স্বনামধন্য লিখিকা। 'আলিবাবা', 'সিন্দবাদ', 'আনন্দৰাম ঢেকিয়াল ফুকন'

গুনাভিৰাম বৰুৱা' প্ৰভৃতি তেওঁৰ ৰচিত গ্ৰন্থ। তেওঁৰ পত্নীৰ অকাল মৃত্যুত অন্তৰ ভাগি পৰিছিল।

স্কুলীয়া ছাত্ৰাৱস্থাতে এদিন তেওঁৰ বহীৰ মাজত কবিতা এটি পাই, কবিতাটো পঢ়ি হেনো শিক্ষক এজনে কৈছিল 'ডিম্বেশ্বৰ সময়ত এজন ডাঙৰ কবি হব।' সচাকৈয়ে এদিন তেওঁ কবি স্বৰূপে খ্যাতি অৰ্জন কৰিব পাৰিলে। ৰোমাণ্টিক যুগৰ অন্যতম শ্ৰেষ্ঠ কবি ডিম্বেশ্বৰ নেওগ সাধাৰণতে 'ইন্দ্ৰ ধনুৰ কবি হিচাপে সুপৰিচিত। 'মালিকা' (১৯২২), তেওঁৰ প্ৰথম কবিতাৰ পুথি। 'অসমা' (১৯৪৭), 'বিচিত্ৰা' (১৯৪৮), 'থুপিতৰা' (১৯২৫), 'মালতী'(১৯২৭) 'ইন্দ্ৰধনু' (১৯২৯), 'মুকুতা' (১৯৩১), 'মানুহ' (১৯৪১), 'মেঘদূত' (১৯৪০), 'থাপনা' (১৯৪৬), 'স্বহিদান' (১৯৫২), গুৱনী(১৯৫২) 'ভোগজৰা', (১৯২৮) আদি তেওঁৰ কবিতাৰ পুথি। 'অসমাৰ সৰহভাগ কবিতাই ইন্দ্ৰধনুৰ অন্তৰ্গত।

নেওগৰ কবিতা ৰাজিত দুটা স্পষ্টধাৰা চকুত পৰে—মানব প্ৰেম আৰু স্বদেশ প্ৰেম। সৰহভাগ ভাগ কবিতাৰ ৰচনাকাল ডেকা বয়স। 'মোৰ গাওঁ' কবিতাত নিজৰ জন্মভূমি কমাৰকদীয়া গাওঁখনিৰ অনুপম বৰ্ণনা প্ৰকাশ পাইছে। বুৰঞ্জীলেখক, স্বৰ্গপুৰী, ববদোৱা, শেষ গায়ক আদি কবিৰ দেশ প্ৰেমমূলক কবিতা। এলানি সাহিত্যৰ বুৰঞ্জী প্ৰণেতা হিচাপে নেওগৰ অসমীয়া সাহিত্যত স্থান সুকীয়া। 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি' (১৯৪০), 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী (পৰিবৰ্দ্ধিত ১৯৫৭) নেওগ ডাঙৰীয়াৰ ৰচিত সাহিত্যৰ বুৰঞ্জী। New Light on the History of Asamiya Literature' ইংৰাজীত ৰচনা কৰা তেওঁৰ এখন সুবৃহৎ বুৰঞ্জী (১৯৬২)। সাহিত্যৰ বুৰঞ্জী ৰাজিত আধুনিক সাহিত্যৰ বিষয়ে বহল আলোচনা কৰা নাই। 'Modern Assamese Literature' (১৯৫৫)ত তেওঁ সেই অভাব পূৰণ কৰিব পাৰিছে। 'The Origin and Growth of the Asamiya Language' (১৯৬৫) তেওঁৰ অসমীয়া ভাষাৰ জন্ম আৰু ক্ৰমবিকাশ সম্বন্ধে আলোচনা কৰা গ্ৰন্থ। 'অসমীয়া ভাষাৰ লিপিৰ উৎপত্তি আৰু ক্ৰমবিকাশ' আৰু 'অসমীয়া ভাষা আৰু লিপিৰ কাহিনী' (১৯৫১) তেওঁৰ দুখনি মূল্যবান গ্ৰন্থ।

নেওগ এগৰাকী সুদক্ষ আৰু নিৰ্ভিক সমালোচক। 'অসমীয়া সাহিত্যৰ জিলিঙনি' (১৯৩৮), 'অসমীয়া সাহিত্যৰ জেউতী' (১৯৫১) আৰু 'অসমীয়া সাহিত্যৰ অধ্যয়ন' (১৯৬৪), তেওঁৰ সমালোচনা গ্ৰন্থ। জীৱনৰ ভাটি বয়সত

তেওঁ 'বিশ্ব সাহিত্যৰ জিলিঙনি' শীৰ্ষক এলানি আলোচনা লিখিছিল। নেওগৰ আলোচনাৰ ধাৰা স্বকীয়া। সমালোচনাৰ মাজেৰে যাতে পাঠকে মূল ৰচনাৰ সম্যক উপলব্ধি কৰিব পাৰে তাৰ বাবে তেওঁ প্ৰচুৰ উদ্ধৃতি আৰু বহল আলোচনা কৰা দেখা যায়।

'বৈষ্ণৱ ধৰ্মৰ আতিগুৰি' (১৯৪১), 'যুগ নায়ক শঙ্কৰ দেৱ' (১৯৬৬), 'বৈষ্ণৱ ধৰ্মৰ ক্ৰম বিস্তাৰ' (১৯৪১), 'বৈষ্ণৱ ধৰ্মৰ ভক্তিতত্ত্ব' (১৯৪২) আৰু 'নাৰদীয় ভক্তি সূত্ৰ' (১৯৫০) বৈষ্ণৱ ধৰ্ম আৰু বৈষ্ণৱ ধৰ্ম সম্পৰ্কে ৰচনা কৰা গ্ৰন্থ। 'Jagat Guru Sankardev, the Founder of Mahapurusiasm' (১৯৬২) এনে ধৰণৰ ইংৰাজীত ৰচনা কৰা গ্ৰন্থ।

'দীপাৱলী' (১৯৩১) তেওঁৰ একমাত্ৰ চুটি গল্পৰ পুথি। 'গাৱেঁ নগৰে' (১৯৬০) একমাত্ৰ সামাজিক উপন্যাস, 'নৈবেদ্য' (শিশুলীলা), 'কুন্তিল কুৱৰী', 'কামৰূপ', 'অকাল বসন্ত' আৰু 'ৰাসলীলা' তেওঁৰ সৰু সৰু নাট।

'শুধ অসমীয়া' (১৯৫৩), 'সাহিত্য কি' (১৯৫২), 'প্ৰাক ঐতিহাসিক অসম' (১৯৪৭), 'An Introduction of Assam' (১৯৪৭) তেওঁৰ আন আন গ্ৰন্থ।

আলোচনীৰ পাতত প্ৰকাশ পোৱা 'অতীত মাধুৰী' আৰু শেষ বয়সৰ ৰচনা 'মোৰ জীৱন ৰহস্য'ৰ মাজত নেওগ ডাঙৰীয়াৰ কৰ্ম বহুল জীৱনৰ এখনি মনোৰম চিত্ৰ প্ৰকাশ পাইছে।

১৯৬৬ খৃঃ ১২ নবেম্বৰত দুৰাৰোগ্য কৰ্কট ৰোগত ভুগি ডিব্ৰুগড় মেডিকেল কলেজ হস্পিটেলত তিনিকুৰি সাত বছৰ বয়সত সাহিত্যযোগী ডিম্বেশ্বৰ নেওগৰ মৃত্যু হল। ●

বিনন্দচন্দ্ৰ বৰুৱা

গড়গাওঁ গড়গাওঁ,　　　কথা শুনি ভল যাওঁ
বাট দেখি পিছলেযে পাৰ ;
দিখৌৰ সেঁাতত যোৱা　　ভটীয়নী বল পোৱা
উভতিব খোজে মাৰ নাও
ওচৰতে দেখি গড়গাওঁ ।

গড়গাওঁ আৰু ৰংপুৰ কবিতাই আমাৰ মনৰ নিবন্ধ মণিকোঠত আহোম যুগৰ গৌৰবোজ্জ্বল কালছোৱাৰ দুখনি নিখুঁত চিত্ৰ সজীৱ কৰি তোলে। তেজে গাল ফুটো ফুটো কৰা ডেকা গাভৰুৰে ভৰা গড়গাওঁ আৰু ৰংপুৰ নগৰ। যিখন নগৰত ৰজাৰ সুশাসনত বাঘে ছাগে একে ঘাটে পানী খাব পাৰে ; সেইখন ৰংপুৰ নগৰলৈ কোনোৱা শতৰু অহা গম পালে নিমিষতে হিলৈ বৰতোপ গৰজি উঠে ! গড়গাওঁ-ৰংপুৰৰ অতীত ৰোমন্থন কৰি হাৰি বনে ভৰি, অৰক্ষিত হৈ থকা কাৰেং ঘৰ, ৰং ঘৰ, তলাতল ঘৰত ভুমুকি মাৰি কবি চমকি উঠিছিল। কবিয়ে মাথোঁ হুমুনিয়া কাঢ়ি মনতে ভাবিছিল

একালৰ বৃন্দাবন
একালত পৰে ছন
নিয়তিৰ এনুৱা বিধান।

'গড়গাওঁ' আৰু 'ৰংপুৰ' দুইটা জনপ্ৰিয় কবিতাৰ ৰচক ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা। কবিয়ে 'ৰংপুৰ' দেখিলেও 'গড়গাওঁ কবিতা লিখিছিল নেদেখা-কৈয়ে। তেতিয়া কবি কলিকতা বিশ্ববিদ্যালয়ৰ এম, এ, আৰু আইন মহলাৰ ছাত্ৰ। গড়গাওঁ নেদেখাকৈয়ে কবিতাটো লিখি কলিকতাৰ এ, এছ, এল, ক্লাবৰ বছৰেকীয়া সভাত পাঠ কৰিছিল। তৰুণৰাম ফুকন আছিল সভাৰ সভাপতি।

'ধ্বনি কবি' বুলি অসমীয়া সাহিত্যত সুপৰিচিত বিনন্দচন্দ্ৰ বৰুৱাৰ কবিতা সংখ্যা সাপেক্ষ নহয়। 'শঙ্খধ্বনি' (১৯২৫), 'প্ৰতিধ্বনি' (১৯৩৮) আৰু 'জয়ধ্বনি' (১৯৭৪) তেওঁৰ কবিতাৰ পুথি। বিনন্দ বৰুৱাৰ সৰহভাগ কবিতাই জাতীয়তাবাদী কবিতা। কিন্তু তেওঁৰ জাতীয়তাবাদ কোনো ৰাজনৈতিক আন্দোলনৰ দ্বাৰা প্ৰভাৱান্বিত নহয়। সুস্থ আশাবাদ তেওঁৰ

কবিতাৰ অন্যতম ধৰ্ম। বৰুৱা ডাঙৰীয়া ইতিহাসৰ ছাত্ৰ। কটন কলেজৰ পৰা বুৰঞ্জীত অনাৰ্চ লৈ বি এ, ডিগ্ৰী লাভ কৰিছিল (১৯২৫)। সেয়েহে অতীত ইতিহাসৰ গাত ভেজা দি ৰচনা কৰিছিল সৰহভাগ কবিতা।

বিনন্দ বৰুৱাৰ কবিতাৰাজি সৰ্বজন সমাদ্রিত হোৱাৰ মূলতে তেওঁৰ কবিতাৰ ছন্দ। কবিতাৰ উপমা জাতে পাতে অসমীয়া। অসমীয়া জতুৱা ঠাচ খণ্ডবাক্য আদিৰ প্ৰয়োগে কবিতা ৰাজি অধিক মনোগ্ৰাহী কৰি তুলিছে।

আজীৱন শিক্ষাসেবী বিনন্দচন্দ্ৰ বৰুৱাৰ পিতৃ গোপালচন্দ্ৰ বৰুৱা আৰু মাতৃ দময়ন্তী দেবী। গোপালচন্দ্ৰ বৰুৱা টিয়কীয়া শুকদেব অধ্যাপকৰ ঘৰৰ অচ্যুতানন্দ বৰুৱাৰ পুত্ৰ। তেওঁৰ নামেৰে তেওঁলোকৰ বাস ভৱনৰ নাম 'অচ্যুৎ ভৱন'। অচ্যুৎ ভৱনতে ১৯০১ খৃঃত বিনন্দচন্দ্ৰ বৰুৱাৰ জন্ম। দময়ন্তী দেবী 'কুসুম কুমাৰী' উপন্যাসৰ ৰচক হৰেশ্বৰ শৰ্মাৰ ভনীয়েক। অচ্যুৎ ভৱনৰ পৰাই প্ৰকাশ হৈছিল 'বৰদৈচিলা'। 'বৰদৈচিলাৰ প্ৰতিষ্ঠাতা সম্পাদক কমলচন্দ্ৰ বৰুৱা, বিনন্দচন্দ্ৰ বৰুৱাৰ ববদেউতাক।

টিয়কৰ পাঠশালাতে বিনন্দচন্দ্ৰ বৰুৱাৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ। তেওঁ যোৰহাট চৰকাৰী হাইস্কুলত পঢ়ি ১৯২১ খৃঃত প্ৰবেশিক পৰীক্ষাত উত্তীৰ্ণ হয়। হাইস্কুলীয়া ছাত্ৰাৱস্থাতে হাতে লিখা আলোচনী 'প্ৰভাত' সম্পাদনা কৰিছিল। 'প্ৰভাত'ত প্ৰকাশিত 'অসম' নামৰকবিতাটোৱে তেওঁৰ প্ৰথম ৰচনা। কটন কলেজত পঢ়া সময়ত তেওঁ অসম ছাত্ৰ সন্মিলনৰ লগত জড়িত। সন্মিলনৰ নৱম অধিবেশনত তেওঁ প্ৰধান সম্পাদক নিৰ্বাচিত হয় (১৯২৪)। পিচত তেওঁ ছাত্ৰ সন্মিলনৰ মুখপত্ৰ 'মিলন'ৰ সম্পাদনা কৰিছিল। বৰুৱাৰ সম্পাদনাতে প্ৰকাশ হৈছিল পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ স্মৃতিত 'মিলনৰ হেমচন্দ্ৰ সোৱঁৰণী সংখ্যা।'

শিশুৰ উপযোগী সাহিত্য সৃষ্টিৰ বাবে এসময়ত অসম সাহিত্য সভাই 'কমলাদেবী' শিশু সাহিত্যৰ বঁটাৰ ব্যৱস্থা কৰিছিল। 'মহাৰাজ নৰনাৰায়ণ' (১৯২৬) আৰু 'ৰাজস্থানৰ গল্প'ৰ বাবে বৰুৱাই এই বটা লাভ কৰিছিল। 'আমাৰ লক্ষ্মীনাথ' (১৯৬৮) আৰু 'অসম গৌৰৱ' (১৯৬৩) শিশুৰ উপযোগীকৈ ৰচনা কৰা তেওঁৰ আন দুখন পুথি।

'পাৰ্থ সাৰথি' (১৯৩১), 'শৰাই ঘাট' (১৯৩৭) আৰু 'শ্ৰীক্ষেত্ৰ' তেওঁৰ তিনিখন গহীন নাটক। 'টি টি হেই' আৰু 'বেঙনা ৰহস্য' দুখন ধেমেলীয়া নাটক।

১৯৩০ খৃঃৰ কংগ্ৰেছৰ প্ৰবল আন্দোলনৰ সময়ত বৰুৱাই লাচিত মেলা

পতাৰ আয়োজন কৰিছিল। তেতিয়াৰে পৰা বাৰ বছৰ কাল তেওঁ লাচিত মেলাৰ সম্পাদক হিচাপে কাৰ্য্য নিৰ্বাহ কৰি পিচত সভাপতিৰ দায়িত্ব বহন কৰিব লগীয়া হৈছিল।

বৰুৱা ডাঙৰীয়াৰ কৰ্মজীৱনৰ আদি অন্ত জাঁজী হাইস্কুলতে। ১৯২৯ খৃঃত সহকাৰী শিক্ষক স্বৰূপে জাজী হাইস্কুলত যোগদান কৰি ১৯৬৭ খৃঃত প্ৰধান শিক্ষক স্বৰূপে অৱসৰ গ্ৰহণ কৰে।

সাহিত্য সভাৰ প্ৰধান সম্পাদক, (১৯৫৬) উপসভাপতি আদি বিভিন্ন দায়িত্ব মূৰ পাতি লৈ বৰুৱা ডাঙৰীয়া বহুবছৰৰে পৰা জড়িত। উত্তৰ লক্ষ্মীমপুৰত অনুষ্ঠিত সাহিত্য সভাৰ ত্ৰয়োত্ৰিংশ অধিবেশনৰ (১৯৬৬ খৃঃ, ৪ মাৰ্চ্চ) বিনন্দ চন্দ্ৰ বৰুৱা সভাপতি। অভ্যৰ্থনা সমিতিৰ সভাপতি যোগানন্দ বৰগোহাঞি। ত্ৰৈলোক্য নাথ গোস্বামী আলোচনা চক্ৰৰ আৰু কৰুনানন্দ দত্ত বুৰঞ্জী শাখাৰ সভাপতি। কবি সন্মিলনৰ মুখ্য অতিথি আনন্দ চন্দ্ৰ বৰুৱা আৰু সাংস্কৃতিক সন্মিলনৰ মুখ্য অতিথি পৰাগধৰ চলিহা। মূল সভা উদ্বোধন কৰিছিল বিজয় চন্দ্ৰ ভাগৱতীয়ে আৰু প্ৰদৰ্শনীৰ দ্বাৰ অমিয় কুমাৰ দাসে। হৰিপ্ৰসাদ নেওঁগ পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। ●

নকুল চন্দ্ৰ ভূঞা

বেশভূষাত ইস্ত্ৰি নথকা বগা হাফছাৰ্ট, লংপেণ্ট, হাতত এডাল কেকোৰা লাখুটি, মূৰত ৰূপালী চুলি, বগী পকা থেকেৰাৰ দৰে দুখ মণ্ডল, সৰল গছৰ দৰে কৃশাঙ্গ দেহ আৰু বৈ বৈ থেকা খোৱা মাত কথাৰে চন্দ্ৰকান্ত সন্দিকৈ ভবনত লগ পোৱা নকুল চন্দ্ৰ ভূঞাক প্ৰথম দৃষ্টিত আমাৰ কোনো বুটিছ যুগৰ অৱসৰ প্ৰাপ্ত ৰাজ বিষয়া যেন লাগিছিল।

'চাৰ আপোনাৰ লগত ইমান দিনে কাকতে পত্ৰেৰেহে চিনাকী হৈ আছিলো। আজি আপোনাক লগ পাই বৰ ভাল লাগিল'।

'এহ মোক কিয় চাৰ বোলে' বুলি কৈ আলফুলকৈ হাত দুখনেৰে আমাৰ হাত দুখন সাবটি ধৰিছিল। সচাকৈয়ে তেওঁৰ বিনয়ী স্বভাৱ, আন্তৰিকতা

সনা মিঠা ব্যৱহাৰ, আৰু নিভাজ অসমীয়া মাত কথাই প্ৰথম পৰিচয়তে আমাক মুগ্ধ কৰিছিল।

১৯৫৪ খৃঃত অৱসৰ গ্ৰহণ কৰি যোৰহাটত স্থায়ী ভাবে ঘৰ সাজি বসতি কৰাৰ পৰা বছৰৰ ৩৬৫ দিনৰ ভিতৰত ৩৬০ দিনেই তেওঁ চন্দ্ৰকান্ত সন্দিকৈ ভবনলৈ গৈ সাহিত্য সভাৰ কৰ্মী সকলক দিহা পৰামৰ্শ দি আহিছিল। মাজে মাজে অকলে অকলে বহি তেওঁ বাতৰি কাকতকে পঢ়ি থাকে। যাবৰ সময়ত চকিদাৰক দুৱাৰ খিৰিকী বন্ধ কৰিবলৈ সকিয়াই যায়। সেই বাবে তেওঁক ধেমালিকৈ কোৱা হৈছিল চন্দ্ৰকান্ত সন্দিকৈ ভবনৰ 'ৰখীয়া'।

ভূঞা ডাঙৰীয়াই জীৱনৰ সৰহ কাল কটাইছিল চাহ বাগিছাৰ মাজত। এচিষ্টেণ্ট মেনেজাৰ, মেনেজাৰ হিচাপে চাকৰি কৰি ফিৰিঙি চাহাব আৰু বনুৱাৰ মাজত কাম কৰিও বিধে বিধে পুথি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰি গ'ল।

ভূঞা ডাঙৰীয়াৰ সাহিত্য চৰ্চ্চাৰ স্পৃহা নিচেই সৰু কালৰে পৰা। বাৰ বছৰ বয়সতে শিক্ষা গুৰু ভদ্ৰেশ্বৰ শৰ্মাই তেওঁৰ হাতত তুলি দিলে গোহাঞি বৰুৱা সম্পাদিত আলোচনী 'উষা'। 'উষাৰ' আৰ্হি লৈয়ে সহপাঠী বন্ধু কৃষ্ণ কান্ত সন্দিকৈ প্ৰমুখ্যে কিছুমান ছাত্ৰ গোট খাই উলিয়াইছিল এখনি হাতে লিখা আলোচনী। ১৯১৩ খৃঃত ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'আলোচনী'ত যেতিয়া 'সুখ' নামৰ কবিতা এটি প্ৰকাশ হয় তেতিয়া ভূঞা ডাঙৰীয়া হাইস্কুলৰ ছাত্ৰ। এবাৰ সন্দিকৈ, ৰুদ্ৰকান্ত গোস্বামী আৰু ভূঞাই জয়কৃষ্ণ পেট্ৰিয়ত ছদ্মনামত 'মাধুৰী' নামৰ কবিতা এটি উষাত প্ৰকাশ কৰাৰ কথা পূৰ্বতে উল্লেখ কৰিছো।

নকুলচন্দ্ৰ ভূঞাৰ জন্ম ১৮৯৫ খৃঃৰ জেঠ মাহত চাৰিঙৰ বিখ্যাত ভূঞা বংশত। তেওঁৰ পিতৃ গোপালচন্দ্ৰ ভূঞা আৰু মাতৃ ডালিমী ভূঞা। চাৰিঙতে তেওঁৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ। পিচত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ১৯১৬ খৃঃত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। প্ৰবেশিকাৰ জপনাই তেওঁৰ পঢ়াশলীয়া শিক্ষাৰ শেষ সীমা। প্ৰবেশিকা পৰীক্ষাৰ্থী ভূঞাই ৰচনা কৰা 'বাৰে ভূঞা' (১৯১৬) তেওঁৰ প্ৰথম পুথি। পিচত ৰচনা কৰা 'বাৰে ভূঞাৰ বুৰঞ্জী' প্ৰথম পুথি খনৰে বিস্তৃত ৰূপ।

প্ৰবেশিকা পৰীক্ষা পাচ কৰাৰ পিচত ডিব্ৰুগড় জিলা ক্লাবৰ পুথি ভড়ালী হিচাপে তেওঁৰ চাকৰি জীৱন আৰম্ভ। কিছুদিন তেওঁ ডিব্ৰু—শদিয়া ৰেলৱে

কাম কৰিছিল। তাৰ পিচত তেজপুৰৰ উপায়ুক্তৰ কাৰ্য্যালয়ত কনফিডেন্সিয়েল ক্লাৰ্ক নিযুক্ত হয়।

তেজপুৰতেই তেওঁৰ সাহিত্য সাধনাৰ বিকাশ। বিশেষকৈ নাট্য সাহিত্যৰ সূচনা তেজপুৰতেই। তেজপুৰত পদ্মনাথ গোহাঞি বৰুৱা আৰু দণ্ডিনাথ কলিতাৰ উদ্গনিত প্ৰথম নাটক 'বদন বৰফুকন' (১৯২৪) ৰচনা কৰে। বদন বৰফুকনৰ সফলতাই ভূঞা ডাঙৰীয়াক অকল উৎসাহিতেই নকৰিলে নাট্য সাহিত্যত এখন সুদৃঢ় আসনত প্ৰতিষ্ঠা কৰিলে। তেওঁৰ দ্বিতীয় নাট 'চন্দ্ৰকান্ত সিংহ' (১৯৩১)। দুয়োখন নাটেই মানৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় আক্ৰমনৰ ওপৰত ভেটি কৰি ৰচনা কৰা। 'বিদ্ৰোহী মৰাণ' (১৯৩৮) আৰু 'নুমলি কুঁৱৰী' (১৯৬৩) তেওঁৰ আন দুখন নাট। 'নুমলি কুঁৱৰী'ৰ বাবে সাহিত্য সভাৰ শ্ৰেষ্ঠ নাটকৰ বটাও লাভ কৰিছে। 'শাহু আই' (১৯২৫) এখনি সৰু নাটিকা।

১৯২৬ খৃঃত তেজপুৰৰ পৰাই চেনিমৰা চ'হ বাগিচাত এপ্ৰেণ্টিছ হিচাপে যোগদান কৰে। সুদীৰ্ঘ একুৰি আঠ বছৰ কাল তেওঁ চাহ বাগিছাৰ বিভিন্ন পদত অধিষ্ঠিত হৈ ১৯৫৪ খৃঃত অবসৰ গ্ৰহণ কৰিছিল।

চাহ বাগিছাত তেওঁৰ পৰিচালনাতে অসমীয়া ভাওনা কৰি অনা অসমীয়া বনুৱাক ভাওনাৰ সোৱাদ দিছিল। চাহ বাগিছাৰ বনুৱাক শিক্ষা দিবলৈ ৰচনা কৰা পুথি 'আমাৰ পাঠ' (১৯৫১)। 'চাহ বাগিছাৰ বনুৱা (১৯৬০) চাহ বাগিছাৰ বিষয়ে লিখা আন এখন পুথি।

'চোৰাং চোৱাৰ চ'ৰা' (১৯১৮), 'জোনোৱালী' (১৯৩৩) আৰু 'গল্পৰ শৰাই' (১৯৬২) তিনিখন তেওঁৰ চুটি গল্প সংকলন। ডেকা কালতে সংকলন কৰা ভূঞা ডাঙৰীয়াৰ বিহু গীত-বনগীতৰ পুথি 'বহাগী' (১৯২৩)। তেওঁৰ কন কন লৰাছোৱালীৰ বাবে ৰচনা কৰা পুথি 'সোণহতৰ ভীষ্ম' (১৯৫৬)। 'বাটকেনি' (১৯৪৯) তেওঁৰ ছাত্ৰ সন্মিলনীত দিয়া এখনি ভাষণ। 'ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া' (১৯৬১) সন্দিকৈ ডাঙৰীয়াৰ জীৱনৰ ওপৰত ভেটি কৰি ৰচনা কৰা এখনি জীৱনী গ্ৰন্থ।

নকুল চন্দ্ৰ ভূঞা সাহিত্য সভাৰ লগত বহু দিনৰে পৰা জড়িত আৰু এসময়ত তেওঁ সাহিত্য সভাৰ সহকাৰী সম্পাদক আছিল। ডিব্ৰুগড়ত অনুষ্ঠিত সাহিত্য সভাৰ চতুত্ৰিংশ সন্মিলনীৰ (১৯৬৬ খৃঃ, ৩০ ডিচেম্বৰ) নকুল চন্দ্ৰ ভূঞা সভাপতি। অভ্যৰ্থনা সমিতিৰ সভাপতি লক্ষ্মীপ্ৰসাদ দত্ত। ডিব্ৰুগড়

অধিবেশনৰ আলোচনা চক্ৰৰ সভাপতি ডক্টৰ মহেশ্বৰ নেওগ, বিজ্ঞান শাখাৰ ডক্টৰ কালীনাথ শৰ্মা, বুৰঞ্জী শাখাৰ কেশৱ নাৰায়ণ দত্ত, কবি সন্মিলনৰ প্ৰসন্নলাল চৌধুৰী, সাংস্কৃতিক সন্মিলনৰ জীবেশ্বৰ গোস্বামী আৰু সংবাদ সাহিত্য সন্মিলনৰ বেণুধৰ শৰ্মা। মুকলি সভা উদ্বোধন কৰিছিল বিমলা প্ৰসাদ চলিহাই আৰু প্ৰদৰ্শনীৰ দ্বাৰ বিষ্ণুৰাম মেধিয়ে। হৰিপ্ৰসাদ নেওগ পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

নকুল চন্দ্ৰ ভূঞাই এসময়ত চন্দ্ৰকান্ত সন্দিকৈ ভবনৰ 'ৰথীয়া' আখ্যা পাইছিল যদিও সাহিত্য সভাৰ সভাপতি স্বৰূপে সুস্থ শৰীৰে কাৰ্য্য নিৰ্বাহ কৰিব নোৱাৰিলে। অসুস্থ হৈ থাকিয়ে কাৰ্য্যকাল শেষ হবলৈ নৌ পাওতেই ১৯৬৮ খৃঃৰ ১৬ জানুৱাৰীত তিনি কুৰি তেৰ বছৰ বয়সত ইহলীলা সম্বৰণ কৰিলে। ●

জ্ঞাননাথ বৰা

সন্তান সন্ততি নোহোৱা মানুহৰ কথা সুকীয়া; কিন্তু সন্তান জন্ম দিয়ে যমৰ হাতত এৰি দিয়াটো পিতৃ মাতৃৰ বাবে কম যাতনাৰ কথা নহয়। তাতে যদি এবাৰ এবাৰকৈ কেবাটিও লৰা ছোৱালী হেৰুৱাব লগা হয়; তেন্তে সেই কাৰ্য্য হৈ পৰে অসহনীয়।

এনে এক অসহনীয় যাতনা মূৰ পাতি লব লগা হৈছিল দয়ানাথ বৰবৰাই। তেজপুৰৰ নতুৱাৰ অঞ্চলৰ হেৰাপোৱা গাওঁৰ দয়ানাথ আহোম যুগৰ প্ৰখ্যাত বৰবৰা বংশৰ লোক। কেবাটি সন্তানৰ মৃত্যু হোৱাৰ পিচত এদিন কুল পুৰোহিতে কলে!

'দয়ানাথ তুমি সত্যনাৰায়ণৰ পূজা এভাগ কৰা। তোমাৰ এই শোকৰ ভাৰ লাঘৱ হব। প্ৰভুৱে কৃপা কৰিব। চিন্তা নকৰিবা।'

ধৰ্মপ্ৰাণ দয়ানাথৰ বাবে কুল পুৰোহিতৰ নিৰ্দেশ বেদবাক্য। কুল পুৰোহিতৰ নিৰ্দেশ মতে পূজা এভাগ আগবঢ়ালে। সঁচাকৈয়ে সত্যনাৰায়ণ প্ৰভুৰ কৃপা হল। দয়ানাথৰ এটি পুত্ৰ সন্তান জন্ম হল। প্ৰভুৰ কৃপাত কোনো হানি বিঘিনি নহল। দিনে দিনে লহ পহকৈ বাঢ়ি আহিবলৈ ধৰিলে।

সত্যনাৰায়ণৰ পূজা এভাগ কৰি পুত্ৰ লাভ কৰাৰ বাবে কুল-পুৰোহিতৰ নিৰ্দেশক্ৰমে সন্তানটিৰ নাম ৰাখিলে সত্যনাথ। সত্যনাথেই জোনাকী যুগৰ প্ৰখ্যাত কথা সাহিত্যিক সত্যনাথ বৰা (১৮৬০-১৯৩২)। সত্যনাথ বৰাই বি, এল, মহলাত উঠি (১৮৮৯) গুৱাহাটী আদালতত আইন ব্যৱসায় কৰা প্ৰথম অসমীয়া। সত্যনাথ বৰা নিজ ব্যৱসায়ত দক্ষতা দেখুৱা এজন সৎ-প্ৰকৃতিৰ মহৎ মনৰ আইন ব্যৱসায়ী। 'He is most honourable in his Profession'—প্ৰচলিত কথা ফাকিৰ পৰা বৰা ডাঙৰীয়াৰ চৰিত্ৰৰ আভাস পোৱা যায়। বৰা আছিল গুৱাহাটী আৰ্ল ল কলেজৰ অধ্যাপক আৰু কটন কলেজৰ অসমীয়া অধ্যাপক। 'সাৰথি', 'কেন্দ্ৰসভা', 'সাহিত্য বিচাৰ', 'চিন্তাকলি', 'বহল ব্যাকৰণ' আৰু 'গীতাৱলী' তেওঁৰ ৰচিত পুথি। গুৱাহাটীৰ পৰা প্ৰকাশিত দ্বিতীয় খণ্ড জোনাকীৰ তেওঁ সম্পাদক। তেওঁৰ পত্নী ভুবন মোহিনী বৰা, কনকলাল বৰুৱাৰ ভগীয়েক।

জ্ঞাননাথ বৰা সত্যনাথ বৰাৰ দ্বিতীয় পুত্ৰ। প্ৰথম পুত্ৰ অম্বিকানাথ বৰা। অম্বিকানাথ বৰা কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক।

১৮৯০ খৃঃৰ ২০ মাৰ্চত গুৱাহাটীত জ্ঞাননাথ বৰাৰ জন্ম। তেওঁৰ পঢ়াশলীয়া শিক্ষা গুৱাহাটীতে। ১৯১২ খৃঃত কলেজিয়েট হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯১৬ খৃঃত কটন কলেজৰ পৰা বি, এ, আৰু ১৯২০ খৃঃত গুৱাহাটী আৰ্ল ল কলেজৰ পৰা বি. এল, ডিগ্ৰী লাভ কৰি শিক্ষাৰ সামৰণি মাৰিছিল।

দেউতাক কছাৰিলৈ যোৱাৰ সময়ত দেউতাকৰ উকিল খানাতে একতা সভাৰ জন্ম আৰু সেই ঠাইতে সভাবোৰ অনুষ্ঠিত হয়। ১৯০৬ খৃঃত জন্ম লাভ কৰা একতা সভাৰ জ্ঞাননাথ বৰা প্ৰথম সম্পাদক আৰু অন্যতম গুৰিয়াল। অসম ছাত্ৰ সন্মিলনৰ জন্ম লগ্নৰ পৰাতো বৰা ডাঙৰীয়া নিবিড় ভাবে জড়িত। ছাত্ৰ-সন্মিলনৰ তৃতীয় অধিবেশনত (১৯১৮) বৰা প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

বৰা ডাঙৰীয়াই প্ৰথমতে গুৱাহাটীত আইন ব্যৱসায় কৰিছিল। পিচত ১৯২৭ খৃঃৰ পৰা ১৯৪৭ খৃঃ লৈ কলিকতা হাইকোৰ্টত আইন ব্যৱসায় কৰিছিল। ইয়াৰ পিচত সুদীৰ্ঘ আঠ বছৰ কাল (১৯৫১—৫৮) তেওঁ আছিল আইন কলেজৰ অধ্যক্ষ। আইন ব্যৱসায়ী আৰু শিক্ষাবিদ বৰা ডাঙৰীয়া পিচত

অসম বাণিজ্যিক মহাসভাৰ সভাপতি হয়। অসমৰ ৰাজনৈতিক অস্থিৰতা আৰু সঙ্কটৰ প্ৰতি দৃষ্টি ৰাখিয়েই অসম বাণিজ্যিক মহাসভাৰ জন্ম।

জ্ঞাননাথ বৰাৰ সাহিত্যিক জীৱনৰ সূচনা নিচেই সৰু কালৰে পৰা। জীৱনং আগ বয়সত বৰা এজন আবেগত গা ঢালি দিয়া কবি। বৰাৰ ছাত্ৰ জীৱনত ৰচিত ভালেমান কবিতা উষাত (১৯০২) প্ৰকাশ হয়। 'সখী ঐ পৰেনে' মনত তেওঁৰ প্ৰথম প্ৰকাশিত কবিতা।

'আসামত বিদেশী' (১৯২২), 'যুগতত্ত্ব' (১৯২৪), 'নতুন পৃথিবী' (১৯৪৫) 'অসমীয়া পুৰণি সাহিত্য' (১৯৫০) আৰু 'আধুনিক অসমীয়া সাহিত্য' (১৯৬০) চিন্তাশীল কথা সাহিত্যিক বৰা ডাঙৰীয়াৰ ৰচিত গ্ৰন্থ। তেওঁৰ 'The New World' নতুন পৃথিবী খনৰ ইংৰাজী অনুবাদ। অসমীয়া সাহিত্যৰ ভবিষ্যৎ (১৯৬৬) এখনি উল্লেখ যোগ্য ভাষণ। 'অসমীয়া স্বৰাজ', 'অসম ভাৰতৰ ভিতৰত থাকিব কিয় ?", 'কামৰূপ আৰু ভাৰতবৰ্ষ', 'অসমীয়া জাতি ভিষ্টি থাকিবনে', 'ভাৰতৰ নিৰপত্তা আৰু অসম দেশ' আদি কিছুমান চিন্তাশীল প্ৰবন্ধ আৱাহন, বাঁহী আদিত লিখি তেওঁ যথেষ্ট সমাদৰ লাভ কৰিছিল। 'মণিদীপত' প্ৰকাশিত 'মোৰ জীৱন সোৱৰণ' শীৰ্ষক এলানি প্ৰবন্ধ বৰা ডাঙৰীয়াৰ এৰি অহা দিনৰ খতিয়ান। 'শ্ৰীহট্ট বিচ্ছেদ' (১৯৩৫), 'কংগ্ৰেছ আৰু মুছলীম লীগৰ দ্বাৰা গৃহীত মন্ত্ৰী মিছনৰ আঁচনি আৰু আমাৰ কৰ্তব্য' আদি বৰা ডাঙৰীয়াৰ সৰু সৰু পুস্তিকা। Provincialism (১৯৫৫) আৰু A Plea For Sanskrit As National Language (১৯৫৪) তেওঁৰ দুখনি পুস্তিকা। তেওঁৰ পিচৰখন পুস্তিকাত সংস্কৃত ৰাষ্ট্ৰ ভাষা হ'ব লাগে বুলি যুক্তি দাঙি ধৰিছিল।

তেজপুৰত অনুষ্ঠিত সাহিত্য সভাৰ পঞ্চত্ৰিংশ সন্মিলনৰ (১৯৬৮ খৃঃ, ২৬ জানুৱাৰী) জ্ঞাননাথ বৰা সভাপতি। কমলাপ্ৰসাদ আগৰৱালা অভ্যৰ্থনা সমিতিৰ সভাপতি। তেজপুৰ অধিবেশনৰ গুণগোবিন্দ দত্ত বুৰঞ্জী শাখাৰ, ডক্টৰ যোগীৰাজ বসু আলোচনা চক্ৰৰ আৰু প্ৰফুল্লচন্দ্ৰ বৰুৱা সাংস্কৃতিক সমাবেশৰ সভাপতি। মূল সভা উদ্বোধন কৰিছিল অতুলচন্দ্ৰ হাজৰিকাই আৰু প্ৰদৰ্শনীৰ দ্বাৰ হেম বৰুৱাই। মুকলি অধিবেশনত বিশিষ্ট অতিথি স্বৰূপে যোগদান কৰিছিল ৰাজ্যপাল বিষ্ণু সহায়ে। হৰিপ্ৰসাদ নেওগ পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

জ্ঞাননাথ বৰা বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উৎসৱৰো সভাপতি আছিল।

বৰা ডাঙৰীয়াৰ জন্ম এটি সম্ভ্ৰান্ত অসমীয়া পৰিয়ালত। তেওঁৰ কথা বাৰ্ত্তা আচাৰ-ব্যৱহাৰ, চলন-ফিৰণ, পিন্ধন-উৰণ সকলোতে অসমীয়াৰ অতীত ঐতিহ্যৰ চিত্ৰ বহন কৰিব পাৰিছিল। অনুচ্চ দেহী, শুধ বগা এখনি লনী মুখ। মূৰত কপালী চুলি, ডিঙিলৈকে বুটাম মৰা কোটৰ ওপৰত গাত মেৰিয়াই লোৱা চাদৰ এখনেৰে চুৰিয়া পিন্ধা জ্ঞাননাথ বৰাক দেখিলে সহজে এজন সম্ভ্ৰান্ত পুৰুষ বুলি অনুমান কৰিব পাৰি।

বৰ পৰিতাপৰ কথা জ্ঞাননাথ বৰায়ো সাহিত্য সভাৰ সভাপতি স্বৰূপে তেখেতৰ কাৰ্য্যকাল শেষ কৰিবলৈ নাপালে। ১৯৬৮ খৃঃৰ ৩০ নবেম্বৰত অসমীয়া ভাষা সাহিত্যৰ একনিষ্ঠ পূজাৰী জ্ঞাননাথ বৰাৰ তিনিকুৰি পোন্ধৰ বছৰ বয়সত জীৱন বন্তী নিৰ্বাপিত হয়। ●

আনন্দচন্দ্ৰ বৰুৱা

"এখন ৰাজ্যত এজন যশস্বী কবিয়ে আৰ্থিক অনাটনৰ মাজেৰে জীৱন নিৰ্বাহ কৰিব লগীয়া হৈছিল। সেই ৰাজ্যৰ ৰজাই ইপিনে ৰাজসভাত ধন সোণ বিতৰণ কৰিছিল। কবিৰ সহধৰ্মিনীয়ে এই খবৰ পাই এদিন কবিকো ৰাজসভালৈ পঠিয়াই দিলে। কবি গৈ ৰাজ সভাত উপস্থিত হোৱাৰ লগে লগে ৰজাই আদৰ সাদৰ কৰি কবিক নি ৰাজসভাত সুকীয়া আসনত বহুৱালে। ৰাজসভাত পুনৰ ধন-সোণ বিতৰণ চলিল। শেষত ৰজাই ডিঙিত পিন্ধি থকা ফুলৰ মালাধাৰিকে কবিক পুৰস্কাৰ স্বৰূপে প্ৰদান কৰিলে। কবিয়ে ৰজাৰ ডিঙিৰ মালাধাৰিকে অমূল্য সম্পদ হিচাপে লৈ ঘৰমুৱা হল। অৱশ্যে এই ফুলৰ মালাৰে কবিৰ সহধৰ্মিনী সন্তুষ্ট নহল যদিও ৰজাৰ ডিঙিৰ মালা লাভ কৰাৰ গৌৰৱত কবিৰ অপাৰ আনন্দ।"

১৯৬৬ খৃঃৰ কথা। যোৰহাটৰ ওচৰৰ চাৰিগাওঁ সাহিত্য সভাৰ পক্ষৰ পৰা ৰাজহুৱা ভাবে জনোৱা সম্বৰ্দ্ধনাৰ উত্তৰত বকুল বনৰ কবি আনন্দচন্দ্ৰ বৰুৱাই উক্ত আখ্যানটি কৈ ইয়াকে বুজাবলৈ বিচাৰিছিল—কিদৰে সচাকৈয়ে কবি-সাহিত্যিকৰ মনত মান-সন্মান যশস্যা, ধন-দৌলতকৈ বহু ওপৰত।

সভাত যোগদান কৰি উভতি আহি সন্ধিয়া ৮ মান বজাত যোৰহাট

ট্ৰাঙ্ক ৰোডত আমি, হৰিপ্ৰসাদ নেওগ, যোগেশ দাস আৰু ৰমা বৰঠাকুৰৰ লগত ফুৰি থাকোঁতে দেখিলোঁ। হাতত এখন জোলোঙা লৈ সিপিনৰ পৰা কাঁড় অহাদি আহি আছে সেই জন কবি ; যিজন কবিক মাত্ৰ কেই ঘণ্টা মান আগতে ৰাজহুৱা ভাবে সম্বৰ্দ্ধনা জনোৱা হৈছিল। সেইজনা কবিয়ে হাতত জোলোঙা এটি লৈ লৰি আহিছে নিশাৰ সাজৰ বাবে পাচলি বিচাৰি। তাৰ পিচত আমি কবিৰ অজ্ঞাতে গৈ ফৰিং ফুটা জোনাকৰ পোহৰত কবিৰ বাসভৱন চাই আহিলোঁ। যোৰহাট নগৰৰ চোলা ধৰা আলিৰ কাষত সাধাৰণ এটি খেৰী ঘৰ।

এইজনা কবিৰ সৰল অনাড়ম্বৰ জীৱন যাপনৰ কথা সৰ্বজন বিদিত। আনন্দচন্দ্ৰ বৰুৱা অসমীয়া পঢ়ুৱৈ সমাজত বকুল বনৰ কবি বুলি সুপৰিচিত।

বৰুৱাৰ পিতৃ প্ৰেমধৰ শৰ্মা বৰুৱা শিৱসাগৰৰ জিলাৰ মৰাণৰ ওচৰৰ খুমটাই চাহ বাগিছাৰ বৰ কেৰানি আছিল। সেই বাগিছাৰ বৰ কেৰানিৰ ঘৰতেই ১৯০৭ খৃঃৰ ৩১ ডিচেম্বৰত আনন্দচন্দ্ৰ বৰুৱাৰ জন্ম। তেওঁৰ মাতৃ ইন্দ্ৰাণী দেৱী। তেওঁলোকৰ আচল ঘৰ যোৰহাট নগৰৰ দহ মাইল পূবে থকা চাওখাট মৌজাৰ ডিহা নৈৰ পাৰৰ ঢেকীয়া খোৱা গাওঁত। ঢেকীয়া খোৱা পাঠশালাতে আনন্দ বৰুৱাৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ। ১৯২২ খৃঃত কাকজান মাইনৰ স্কুলৰপৰা বৃত্তি লাভ কৰি যোৰহাট চৰকাৰী হাইস্কুলত ভৰ্ত্তি হয়গৈ। তাতেই সহপাঠী স্বৰূপে লাভ কৰিছিল দৰদী কবি গণেশচন্দ্ৰ গগৈক।

১৯২৬ খৃঃত দুয়ো গৰাকী বন্ধুৱে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজীয়া শিক্ষাৰ বাবে আনন্দচন্দ্ৰ বৰুৱা গ'ল কাশী-হিন্দু-বিশ্ববিদ্যালয়লৈ আৰু গণেশ গগৈ কটন কলেজলৈ। এই এৰা এৰি সৰহ দিন নাথাকিল। গগৈ কাশী-হিন্দু-বিশ্ববিদ্যালয়লৈ গ'ল। আনন্দ বৰুৱায়ো অন্তৰঙ্গ বন্ধুৰ মৰম সুঁৱৰি আই, এচ-চি, পঢ়া বাদ দি গগৈৰ লগত একে লগে আই, এ, শ্ৰেণীত ভৰ্ত্তি হল। কাশীতে দুয়োজনাৰ যত্নতে 'জাহ্নবী' নামৰ এখনি হাতে লিখা আলোচনীৰ জন্ম।

মৰুৱা লেঠাত পৰি গগৈ কলেজ এৰি আহিব লগা হল। আনন্দ বৰুৱাবো পৰীক্ষা দিয়া নহল। সকৰে পৰা গগৈ আছিল খেয়ালী মনোভাবৰ। গগৈৰ ভালে মান ৰচনাৰ মূলতেও আছিল আনন্দ বৰুৱাৰ প্ৰেৰণা আৰু মৰমৰ অত্যাচাৰ। গগৈয়ে সেই মৰমৰ অত্যাচাৰ ষাউতী যুগীয়া কৰিছে

তেওঁৰ শ্ৰেষ্ঠ ৰচনা 'পাপৰি' খন আনন্দ বৰুৱাৰ নামত অৰ্পণ কৰি। একুৰি আঠ বছৰীয়া চফল ডেকা গণেৰ অকাল মৃত্যু আনন্দ বৰুৱাৰ জীৱনৰ চৰম আঘাট। সেয়েহে বৰুৱাৰ 'এচিয়াৰ জ্যোতি' বোলা কিতাপখন গণেৰ পবিত্ৰ স্মৃতিত অৰ্পণ কৰি লিখিছে—"প্ৰথমে যাৰ হাতত এই কিতাপ খন দি তৃপ্তি পালোঁহেতেন তাৰ জীৱন শ'লিতা গছি কেতিয়াবাই নুমাল ; কিন্তু স্মৃতিত সি আজিও গণেশ গগৈ হৈ জীয়াই আছে।"

চন্দ্ৰকুমাৰ আগৰৱালাৰ 'সাদিনীয়া অসমীয়া'ৰ সহকাৰী সম্পাদক স্বৰূপে আনন্দচন্দ্ৰ বৰুৱাই কৰ্মময় জীৱনৰ পাতনি মেলে। মাজতে কিছুদিন চেনাইৰাম হাইস্কুলত সহকাৰী শিক্ষক স্বৰূপে কাম কৰে। পিচত নীলমণি ফুকন সম্পাদিত 'বাতৰি'ৰ সহকাৰী সম্পাদক হয়গৈ। বাতৰিৰ প্ৰকাশ বন্ধ হোৱাত বৰুৱা আৰু তেওঁৰ সহধৰ্মিনী প্ৰমীলা বৰুৱাই ডিকম চাহ বাগিছাৰ প্ৰাথমিক স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী হিচাপে কাম কৰিছিল। এনেতে ১৯৪২ খৃঃৰ পৃথিৱী বিয়পা দ্বিতীয় মহাসমৰৰ জুই লাগিল। ডিকম চাহ বাগিছাতো জাপানী বোমাৰ ধোৱা উৰিল। এইবাৰ বৰুৱা বিমান বাহিনীৰ কামত সোমাল (১৯৪৩)। এই কাল ছোৱাতে লাহোৰ, কৰাচী আদি ঠাই ভ্ৰমণ কৰাৰ সুযোগ পাইছিল। যুদ্ধৰপৰা উভতি আহি যোৰহাটৰ ইণ্ডাষ্ট্ৰিয়েল ইনষ্টিটিউটৰ কেৰাণি কামত সোমাল।

সৰুৰে পৰা বৰুৱা সঙ্ঘ সম্মেলন আদি গঠন কৰাত আগবণুৱা। ১৯৩০ খৃঃত বৰুৱাৰ যত্নতে কেইজনমান ডেকা সাহিত্য সাধকক লৈ 'বাণী সম্মেলন'ৰ জন্ম। যোৰহাট বাণী সম্মিলনৰ বৰুৱা প্ৰতিষ্ঠাতা সম্পাদক। বিমান বাহিনীত কাম কৰাৰ সময়তো বঙালী কৰ্মীসকলক লগত লৈ 'জয়যাত্ৰী' সংঘ নামেৰে এটি আলোচনাচক্ৰ পাতি বৰুৱা আছিল ইয়াৰ সভাপতি। যোৰহাট থিয়েটাৰৰ লগত তেওঁ সক্ৰিয়ভাবে জড়িত আৰু এগৰাকী অভিনেতা।

সৰুতে তেওঁ এদিন হাবিৰ মাজৰপৰা এটি চৰাই পোৱালী ধৰি আনিছিল। পিচত দেউতাকে ধমক দিলত চৰাই পোৱালীটি এৰি দিলে। সেই প্ৰেৰণাৰে লিখা কবিতাটো তেওঁৰ প্ৰথম কবিতা।

আনিলো এদিন ধৰি
চৰাই পোৱালী এটি
বননিৰ পৰা।

'পৰাগ' (১৯৩০) 'পুষ্পক', 'বঞ্জন ৰশ্মি' তেওঁৰ খণ্ড কবিতাৰ পুথি।

তেওঁৰ উল্লেখযোগ্য কবিতাৰ পুথি 'হাফিজৰ সুৰ' (১৯৩৩)। সাতোটা সৰ্গত ৰচনা কৰা 'কুমাৰ সম্ভৱ কাব্য' কবি কালিদাসৰ একে নামৰ পুথিৰ আধাৰত ৰচনা কৰা কাব্য। 'ছোভিয়েট কবিতা, ৰুচ দেশৰ কেইজনমান বাছকবনীয়া কবিৰ কবিতাৰ অসমীয়া ৰূপান্তৰ। 'পাপৰিৰ পৰিমল' গদ্যৰ স্মৃতি সুৰঁৰি ৰচনা কৰা এখনি সৰু কাব্য। ১৯৬০ খৃঃত নতুন দিল্লীত সৰ্ব্ব ভাৰতীয় কবি সম্মিলনত অসমৰ প্ৰতিনিধি স্বৰূপে যোগদান কৰি 'পৃথিবীৰ প্ৰেমে মোক দেৱলীয়া কৰিলে' শীৰ্ষক কবিতা এটি পাঠ কৰিছিল।

'বিজয়া' (১৯৩২), 'বিসৰ্জন' (১৯৩৩), 'কমতা কুঁৱৰী' (১৯৪০), 'নলদময়ন্তী' (১৯৩৪) আনন্দ বৰুৱাৰ চাৰিখন নাট। 'কপৌ কুঁৱৰী', 'পঞ্চমী' আৰু 'ফুলৰা' ৰূপক নাট। তেওঁৰ 'এছিয়াৰ জ্যোতি' (১৯৬০) লাইট অব্ এছিয়াৰ আধাৰত ৰচনা কৰা পুথি। 'পণ্ডিত মদনমোহন মালব্য' (১৯৪৬)' 'এখনি ফ্ৰেম' তেওঁৰ আন আন ৰচনা।

সাহিত্য সভাৰ লগত বৰুৱা ডাঙৰীয়া নিবিড় ভাবে জড়িত। বহু বছৰ ধৰি সাহিত্য সভাৰ কবি সম্মিলনৰ গুৰি ধৰিছিল বৰুৱা ডাঙৰীয়াই।

বৰপেটাৰ শ্ৰীশঙ্কৰ ক্ষেত্ৰত অনুষ্ঠিত সাহিত্য সভাৰ ষটত্ৰিংশ অধিবেশনৰ আনন্দচন্দ্ৰ বৰুৱা সভাপতি (১৯৬৯ খৃঃ, ৮ ফেব্ৰুৱাৰী)। অভ্যৰ্থনা সমিতিৰ সভাপতি মহেন্দ্ৰমোহন চৌধুৰী। বৰপেটা অধিবেশনৰ কবি সম্মিলনৰ সভাপতি নলিনী বালা দেৱী, আলোচনা চক্ৰৰ ডক্টৰ মহেন্দ্ৰ বৰা, সাংস্কৃতিক সম্মিলনৰ হেম বৰুৱা, বুৰঞ্জী শাখাৰ লক্ষী প্ৰসাদ দত্ত আৰু সাংস্কৃতিক সমাৰোহৰ গহন চন্দ্ৰ গোস্বামী। মূল সভা উদ্বোধন কৰিছিল ৰাজ্যপাল ব্ৰজকুমাৰ নেহৰুৱে। প্ৰখ্যাত উৰিয়া সাহিত্যিক শ্ৰদ্ধানন্দ সুপকাৰ আছিল বিশিষ্ট অতিথি। ছৈয়দ আবদুল মালিক নতুন বছৰৰ বাবে প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

আজীৱন সাহিত্য সেৱা কৰি অহা আনন্দ চন্দ্ৰ বৰুৱাক, পাৰিবাৰিক দুৰ্য্যোগ নাইবা কোনো ধৰণৰ আৰ্থিক অনাটনে অদম্য কৰ্ম প্ৰেৰণা আৰু সাহিত্য সাধনাত বাধা দিব পৰা নাই। ●

উপেন্দ্ৰচন্দ্ৰ লেখাৰু

'যি জনে সদা সৰ্বদা ভগৱান শ্ৰীকৃষ্ণৰ কথা চিন্তা কৰে সেই জনকে ভগৱানৰ প্ৰিয় লীলা ভূমি বৃন্দাবনলৈ আহ্বান কৰিছে'। কটন কলেজৰপৰা অৱসৰ গ্ৰহণ কৰি বৃন্দাবন বিশ্ববিদ্যালয়লৈ যোৱাৰ আগ মুহূৰ্তত বিদায় সভাত এজন প্ৰবীণ অধ্যাপকে শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰু সম্পৰ্কে উক্ত মন্তব্য কৰিছিল। ১৯৬০ খৃঃৰ জানুৱাৰী পৰা প্ৰায় সুদীৰ্ঘ যোল বছৰ কাল লেখাৰু বৃন্দাবনৰ বৈষ্ণৱ পাৰমাৰ্থিক বিশ্ববিদ্যালয়ৰ গৱেষণা অধ্যাপকৰ দায়িত্ব বহন কৰিছিল।

মূৰত পাতল কপালী চুলি, একোচা কপালী গোফ, পিন্ধনত শুধ বগা চুৰিয়া ডিঙিত ওলোমাই লোৱা এখন চাদৰ, ভৰিত এজোৰ সাধাৰণ জোতা, কৃষ্ণ বৰ্ণৰ ক্ষীণ কায়, মিষ্ট ভাষী মানুহজনৰ লগত কথা পাতিলে 'কথা গুৰুচৰিত'ৰ বক্তা কোনোবা আতৈ এজন বুলিহে ভুল হ'ব খোজে।

লেখাৰু ডাঙৰীয়াৰ পূৰ্বণি ঘৰ উত্তৰ গুৱাহাটীৰ কণ্ডেশ্বৰ গাৱঁত। ১৯০৫ খৃঃৰ ১৩ জানুৱাৰীত তেওঁৰ জন্ম। তেওঁৰ পিতৃ নন্দৰাম লেখাৰু আৰু মাতৃ সোণপাহী। উত্তৰ গুৱাহাটীত তেওঁৰ পঢ়াশলীয়া শিক্ষাৰ আৰম্ভ। ১৯১৮ খৃঃত উত্তৰ গুৱাহাটী মাইনৰ স্কুল আৰু ১৯২২ খৃঃত কটন কলেজীয়েটৰপৰা ক্ৰমে এম, ই, আৰু অঙ্কত লেটাৰ সহ প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁৰ কলেজীয়া শিক্ষা কটন কলেজত আৰু ১৯২৬ খৃঃত দৰ্শনত অনাৰ্ছ সহ বি, এ, ডিগ্ৰী লাভ কৰিছিল। কটন কলেজৰ ইংৰাজী সাহিত্যৰ এম, এ, শ্ৰেণীত ভৰ্তি হৈছিল যদিও প্ৰথমতে তেওঁ আধুনিক ভাৰতীয় ভাষাত (M.I.L.) এম, এ, ডিগ্ৰী লাভ কৰিছিল। পিচতহে অসমীয়াত এম, এ, পাছ কৰিছিল (১৯৪০)। মাজতে আৰ্ল ল কলেজৰ পৰা বি, এল, মহলাতো উঠিছিল।

প্ৰথমতে উত্তৰ গুৱাহাটীৰ কমলদেৱ হাইস্কুলত শিক্ষকতাৰে তেওঁৰ কৰ্ম জীৱনৰ সূচনা। মাজতে কিছুদিন আইন ব্যৱসায়ো কৰিছিল। ১৯৩৮ খৃঃত লেখাৰু ডাঙৰীয়া কটন কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক নিযুক্ত হয়। পিচত মুখ্য অধ্যাপক হয়গৈ।

লেখাৰু ডাঙৰীয়াই উত্তৰ গুৱাহাটী হাইস্কুলত শিক্ষা দান কৰা কালছোৱাত ৰাজহুৱা কামতো অংশ গ্ৰহণ কৰিছিল। তেওঁৰ যত্নতে উত্তৰ গুৱাহাটীত

'আনন্দ সমিতি' স্থাপিত হৈছিল। এই সমিতিৰ উল্লেখযোগ্য কামৰ ভিতৰত এখন আলোচনা চক্ৰ আৰু আনন্দৰাম বৰুৱা পুথি ভঁড়াল স্থাপন।

'শ্ৰীশ্ৰীৰামকৃষ্ণ উপদেশ' লেখাকৰ প্ৰথম পুথি। প্ৰবেশিকা পৰীক্ষা দিয়েই তেওঁ এই বঙলা পুথিখন অসমীয়ালৈ অনুবাদ কৰিছিল। ছাত্ৰাৱস্থাৰপৰাই লিখা তেওঁৰ ভালেমান প্ৰবন্ধ মিলন, চেতনা, বাঁহী, আৱাহন, জয়ন্তী আদিত প্ৰকাশ কৰিছিল।

এবাৰ ব্ৰহ্মপুত্ৰ নদীত গা ধুবলৈ আহোঁতে বালিত এখনি পুৰণি পুথি লাভ কৰে। লেখাক ডাঙৰীয়াই আথেবেথে পুথিখন ঘৰলৈ লৈ আহে। পিচত এই অসম্পূৰ্ণ পুথিখনৰে পাঠ উদ্ধাৰ কৰি প্ৰবন্ধ এটিও ৰচনা কৰিছিল।

লেখাক ডাঙৰীয়া অসমীয়া সাহিত্যত সুপৰিচিত 'অসমীয়া সাহিত্য সেৱক ৰজনীকান্ত বৰদলৈ' (১৯৪৮) আৰু 'অসমীয়া ৰামায়ণী সাহিত্য'ৰ (১৯৪৮) মাজেৰে। 'অসমীয়া ৰামায়ণী সাহিত্য' পুথিত প্ৰাচীন ভাৰতীয় ৰামায়ণী সাহিত্য, বাল্মীকি ৰামায়ণ আৰু অসমীয়া ৰামায়ণী সাহিত্যৰ চমু আলোচনা কৰিছে। 'আচাৰ্মিজ ভাৰচন অব্ দি ৰামায়ণ' শীৰ্ষক প্ৰবন্ধ এটা আন্নামালাই নগৰত অনুষ্ঠিত (১৯৫৫) অৰিয়েণ্টেল কনফাৰেন্সত পাঠ কৰিছিল।

লেখাক ডাঙৰীয়া অসমীয়া সাহিত্যত সুপৰিচিত 'কথা গুৰুচৰিত' সম্পাদনাৰ মাধ্যমেৰে। পুথিখনি বৰপেটা সত্ৰৰ অধিকাৰ চতুৰ্ভুজ মিশ্ৰৰ ওচৰত পাই ডক্টৰ বাণীকান্ত কাকতিয়ে সংগ্ৰহ কৰিছিল। তেওঁ পুথিখনি সম্পাদনাৰ ভাৰ দিয়ে ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু উপেন্দ্ৰচন্দ্ৰ লেখাৰু ডাঙৰীয়াক। ডক্টৰ বৰুৱা বিলাতলৈ যাব লগা হোৱাত, লেখাৰুৱে অকলে 'কথা গুৰুচৰিত' খন সম্পাদনা কৰিছিল (১৯৫২)।

'কথা সাহিত্য' (১৯৪০), 'বিশ্ববিদ্যালয় ৰচনাৱলী' (১৯৪৮), 'আদৰ্শ ৰচনাৱলী', 'ভক্তি প্ৰদীপ' লেখাৰু সম্পাদিত আন আন পুথি। 'এনক আৰ্ডেন' (১৯৪৮) লৰ্ড টেনিচনৰ অমৰ কাব্য এনক আৰ্ডেনৰ ছায়ানুবাদ।

ভট্টদেৱৰ 'ভক্তি বিবেক' খনো তেওঁ অসমীয়ালৈ অনুবাদ কৰিছিল। 'ধৰ্ম পদ' (১৯৪৭) অসমীয়ালৈ ভাঙনি কৰা তেওঁৰ আন এখন পুথি। দুবছৰ মান লেখাৰু ডাঙৰীয়াই 'জনশিক্ষা' আলোচনী খনৰো সম্পাদক আছিল। লেখাৰু ডাঙৰীয়াই ইংৰাজী আৰু বঙলা ভাষাতো সাহিত্য চৰ্চা কৰিছিল।

শ্ৰীশঙ্কৰ দেৱৰ জন্মস্থান বৰদোৱাৰ নিচেই ওচৰতে থকা চহৰৰ বতু নগৰত অনুষ্ঠিত সাহিত্য সভাৰ সপ্ত ত্ৰিংশতম অধিবেশনৰ (১৯৭০ খৃঃ, ১৩ ফেব্ৰুৱাৰী)

উপেন্দ্ৰচন্দ্ৰ লেখাৰু সভাপতি। চন্দ্ৰকান্ত বৰকাকতী অভ্যৰ্থনা সমিতিৰ সভাপতি। ষষ্ঠিং অধিবেশনৰ কবি সন্মিলনীৰ সভাপতি নৱকান্ত বৰুৱা, বুৰঞ্জী শাখাৰ ভুবনচন্দ্ৰ সন্দিকৈ, সাংস্কৃতিক সন্মিলনৰ নটসূৰ্য্য ফণী শৰ্মা, আৰু আলোচনা চক্ৰৰ বিপিনকুমাৰ বৰগোহাঞি। মূল সভা উদ্বোধন কৰিছিল দেৱকান্ত বৰুৱাই আৰু প্ৰদৰ্শনীৰ দ্বাৰ ডক্টৰ সত্যৰঞ্জন বৰুৱাই। যতীন্দ্ৰনাথ গোস্বামী নতুন বছৰৰ বাবে প্ৰধান সম্পাদক নিৰ্বাচিত হয়। ●

তীৰ্থনাথ শৰ্মা

বয়স তেতিয়া প্ৰায় তিনি বছৰ। একেলগে পতা অন্নপ্ৰাশন আৰু লগুণ দিয়নি'ৰ সময়ত সমুখত ৰখা পুথি, ধন সোণ, ধান আদি বিবিধ সামগ্ৰীৰ ভিতৰত আন একোতে হাত নিদি ল'ৰাটোৱে হাত দিলে ধানৰ দোনত। ল'ৰাৰ কাৰ্য্য দেখি ককাদেউতাক গৰজি উঠিল—"ব্ৰাহ্মণৰ ল'ৰাই পুথিত হাত দি পণ্ডিত হ'বলৈ নিবিচাৰি হাত দিছে ধানত। পণ্ডিত নহৈ ঐশ্বৰ্য্যশালী হ'বলৈ বিচাৰিছে।"

ককা দেউতাক সোমেশ্বৰ শৰ্মাৰ মনত সন্দেহ উপজিছিল যদিও তেওঁৰ প্ৰথম নাতি ল'ৰা ঐশ্বৰ্য্যশালী নহ'ল। হ'ল এজন সুপণ্ডিত, সুসাহিত্যিক আজীৱন শিক্ষাসেৱী—সেই গৰাকীয়েই তীৰ্থনাথ শৰ্মা।

তীৰ্থনাথ শৰ্মা পঢ়ুৱৈ সমাজত কেৱল এজন সমালোচক হিচাপে জনাজাত যদিও, তেওঁ একেবাৰে এজন সমালোচক, কবি, নাট্যকাৰ, গল্প লিখক আৰু ভাষাবিদ্।

১৯১১ খৃঃৰ ২৩ নবেম্বৰত জাঁজীত তীৰ্থনাথ শৰ্মাৰ জন্ম। তেওঁৰ পিতৃ গোলাপচন্দ্ৰ শৰ্মা এজন আবকাৰী ইন্‌স্পেক্টৰ। তেওঁৰ সাত বছৰ বয়সতে মাতৃ চেনেহী দেৱীৰ মৃত্যু হয়। তেতিয়া কনিষ্ঠ ভ্ৰাতৃ ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা নিচেই সৰু ল'ৰা। আন এজন ভ্ৰাতৃ ন্যায়াধীশ ভোলানাথ শৰ্মা।

নগাওঁ জিলাৰ কলিয়াবৰ তেওঁলোকৰ পূৰ্বপুৰুষৰ স্থান। তাৰপৰা গৈ জাঁজীত বসতি কৰে। যোৰহাটৰ ১নং প্ৰেকটিচিং স্কুলত তীৰ্থনাথ শৰ্মাৰ স্কুলীয়া শিক্ষা আৰম্ভ। ১৯২৯ খৃঃত তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজীয়া শিক্ষা লাভ কৰিছিল কটন কলেজত।

কটন কলেজত পঢ়া সময়ত জাতীয় আন্দোলনত অংশ গ্ৰহণ কৰি দুবাৰ কাৰাবৰণ কৰিব লগীয়া হৈছিল। ১৯৩৪ খৃঃত কটন কলেজৰ পৰাই সংস্কৃতত অনাৰ্চ লৈ বি, এ, পাছ কৰিছিল। ইয়াৰ পিচত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৩৭ খৃঃত সংস্কৃতত এম, এ, ডিগ্ৰী লাভ কৰিছিল।

কলিকতাতে আইন পঢ়িছিল যদিও আইনৰ শেষ পৰীক্ষা দিয়া নহল। ১৯৩৮ খৃঃত তীৰ্থনাথ শৰ্মা কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক নিযুক্ত হয়। আন দুগৰাকী অধ্যাপক বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰা আৰু অম্বিকানাথ বৰা। এম, এ, শ্ৰেণীৰ উপৰিও শৰ্মা ডাঙৰীয়াই কলিকতা কলেজত পঢ়া আই, এ, আৰু বি, এ, শ্ৰেণীৰ অসমীয়া ছাত্ৰক পঢ়ুৱাইছিল। ১৯৫০ খৃঃলৈ তেওঁ সুদীৰ্ঘ বাৰ বছৰ কাল কলিকতা বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল।

সেই সময়তে শৰ্মা আৰু দুৱৰা কলিকতাৰ আপাৰ চাৰকুলাৰ ৰোডৰ ঘৰ এটিৰ ওপৰ মহলাত কিছুকাল ওচৰাওচৰিকৈ বাস কৰিছিল। কলিকতাত থকা কালছোৱাত বহু সময়ত দুৱৰাৰ শৰ্মা আছিল ফ্ৰেণ্ড, ফিলছফাৰ আৰু গাইড। শৰ্মাৰ প্ৰেৰণাতে দুৱৰাই ৰচনা কৰিছিল ভালেমান কবিতা। সেই সময়তে শৰ্মায়ো মাজে মাজে দুই চাৰিটা কবিতা ৰচনা কৰিছিল। 'কাম সেন্দুৰ' (১৯৭১) শৰ্মা ডাঙৰীয়াৰ কবিতাৰ সংকলন। 'কাম সেন্দুৰ'ৰ 'মোৰ দু-আষাৰ'ত তেওঁ লিখিছে "প্ৰকৃতপক্ষে মোৰ কবিতা লিখাৰ নলগা জেওঁৰাত লাগিবলৈ যোৱাৰ গুৰিতে কবিবৰ দুৱৰাৰ সান্নিধ্য আৰু তাৰ প্ৰভাৱ।" একাগ্ৰতাৰে কাব্য সাধনা কৰা হেতেন নিশ্চয় আমি তীৰ্থনাথ শৰ্মাৰ নামো ৰোমাণ্টিক কবিসকলৰ লগতে একে শাৰীত লব লাগিলহেতেন।

কলিকতাত থকা কালছোৱাত তেওঁ এ, এছ, এল, ক্লাবৰ লগতো ঘনিষ্ঠ ভাবে জড়িত আছিল। উক্ত ক্লাবৰ সঙ্গীত শাখাৰ সম্পাদক, সভাপতি আদি বিভিন্ন দায়িত্ব বহন কৰিছিল। কলিকতাত থকা সময়ছোৱাত অনাতাঁৰ কেন্দ্ৰ যোগে লঘু নাটক, সামাজিক নাটক প্ৰচাৰ কৰাৰ উপৰিও আলোচনাও আগবঢ়াইছিল।

১৯৫০ খৃঃৰ পৰা শৰ্মা ডাঙৰীয়া কটন কলেজৰ গ্ৰন্থাধ্যক্ষ নিযুক্ত হয়। প্ৰাগ্‌জ্যোতিষ কলেজৰ তেওঁ প্ৰতিষ্ঠাপক অধ্যক্ষ (১৯৫৪-৭১)। তেওঁৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলত প্ৰাগ্‌জ্যোতিষ কলেজ এখন প্ৰথম শ্ৰেণীৰ পূৰ্ণাঙ্গ কলেজ হৈ উঠে।

শৰ্মা ডাঙৰীয়াৰ সাহিত্য সাধনাৰ স্পৃহা স্কুলীয়া কালৰে পৰা। আৱাহনত তেওঁৰ ভালেকেইটি তত্ত্বগধুৰ প্ৰবন্ধ প্ৰকাশ হয়। তেওঁৰ 'পঞ্চপুষ্প' (১৯৫৮) পূৰ্ব প্ৰকাশিত প্ৰবন্ধৰ সংকলন। 'পঞ্চপুষ্প' প্ৰাচীন কালৰ পৰা আধুনিক যুগলৈকে ভাষা সাহিত্য বিষয়ক বিবিধ প্ৰবন্ধৰ সংকলন। তেওঁৰ 'সাহিত্য বিদ্যা পৰিক্ৰমা' সাহিত্যৰ ছন্দ আৰু অলঙ্কাৰ সম্বন্ধে ৰচনা কৰা পুথি।

শৰ্মাৰ যত্নতে ১৯৫১ খৃঃত এটি গান্ধী সাহিত্য পৰিষদ গঠন কৰা হৈছিল। অমিয়কুমাৰ দাস আছিল ইয়াৰ সভাপতি, আৰু শৰ্মা সম্পাদক। পিচত গান্ধী স্মাৰক নিধি স্থাপন হোৱাত উক্ত পৰিষদৰ অন্ত পৰিল। গান্ধীজীৰ জীৱন দৰ্শন আৰু আদৰ্শৰ আভাস দিবলৈ শৰ্মা ডাঙৰীয়াই সেই সময়তে দুখন পুথি ৰচনা কৰিছিল। পুথি দুখন হল 'গান্ধী-শিক্ষা-সাৰ' আৰু 'মহাত্মাৰ বাণী'।

কবি হিচাপে শৰ্মা ডাঙৰীয়া যিদৰে পঢ়ুৱৈ সমাজত পৰিচিত নহয়, ঠিক তেনেদৰে এজন গল্প লিখক হিচাপেও জনাজাত নহয়। হোমেন বৰগোহাঞি আৰু এই লিখকে আৱাহন যুগৰ গল্পৰ সংকলন 'ৰৌদ্ৰ নীলিমা' সম্পাদনা কৰাৰ সময়তো শৰ্মাৰ গুপ্ত নামৰ সম্ভেদ পোৱা নাছিলোঁ। 'আপোন পৰ', 'বাখৰ', 'দেৱতাৰ আশীৰ্বাদ' আদি নিৰ্মলা দেৱী ছদ্ম নামত আৱাহনত প্ৰকাশিত তীৰ্থনাথ শৰ্মাৰ জনপ্ৰিয় গল্প।

'আউনী আটী সত্ৰৰ বুৰঞ্জী' (১৯৭৫) শৰ্মা ডাঙৰীয়া ৰচিত এখনি উল্লেখযোগ্য বুৰঞ্জী। পুথি খনিত আউনী আটী সত্ৰ আৰু বৈষ্ণৱ ধৰ্ম সম্পৰ্কে জানিব লগীয়া ভালে মান নতুন তথ্যৰ সন্ধান দিব পাৰিছে।

'কামাখ্যাৰাম বৰুৱা', 'প্ৰবেশিকা কথা চানেকী', 'চানেকী পাঠ' সম্পাদিত পুথি। 'কামধেনু' (১৯৫৭) শৰ্মা ডাঙৰীয়া সম্পাদিত আলোচনী। বৰ্তমান তেওঁ বিশ্ব হিন্দু পৰিষদৰ অসম ৰাজ্যিক শাখাৰ কাৰ্য্যকৰী সভাপতি।

ছাত্ৰাৱস্থাৰেপৰা সক্ৰিয় ৰাজনীতিত অংশ গ্ৰহণ কৰা শৰ্মা ডাঙৰীয়াই ১৯৬২ খৃঃৰ সাধাৰণ নিৰ্বাচনত সংসদী আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছিল।

মাকুম চহৰত অনুষ্ঠিত সাহিত্য সভাৰ অষ্টাত্ৰিংশ সন্মিলনৰ (১৯৭১ খৃঃ, ২৩ এপ্ৰিল) সন্মিলনৰ তীৰ্থনাথ শৰ্মা সভাপতি। অভ্যৰ্থনা সমিতিৰ সভাপতি ৰমেশচন্দ্ৰ বৰুৱা আৰু কাৰ্য্যকৰী সভাপতি ত্ৰিবেণীপ্ৰসাদ সিংহ।

মাকুম অধিবেশনৰ আলোচনা চক্ৰৰ সভাপতি ডক্টৰ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, কবি সন্মিলনীৰ কমলেশ্বৰ চলিহা, সাংস্কৃতিক সন্মিলনৰ কমল নাৰায়ণ চৌধুৰী।

মূল সভা উদ্বোধন কৰিছিল মহেন্দ্ৰমোহন চৌধুৰী আৰু প্ৰদৰ্শনী ঘাৰ নীলমণি ফুকন ডাঙৰীয়াই। মাকুম অধিবেশনত যতীন্দ্ৰনাথ গোস্বামী পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। ●

হেম বৰুৱা

ৰাজ আলিৰ কাষত পেকিং বাকচ এটিৰ ওপৰত পুৰণি বাতৰি কাকত এখন পাৰি লৈ এটি সৰু ল'ৰাই দোকান খুলিছিল। দোকানৰ সামগ্ৰী বাৰীৰ তামোল পান, মোমায়েকে আনি দিয়া পেন্সিল, নিব, কাগজ আৰু বুঢ়ী মাকে ঘৰতে ভাজি দিয়া আখৈ। বুঢ়ী মাকৰ হেঁপাহ বেহা-বেপাৰ কৰি নাতি ল'ৰা ধনী মানী হ'ব আৰু দেউতাকৰ ঘৰৰ অৱস্থা টনকিয়াল কৰিব ; কিন্তু ল'ৰালিৰ হেঁপাহ মনৰ মাজতে মাৰ গল। দেউতাক আহি ধৰি বান্ধি পুনৰ স্কুলত ভৰ্তি কৰি দিলে। দোকান খুলি ধনী মানী হোৱাৰ স্বপ্ন সিমানতে থান-বান হৈ গল।

ধৰি বান্ধি দেউতাকে স্কুলত নি ভৰ্তি কৰি দিছিল যদিও ল'ৰাটিয়ে স্কুললৈ যাবলৈ ভাল পোৱা নাছিল। তাতকৈ হাতত ৰেড লেম্প-চিগাৰেট জ্বলাই লৈ বাটে বাটে ঘুৰি ফুৰিবলৈকে বেছি ভাল পাইছিল। হতাশ হৈ মোমায়েকেও কলে—"ভিনদেউ ইয়াক লৈ যাওক। পাৰিলে সেই পিনে বাগিচাই চাগিচাই কাম এটাত সমুৱাই দিয়ক।"

জাহাজ ঘাটৰ সাধাৰণ ক'ল ক্লাৰ্ক দেউতাকে বৰ পুত্ৰ পঢ়ি শুনি ভাল মানুহ হ'ব বুলিয়ে চহৰৰ মোমায়েকৰ ঘৰত থৈছিল। সেয়েহে নিশা শুবৰ সময়ত দেউতাকে আক্ষেপেৰে কৈছিল "দুখীয়া মানুহৰ ল'ৰা। তালকৈ পঢ়া-শুনা কৰি মনত অলপ শান্তি দিবি বুলি ভাবিছিলোঁ, সেইটো নহল। সৰুতে নিজৰ আই বোপাই মৰি গল। লোকৰ ঘৰত ভাত ৰান্ধি, খৰি ফালি জানো পঢ়িব পাৰি। তইতে ভালকৈ পঢ়ি কিবা এটা কৰিবি বুলি ভাবিছিলোঁ, সিয়ো নহল।"

নিশা শুবৰ সময়ত দেউতাকে কোৱা কথা ফাকিয়ে পুত্ৰৰ মনত বাৰুকৈয়ে প্ৰতিক্ৰিয়া কৰিলে, প্ৰথম বিভাগত ১৯২৮ খৃঃত যোৰহাট টাউন এম, ই, স্কুলৰ

পৰা এম, ই. পৰীক্ষাত উত্তীৰ্ণ হ'ল। এইজন ছাত্ৰই হেম বৰুৱা। ইয়াৰ পিচত হেম বৰুৱাই তেজপুৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰথম বিভাগত প্ৰবেশিকা (১৯৩২) আৰু কটন কলেজৰপৰা ইংৰাজীত অনাৰ্চ সহ বি, এ, পৰীক্ষাত উত্তীৰ্ণ হল (১৯৩৬)। পিচত তেওঁ ইংৰাজী সাহিত্যত এম, এ, ডিগ্ৰী লাভ কৰিলে (১৯৩৮ খৃঃত)। একালত দুষ্ট ল'ৰা বুলি খ্যাত, ভাল মানুহৰ চোহদত খেলিবলৈ যাওঁতে চোহদৰপৰা খেদা খোৱা, স্কুলৈ গৈ গছত উঠি থকা, স্কুল এৰি দোকান দিয়া দুষ্ট ল'ৰা হেম বৰুৱা সৰহ কাল দুষ্ট ল'ৰা হৈ নাথাকিল।

হেম বৰুৱাৰ পিতৃ বিনন্দিৰাম শৰ্মা বৰুৱা উত্তৰ গুৱাহাটীৰ মৰ্য্যাম খণ্ডৰ বিখ্যাত ভঁড়ালী বৰুৱাৰ বংশধৰ। সপ্তম মান শ্ৰেণীলৈকে পঢ়া বিনন্দিৰাম শৰ্মা বৰুৱাই সকতে মাক দেউতাকক হেৰুৱাই অভাব অনাটনৰ লগত সংগ্ৰাম কৰি এদিন চাৰি অনা পইছা জেপত লৈ ভাগ্য অন্বেষণৰ বাবে উজনি মুৱা জাহাজত উঠি তেজপুৰ পালেগৈ। তেজপুৰতে পোনতে ডাক পিয়ন আৰু পিচত জাহাজ কোম্পানীৰ ক'ল ক্লাৰ্ক আৰু পাছলৈ ছব এজেণ্ট হয়গৈ। হেম বৰুৱাৰ মাতৃ পদ্মলোচনী দেৱী। ১৯১৫ খৃঃৰ ২২ এপ্ৰিলত তেজপুৰতে হেম বৰুৱাৰ জন্ম।

প্ৰথমতে হেম বৰুৱাই অধ্যাপনা কৰিছিল যোৰহাটৰ জে, বি কলেজত। বিয়াল্লিছৰ আন্দোলনত যোগদান কৰাৰ ফলত কিছুকাল কাৰা বৰণ কৰিব লগা হল। জেলৰ পৰা অহাৰ পিচত ১৯৪৪ খৃঃৰ পৰা বি, বৰুৱা কলেজত উপাধ্যক্ষ স্বৰূপে যোগদান কৰিলে। ১৯৪৫ খৃঃৰ পৰা ১৯৬৭ খৃঃ লৈকে সুদীৰ্ঘ কাল অধ্যক্ষ স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল।

১৯৫৭ খৃঃৰ পৰা একেৰাহে তিনিবাৰ (১৯৬২ আৰু ১৯৬৭) লোক সভালৈ নিৰ্বাচিত হৈ সুদীৰ্ঘ চৈধ্য বছৰ কাল এজন জাকত জিলিকা সংসদী সদস্য স্বৰূপে, এজন সৰ্ব ভাৰতীয় নেতা ৰূপে খ্যাতি অৰ্জন কৰিব পাৰিছিল। মানসিক সচেতনতা, বহল অধ্যয়ন, যুক্তি প্ৰণোদিত সাহস আৰু স্পষ্ট বাদিতা—এই কেইটা গুণৰ বাবে অতি কম সময়ৰ ভিতৰতে তেওঁ সকলোৰে চকুত পৰিছিল।

একেলগে সাহিত্য-চৰ্চ্চা কৰা আৰু ৰাজনীতি-চৰ্চ্চা কৰা ব্যক্তি অকল ভাৰতবৰ্ষতেই নহয় সমগ্ৰ বিশ্বতে আঙুলিৰ মূৰত লেখিব পৰা কেইজন মানহে। হেম বৰুৱা সেই মুষ্টিমেয় কেইজনৰ ভিতৰৰে এজন। সাহিত্য-চৰ্চ্চা আৰু ৰাজনীতি-চৰ্চ্চা দুয়োটাই তেওঁৰ বাবে জিৰণিৰ মাজুলি নহয়।

৮ম বছৰ ৩য় সংখ্যা আবাহনত প্ৰকাশিত 'হিয়াৰ মিলন' নামৰ গল্পটোৱেই

হেম বৰুৱাৰ প্ৰথম ৰচনা। তেতিয়া তেওঁ এম, এ, শ্ৰেণীৰ ছাত্ৰ। তেতিয়া তেওঁ লিখিছিল হেমকান্ত শৰ্মা বৰুৱা। অৱশ্যে দুটা মান গল্প ৰচনা কৰিয়েই তেওঁ গল্প সাহিত্যৰ পৰা চাহ এৰা দিলে।

সমালোচনা সাহিত্য সূচনা কৰাৰ স্মৃতি সুঁৱৰি তেওঁ লিখিছে—"এদিন ঘৰৰ আগচোতালত বহি হাতত আৱাহন এখন লৈ ছাত্ৰ কেইজন মানৰ আগত প্ৰত্যেকটো গল্প, প্ৰবন্ধ কটু ভাষাত আলোচনা কৰি আছো। এনেতে ছাত্ৰ এজনে ঘপৰাই কৈ উঠিল সভৰ শুনি শুনি অধৈৰ্য্য হৈ—হেৰি এইবোৰ মানুহে কিবা এটা কৰিছেই; আপুনি এম, এ, পাছ কৰি কৰিছে কিটো? নিজে নিলিখে কিয় ?"

"সেই দিনা মোৰ চকু মুকলি হল, নানান অযথা সমালোচনা কৰাতকৈ নিজে কিবা এটা কৰা ভাল। এই ছাত্ৰজনৰ ওচৰত আজিও মই কৃতজ্ঞ।"

'পাৰ্লবাকৰ' বিষয়ে লিখা আৱাহনত প্ৰকাশিত প্ৰবন্ধ এটা তেওঁৰ প্ৰথম প্ৰবন্ধ। হেম বৰুৱা একেবাৰে এগৰাকী কবি, সমালোচক ভ্ৰমণ কাহিনী লিখক আৰু কথা সাহিত্যিক। হেমবৰুৱাৰ সমালোচনাৰ পুথি দুখন 'আধুনিক সাহিত্য' (১৯৪৮), সাহিত্য আৰু 'সাহিত্য (১৯৬২)। 'স্মৃতিৰ পাপৰি' (১৯৭০), 'আচুঁফুল' (১৯৬৪) 'সান মিহলি' (১৯৫৮), 'সত্য আৰু অহিংসা: গান্ধীজী', (১৯৭১), 'ছিন্নমূল' (১৯৭৩), 'এই গাওঁ এই গীত' (১৯৬১), 'বহাগতে পাতি যাওঁ বিয়া' (১৯৬৯) আৰু 'তলসৰা' (১৯৭৬) তেওঁৰ সাহিত্য সংস্কৃতি আৰু আন আন বিষয়ৰ ৰচনা।

১৯৪৮ খৃঃত হেম বৰুৱাই 'পছোৱা' নামৰ মাহেকীয়া আলোচনী এখন সম্পাদনা কৰিছিল। 'পছোৱাৰ বেঙুনি' (১৯৬৯) তেওঁৰ পছোৱাত প্ৰকাশ হোৱা প্ৰবন্ধৰে সংকলন। 'কন্নকী' (১৯৬০) আৰু 'কিউপিড আৰু ছাইকী' (১৯১৯) হেম বৰুৱাই ৰচনা কৰা দুখন মনোৰম কাহিনী।

হেম বৰুৱা অসমীয়া সাহিত্যত সুপৰিচিত ভ্ৰমণ কাহিনী ৰচনাৰ মাজেৰে। 'সাগৰ দেখিছা' (১৯৫৪), 'ৰঙা কৰবীৰ ফুল' (১৯৫৯), 'ইজৰাইল' (১৯৬৫', মেকং নৈ দেখিলো' (১৯৬৭) তেওঁৰ চাৰিখন ভ্ৰমণ কাহিনী।

আধুনিক কবিতাৰ জন্মলগ্নৰ লগতো হেম বৰুৱা আদিৰে পৰা জড়িত। পোনতে তেৱেঁই আবাহনত 'বান্দৰ' নামৰ আধুনিক কবিতা এটি ৰচনা কৰিছিল। বালিছন্দা' (১৯৫৯) আৰু 'মন ময়ূৰী' (১৯৬৫) তেওঁৰ দুখন আধুনিক কবিতাৰ সংকলন। 'বিয়াল্লিছৰ গণবিপ্লৱত অসম' আৰু 'ডাক পখিলী'

(১৯৬৮) তেওঁৰ আন দুখন পুথি। 'August Revolution in Assam', The Red River and the Blue Hill (১৯৫৪), Idle Hours 1961 (১৯৬২), Folk Songs of India (১৯৬৫), Assamese Literature (১৯৬২) আৰু Lakshminath Bezbarua (১৯৬৭) তেওঁৰ ইংৰাজী ৰচনা। The Fairs and Festivals of Assam (১৯৫৬) জে, ডি, বাভেজাৰ লগত যুটীয়া ভাবে ৰচনা কৰা পুথি। Modern Assamese Poetry (১৯৬০) হেম বৰুৱাৰ সম্পাদনা প্ৰকাশ কৰা এখনি আধুনিক কবিতাৰ সংকলন। সংসদী ৰাজনীতিৰ পৰা আঁতৰি অহাৰ পিচত 'Assam Express' (১৯৭১) নামৰ ইংৰাজী দৈনিক কাকত এখন কিছুদিন সম্পাদনা কৰিছিল।

সাহিত্য সভাৰ লগতো তেওঁৰ সম্বন্ধ বহু দিনৰে পৰা। ধুবুৰীত অনুষ্ঠিত সাহিত্য সভাৰ উন চত্বাৰিংশ অধিবেশনৰ (১৯৭২ খৃঃ, ৭ এপ্ৰিল) হেম বৰুৱা সভাপতি। দীনেশ ৰঞ্জন চৰকাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি। ডক্টৰ হেৰম্ব কান্ত বৰপূজাৰী বুৰঞ্জী শাখাৰ, বৈকুণ্ঠ নাথ চক্ৰবৰ্ত্তী কবি সন্মিলনৰ, খনীন্দ্ৰ চন্দ্ৰ বৰুৱা আলোচনা চক্ৰৰ আৰু ডাঃ অন্নদা চৰণ দাস সাংস্কৃতিক সন্মিলনৰ সভাপতি। মূলসভা উদ্বোধন কৰিছিল ত্ৰৈলোক্য নাথ গোস্বামীয়ে আৰু প্ৰদৰ্শনীদ্বাৰ ডক্টৰ মহেশ্বৰ নেওগে। যতীন্দ্ৰনাথ গোস্বামী পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

হেম বৰুৱাৰ পত্নী শ্ৰীমতী অনু বৰুৱা এগৰাকী আগশাৰীৰ কথা সাহিত্যিক। জীৱনৰ বিভিন্ন ভূমিকাত জয় পৰাজয় বৰণ কৰা জনপ্ৰিয় নেতা হেম বৰুৱা মানুহ হিচাপে সহজ, সৰল, অনাড়ম্বৰ ৰসিক আৰু অমায়িক।

সিদিনাৰ জনপ্ৰিয় সুবক্তা সুসাহিত্যিক হেম বৰুৱা আজি মাত্ৰ তিনিকুৰি বছৰ বয়সতে ৰোগ গ্ৰস্থ, বাক ৰুদ্ধ পঙ্গু প্ৰায়। এয়ে নিয়তীৰ লীলা। ●

গিৰিধৰ শৰ্মা

আজি প্ৰায় চৈধ্য-পোন্ধৰ বছৰ আগৰ কথা। কটন কলেজৰ অধ্যাপক এজন নিউ বিল্ডিংত ক্লাছ শেষ কৰি এড্‌মিনিষ্ট্ৰেটিভ বিল্ডিংৰ জিৰণি কোঠালৈ আহি আছে। অলপ দূৰত দেখিলে এজন মানুহ। তেওঁক নেদেখাৰ ভাও জুৰি তলমূৰ কৈ চাই পাৰ হৈ যাবলৈ ধৰিছে। অধ্যাপক জন আগবাঢ়ি গৈ মানুহ জনৰ হাত খনত ধৰিলে।

"আপুনি মোক কিয় নেদেখাৰ ভাও জুৰি যাবলৈ ধৰিছে?"

"এহ আপুনি আজি কালি ডাঙৰ মানুহ হৈছে নহয়। লাজ লাগে আপোনাক মাত দিবলৈ।"

এইজন অধ্যাপকেই কটন কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক গিৰিধৰ শৰ্মা। সিজন আছিল শৰ্মাৰ একালৰ সহকৰ্মী পাঠশালা স্কুল এখনৰ শিক্ষক। ১৯৩৩ খৃঃত অঙ্কত এটা, সংস্কৃতত দুটা লেটাৰ সহ প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ গন্ধীয়া পাঠশালা স্কুলত শৰ্মাই ১২ টকা দৰমহাত কৰ্ম জীৱনৰ পাতনি মেলিছিল; নিজৰ অধ্যৱসায় কৰ্মনিষ্ঠা ঐকান্তিকতাৰ গুণত পিচত তেওঁ অসমৰ এখন প্ৰথম শ্ৰেণীৰ কলেজৰ অধ্যক্ষ পদত অধিষ্ঠিত হৈছিল।

শৰ্মা ডাঙৰীয়া এজন নিজে গঢ়া মানুহ। ইংৰাজীত যাক কোৱা হয় Self made man. আনহাতে তেওঁ এগৰাকী আজীৱন শিক্ষাব্ৰতী। আজীৱন শিক্ষাব্ৰতী আখ্যা এই বাবেই প্ৰযোজ্য যে তেওঁ শিক্ষাদানৰ বাহিৰে কাহানিও কোনো পদলৈকে চাপলি মেলা নাছিল।

১৯১২ খৃঃৰ ১৩ জুলাই তাৰিখে নলবাৰীৰ ওচৰৰ ককয়া গাওঁত গিৰিধৰ শৰ্মাৰ জন্ম। তেওঁৰ পিতৃ ৰাধানাথ শৰ্মা আৰু মাতৃ ৰাধা প্ৰিয়া। সৰুৰে পৰা গিৰিধৰ শৰ্মা এজন মেধাবী ছাত্ৰ। গাওঁৰ পাঠশালা স্কুলৰ পৰাই তিনিটকীয়া বৃত্তি লাভ কৰি চামতা হাইস্কুলত পঢ়িছিল। চামতা হাইস্কুলৰ তেওঁ প্ৰথম দলৰ ছাত্ৰ। হাইস্কুলৰ নৱম মান শ্ৰেণীত পঢ়ি থাকোঁতে 'ককয়া কামদা চতুষ্পাঠী সংস্কৃত টোলৰ পৰা পৰীক্ষা দি ব্যাকৰণৰ প্ৰথম পৰীক্ষাত অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰি এটি চাৰি টকীয়া বৃত্তি লাভ কৰিছিল। এই বৃত্তিৰ টকাৰে প্ৰবেশিকা পৰীক্ষাৰ ফিজৰ বাবে দিবলগা টকাৰ জোৰা টাপলি মাৰিব লগা হৈছিল।

স্কুলত শিক্ষকতা কৰিয়েই ব্যাকৰণৰ মধ্য, কাব্যতীৰ্থ আৰু নৰ্মাল পৰীক্ষাত উত্তীৰ্ণ হয়।

প্ৰবেশিকা পৰীক্ষা দিয়েই পাঠশালা স্কুলৰ শিক্ষক নিৰ্বাচন কৰিবলৈ পতা পৰীক্ষা এটাত গিৰিধৰ শৰ্মাও পৰীক্ষাৰ্থী। তেওঁ উক্ত পৰীক্ষাত প্ৰথম স্থান লাভ কৰে। নবীন চন্দ্ৰ বৰদলৈ তেতিয়া গুৱাহাটী লোকেল বোৰ্ডৰ চেয়াৰমেন। বৰদলৈয়ে নলবাৰীৰ ককয়া অঞ্চলৈ যাওঁতে প্ৰবেশিকা পৰীক্ষাত লেটাৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা গিৰিধৰ শৰ্মা নামৰ ছাত্ৰজনে শিক্ষক বাচনি পৰীক্ষাত প্ৰথম হোৱা প্ৰাৰ্থী বুলি জানিব পাৰিলে। বৰদলৈয়ে শৰ্মাক মাতি আনি কলে—

"তুমি মেধাবী ছাত্ৰ! পাঠশালা স্কুলৰ শিক্ষক হ'ব নালাগে। কলেজত পঢ়া।"

"নহয় চাৰ, মই দুখীয়া ল'ৰা, মোক কোনে পঢ়ুৱাব।"

'তুমি চিন্তা নকৰিবা মোৰ ঘৰত থাকিয়ে কলেজত পঢ়িব পাৰিবা।'

'চাৰ, মই চাকৰি কৰিবই লাগিব। নহলে মোৰ ভাইটোক কলেজত পঢ়ুৱাম কেনেকৈ; অহা বছৰ ভাইটোৱে প্ৰবেশিকা পাছ কৰিব।

বৰদলৈয়ে বুজিব পাৰিছিল এদিন সুযোগ পালে এই মেধাবী ছাত্ৰ জনে নিজ প্ৰতিভা প্ৰকাশ কৰিব পাৰিব; কিন্তু তেওঁৰ অৱস্থা বুজি গন্ধীয়া পাঠশালাতে প্ৰথমতে শিক্ষক নিয়োগ কৰিলে। অলপ দিনৰ পিচতে গন্ধীয়া এম, ভি, স্কুলৰ সহকাৰী শিক্ষক নিযুক্ত হল। নলবাৰী এম, ই, এম, ভি, কাহমা এম, ই, শিৱসাগৰ চৰকাৰী হাইস্কুল, ধুবুৰী, উত্তৰ লক্ষীমপুৰ, গুৱাহাটী কলেজীয়েট হাইস্কুল শৰ্মাই শিক্ষাদান কৰা আন আন শিক্ষানুষ্ঠান। শিক্ষানুষ্ঠানত কাম কৰিয়েই প্ৰাইভেটকৈ প্ৰথম বিভাগত আই, এ, বি. এ. আৰু ১৯৪৮ খৃঃত দ্বিতীয় শ্ৰেণীত প্ৰথম স্থান অধিকাৰ কৰি অসমীয়া বিষয়ত এম. এ. ডিগ্ৰী লাভ কৰিলে।

এম, এ, পাছ কৰাৰ পিচত প্ৰথমতে সন্দিকৈ ছোৱালী কলেজত অধ্যাপনা কৰিছিল। ১৯৫০ খৃঃৰ পৰা ১৯৬২ খৃঃলৈ সুদীৰ্ঘ বাৰ বছৰ কাল কটন কলেজত অধ্যাপনা কৰিছিল।

তেওঁৰ যত্নতে গুৱাহাটী আৰ্য্য বিদ্যাপীঠ এম, ই, হাইস্কুল আৰু কলেজ স্থাপন হয়। প্ৰথমতে কলেজৰ শৰ্মা আছিল অবৈতনিক অধ্যাপক আৰু অধ্যক্ষ। ১৯৬২ খৃঃৰ পৰা স্থায়ী ভাবে অধ্যক্ষৰ দায়িত্ব বহন কৰি আৰ্য্য বিদ্যাপীঠ কলেজক এখন প্ৰথম শ্ৰেণীৰ পূৰ্ণাঙ্গ কলেজ ৰূপে গঢ়ি তোলে। ১৯৭৫ খৃঃত তেওঁ অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰে।

গিৰিধৰ শৰ্মাক শিক্ষক হবলৈ বিশেষকৈ প্ৰেৰণা যোগাইছিল তেওঁৰ মাতৃ দেৱী ৰাধাপ্ৰিয়াই। আত্মীয় স্বজনে হেনো তেওঁক মণ্ডল হবলৈ বৰকৈ কৈছিল ; কিন্তু এই কাৰ্য্যত প্ৰতিবাদ কৰিছিল তেখেতৰ মাতৃদেৱীয়ে। শৰ্মাৰ আঠ বছৰ বয়সতে পিতৃ বিয়োগ হয়। পিতৃৰ মৃত্যুৰ পিচতো এজন এজনকৈ তিনিগৰাকী বাই-ভণী আৰু ভাতৃৰ মৃত্যু হৈছিল। এনেদৰে দুৰ্ভাগ্যৰ তাড়নাত এটি অভাবগ্ৰস্থ জীৱনৰ অসহনীয় ভাৰ বহন কৰিলেও দুই ভাই-ককাই কোনো দিনে পঢ়া শুনাত পিচ পৰি থাকিব লগা নহৈছিল।

কণিষ্ঠ ভাতৃ উমাকান্ত শৰ্মায়ো ১৯২৪ খৃঃত ষ্টাৰ আৰু পাঁচোটা লেটাৰ (M. m. V. L. L) সহ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। পিচত দৰ্শনত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম, এ, ডিগ্ৰী লাভ কৰিছিল। শৰ্মা ডাঙৰীয়াই সন্দিকৈ কলেজত অধ্যাপনাৰে কৰ্ম জীৱনৰ পাতনি মেলি অসম আৰু মেঘালয় চৰকাৰৰ শিক্ষাধিকাৰ (D. P. I) স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰি সৰ্বোচ্চ সন্মানৰ অধিকাৰী হৈছিল। উমাকান্ত শৰ্মাৰ 'কাব্যভূমি' আলোচনা গ্ৰন্থ, 'ঘূৰণীয়া পৃথিবীৰ বেকাপথ', গল্প সংকলন, 'শেষ পতকা' নাটক আৰু পশুপতি ভৰদ্বাজ ছদ্ম নামত লিখা 'বঙা বঙা তেজ', 'ছাম ছিঙৰ দুটি পাৰ' আৰু 'উৰন্ত মেঘৰ ছাঁ' তেওঁৰ জনপ্ৰিয় উপন্যাস।

গিৰিধৰ শৰ্মাই ভালে কেইখন পঢ়াশলীয়া পুথি ৰচনা কৰিছিল। 'Sanskrit Grammar, Composition and Translation' (১৯৪৮), 'প্ৰবেশিকা ৰচনা প্ৰণালী' (১৯৪৮), 'অসমীয়া ভাষাৰ ব্যাকৰণ' (১৯৫৩), 'সংস্কৃত ব্যাকৰণ চন্দ্ৰিকা' (১৯৫৮), 'সুৰলা পাঠ' আদি তেওঁৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগী ৰচনা। 'অসমীয়া অভিধান' (১৯৫২), 'Sarma's Anglo Assamese Dictionary, (১৯৬০) তেওঁৰ দুখনি অভিধান। 'গল্প গুচ্ছ' আৰু 'দেবী চৌধুৰাণী' দুখন তেওঁৰ অনুবাদিত গ্ৰন্থ। 'চুটি গল্প সংকলন' (১৯৫৯) গিৰিধৰ শৰ্মা আৰু হেমন্তকুমাৰ শৰ্মাই যুটীয়া ভাবে সম্পাদনা কৰা গল্প সংকলন।

ৰঙিয়াৰ হৰদত্ত বীৰদত্ত নগৰত অনুষ্ঠিত সাহিত্য সভাৰ চত্বাৰিংশ অধিবেশনৰ (১৯৭৩ খৃঃ, ১০ ফেব্ৰুৱাৰী) গিৰিধৰ শৰ্মা সভাপতি। অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰাণেশ্বৰ শৰ্মা। ৰঙিয়া অধিবেশনৰ ছগনলাল জৈন আলোচনা চক্ৰৰ, মুৰাৰি চৰণ দাস বুৰঞ্জী সন্মিলনৰ আৰু অম্বেশ্বৰ চেতিয়া ফুকন কবি সন্মিলনৰ সভাপতি। দুদিনীয়া সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিছিল গজেন বৰুৱা আৰু কদ্ৰ বৰুৱাই। মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহই মূল সভা, যুগল দাসে প্ৰদৰ্শনী, ত্ৰৈলোক্য নাথ গোস্বামীয়ে স্মৃতি গ্ৰন্থ আৰু হৰেন্দ্ৰনাথ তালুকদাৰে বুৰঞ্জী সন্মিলন উদ্বোধন কৰিছিল। নগেন শইকীয়া প্ৰধান সম্পাদক নিৰ্বাচিত হয়। এই বছৰটোতে অসম সাহিত্য সভা পত্ৰিকা ডক্টৰ হেমন্তকুমাৰ শৰ্মাৰ সম্পাদনাত মাহেকীয়া ৰূপে প্ৰকাশ হয়। ●

ডক্টৰ মহেশ্বৰ নেওগ

যোৰহাট চৰকাৰী হাইস্কুলত শিক্ষক এজনে শ্ৰেণীত পঢ়ুৱাই আছে। এনেতে হেড মাষ্টাৰ আহি দুৱাৰ মুখত থিয় হ'ল। শিক্ষক জনে মূৰ তুলি চালে। হেড মাষ্টাৰে ইঙ্গিতেৰে বাহিৰলৈ মাতিলে।

'হেৰা, তুমি হাজিৰা বহী আৰু কিতাপ পত্ৰবোৰ লৈ অফিচ কমলৈ আহাচোন।'

শিক্ষক জনে সিমানতে পাঠ সামৰি পুথি-পাঁজি লৈ হেড মাষ্টাৰৰ কোঠাত সোমাল।

'তোমাক নিযুক্তি কোনে দিছিল হে।'

'চাৰ, স্কুল ইন্সপেক্টৰ শৰৎচন্দ্ৰ গোস্বামীয়ে।'

হেড মাষ্টাৰ জেহেৰুদ্দিন আহম্মদে এবাৰ পুৰণি ছাত্ৰ জনৰ মুখলৈ চালে।

'ওঁ হোঁ তোমাৰ নহল মহেশ্বৰ। শিক্ষামন্ত্ৰীয়ে আন এজনক হে নিযুক্তি দি পঠিয়াইছে।" কথাষাৰ কৈ তেওঁ তলমূৰ কৰিলে। দুদিন মাত্ৰ আগতে ডেকা শিক্ষকজনে যোগদান কৰিছিল।

'তেনেহলে মই আৰু যাওঁৱেই চাৰ।' এই বুলি পুথি পাঁজি লৈ নওলা মেলি ওলাই আহিল। সেই দিনাৰ পৰা পুনৰ নিবনুৱা।

এই জন ছাত্ৰই যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ১৯৩৪ খৃঃত ষ্টাৰ আৰু চাৰিটা লেটাৰসহ (Mm VL) প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। পিচত তেওঁ কটন কলেজৰ পৰা আই, এছ-চি আৰু ১৯৩৯ খৃঃত ইংৰাজীত অনাৰ্চ সহ বি, এ, পৰীক্ষাত উত্তীৰ্ণ হৈছিল। শিক্ষকৰ পদবী এটিৰ বাবে হাবাথুৰি খাই ফুৰা এইজন ছাত্ৰই মহেশ্বৰ নেওগ। আজি তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহৰু অধ্যাপক, কলা গুৰু ডক্টৰ মহেশ্বৰ নেওগ।

ইয়াৰ পিচত তেওঁ যোৰহাট মিছন হাইস্কুল, শিৱসাগৰ ফুলেশ্বৰী হাইস্কুল, মাজে মাজে এবা ধৰাকৈ যোৰহাট চৰকাৰী হাইস্কুলত শিক্ষা দান কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত নেওগ ডাঙৰীয়া সুতিকাগৃহৰ পৰাই জড়িত। প্ৰথমতে তেওঁ বিশ্ববিদ্যালয় স্থাপনৰ বাবে গঠন কৰা প্ৰস্তুতি সমিতিৰ অফিচ চেক্ৰেটাৰী আৰু চুপাৰিনৃটেণ্ডেণ্ট।

বিশ্ববিদ্যালয় প্ৰস্তুতি সমিতিত কাম কৰা অৱস্থাতে তেওঁ অসমীয়া ভাষা সাহিত্যত এম, এ, দিবলৈ ওলাল। ছিলঙৰপৰা আহি গুৱাহাটী পাওঁতেই এজন ৰাজনীতিবিদ্ সাহিত্যিক বন্ধুৱে উপলুঙা কৰি কলে "অসমীয়াত এম এ দিবলৈ ওলাইছে ; থক থক হেৰি হোমিঅ'পেথিক ডিগ্ৰী ললেও হ'ব।" তেনে উপলুঙা মন্তব্য লৈ কাণ নিদি, ১৯৪৭ খৃঃত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীত প্ৰথম হৈ এম, এ, ডিগ্ৰী লাভ কৰিলে। ১৯৪৮ খৃঃৰ ডিচেম্বৰ মাহৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক নিযুক্ত হল।

১৯১৮ খৃঃৰ ৭ চেপ্তেম্বৰত শিৱসাগৰৰ ওচৰৰ কমাৰফদীয়া গাৱঁত মহেশ্বৰ নেওগৰ জন্ম। তেওঁৰ পিতৃ মাণিকচন্দ্ৰ নেওগ আৰু মাতৃ চন্দ্ৰপ্ৰভা। ডিম্বেশ্বৰ নেওগ তেওঁৰ অগ্ৰজ ভ্ৰাতৃ।

'দিখু নদী তট জাত নেওগ ৰতিকান্ত
জাকেৰি ৰঙ্গ পুৰ থান
সৌমাৰ শ্ৰেষ ৰাজ সিংহ পুৰন্দৰ
জাকেৰি কৰু বহু মান।'

ৰতিকান্তক নেওগ পাতিছিল পুৰন্দৰ সিংহই। ৰতিকান্তৰে পুত্ৰ মাণিকচন্দ্ৰ।

কমাৰফদীয়া পাঠশালা স্কুলতে নেওগ ডাঙৰীয়াৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ। তেওঁ ইংৰাজী শিক্ষা লাভ কৰিছিল শিৱসাগৰ, উত্তৰ লক্ষীমপুৰ আৰু যোৰহাট চৰকাৰী হাইস্কুলত।

নেওগ ডাঙৰীয়াৰ সাহিত্য সাধনাৰ স্পৃহা নিচেই সৰু কালৰে পৰা। তৃতীয় মান শ্ৰেণীত পঢ়োঁতে ৰচনা কৰা তেওঁৰ প্ৰথম কবিতা 'দুষ্ট ল'ৰা'। 'অলক্ষিতে' নামৰ গাৱঁলীয়া চিত্ৰ এখনি বাঁহীত প্ৰকাশ হোৱাৰ সময়ত তেওঁ অষ্টম মান শ্ৰেণীৰ ছাত্ৰ। নীলমণি ফুকন সম্পাদিত 'বাতৰি'ত 'আগতা মধুৰ বাসন্তী' নামৰ এটি সংস্কৃত কবিতা প্ৰকাশ হৈছিল। পিচত বাঁহীত প্ৰকাশিত 'অন্ত্যজা' তেওঁৰ আধুনিক কবিতা। তেওঁৰ পিচৰ জীৱনত ৰচনা কৰা কবিতাৰ পুথি 'মুছাফিৰ খানা (১৯৭৫) আৰু ইংৰাজী 'Under One Sky' (১৯৭০)।

কটন কলেজত পঢ়া কালছোৱাত নেওগ ডাঙৰীয়া আছিল কটনিয়ানৰ সহকাৰী সম্পাদক (১৯৩৬-৩৭)। কিছুদিন তেওঁ গুৱাহাটী এ, এছ, এল. ক্লাবৰো সম্পাদক হিচাপে কাৰ্য্য নিৰ্বাহ কৰিছিল। সেই সময়তে ৰঘুনাথ চৌধাৰী সম্পাদিত 'জয়ন্তী'ৰ ছাত্ৰমহল শীৰ্ষক ছাত্ৰৰ বাবে এটি সুকীয়া ভাগ

আছিল। নেওগ আছিল এই ছাত্ৰমহলৰ সম্পাদক। পিচত কিছুকাল তেওঁ 'কামধেনু'ৰ (১৯৪৯-৫০) সম্পাদক আছিল। অসম সঙ্গীত সন্মিলনৰ মুখপত্ৰ 'ঝঙ্কাৰ' আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ Journal of the University of Gauhati বহু বছৰ ধৰি নেওগ ডাঙৰীয়াই সম্পাদনা কৰিছিল।

সঙ্গীত নাটক একাডেমী আৰু সাহিত্য একাডেমীৰ তেওঁ এগৰাকী সদস্য। অসমৰ বাহিৰৰ বিভিন্ন অনুষ্ঠানলৈ তেওঁ বহুবাৰ ভাষণ দিবলৈ আমন্ত্ৰিত হৈ গৈছিল।

সদৌ ভাৰত প্ৰাচ্য সন্মিলনৰ আলিগড়ত অনুষ্ঠিত ত্ৰয়োবিংশ সন্মিলনৰ (১৯৬৬) নেওগ ডাঙৰীয়া Technical Science and Fine Arts Section-ৰ সভাপতি। গুৱাহাটীত অনুষ্ঠিত প্ৰাচ্য সন্মিলনৰ তেওঁ আছিল অভ্যৰ্থনা সমিতিৰ সম্পাদক। প্ৰাচ্য সন্মিলনৰ লগত নেওগ ডাঙৰীয়া নিবিড় ভাৱে জড়িত।

ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়ৰ সৌজন্যত নেওগ ডাঙৰীয়াই ইউৰোপৰ হাঙ্গেৰী, ডেমক্ৰেটিক ৰিপাব্লিক অব্ জাৰ্মানী আৰু ৰুমানিয়া আদি দেশ ভ্ৰমণ কৰিছিল। "বিশ্ববিদ্যালয়, ভাষা, ভাষণ আৰু ভ্ৰমণ' (১৯৭৪) গ্ৰন্থখনত সেই ভ্ৰমণ অভিজ্ঞতাৰ কথাও লিপিবদ্ধ কৰিছে।

'Sankardev and His Times' নেওগ ডাঙৰীয়াৰ গৱেষণা গ্ৰন্থ। ১৯৫৫ খৃঃত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডি, ফিল, ডিগ্ৰী লাভ কৰিছিল।

'ঋতুসুৰ' তেওঁৰ প্ৰথম প্ৰকাশিত পুথি। অৱশ্যে ইয়াৰ পূৰ্বতে 'নিজৰা-লগৰী' বুলি সহায়িকা পুথি এখন ৰচনা কৰিছিল। 'শ্ৰীশ্ৰীশঙ্কৰদেৱ' তেওঁৰ জনপ্ৰিয় প্ৰখ্যাত গ্ৰন্থ (১৯৪৮)। 'অসমীয়া গীতি সাহিত্য' (১৯৫৮), 'পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি' (১৯৫৭) 'আধুনিক অসমীয়া সাহিত্য' (১৯৬৫), 'অসমীয়া প্ৰেমগাথা' (১৯৫৮), 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' (১৯৬২), 'স্বৰৰেখাত বৰগীত' (১৯৫৮), 'ভাৰতৰ সিপাৰে ধুনীয়া দেশ' (১৯৪৮) তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ।

'Sankardev and his Predecessors' (১৯৫৩), 'The Art of painting in Assam' (১৯৫৩), 'Rhythms in the Vaishnava Music of Assam' (১৯৬০) আৰু 'Sankardev' (১৯৬৭) নেওগ ডাঙৰীয়াৰ মূল্যবান তথ্য বহুল ইংৰাজী গ্ৰন্থ। তেওঁৰ ভালেমান মূল্যবান ইংৰাজী প্ৰবন্ধ প্ৰখ্যাত ইংৰাজী আলোচনী সমূহত প্ৰকাশ হৈছে।

ডক্টৰ নেওগে বিজ্ঞান সন্মতভাৱে সম্পাদনা কৰা গ্ৰন্থসমূহ হৈছে 'প্ৰাচ্য শাসনাৱলী' (১৯৭৪), 'ভক্তি প্ৰদীপ (১৯৪৫), 'উষা পৰিণয়' (১৯৫৯), 'গীতি ৰামায়ণ' (১৯৫৪), 'আচাৰ্য্য সংহতি' (১৯৫৯), 'শ্ৰীহস্ত মুক্তাৱলী' (১৯৬৪), 'চাহাপৰী উপাখ্যান' (১৯৬১), 'চটাই পৰবত আৰু চিৰি লুইত' (১৯৬৪), 'Lakshminath Bezbarua the Sahityarathi of Assam' (১৯৭২), 'Professor Surya Kumar Bhuyan Commemoration Volume' (১৯৬৫), 'Professor Birinchi Kumar Barua Commemoration Volume' (১৯৬৫), 'Early History of Assam' (১৯৭২) ইত্যাদি। ডক্টৰ নেওগ আৰু কেশৱ চাংকাকতীয়ে ৰচনা আৰু সংকলন কৰা পুথি 'সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল' (১৯৭৪)।

অসম সাহিত্য সভাৰ লগত নেওগ ডাঙৰীয়া বহুদিনৰ পৰা জড়িত। প্ৰধান সম্পাদক উপসভাপতি আদি বিভিন্ন পদ লৈ কাৰ্য্য নিৰ্বাহ কৰি আহিছে। তেওঁৰ যত্নতে গুৱাহাটীত সাহিত্য সভাৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱন নিৰ্মাণ হৈছিল।

মঙ্গলদৈত অনুষ্ঠিত সাহিত্য সভাৰ এক চত্বাৰিংশ অধিবেশনৰ (১৯৭৪ খৃঃ, ৭ ফেব্ৰুৱাৰী) ডক্টৰ নেওগ সভাপতি। অভ্যৰ্থনা সমিতিৰ সভাপতি বাহাদুৰ বসুমতাৰী। মঙ্গলদৈৰ অধিবেশন মুনীন বৰকটকী আলোচনা চক্ৰৰ, সদানন্দ চলিহা বুৰঞ্জী শাখাৰ, ভবানন্দ ৰাজখোৱা কবি সন্মিলনৰ আৰু নাৰায়ণ বেজবৰুৱা সাংস্কৃতিক সমাৰোহ আৰু সঙ্গীত অধিবেশনৰ সভাপতি।

প্ৰথম দিনা মূলসভা উদ্বোধন কৰিছিল উৰিষ্যাৰ প্ৰখ্যাত সাহিত্যিক কালিন্দী চৰণ পাণিগ্ৰাহীয়ে আৰু দ্বিতীয় দিনা শৰৎচন্দ্ৰ সিংহই। নগেন শইকীয়া পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

'শিক্ষা আৰু সাংস্কৃতিক নীতি', 'Assam Language Question' 'Assam Sahitya Sabha Activities', 'Lakshminath Bezbarua', 'Annals of Assam Sahitya Sabha' (১৯৭৬) 'পৱিত্ৰ অসম' (১৯৬০) আদি ডক্টৰ নেওগ ৰচিত গ্ৰন্থ সমূহো সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত। ডক্টৰ নেওগ সম্পাদিত সাহিত্য সভাৰ গ্ৰন্থ ভালেকেইখন। 'অসমীয়া খণ্ড বাক্য কোষ' (১৯৬৯), 'পত্ৰলেখা', 'চিত্ৰলেখা' 'দিনলেখা', 'সাহিত্য সমীক্ষা' 'মোৰ জীৱন সোঁৱৰণ', 'অসমীয়া ভাষা', 'The Religion of Love and Devotion' ডক্টৰ নেওগৰ দ্বাৰা সম্পাদিত গ্ৰন্থ। ●

ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা

কোনে ভালদৰে সংস্কৃত স্তোত্ৰ আৰু কীৰ্ত্তনৰ পদ মুখস্থ কৰি আবৃত্তি কৰিব পাৰে এয়ে আছিল দুজন শিশুৰ মাজত প্ৰতিযোগীতা। মুখস্থ কৰি আবৃত্তি কৰিব পৰা জনেই পিতৃৰ পৰা লাভ কৰিছিল ৰবৰ পেন্সিল, মাৰ্ব্বল আদি খেলাৰ সামগ্ৰী। পিতৃয়ে পতা এনে প্ৰতিযোগীতাৰ ফলতে নিচেই সৰু কালতে মুখস্থ কৰিছিল প্ৰায় ৫৯টি সংস্কৃত স্তোত্ৰ আৰু ভালেমান কীৰ্ত্তনৰ পদ। ডেৰ দুই বছৰৰ ব্যৱধানৰ এই ভ্ৰাতৃ যুগলৰে এজন ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা আৰু আনজন ন্যায়াধীশ ভোলানাথ শৰ্মা। তেওঁলোকৰ জেষ্ঠ ভাতৃ তীৰ্থনাথ শৰ্মা।

তেওঁলোকৰ পিতৃ গোলাপচন্দ্ৰ শৰ্মা আৰু মাক চেনেহী দেবী। ১৯১৭ খৃঃৰ ভাদ মাহত জাঁজীত সত্যেন্দ্ৰনাথ শৰ্মাৰ জন্ম। ডেৰ বছৰ বয়সতে তেওঁ মাতৃ স্নেহৰ পৰা বঞ্চিত হব লগ' হয়। সৰুৰে পৰা তেওঁক তুলি তালি ডাঙৰ দীঘল কৰিছিল বুঢ়ীমাক নুমলী দেবী আৰু ককাদেউতাক সোমেশ্বৰ দেৱশৰ্মাই। নাতি ল'ৰা তিনিটাৰ প্ৰতি ককাদেউতাকৰ আছিল পৰম বিশ্বাস আৰু আস্থা। সেয়েহে পুত্ৰ গোলাপ শৰ্মাক সকিয়াই দিছিল "ইহঁত তিনিটা শিয়াল পোৱালী নহয়, ইহঁত সিংহৰ পোৱালী। ইহঁতে আমাৰ বংশৰ নাম ৰাখিব।" ককাকৰ আশীৰ্বাদ স্বৰূপ ভবিষ্যৎ বাণী আখৰে আখৰে ফলিয়াইছে।

তেওঁলোকৰ পূৰ্ব পুৰুষ কলিয়াবৰ অঞ্চলৰ শাকমুঠি গাঁৱৰ। যোৰহাট প্ৰেক্‌টিচিং স্কুলত সত্যেন্দ্ৰনাথ শৰ্মাৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ। হাইস্কুলীয়া শিক্ষা লাভ কৰিছিল জাঁজী হাইস্কুলত। ১৯৩৪ খৃঃত সংস্কৃতত লেটাৰসহ প্ৰথম বিভাগত প্ৰবেশিকা পাছ কৰি কলেজীয়া শিক্ষাৰ সূচনা কৰিছিল কটন কলেজত। কটন কলেজৰ পৰাই ১৯৩৬ খৃঃত প্ৰথম বিভাগত আই, এ, আৰু ১৯৩৯ খৃঃত ডিষ্টিংচনসহ বি, এ, ডিগ্ৰী লাভ কৰিছিল। ১৯৪১ খৃঃত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা তেওঁ অসমীয়াত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি এম, এ, ডিগ্ৰী লাভ কৰিছিল।

শৰ্মা ডাঙৰীয়াৰ কৰ্মস্থান কটন কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়। প্ৰথমতে কটন কলেজত অধ্যাপনা কৰিছিল (১৯৪২-৪৯) গুৱাহাটী বিশ্ববিদ্যালয়

স্থাপন হোৱাত ১৯৪৯ খৃঃৰ পৰা বিশ্ববিদ্যালয়ৰ অধ্যাপক স্বৰূপে যোগদান কৰিলে। প্ৰথমতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা যি তিনিগৰাকী অসমীয়া পণ্ডিতে ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল সত্যেন্দ্ৰ নাথ শৰ্মা সেই তিনিজনৰ এজন (১৯৫৫)। আন দুগৰাকী মহেশ্বৰ নেওগ আৰু প্ৰফুল্ল দত্ত গোস্বামী। ১৯৬৭ খৃঃৰ পৰা ডক্টৰ শৰ্মা ৰবীন্দ্ৰ অধ্যাপক নিযুক্ত হয়। মাজতে কিছুকাল তেওঁ বিশ্ববিদ্যালয়ৰ শ্ৰেণী সমূহৰ চেক্ৰেটাৰী স্বৰূপে কাৰ্য্য নিৰ্ব্বাহ কৰিছিল (১৯৬৪ ৬৭)।

ছাত্ৰাৱস্থাৰে পৰা তেওঁৰ ফুটবল, ক্ৰিকেট, টেনিছ, বেডমিন্টন টেবুলটেনিছ আদিৰ প্ৰতি আছিল বৰ প্ৰীতি। বিশ্ববিদ্যালয় টোলৰ বেডমিন্টন আৰু টেবুল টেনিছ প্ৰতিযোগীতাত খেলুৱৈ হিচাপে ডক্টৰ শৰ্মাক আজিও বয়সে আঁতোৰ পেলাব পৰা নাই।

হাতেলিখা স্কুলীয়া আলোচনী 'ফুলনি'য়েই আছিল তেওঁৰ প্ৰথম সাহিত্য চৰ্চ্চাৰ ক্ষেত্ৰ। এইখন আলোচনীতে তেওঁৰ কবিতা প্ৰবন্ধ প্ৰকাশ হয়। ৰঘুনাথ চৌধাৰী সম্পাদিত 'সুৰভি'ত প্ৰকাশিত 'চৰিত সাহিত্য' আৰু কমল নাৰায়ণ দেৱ সম্পাদিত 'জয়ন্তী'ত প্ৰকাশিত 'অসমীয়া বৈষ্ণৱ সাহিত্যত সমাজ' শৰ্মাৰ প্ৰথম প্ৰকাশিত প্ৰবন্ধ। 'পাৰ্থ সাৰথি' তেওঁৰ প্ৰথম ৰচিত পুথি। সমালোচক আৰু অসমীয়া সাহিত্যৰ ইতিবৃত্ত ৰচক হিচাপে ডক্টৰ শৰ্মা অসমীয়া সাহিত্যত সুপৰিচিত। অসমীয়া সাহিত্যৰ ইতিবৃত্ত ৰচনা কৰাৰ উপৰিও তেওঁ পৰিকল্পিত ভাবে নাট্য সাহিত্য, উপন্যাস সাহিত্য আৰু কাব্য সাহিত্যৰ ওপৰত আলোক পাত কৰিছে। 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত' (১৯৫৯) ডক্টৰ শৰ্মাৰ এখনি বিশ্লেষণ ধৰ্মী বিজ্ঞান সন্মত ভাবে ৰচনা কৰা অসমীয়া সাহিত্যৰ বুৰঞ্জী। 'অসমীয়া নাট্য সাহিত্য' (১৯৬২), 'পৰম্পৰাগত প্ৰাচ্য নাট্য সাহিত্য' (১৯৭০), 'অসমীয়া উপন্যাসৰ ভূমিকা' (১৯৫৫), 'অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ' (১৯৭০), শৰ্মাৰ নাট্য সাহিত্য, উপন্যাস আৰু কাব্য সাহিত্যৰ বিষয়ে খৰচি মাৰি বিচাৰ বিশ্লেষণ কৰা পুথি। 'সাহিত্যৰ আভাস' (১৯৬৩) 'বাণীদীপ (১৯৫৮) তেওঁৰ আন আন পুথি।

'The New Vaisnavite Movement and the Satra Institution of Assam, (১৯৬৬) শৰ্মা ডাঙৰীয়াৰ গৱেষণা গ্ৰন্থ। 'Epics and Puranas in Early Assamese Literature' (১৯৭২) তেওঁৰ আন এখনি ইংৰাজী গ্ৰন্থ।

'গীত গোবিন্দ' (১৯৫৫), 'উষা পৰিণয়' (১৯৫১), 'কথা ৰামায়ণ' (১৯৫৫), 'কথাগীত', 'পাৰিজাত হৰণ' (১৯৬২), 'ৰুক্মিনী হৰণ' (১৯৬২), সংস্কৃত নাটক 'ৰূপকত্ৰয়ম' (১৯৬২), 'ভক্তি গীত পদ সঞ্চয়ন' (১৯৬১) ডক্টৰ শৰ্মা সম্পাদিত পুথি। ডক্টৰ বিৰিঞ্চি কুমাৰ বৰুৱা আৰু ডক্টৰ শৰ্মাই যুটীয়া ভাবে সম্পাদনা কৰা পুথি 'মধুমালতী' (১৯৫৯), 'মাধৱ সুলোচনা', 'মনকৰী আৰু দুৰ্গাবৰী মনসা কাব্য', বেজবৰুৱাৰ 'ভাবৰ বুৰবুৰণি' (১৯৫১)। 'ব্যৱহাৰিক শব্দকোষ' (১৯৭১) ডক্টৰ শৰ্মা আৰু নৰেন্দ্ৰনাথ শৰ্মাই যুটীয়া ভাবে প্ৰণয়ন কৰা এখনি অভিধান।

'মাটিৰ মানুহ' আৰু 'আকবৰ' শৰ্মা ডাঙৰীয়াৰ দুখনি অনুবাদ গ্ৰন্থ।

১৯৫৮-৫৯ অসম চৰকাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগত ডক্টৰ শৰ্মাৰ পৰিচালনাত শিশু সাহিত্য ৰচনাৰ প্ৰশিক্ষণ কেন্দ্ৰ এটি চলাইছিল। উক্ত কেন্দ্ৰত ১৫ জন লিখকে ১৫ খন শিশু সাহিত্য ৰচনা কৰিছিল।

ডক্টৰ শৰ্মাৰ তত্ত্বাৱধানতে গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰায় ৫০০০ খন সাচিপতীয়া পুৰণি পুথি সংগ্ৰহ আৰু সম্পাদনা কৰি ৰখা হৈছে।

অসম সাহিত্য সভাৰ লগত শৰ্মা ডাঙৰীয়াৰ সম্বন্ধ বহু দিনৰে পৰা। সুদীৰ্ঘ চাৰি বছৰ কাল তেওঁ সাহিত্য সভা পত্ৰিকাৰ সম্পাদক আছিল। তিতাবৰত অনুষ্ঠিত সাহিত্য সভাৰ দ্বি চত্বাৰিংশ অধিবেশনৰ (১৯৭৫ খৃঃ, ২০ ফেব্ৰুৱাৰী) ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্মা সভাপতি। অভ্যৰ্থনা সমিতিৰ সভাপতি চক্ৰেশ্বৰ শইকীয়া। তিতাবৰ অধিবেশনৰ সঙ্গীত শাখাৰ সভাপতি সত্য প্ৰসাদ বৰুৱা, আলোচনা চক্ৰৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য,কবি সন্মিলনৰ কেশৱ মহন্ত। মুকলি সভা উদ্বোধন কৰিছিল ডক্টৰ কৃপাল সিং নাৰাঙে। নগেন শইকীয়া পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। ●

যজ্ঞেশ্বৰ শৰ্মা

....

"বৃত্তিৰ পইচা দুটা মান সাঁচি থৈ বাঁহী আলোচনীৰ গ্ৰাহক হোৱা আৰু দুই চাৰিখন অসমীয়া কিতাপ কিনাটো আমাৰ ধৰ্ম আছিল। তেনেতে অসহযোগ আন্দোলনত দেশ তল ওপৰ। আমাৰ সজাগ আৰু সহানুভূতিশীল আৰু ভাবপ্ৰৱণ মনৰ প্ৰতি এই আবেদন ব্যৰ্থ হোৱা নাছিল। স্কুলত অনুপস্থিত হৈ কানিৰ দোকানৰ সমুখত কানীয়াক বাধা দিয়া আৰু বিলাতী কাপোৰ পোৰা অপৰাধত মোৰ বৃত্তি বন্ধ কৰি থৈছিল আমাৰ সহপাঠী সমবয়সী কেইবা জনৰো হাতত জিলাৰ বৰ চাহাবে মৰা বেতৰ কোব এতিয়াও পাহৰা নাই।"

স্কুলীয়া ছাত্ৰাৱস্থাৰে পৰা বৃত্তিৰ টকাৰে কিতাপ আলোচনী কিনি পঢ়া এই ছাত্ৰ জনেই যজ্ঞেশ্বৰ শৰ্মা। কানিৰ দোকানৰ সমুখত বাধা দিয়া, বিলাতী কাপোৰ পোৰা আদি কাৰ্য্যৰে অসহযোগ আন্দোলনত ছেগাচোৰোকাকৈ যোগ দিছিল যদিও শৰ্মা ডাঙৰীয়াই সক্ৰিয়ভাবে জাতীয় আন্দোলনত অংশ গ্ৰহণ কৰা নাছিল।

১৯০৮ খৃঃৰ চেপ্টেম্বৰ মাহত শিৱসাগৰ জিলাৰ তিতাবৰ অঞ্চলৰ বগাৰ গাঁওত যজ্ঞেশ্বৰ শৰ্মাৰ জন্ম। তেওঁৰ পিতৃ লক্ষ্মীনাথ শৰ্মা আৰু মাতৃ কোকিলেশ্বৰী দেৱী। যোৰহাট নগৰৰ পাঁচ মাইল পশ্চিমে টিলিকি আমৰ ওচৰৰ পকামুৰা নামৰ ঠাই দোখৰ শৰ্মা ডাঙৰীয়াৰ পূৰ্বপুৰুষৰ বাসস্থান।

বগাৰ গাওঁ পাঠশালাতে শৰ্মাৰ পঢ়াশলীয়া শিক্ষা আৰম্ভ। তেওঁৰ ইংৰাজী শিক্ষাৰ সূচনা তিতাবৰ মধ্য ইংৰাজী স্কুলত। ১৯২০ খৃঃত তিতাবৰ মধ্য ইংৰাজী স্কুলৰ পৰাই অসম উপত্যকাত প্ৰথম স্থান আৰু বৃত্তি লাভ কৰি এম, ই, পৰীক্ষাত উত্তীৰ্ণ হয়। এইখন স্কুলৰ বদিউজ্জমান আহম্মদ শৰ্মা ডাঙৰীয়াৰ এগৰাকী আদৰ্শ শিক্ষা গুৰু।

ইয়াৰ পিচত যোৰহাট চৰকাৰী হাইস্কুলত পঢ়ি ১৯২৪ খৃঃত অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ আৰু তিনিটা লেটাৰসহ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। অসমীয়াত সৰ্বোচ্চ নম্বৰ পোৱা বাবে লাভ কৰিছিল আউনী আটি সোণৰ পদক। হাইস্কুলৰ মাহেকীয়া আলোচনী 'চুপহি'ৰো তেওঁ আছিল সম্পাদক।

কটন কলেজৰ পৰা তেওঁ প্ৰথম বিভাগত দুটা লেটাৰসহ আই, এ, (১৯২৬)

আৰু ইংৰাজীত অনার্চ সহ বি, এ, (১৯২৮) ডিগ্ৰী লাভ কৰিছিল। ১৯৩০ খৃঃত প্ৰেচিডেন্সী কলেজৰ পৰা ইংৰাজী সাহিত্যত এম. এ, ডিগ্ৰী লাভ কৰি পঢ়াশলীয়া শিক্ষাৰ সামৰণি মাৰিলে।

কটন কলেজত পঢ়া সময়তে তেওঁৰ শিক্ষাগুৰু ডক্টৰ সূৰ্য্য কুমাৰ ভূঞাৰ লগত আছিল নিবিড় সম্বন্ধ। ডক্টৰ ভূঞাই তেওঁক নকৈ স্থাপন কৰা বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত নিগাজীকৈ ৰাখিব বিচাৰিছিল। জগন্নাথ বৰুৱা কলেজত অধ্যাপনাৰ সুযোগ পোৱাত গুৱাহাটী এৰিব লগা হয়। প্ৰায় এঘাৰ বছৰ কাল তেওঁ জগন্নাথ বৰুৱা কলেজত (১৯৩০—৪১) অধ্যাপনা কৰিছিল। মাজতে কিছুদিন চিলেটৰ মুৰাৰিচাঁদ কলেজ আৰু কটন কলেজতো অধ্যাপনা কৰিছিল। প্ৰবেশিকা পৰীক্ষাদি তেওঁ প্ৰথমতে তিতাবৰ এম, ই, স্কুলতো শিক্ষাদান কৰিছিল। কিছুদিন তেওঁ যোৰহাট চৰকাৰী হাইস্কুলতো শিক্ষকতা কৰিছিল।

১৯৪৪ খৃঃৰ পৰা ১৯৬৮ খৃঃলৈ এই সুদীৰ্ঘ একুৰি ওঠৰ বছৰ কাল শৰ্মা ডাঙৰীয়া নগাওঁ কলেজৰ অধ্যক্ষ।

বাঁহীত প্ৰকাশ হোৱা 'দিনৰ সপোন' কথা কবিতাই শৰ্মাৰ প্ৰথম প্ৰকাশিত ৰচনা (১৯২১—২২)। অম্বিকাগিৰী ৰায়চৌধুৰী সম্পাদিত চেতনাত ছাত্ৰাৱস্থাতে ভালেমান প্ৰবন্ধ প্ৰকাশ হয়। ছাত্ৰ সম্মিলনৰ মুখ পত্ৰ মিলনতো তেওঁৰ ভালেমান প্ৰবন্ধ প্ৰকাশ হয়।

'শতপত্ৰ' (১৯৩৭) শৰ্মা ডাঙৰীয়াৰ এখনি বছা বছা কবিতাৰ সংকলন। Palgrave অৰ Golden Treasury ৰ আৰ্হিত তেওঁ 'শতপত্ৰ' সংকলন কৰিছিল।

'সাহিত্য সংস্কৃতিৰ প্ৰবাহ' (১৯৩২) শৰ্মা ডাঙৰীয়াৰ বিভিন্ন সময়ত লিখা একুৰি ছটা প্ৰবন্ধৰ সংকলন। প্ৰবন্ধৰাজি লিখকৰ প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যৰ ওপৰত থকা গভীৰ জ্ঞান আৰু বিস্তৃত অধ্যয়নৰ নিদৰ্শন।

'লেফাফা' তেওঁৰ দুকুৰি চাৰিটা সৰু সৰু কবিতাৰ সংকলন। কবিতা ৰাজিত আছে সাহিত্য আৰু সমাজৰ দোষ, ত্ৰুটি সমূহৰ এক ব্যঙ্গাত্মক সমালোচনা। তেওঁৰ 'গুলেস্তাৰ সাধু' (১৯৭৫) ফাৰ্চী কবি ছাদীৰ নীতি পূৰ্ণ দুকুৰি সোতৰটা চুটি সাধুৰ পুথি।

টিহুত অনুষ্ঠিত সাহিত্য সভাৰ ত্ৰিচত্বাৰিংশ অধিবেশনৰ (১৯৭৬ খৃঃ ২ ফেব্ৰুৱাৰী) যজ্ঞেশ্বৰ শৰ্মা সভাপতি। অভ্যৰ্থনা সমিতিৰ সভাপতি

ডাঃ ভূমিধৰ বৰ্মণ। টিহু অধিবেশনৰ সঙ্গিত সম্মিলন উদ্বোধন কৰিছিল সাৰদা বৰদলৈয়ে। আলোচনা চক্ৰৰ সভাপতি ছৈয়দ আবদুল মালিক আৰু কবি সম্মিলনৰ ডক্টৰ নিৰ্ম্মলপ্ৰভা বৰদলৈ। মূল সভা উদ্বোধন কৰিছিল ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহম্মদে। মুখ্য অতিথি হিচাপে যোগদান কৰিছিল সুভাষ মুখোপাধ্যায়ে। ডঃ হেমন্তকুমাৰ শৰ্মা প্ৰধান সম্পাদক নিৰ্বাচিত হয়। ●

চৈয়দ আবদুল মালিক

ভগৱতী প্ৰসাদ বৰুৱা ভবন। অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্বাহক সভা। সভাৰ মাজতে অনুচ্চদেহী পাঁচ ফুটীয়া সদস্য এজন বাহিৰলৈ উঠি গৈছিল। সভাপতিয়ে সেই পিনে আঙুলিয়াই সম্পাদকক সুধিলে 'সৌ ল'ৰাটো কোন?'

সাহিত্য সভাৰ লগত বহু বছৰৰ পৰা নিবিড় ভাবে জড়িত, নানান দায়িত্ব বহন কৰি অহা সেই ল'ৰাটোৱেই 'পিচৰ বছৰ'ত অৰ্থাৎ বংপেটা অধিবেশনত প্ৰধান সম্পাদক নিৰ্বাচিত হল। যোৱা বছৰ টিহু অধিবেশনৰ আলোচনা চক্ৰৰ সভাপতি আৰু এইবাৰ চতুশ্চত্বাৰিংশ অভয়াপুৰী অধিবেশনৰ সভাপতি সেই ল'ৰাটোৱেই কথা সাহিত্যিক চৈয়দ আবদুল মালিক।

প্ৰাক্তন সভাপতিয়ে 'ল'ৰা আখ্যা' দিয়া অনুচ্চদেহী পাঁচ ফুটীয়া আবদুল মালিক চিৰ সেউজীয়া, এভাৰ গ্ৰীন। মুখত এমোকোৰা হাঁহিৰে নানান ধৰণৰ ৰস লগা কথাৰে গাজাখুৰি গল্প কোৱাত 'ওস্তাদ' মালিকৰ মনটোও সচাকৈয়ে ল'ৰাৰ নিচিনা আৰু বেছি চিৰ সেউজীয়া। 'মালিক চাৰ', 'মালিক কাইটি' স্বৰূপে তেওঁ ডেকাদলৰ মাজতহে সৰ্বজন সমাদ্ৰিত ব্যক্তি।

মালিকৰ জীৱনটো এটা বিচিত্ৰ জীৱন। ১৯৪১ খৃঃত কটন কলেজৰ পৰা ইংৰাজীত দ্বিতীয় শ্ৰেণীৰ অনাৰ্চ লাভ কৰি প্ৰথমতে কৰ্ম জীৱন আৰম্ভ কৰিছিল গোলাঘাট চৰকাৰী হাইস্কুলৰ শিক্ষক হিচাপে। ১৯৫১ খৃঃত প্ৰাইভেট প্ৰাৰ্থী স্বৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা দ্বিতীয় শ্ৰেণীত প্ৰথম স্থান লাভ কৰি এম,এ, ডিগ্ৰী লাভ কৰাৰ পিচৰে পৰা সুদীৰ্ঘ কাল (১৯৫১-৭৫) তেওঁ জগন্নাথ বৰুৱা কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক। এইখন কলেজৰ

পৰাই ১৯৩৯ খৃঃত প্ৰথম বিভাগত আই, এ, পাছ কৰিছিল। ১৯৩৭ খৃঃত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা পাৰ্চীয়ানত দুট' লেটাৰসহ প্ৰথম বিভাগত বৃত্তি লাভ কৰি কলেজীয়া শিক্ষা লাভ কৰা মালিকৰ বি, এ, শ্ৰেণীলৈকে পাৰ্চীয়ান আছিল এটি পাঠ্য বিষয়। সেয়েহে মাজতে ১৯৪৮ খৃঃৰ পৰা কিছুকাল তেওঁ জে, বি, কলেজৰ পাৰ্চীয়ান বিষয়ৰো অধ্যাপক স্বৰূপে শিক্ষা দান কৰিছিল।

মাজ ভগত কেতিয়াবা মদ-ভাঙৰ মহলৰ পিচে পিচে ঘূৰা, কানিবেপাৰীৰ সন্ধানত বোন্দাপৰ দিয়া আবকাৰী পৰিদৰ্শক, আৰু কেতিয়াবা তেওঁ আনৰ প্ৰেম পত্ৰ পঢ়া চিভিলিয়ান চেন্সৰ। কেতিয়াবা নকৈ গুৱাহাটীত স্থাপন কৰা অনাতাঁৰ কেন্দ্ৰৰ প্ৰগ্ৰেম এচিষ্টেণ্ট্ (১৯৪৮)। কেতিয়াবা কমিউনিষ্ট সমৰ্থিত লোকসভাৰ নিৰ্বাচনৰ প্ৰাৰ্থী (১৯৫৭), কেতিয়াবা কংগ্ৰেছ প্ৰাৰ্থী স্বৰূপে বিধান সভাৰ নিৰ্বাচনৰ প্ৰাৰ্থী। এইবেলি মালিক অসমৰ পৰা ৰাজ্যসভাৰ সদস্য নিৰ্বাচিত হইছে।

জীৱন যুদ্ধত মালিকে যি ভূমিকাই নিদিয়ক, জয় পৰাজয় যিহকে বৰণ নকৰক, অভাৱ অনাটন দুখ বেদনা মনত যিভাবেই নাথাকক সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত মালিকৰ মনটো চিৰ সেউজীয়া। তেওঁৰ সাহিত্য সৃষ্টিৰ প্ৰেৰণাত বাধা জন্মাব নোৱাৰে। হাতত কাগজ আৰু কলম থাকিলেই যতে-ততে যি কোনো পৰিস্থিতিতে, যেতিয়াই তেতিয়াই লিখিব পৰাটোৱে হল মালিকৰ সাহিত্যিক হিচাপে চাৰিত্ৰিক বৈশিষ্ট্য। সাহিত্য চৰ্চা আবদুল মালিকৰ বাবে জীৱনৰ "জিৰণিৰ মাজুলী" নহয়।

অসমীয়া সাহিত্যত সৰহ সংখ্যক গল্প আৰু উপন্যাস ৰচনা কৰা সাহিত্যিক জন হৈছে চৈয়দ আবদুল মালিক। যোৱা দুকুৰি বছৰে সাহিত্য চৰ্চা কৰা মালিকৰ চুটি গল্পৰ সংখ্যা এহেজাৰৰ ওপৰ, উপন্যাসৰ সংখ্যা প্ৰায় একুৰি ওঠৰখন, চুটি গল্পৰ সংকলন বাৰখন, চাৰিখন নাট, দুখন কবিতাৰ পুথি কেবা খনো অনুবাদ, ভ্ৰমণ কাহিনী আৰু গৱেষণা গ্ৰন্থ। অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰা মালিকৰ ৰচনা, বঙলা, হিন্দী, ইংৰাজী, নেপালী, উৰ্দ্দু, তামিল, তেলেগু, কন্নৰ, মালায়লম, উৰিয়া আৰু ইটালিয়ান ভাষাত অনুবাদ কৰা হৈছে।

শিৱসাগৰ জিলাৰ গোলাঘাটৰ ওচৰৰ নাহৰণি গাৱঁত ১৯১৯ খৃঃৰ ১৬ জানুৱাৰীত চৈয়দ আবদুল মালিকৰ জন্ম। তেওঁৰ পিতৃ ৰহমত আলি আৰু

মাতৃ চৈয়দা লতিফৰ নেচা। তেওঁলোকৰ বংশৰ আদি পুৰুষ চৈয়দ ওচমান আলি আছিল শিৱসাগৰৰ। ৩৩নং নাৰহৰণি পাঠশালা স্কুলৰ পৰা ৩ টকীয়া বৃত্তি লাভ কৰি পোনতে ইংৰাজী শিক্ষা লাভ কৰিছিল দেৰগাওঁ হাইস্কুলত। পিচত যোৰহাট চৰকাৰী হাইস্কুলত পঢ়ি ১৯৩৭ খৃঃত পাৰ্চিয়ানত দুটা লেটাৰসহ প্ৰথম বিভাগত বৃত্তি লাভ কৰি প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল।

যোৰহাট চৰকাৰী হাইস্কুলত পঢ়া সময়তে ১৯৩৫ খৃঃত যোৰহাটত 'ফতেহা দোৱাজ দহম' উছৱত "মানব ৰূপে মহম্মদ" এখন ৰচনা লিখি প্ৰথম পুৰস্কাৰ লাভ কৰে। সভাত উপস্থিত থকা বাগ্মীবৰ ডক্টৰ নীলমণি ফুকনৰ দৃষ্টি আকৰ্ষণ কৰে আৰু তেওঁৰ ৰচনাখনি ফুকনৰ সম্পাদনাত প্ৰকাশ হোৱা দৈনিক বাতৰিত প্ৰকাশ কৰে। নৱম মান শ্ৰেণীত পঢ়ি থাকোঁতে বাতৰিত প্ৰকাশিত আন এটি উল্লেখযোগ্য প্ৰবন্ধ 'কণ্ৰমীৰ মৌলিকতাত সন্দেহ।' প্ৰবন্ধটো লিখিছিল সুৰেশ গোস্বামীৰ 'কণ্ৰমী' নাটক খনক কেন্দ্ৰ কৰি। এই প্ৰবন্ধটোৱে পঢ়ুৱৈকে সমাজৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল।

যোৰহাট চৰকাৰী হাইস্কুলৰ মুখপত্ৰ 'জেউতী'ত প্ৰকাশিত 'অন্ধকোন' (১৯৩৫) মালিকৰ প্ৰথম প্ৰকাশিত গল্প। যোৰহাট জগন্নাথ বৰুৱা কলেজত পঢ়া সময়ত মালিক আছিল কলেজ আলোচনীৰ সম্পাদক। কটন কলেজত পঢ়া সময়ত সেই সময়ৰ প্ৰগতি সাহিত্য সভাৰ সদস্য।

তেতিয়াৰেপৰা মালিক নানান ভাবে ৰাজহুৱা জীৱনৰ লগত জড়িত। ভাৰতীয় সাহিত্য একাডেমী, সঙ্গীত নাটক একাডেমী, ললিত কলা একাডেমী নেচনেল বুকট্ৰাষ্ট অব্ ইণ্ডিয়া আদি নানান চৰকাৰী বেচৰকাৰী সমিতিৰ সদস্য। ১৯৫২-৫৫ খৃত তেওঁ আছিল ভাৰতীয় গণ নাট্য সঙ্ঘৰ উপ-সভাপতি। ১৯৬৩ খৃঃত তেওঁ ভাৰতীয় সাহিত্যিক প্ৰতিনিধি দলৰ নেতা স্বৰূপে ৰুচদেশ ভ্ৰমণ কৰিছিল। 'মাজত মাথোন হিমালয়' মালিকৰ ৰুচ ভ্ৰমণ অভিজ্ঞতাৰে ৰচনা কৰা ভ্ৰমণ কাহিনী। ১৯৬৫ খৃঃত ৰুচভ্ৰমণৰ বিষয়ে লিখা "মাটি আকাশ আৰু মাটি" গ্ৰন্থৰ বাবে তেওঁ চোভিয়েট দেশ নেহৰু বঁটা লাভ কৰে।

বৰ্ত্তমান মালিক বিশ্বকোষ প্ৰণয়ন সমিতিৰ এগৰাকী সম্পাদক আৰু প্ৰকাশন পৰিষদৰ সদস্য।

পৰশমণি (১৯৪৮) মালিক ডাঙৰীয়াৰ প্ৰথম প্ৰকাশিত চুটি গল্পৰ সংকলন 'ৰঙাগৰা', 'এজনী নতুন ছোৱালী', 'মৰহা পাপৰি', 'শিখৰে শিখৰে', 'মৰম মৰম

লাগে', 'শিল আৰু শিখা', 'ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ', 'অস্থায়ী অন্তৰা' 'বহুত বেদনা এটোপাল চকুলো' 'প্ৰাণান্বিকা' আদি মালিক ডাঙৰীয়াৰ জন প্ৰিয় চুটি গল্প সংকলন। জনপ্ৰিয়তা অৰ্জন কৰা প্ৰথম গল্প সংকলন 'পৰশমণি' মালিকৰ আজিও এখন শ্ৰেষ্ঠ চুটি গল্প সংকলনৰ স্থান লাভ কৰি আছে।

'অমৰ মায়া' (১৯৪৯) তেওঁৰ প্ৰথম নাট। 'দূৰৰ দেবতা', 'আধা অকা ছবি', 'মিৰি জীয়ৰী' (১৯৫০) 'ৰাজদ্ৰোহী', (১৯৪৯) 'সকৰা জাল', 'শকুন্তলা (৭৩), 'তেজীমলা' আদি মালিকৰ অনাটাৰ নাট আৰু নাটিকা। ওমৰ খায়ামৰ জীৱন দৰ্শনৰ নাট্যৰূপ দি ৰচনা কৰা 'আলহী ঘৰ' মালিক ডাঙৰীয়াৰ এখনি ৰসাল জনপ্ৰিয় মনোৰম পুথি।

মালিক ডাঙৰীয়াৰ ৰচিত উপন্যাসৰ সংখ্যা একুৰি ওঠৰ খনৰ অধিক হ'ব কিজানি। ১৯৭৩ খৃঃত তেওঁৰ 'অঘৰী আত্মাৰ কাহিনী' নামৰ উপন্যাস খনৰ বাবে সাহিত্য একাডেমীৰ বটা লাভ কৰিছে। 'সুৰষ মুখীৰ স্বপ্ন' তেওঁৰ এখনি শ্ৰেষ্ঠ উপন্যাস। 'বনজুই', 'ছবিঘৰ', 'ৰথৰ চকৰী ঘূৰে', 'মাটীৰ চাকী', 'ৰূপতীৰ্থৰ যাত্ৰী, ১ম আৰু ২য় খণ্ড, 'ৰজনীগন্ধাৰ চকুলো', 'ত্ৰিশূল', 'প্ৰাচীৰ আৰু প্ৰান্তৰ', 'সিপাৰে', 'প্ৰাণ সমুদ্ৰ', 'পদুমৰা হাবিৰ বাট', 'জেতুকা পাতৰ দৰে', অন্যনাম মৃত্যু', 'কবিতাৰ নাম লাভা', 'নলবিৰিনা খাগৰী', 'উই হাফলু', 'অন্য আকাশ অন্য তৰা', 'ভক্তিৰ অৰুণাভৰ সম্পূৰ্ণ জীৱনী', 'মোৰ বাবে নুকৰা মালতী ফুল', 'খোৰা নিদন', 'জীয়া জুৰীৰ ঘাট', 'অগ্নিগৰ্ভা', 'এটা সূৰ্য্য দুখন নদী এটা মৰুভূমি 'বিহমেটেকাৰ ফুল', 'আধাৰ শিলা ইত্যাদি মালিৰ ৰচিত উপন্যাস। ১৯৩৮ খৃঃত ধাৰাবাহিক ভাবে বাঁহীত প্ৰকাশিত লঃ সাঃ গু তেওঁৰ প্ৰথম উপন্যাস খন। পিচত এইখনি উপন্যাস 'ওমলা ঘৰৰ ধুলি' নামেৰে পুথিৰ আকাৰত ছপাহৈ ওলাইছে।

মালিক ডাঙৰীয়াই সংকলন আৰু সম্পাদনা কৰি প্ৰকাশ কৰা 'জিকিৰ আৰু জাৰি' এখনি গবেষণা মূলক গ্ৰন্থ। এসময়ত তেওঁ 'পয়গাম' আৰু 'জম-জম' নামৰ দুখনি আলোচনীও সম্পাদনা কৰিছিল।

'তীৰ্থ যাত্ৰী' (যোহান বয়াৰ), 'চিৰকুমাৰৰ সভা' (ৰবীন্দ্ৰ নাথ ঠাকুৰ) 'মীৰ্জা গালিব', 'সুৰদাস' (ব্ৰজেশ বৰ্মা), 'বেঙ্গাৰ ৰাৱ', 'প্ৰণাম নতুন পৃথিবী', 'বগা চুলীয়া ছোৱালী জনী আদি তেওঁৰ দেশী বিদেশী পুথিৰ অসমীয়া অনুবাদ।

ভূমি বিত্তৰন সমিতিৰ সদস্য ৰূপে মাটি বিতৰণ কাৰ্য্যৰ পৰা, শিক্ষা সংস্কৃতি

সাহিত্য। ৰাজনীতি সকলোৰে লগত জড়িত থকা ৰাজ্য সভাৰ সদস্য হলে ও সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত মালিকৰ মন চিৰসেউজীয়া। সকলো পৰিস্থিতীকে সামৰিলৈ প্ৰচুৰ বাৰ্ষিনী লিখনিৰে সাহিত্যৰ ভঁৰাল যে এইগৰাকী সহজ সৰল সদালাপী মালিক ডাঙৰীয়াই টকনিয়াল কৰিব সেই বিষয়ে সন্দেহ নাই।

পরিশিষ্ট

অসম সাহিত্য সভা

অসম সাহিত্য সভাৰ জন্ম ১৯১৭ খৃঃৰ বৰদিনৰ বন্ধত। ইয়াৰ আগতে যে অসমত কোনো সাহিত্যিক অনুষ্ঠান নাছিল এনে নহয়। অসমৰ বিভিন্ন চহৰত একোখন সাহিত্য সভা বা সাহিত্যিক অনুষ্ঠান থকাৰ সম্ভেদ পোৱা যায়। বিশেষকৈ অসমীয়া ভাষা সাহিত্যৰ নৱ জাগৰণ সঞ্চাৰৰ বাবে ১৮৮৮ খৃঃত কলিকতাত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' স্থাপন হোৱাত সেই আদৰ্শকে লৈ অসমৰ ভালেকেইখন চহৰত অঃ ভাঃ উঃ সাঃ সভাৰ শাখা বা অনুৰূপ সভা স্থাপন কৰা হৈছিল। উক্ত সভাবোৰৰ উদ্দেশ্য প্ৰায় একে ধৰণৰ ; অসমীয়া ভাষা সাহিত্যৰ শ্ৰীবৃদ্ধি কৰা, ন ন সাহিত্যৰ সম্ভেদ দিয়া, ভাষা সাহিত্যৰ গবেষণা আদি কৰা। এনে তৰহৰ সভাবোৰে তেওঁলোকৰ কাৰ্য্যাৱলী কেৱল এখন চহৰতে সীমাবদ্ধ নাৰাখি সদৌ অসম ভেটিত সাহিত্য সভা এখন গঠন কৰাৰ চিন্তা কৰিছিল। ইয়াৰ ফলতে অসম সাহিত্য সভাৰ জন্ম।

সদৌ অসম ভেটিত সাহিত্য সন্মিলন এখন পতাৰ কথা প্ৰথমতে চিন্তা কৰিছিল গুৱাহাটীৰ অঃ ভাঃ উঃ সাঃ সভাই। এই আলোচনাত আগ ভাগ লৈছিল চন্দ্ৰনাথ শৰ্মা বি এল, কালিৰাম দাস বি এল, প্ৰভৃতি সভাৰ গুৰি ধৰোঁতাসকলে ; কিন্তু সভাৰ সদস্যসকলৰ মাজত মতভেদ হোৱাত সেই আলোচনা সিমানতে ভল পৰিল। এয়া ১৯১৪ খৃঃৰ কথা।[১]

যোৰহাটত বিষ্ণুৰাম হলত দেৱীচৰণ বৰুৱাৰ সভাপতিত্বত এখন সভা বহিছিল। প্ৰকৃত পক্ষে এই সভাতে যোৰহাট সাহিত্য সভাৰ জন্ম। তেতিয়া ১৯১৫ খৃঃৰ এপ্ৰিল মাহ। মাহে মাহে এই সভা খনৰ বৈঠক বহিছিল। যোৰহাট সাহিত্য সভা বহিবৰ প্ৰথম দিনাখনেই হেনো শৰৎ চন্দ্ৰ গোস্বামীৰ ঘৰত শৰৎ চন্দ্ৰ গোস্বামী, কুলধৰ চলিহা, দেৱেশ্বৰ চলিহা, দুৰ্গেশ্বৰ শৰ্মা প্ৰভৃতিয়ে পাঠা ছাগলি মাৰি ভোজ খাইছিল।[২]

১, অসম সাহিত্য সভাৰ পঞ্চাচ বছৰ—হৰিপ্ৰসাদ নেওগ, নন্দ তালুকদাৰ নগেন শইকীয়া সম্পাদিত

২. সাহিত্য সভাৰ কথা—শৰৎ চন্দ্ৰ গোস্বামী, অসম সাহিত্য সভা পত্ৰিকা, নতুন প্ৰকাশ, ২য়—৩য়, সম্পাদক কেশৱ নাৰায়ণ দত্ত।

ইয়াৰ পিচত অসম উপত্যকাৰ কমিছনাৰ কৰ্ণেল পি আৰ, টি গৰ্ডন চাহাবৰ সভাপতিত্বত যোৰহাটত এখন সভা বহিছিল। সভাৰ উদ্দেশ্য অসমৰ শিল্পৰ উন্নতি কৰা আৰু সেই উদ্দেশ্যেৰে জনগনক উৎসাহিত কৰা। এইখন সভাৰ উদ্দেশ্যে অসমৰ বিভিন্ন চহৰৰ পৰা ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত হৈছিল।"

সেই সুযোগকে লৈ যোৰহাটৰ বিষ্ণুৰাম হলত আন এখন সভা অৰ্থাৎ যোৰহাট সাহিত্য সভাৰ বিশেষ অধিবেশনৰ আয়োজন কৰা হৈছিল। ১৯১৫ খৃঃৰ জুলাই মাহত অনুষ্ঠিত এইখন সভাত সভাপতিত্ব কৰিছিল ফণীধৰ চলিহাই। ঘনকান্ত বৰুৱাৰ 'চালাম ৰহস্য', ফণীধৰ দত্তৰ 'ব্যঙ্গ ৰচনা', মোক্ষনাথ ফুকনৰ 'জাতীয় উন্নতি বিষয়ক প্ৰবন্ধ', দুৰ্গেশ্বৰ শৰ্মাৰ 'তথ্য গধুৰ প্ৰবন্ধ', আবদুল মজিদ আৰু পদ্মনাথ গোহাঞি বৰুৱাৰ আলোচনাই সেই সভা সজীৱ কৰি তুলিছিল। এইখন সভা আহ্বান কৰিছিল শৰৎ চন্দ্ৰ গোস্বামীয়ে। ১.২.

১৯১৫ খৃঃত গুৱাহাটীৰ অঃ ভাঃ উঃ সাঃ সভাত অসম সাহিত্য সন্মিলন গঠন কৰি ইয়াৰ প্ৰতিনিধি বঙ্গীয় সাহিত্য সন্মিলনলৈ পঠাবৰ বাবে প্ৰস্তাব কৰিছিল। এই প্ৰস্তাবত বিশেষকৈ জোৰ দিছিল অধ্যাপক পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদে; কিন্তু ডেকাদলে সমৰ্থন নকৰাত এই প্ৰস্তাৱ সিমানতে ভগ পৰিল। ২.

১৯১৫ খৃঃৰ ডিচেম্বৰ মাহত ডিব্ৰুগড়ত আসাম কনফাৰেন্স অনুষ্ঠিত হয়। কনফাৰেন্সৰ শেষত ৩০ ডিচেম্বৰৰ দিনা সমবেত বিশিষ্ট ব্যক্তি সকলক লৈ আন এখনি ডাঙৰ সাহিত্য সভা অনুষ্ঠিত হৈছিল। এইখন সভাতো সভাপতিত্ব কৰিছিল ফণীধৰ চলিহাই। সত্যনাথ বৰা, পদ্মনাথ গোহাঞি বৰুৱা, বেণুধৰ ৰাজখোৱা, তফজ্জল হুছেইন হাজৰীকা, দুৰ্গানাথ চাংকাকতি প্ৰভৃতিয়ে সভাত বক্তৃতা দিছিল আৰু আলোচনাত অংশ গ্ৰহণ কৰিছিল।

পিচৰ বছৰত অৰ্থাৎ ১৯১৬ খৃঃত অসম এছোচিয়েছনৰ অধিবেশন বহিছিল গুৱাহাটীত। সভাপতি গঙ্গাগোবিন্দ ফুকন। সেই সভাৰ ৰভাৰ তলতে ২৫ ডিচেম্বৰৰপৰা "অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলনৰ" প্ৰথম অধিবেশনত অনুষ্ঠিত হয়। লক্ষ্মীনাথ বেজবৰুৱা আছিল প্ৰথম অধিবেশনৰ সভাপতি। প্ৰথম অৱস্থাত ছাত্ৰসন্মিলনৰো উদ্দেশ্য আছিল সাহিত্যৰ উন্নতি কৰা। এই সন্মিলনত ভালেমান বিশিষ্ট সাহিত্যিক উপস্থিত আছিল। পিচত সন্মিলনৰ উদ্দেশ্য বহুমুখী কৰিবৰ বাবে অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলনৰ ঠাইত অসম ছাত্ৰ সন্মিলন কৰিবলৈ স্থিৰ কৰা হয়"। (ভাষণমালা)

তেতিয়ালৈকে সাহিত্য সন্মিলন বা সাহিত্য সভাই প্ৰকৃত ৰূপ এটা লব পৰা নাছিল যদিও এনেদৰে যোৰহাট, গুৱাহাটী, ডিব্ৰুগড় আদিত অনুষ্ঠিত সভাবোৰে সদৌ অসম ভিত্তিত এখন সাহিত্য সভা গঠন কৰাৰ কথা বাৰুকৈয়ে অনুভব কৰিছিল। এই অনুভৱনাৰ তীব্ৰতা যেতিয়া বেছি হ'ল তেতিয়াই পুনৰ গুৱাহাটীত এই বিষয়ে আলোচনা হল। গোৰীকান্ত তালুকদাৰ, অম্বিকাগিৰী ৰায়চৌধুৰী, চন্দ্ৰনাথ শৰ্মা প্ৰভৃতিয়ে একেমুঠে সাহিত্য সভা গঠনত দৃঢ় মত দাঙি ধৰিলে। এইখন সভা গোৰীকান্ত তালুকদাৰৰ ঘৰত বহিছিল। সভাত আলোচনা কৰি গুৱাহাটীত এখন কাৰ্য্যকৰী কমিটী গঠন কৰিলে। সভাৰ সম্পাদকৰ ভাৰ পৰিল চন্দ্ৰনাথ শৰ্মাৰ ওপৰত। আলোচনাত সিদ্ধান্ত কৰিছিল পিচৰ বছৰ অসম কনফাৰেন্স বহা ঠাইতে সাহিত্য সভা অনুষ্ঠিত হ'ব লাগিব। অসম এছোচিয়েছনৰ পিচৰ অধিবেশন অনুষ্ঠিত হোৱা কথা আছিল শিৱসাগৰত। গতিকে শিৱসাগৰত কনফাৰেন্সৰ সভা তলতে সাহিত্য সন্মিলন বা সাহিত্য সভা পতাৰ স্থিৰ কৰিলে। এই বিষয়ে শিৱসাগৰীয়া প্ৰতিনিধিসকলক জনালে। যোৰহাটৰ পৰা শৰৎ চন্দ্ৰ গোস্বামী আৰু কুলধৰ চলিহায়ো শিৱসাগৰত সন্মিলন পতাৰ কথাকে স্থিৰ কৰিলে। কুলধৰ চলিহা নিজে শিৱসাগৰলৈ গৈ সকলো আয়োজনৰ দিহা কৰিলে। ১৯১৭ খৃঃৰ ২৮ চেপ্তেম্বৰত শিৱসাগৰৰ ক্লাব ঘৰত তাৰা প্ৰাসাদ চলিহাৰ সভাপতিত্বত এখন ৰাজহুৱা সভা বহিল। এই সভাতে শিৱসাগৰত সদৌ অসমৰ সকলো সাহিত্যিক আৰু সাহিত্য প্ৰেমী বিশিষ্ট ব্যক্তিক নিমন্ত্ৰণ কৰি সাহিত্য সভা গঠন কৰিবলৈ স্থিৰ কৰা হ'ল। ১.২.

সভাত স্থিৰ কৰা হল ডিচেম্বৰ মাহৰ শেষৰ ফালে এই সভা অনুষ্ঠিত হ'ব। এই উদ্দেশ্যেৰে এখন অভ্যৰ্থনা সমিতি গঠন কৰা হল। সভাপতি গুঞ্জানন বৰুৱা. সম্পাদক লক্ষ্মীকান্ত বৰুৱা। এই সভাৰ বাবে পদ্মনাথ গোহাঞিবৰুৱাক সভাপতি স্বৰূপে নিমন্ত্ৰণ কৰাৰ স্থিৰ হল। ২.

১৯১৭ খৃঃৰ ২৬ ডিচেম্বৰৰপৰা আছাম এছোচিয়েছনৰ সভাতে প্ৰথমতে অসম সাহিত্য সভাৰ প্ৰথম অধিবেশন অনুষ্ঠিত হল। অধিবেশন উপলক্ষে অসমৰ বিভিন্ন ঠাইৰপৰা ভালেমান সাহিত্যিক আৰু সাহিত্যপ্ৰেমী উপস্থিত হল। গুৱাহাটীৰপৰা সত্যনাথ বৰা, গোৰীকান্ত তালুকদাৰ, বিষ্ণুৰাম মেধি, প্ৰতাপচন্দ্ৰ গোস্বামী প্ৰভৃতি উপস্থিত হৈছিল। সত্যনাথ বৰা আছিল স্নান

হাতে শিৱসাগৰত অনুষ্ঠিত আছাম এছোচিয়েছনৰ সভাপতি। এই অধিবেশনত অসমৰ প্ৰায়খিনি বিশিষ্ট ব্যক্তি উপস্থিত হৈছিল।

এই সন্মিলন ২৬ আৰু ২৭ তাৰিখে দুদিনীয়াকৈ বহিছিল। অধিবেশনত উপস্থিত হোৱা বিশিষ্ট ব্যক্তিসকলৰ কিছুমানক কোট পেণ্ট চাহাবী সাজ আৰু কিছুমানক মুগা বা পাটৰ চাপকন চুৰীয়া আৰু মূৰত পাগুৰী মৰা দেখা গৈছিল।

"সন্মিলনীৰ দিনা দুপৰীয়া স্বেচ্ছাসেৱক দলৰে পৰিবৃত্ত হৈ ফণীধৰ চলিহা ৰায়বাহাদুৰ ডাঙৰীয়াই শিৱসাগৰৰ পুখুৰীৰ পূব পাৰত বাস কৰা মোৰ জী-জোৱাঁইৰ বহাৰ পৰা মোক বাগীত তুলি আগবঢ়াই আনি 'বিষ্ণুদৌল', 'শিৱদৌল' আৰু দেবীদৌলৰ পাদ তলেদি নি সভামণ্ডপত প্ৰবেশ কৰালেগৈ।"
(মোৰ সোঁৱৰণী—গোহাঞি বৰুৱা)

প্ৰথম দিনাৰ অধিবেশনত গোহাঞি বৰুৱাই তেওঁৰ দীঘলীয়া অভিভাষণ পাঠ কৰিলে। নগাওঁৰ মোছলেহ উদ্দিন আহম্মদৰ 'অসমীয়া সাহিত্য আৰু মুছলমান', গুৱাহাটীৰ বিপিনবিহাৰী বৰাৰ 'গোবৰ ৰহস্য', শৰৎচন্দ্ৰ গোস্বামীৰ 'কীৰ্ত্তনৰ সাহিত্য সৌষ্ঠৱ" ৰত্নকান্ত বৰকাকতীৰ 'অসমীয়া ভাষা' প্ৰথম অধিবেশনৰ উপলক্ষে ৰচনা কৰা মূল্যৱান প্ৰবন্ধ।

বিষয় বাছনি সভাত সাহিত্যসভাৰ এখনি নিয়মাৱলী গ্ৰহণ কৰা হয়। সাহিত্য সভা গঠনৰ বাবে যেতিয়া ধনৰ কথা ওলাল তেতিয়া হেনো প্ৰথমতে ডাক্তৰ হৰিকৃষ্ণ দাসে সাহিত্য সভাৰ পুঁজিলৈ দহ টকা আগবঢ়াইছিল।

শৰৎচন্দ্ৰ গোস্বামীক প্ৰধান সম্পাদক আৰু দেৱেশ্বৰ শৰ্ম্মাক সহকাৰী সম্পাদক হিচাপে লৈ এখন কাৰ্য্য নিৰ্বাহক সভা গঠন কৰিছিল। তাৰানাথ চক্ৰৱৰ্ত্তী, ৰমনীকান্ত বৰুৱা, মহাদেৱ শৰ্ম্মা, ৰোহিতাশ্ব দত্ত, ডম্বৰুধৰ পগৈ মোদলাৰাম দাস, গিৰীশচন্দ্ৰ ৰায়চৌধুৰী, হৰিকৃষ্ণ দাস, নীলমণি ফুকন, মফিজুদ্দিন আহম্মদ হাজৰিকা, গুণ্গানন বৰুৱা, লক্ষ্মীকান্ত বৰুৱা, সিদ্ধেশ্বৰ গোহাঁই, দেৱেশ্বৰ চলিহা, কুলধৰ চলিহা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, পূৰ্ণানন্দ শৰ্ম্মা, জেহিৰুদ্দিন আহম্মদ, শ্ৰীনাথ বেজবৰুৱা, কালিৰাম দত্ত, চন্দ্ৰধৰ বৰুৱা, সীতানাথ ৰবৰৰা, ৰত্নকান্ত বৰকাকতী, মোছলেহ উদ্দিন আহম্মদ, কমলাকান্ত বৰুৱা, সিংহদত্ত দেৱ অধিকাৰী, সত্যনাথ বৰা, চন্দ্ৰনাথ শৰ্ম্মা, আজিজুৰ ৰহমান, কমলাকান্ত দাস, অম্বিকাগিৰী ৰায়চৌধুৰী; কমলেশ্বৰ নাথ, দুৰ্গেশ্বৰ শৰ্ম্মা, চফিয়ৰ ৰহমান, অমৃতভূষণ অধিকাৰী, কীৰ্ত্তিনাথ বৰদলৈ, প্ৰমথনাথ চক্ৰৱৰ্ত্তী

লক্ষ্মীনাথ বেজবৰুৱা, লোহিতচন্দ্ৰ ভূঞা আৰু ৰাধানাথ ফুকন প্ৰথম বছৰ কাৰ্য্য নিৰ্বাহক সমিতিৰ সদস্য।

কাৰ্য্য নিৰ্বাহক সভাই প্ৰথমতে যোৰহাট সাহিত্য সভাক (২৫।৪।১৮ তাৰিখৰ পৰা) স্বীকৃতি দিয়ে। সেই বছৰতে স্বীকৃতি লাভ কৰা সভা সমূহ হল, গুৱাহাটী অঃ ভাঃ উঃ সাঃ সভা, তেজপুৰ অঃ ভাঃ উঃ সাঃ সভা, নগাওঁ অঃ ভাঃ উঃ সাঃ সভা, উত্তৰ লক্ষীমপুৰ সাহিত্য সভা, নাজিৰা, নলবাৰী, শিৱসাগৰ, গৌৰীপুৰ, গোলাঘাট, আৰু মঙ্গলদৈ সাহিত্য সভা। শিৱসাগৰ বিমলালয় সভা আৰু ডিব্ৰুগড় সাহিত্য সভাক স্বীকৃত সভা স্বৰূপে অনুমোদন কৰা হয়।

সাহিত্য সভাৰ দ্বিতীয় অধিবেশন পুনৰ আছাম এছোচিয়েছনৰ লগত ১৯১৮ খৃঃৰ ২৭ ডিচেম্বৰৰ পৰা গোৱালপাৰাত অনুষ্ঠিত হয়। চন্দ্ৰধৰ বৰুৱা দ্বিতীয় অধিবেশনৰ সভাপতি। দ্বিতীয় অধিবেশনত প্ৰধান সম্পাদক নিৰ্বাচিত হয় পদ্মনাথ গোহাঞি বৰুৱা। এই অধিবেশনৰ ৰভাথলীতে সাহিত্য সভাৰ পুঁজিৰ বাবে ২২৪২ টকা দানৰ প্ৰতিশ্ৰুতি পোৱা হয় আৰু ইয়াৰে ৬৫৭ টকা সভাৰ থলীত আদায় হয়। এই টকাৰে চন্দ্ৰধৰ বৰুৱা, শৰৎচন্দ্ৰ গোস্বামী কুলধৰ চলিহা আৰু প্ৰধান সম্পাদক পদ্মনাথ গোহাঞি বৰুৱাক লৈ সাহিত্য সভাৰ পুঁজিৰ এখনি অবৰক্ষক সমিতি (বোৰ্ড অব্ ট্ৰাষ্টি) গঠন কৰা হল। এই সম্মিলনত উপস্থিত সদস্যৰ সংখ্যা প্ৰায় এশ জন আৰু শাখা সভা ১০ খন, স্বীকৃত সভা ১১ খন। পদ্মনাথ গোহাঞিবৰুৱা প্ৰধান সম্পাদক হৈ প্ৰধান সম্পাদকৰ ঠাইত 'ঘাই সম্পাদক' কৰিলে। তেতিয়ালৈকে সাহিত্য সভাৰ কোনো স্থায়ী কাৰ্য্যালয় নথকাত প্ৰধান সম্পাদক থকা তেজপুৰ চহৰতেই সাহিত্য সভাৰ ঘাই কাৰ্য্যালয় হল। তৃতীয় অধিবেশন ১৯১৯ খৃঃৰ ২৬ ডিচেম্বৰৰপৰা কালিৰাম মেধিৰ সভাপতিত্বত বৰপেটাত অনুষ্ঠিত হল। তৃতীয় অধিবেশনত প্ৰধান সম্পাদক নিৰ্বাচিত হল সত্যনাথ বৰা। সাহিত্য সভাৰ ঘাই কাৰ্য্যালয় আহিল গুৱাহাটীলৈ। বৰা ডাঙৰীয়াই পুনৰ 'ঘাই সম্পাদকৰ' ঠাইত 'প্ৰধান সম্পাদক' কৰিলে।

চতুৰ্থ অধিবেশন পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ সভাপতিত্বত ১৯২০ খৃঃৰ ২৮ ডিচেম্বৰৰপৰা তেজপুৰত অনুষ্ঠিত হয়। তেজপুৰ অধিবেশনত শৰৎচন্দ্ৰ গোস্বামী দ্বিতীয় বাৰ সাহিত্য সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। গোস্বামী অনিবাৰ্য্য কাৰণ বশত তেজপুৰ অধিবেশনলৈ যাব পৰা নাছিল। তেতিয়াৰ পৰা সাহিত্য সভাৰ কাৰ্য্যালয় যোৰহাটলৈ আহিল।

এই সময়তে বাহ্নলি পাবাৰ মাহাৰা সত্ৰৰ ৰাধানাথ গোস্বামীৰ পৰা সাহিত্য সভাৰ এটি ভৱন নিৰ্মাণৰ বাবে দুহেজাৰ টকা দান স্বৰূপে পোৱা হৈছিল। স্থিৰ কৰা হৈছিল এই টকাৰে সাহিত্য সভাৰ ভৱন এটি নিৰ্মাণ কৰি ভৱনটিৰ নামকৰণ কৰা হব “কমলা দেৱী সাহিত্য মন্দিৰ”। হেমচন্দ্ৰ গোস্বামী, শৰৎচন্দ্ৰ গোস্বামী, ৰামেশ্বৰ বৰুৱা, পূৰ্ণানন্দ শৰ্মা পাঠক প্ৰভৃতিয়ে সত্ৰলৈ গৈ সকলো বন্দৱস্ত কৰিছিল। প্ৰথমতে এই টকা আনি জমা থৈছিল যোৰহাটৰ ষ্টাৰ এণ্ড কোম্পানীত। পিচত টাউন বেঙ্কত জমা থোৱা হয়। ১, ৩.

সাহিত্য সভাৰ পঞ্চম অধিবেশন অমৃতভূষণ অধিকাৰীৰ সভাপতিত্বত ১৯২৩ খৃঃৰ ৩১ মাৰ্চৰ পৰা যোৰহাটত অনুষ্ঠিত হয়। শৰৎচন্দ্ৰ গোস্বামী পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। ১৯২৪ খৃঃৰ ১৭ মাৰ্চত সাহিত্য সভা ১৮৬০খৃঃৰ ২১ নং আইন অনুযায়ী ৰেজিষ্টাৰী কৰা হয়। এই বছৰতে সাহিত্য সভাৰ তিনিটা ট্ৰাষ্ট্‌ ফাণ্ড হৈ উঠে। দক্ষিণপাট সত্ৰৰ শ্ৰীশ্ৰীনৰদেৱ গোস্বামীয়ে সাহিত্য সভাক ৫০০০ টকা দিয়ে আৰু ইয়াৰে দক্ষিণপাট ট্ৰাষ্ট্‌ ফাণ্ড কৰা হয়। এই ফাণ্ডৰ টকাৰ সুতেৰে সংস্কৃত নাইবা পুৰণি পুথি আদি প্ৰকাশৰ কামত খৰছ কৰিবলৈ সিদ্ধান্ত কৰা হয়। ১.

আন এটি ট্ৰাষ্ট্‌ ফাণ্ড হল ৰাধাকান্ত সন্দিকৈয়ে অকালতে মৃত্যু বৰণ কৰা তেওঁৰ কাণ সমনীয়া দুই পুত্ৰ চন্দ্ৰকান্ত সন্দিকৈ আৰু ইন্দ্ৰকান্ত সন্দিকৈৰ স্মৃতি ৰক্ষাৰ্থে দান কৰা ৩০ হাজাৰ টকাৰে কৰা ‘চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ট্ৰাষ্ট্‌ ফাণ্ড্‌।’ ইয়াৰে ১৫ হাজাৰ (১৭ হাজাৰ?) টকাৰে সাহিত্য সভাৰ বৰ্ত্তমান ভৱন ‘চন্দ্ৰকান্ত সন্দিকৈ ভৱন’ নিৰ্মাণ কৰা হয়। এই ভৱনৰ বাবে শৰৎচন্দ্ৰ গোস্বামীৰ যত্নতে প্ৰথমতে চৰকাৰৰপৰা এবিঘা চাৰি কঠা দুই লোচা আৰু পিচত তিনি কঠা আঠ লোচা সৰ্বমুঠ দুবিঘা দুকঠা দহ লোচা মাটি (১৶/· +৶৹=২৶১০) অধিগ্ৰহণ কৰা হয়। যজ্ঞৰাম তালুকদাৰ নামৰ’ এজন ওভাৰছিয়াৰৰ তত্বাৱধানত প্ৰায় এবছৰ কাল কাম কৰি ভৱনৰ কাম সম্পূৰ্ণ কৰা হৈছিল। ১৯২৫ খৃঃৰ ২৮ ফেব্ৰুৱাৰীৰ পৰা ‘চন্দ্ৰকান্ত সন্দিকৈ ভৱন সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয় স্বৰূপে ব্যৱহাৰ কৰা হৈছিল। ভৱনটি নিৰ্মাণৰ বাবে তেতিয়াৰ সভাৰ সম্পাদক শৰৎচন্দ্ৰ গোস্বামী আৰু দাতা ৰাধাকান্ত সন্দিকৈ দুয়ো প্ৰায় সমানে গা লাগি খাতিছিল। ১৯২৬ খৃঃৰ ২

৩. অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী—বেণুধৰ শৰ্মা, ১৯৭২,।

ডিচেম্বৰ তাৰিখে চন্দ্ৰকান্ত সন্দিকৈ ভৱন আনুষ্ঠানিক ভাবে উদ্বোধন কৰি অসমৰ গৱৰ্ণৰ চাৰ জন হেনৰি কাৰে কৈছিল : No more suitable method could have been found by an Assamese father for honouring the memory of his Assamese sons, and I have no doubt, willing and able workers will always, be forth coming to assist in carrying out the benefactor's wish, and that the Institute should become a great centre of Assamese Culture. ⁴, ⁵ । সেই বছৰতে গৱৰ্ণৰে সাহিত্য সভাক চাৰি হাজাৰ টকা দান দিয়ে। ইয়াৰ এহেজাৰ টকা 'ৰেকাৰিং গ্ৰান্ট্' ।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ বাবে ৰাধাকান্ত সন্দিকৈৰ পৰা দানৰ প্ৰতিশ্ৰুতি লাভ কৰা আৰু ভৱন নিৰ্মাণৰ মূলতে শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়া।

ইয়াৰ উপৰিও ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই ১৫০০ টকা দান দি আৰু এটি 'চন্দ্ৰকান্ত ইন্দ্ৰকান্ত সামাজিক সমাৰোহ পুঁজি কৰি দিছিল। এই ফাণ্ডৰ সুতৰ টকাৰে প্ৰতি বছৰে ৯ চেপ্তেম্বৰত চন্দ্ৰকান্ত সন্দিকৈ ভৱন প্ৰাঙ্গণত এটি প্ৰীতি সমাৰোহৰ আয়োজনৰ সিদ্ধান্ত কৰা হৈছিল।

সন্দিকৈৰ দানৰ টকাৰে চন্দ্ৰকান্ত সন্দিকৈ ভৱন নিৰ্মাণ কৰিবলৈ স্থিৰ কৰিলত ৰাধানাথ গোস্বামীয়ে দান দিয়া টকা দুহেজাৰৰ সুতেৰে কমলা দেৱী সাহিত্য সভা ভৱনৰ সলনি কমলা দেৱী শিশু সাহিত্য বঁটা এটি দিবলৈ স্থিৰ কৰা হল। এই বঁটা প্ৰথমতে লাভ কৰিছিল ৰোমেশ্বৰ শৰ্মাই "কথা মহাভাৰতৰ" বাবে (১৯২৪)। বিনন্দচন্দ্ৰ বৰুৱাৰ 'মহাৰাজ নৰনাৰায়ণ' (১৯২৫), ৰাজস্থানৰ গল্প (১৯২৬), ৰোহিনীকান্ত বৰুৱাৰ 'বিজ্ঞানৰ গল্প' (১৯২৬), জীৱন বৰুৱাৰ 'লম্বোদৰ বৰাৰ জীৱনী' (১৯৪০), প্ৰেমধৰ ৰাজখোৱাৰ 'হেমচন্দ্ৰ গোস্বামীৰ জীৱন চৰিত' (১৯৪০), সোণাৰাম শইকীয়াৰ 'আনন্দৰাম বৰুৱাৰ জীৱনী' (১৯৪০), ভ্ৰমৰ শইকীয়াৰ 'পানীন্দ্ৰনাথ গগৈ' আজলীভৰা নেওগৰ 'গুণাভিৰাম বৰুৱাৰ জীৱনী', লীলা গগৈৰ 'জয়মতী কুঁৱৰী আৰু মূলা গাভৰু', লুম্মেৰ দাইৰ 'উদয়াচলৰ সাধু', কমলা দেৱী শিশু সাহিত্য বটা লাভ কৰা আন আন পুথি।

৪. ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া—নকুলচন্দ্ৰ ভূঞা, ১৯৬১। পৃষ্ঠা ৪৮।

৫. The Assam. Sahitya Sabha—K.N. Dutta, 1953, P. 10

কনকলাল বৰুৱাৰ সভাপতিত্বত ১৯২৪ খৃঃৰ ১৯ এপ্ৰিলৰপৰা ডিব্ৰুগড়ত সাহিত্য সভাৰ ষষ্ঠ অধিবেশন অনুষ্ঠিত হয়। ডিব্ৰুগড়তে প্ৰথমতে ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ সভাপতিত্বত সঙ্গীত শাখাৰ অধিবেশন অনুষ্ঠিত হয়। ১৯২৪ খৃঃৰ ২৭ ডিচেম্বৰৰ পৰা লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত গুৱাহাটীত সাহিত্য সভাৰ সপ্তম অধিবেশন অনুষ্ঠিত হৈছিল। এই বছৰতে নবদেৱ গ্ৰন্থাৱলীৰ প্ৰথম পুথি নীলকণ্ঠ দাস ৰচিত 'দেব দামোদৰ চৰিত' ছপা হৈ ওলায় (১৯১৫)। ৰমাকান্ত দ্বিজৰ "শ্ৰীশ্ৰীবনমালী দেৱৰ চৰিত্ৰ' (১৯২৮), বলৰাম দ্বিজৰ 'শ্ৰীশ্ৰীব্ৰহ্মবৈবৰ্ত্ত পুৰাণ' (১৯৩২) ভাগৱত মিশ্ৰৰ 'স্বাত্বত তন্ত্ৰ' (১৯৪৩), হৰিবৰ বিপ্ৰৰ 'লবকুশৰ যুদ্ধ' (১৯৫৭), শ্ৰীকান্ত সূৰ্য্য বিপ্ৰৰ 'ৰামায়ণ লঙ্কাকাণ্ড' (১৯৭৪) নবদেৱ গ্ৰন্থাৱলীৰ আন আন পুথি।

গুৱাহাটী অধিবেশনৰ পিচতে 'হেমকোষ' প্ৰণেতা হেমচন্দ্ৰ বৰুৱাৰ স্মৃতি ৰক্ষাৰ্থে উজান বজাৰৰ তেওঁৰ বাস ভৱনত এখন স্মৃতি ফলক নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰি পিচত সেই প্ৰস্তাৱ কাৰ্য্যকৰী কৰা হয়।

১৯২৫ খৃঃৰ ২৭ ডিচেম্বৰৰ পৰা ৰজনীকান্ত বৰদলৈৰ সভাপতিত্বত নগাওঁত সাহিত্য সভাৰ অষ্টম অধিবেশন অনুষ্ঠিত হৈছিল। সেই অধিবেশনতে সাহিত্য সভা পত্ৰিকা এখন উলিয়াবলৈ এটা প্ৰস্তাৱ গ্ৰহণ কৰি চন্দ্ৰধৰ বৰুৱাক পত্ৰিকা সম্পাদক নিৰ্বাচিত কৰা হয়।

চন্দ্ৰধৰ বৰুৱাৰ সম্পাদনাত সাহিত্য সভা পত্ৰিকাৰ প্ৰথম সংখ্যা প্ৰকাশ হয় আহিন-আঘোন, ১৮৪৮-৪৯ শক অৰ্থাৎ ১৯২৬ খৃঃৰ পৰা। পত্ৰিকা তিনিমহীয়াকৈ বছৰত চাৰি সংখ্যা প্ৰকাশ হৈছিল। বছৰেকীয়া বৰঙনি তিনি টকা আৰু যি সকলে চাৰি টকা বৰঙনি দি সাহিত্য সভাৰ সভ্য হয় সেই সকলক পত্ৰিকা বিনামূলীয়াকৈ দিয়া হয়।

সেই সময়ত কাৰ্য্য নিৰ্বাহকৰ সদস্য সংখ্যা আছিল ২০ জন। তেতিয়াৰ দিনত কাৰ্য্য নিৰ্বাহকৰ সদস্যসকলে আজি কালিৰ দৰে ভ্ৰমণ বানচ লোৱা নাছিল। সাহিত্য সভাৰ শাখাৰ সংখ্যা আছিল ২৫ খন—ডিব্ৰুগড়, ঢকুৱা খানা, নগাওঁ, তেজপুৰ, শিৱসাগৰ, গুৱাহাটী অঃ ভাঃ উঃ সভা, গৌৰীপুৰ, নলবাৰী, যোৰহাট, মাজুলী, বৰদলনী, দেৰগাওঁ, বৰনগৰ, টেঙাখাট, বগৰীবাৰী উত্তৰ লক্ষীমপুৰ, গোলাঘাট, যোৰহাট—মৰিয়নী আলোচনী, কলিকতা, বজালী, ঢলপুৰ, ডুমডুমা, খেকাপাৰা, তেজপুৰ অঃ ভাঃ উঃ সাঃ সভা আৰু ধুবুৰী। সভ্যৰ সংখ্যা ২০৮।

চৰকাৰী এহেজাৰ টকাৰ অনুদানৰ উপৰিও অসমৰ ভালেকেইখন লোকেল বোৰ্ড আৰু মিউনিচিপালিটিৰপৰা প্ৰায় ৫২৫ টকা দান বা সহায় স্বৰূপে লাভ কৰিছিল। ইয়াৰ কেই বছৰ মান আগৰেপৰা সাহিত্য সভাৰ এজন বেতন ভোগী কৰ্মচাৰীও নিয়োগ কৰিছিল। [৬,৭]

চন্দ্ৰকান্ত অভিধান প্ৰণয়নৰ সিদ্ধান্ত কৰি প্ৰথমতে সাহিত্য সভাই দুৰ্গাধৰ বৰকটকীক নিয়োগ কৰিছিল, কিন্তু অলপ দিন কাম কৰিয়েই তেওঁ আঁতৰি যায়। ১৯২৪ খৃঃৰ ১৯ চেপ্তেম্বৰৰপৰা কোহিৰাম দাসক 'মাহে ৭৫ টকা বানচত অভিধান প্ৰণয়নৰ কামত নিয়োগ কৰা হৈছিল। পিচত অভিধানৰ কাম বেছি হোৱাত, নকুল চন্দ্ৰ ভূঞাকো মাহে ২৫ টকা বানচত নিযুক্ত কৰা হৈছিল।' নকুল চন্দ্ৰ ভূঞা তেতিয়া সাহিত্য সভাৰ সহকাৰী সম্পাদক। অভিধানৰ কামত যোগ দিয়াত তেওঁ সহকাৰী সম্পাদকৰ কাম এৰিছিল। পিচত নকুল চন্দ্ৰ ভূঞাৰ ঠাইত নগাওঁৰ কদ্ৰকান্ত গোস্বামীয়ে অভিধানৰ কাম কৰিছিল। [৮] অভিধান প্ৰণয়নৰ কামত গা লাগি খাতিছিল শৰৎ চন্দ্ৰ গোস্বামী আৰু ৰাধাকান্ত সন্দিকৈয়ে। শৰৎ চন্দ্ৰ গোস্বামী সাহিত্য সভাৰ প্ৰধান সম্পাদক থকা কালছোৱাতে অভিধানৰ কাম আৰম্ভ হৈছিল। কোহিৰাম দাসে ১৯২৭ খৃঃৰ ৩০ নবেম্বৰলৈকে অভিধানৰ কাম কৰি 'ম' আখৰলৈকে লিখে। অভিধান খন ছপা হৈ ওলায় দেৱেশ্বৰ চলিহা সম্পাদক থকা কাল-ছোৱাত অৰ্থাত ১৯৩৩ খৃঃত। [৯]

সেই সময়ত সাহিত্য সভাৰ মুকলি অধিবেশনত গ্ৰহণ কৰা প্ৰস্তাৱ বিলাকৰ ভিতৰত অসমত এটি মিউজিয়াম স্থাপন কৰা, কটন কলেজত স্থায়ী অসমীয়া অধ্যাপক নিয়োগ কৰা, ধুবুৰী আদালত আৰু গোৱালপাৰা জিলাৰ জমি-দাৰৰ আদালত আৰু ৰাজ দৰবাৰত চৰকাৰী ভাষা হিচাপে অসমীয়া ভাষা প্ৰয়োগ কৰা প্ৰস্তাৱেই আছিল ঘাই প্ৰস্তাৱ। কলিকতা, ঢাকা আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়তো অসমীয়া পাঠ্য পুথি নিৰ্বাচন কৰোঁতে সাহিত্য সভাৰ লগত আলোচনা কৰিবলৈ প্ৰস্তাৱ যোগে অনুৰোধ কৰা হৈছিল।

---

৬. অসম সাহিত্য সভা পত্ৰিকা, প্ৰথম বছৰ প্ৰথম সংখ্যা। সঃ চন্দ্ৰধৰ বৰুৱা
৭. সাহিত্য সভাৰ কথা—শৰৎ চন্দ্ৰ গোস্বামী। অসম সাহিত্য সভা পত্ৰিকা, নতুন প্ৰকাশ, ২য়-৩য় সংখ্যা। সঃ কেশৱ নাৰায়ণ দত্ত
৮. অসম সাহিত্য সভাৰ কাৰ্য্য-বিবৰণী, ৮ম বছৰ। অঃসাঃসঃ পত্ৰিকা ১ম ব. ১ম সঃ
৯. সাহিত্য সভাৰ কথা—শৰৎ চন্দ্ৰ গোস্বামী। অঃ সাঃ প্ৰঃ ২য় ৩য়

ধুবুৰীত অনুষ্ঠিত নৱম অধিৱেশনতো শৰৎ চন্দ্ৰ গোস্বামী প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল ; কিন্তু তেওঁৰ ইন্‌স্‌পেক্টৰ পদলৈ পদোন্নতি হোৱাত প্ৰধান সম্পাদকৰ কাৰ্য্যকাল শেষ নোহওঁতেই পূৰ্ণানন্দ শৰ্মা পাঠকক কাৰ্য্য ভাৰ দি সাহিত্য সভাৰ দায়িত্বৰ পৰা অব্যাহতি লব লগা হয়। পূৰ্ণানন্দ শৰ্মা পাঠক গোৱালপাৰা আৰু যোৰহাটত অনুষ্ঠিত দশম-একাদশ অধিৱেশনত পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। তেওঁৰ কাৰ্য্যকালতে ১৫০০ টকাৰ নতুন পুথি কিনি সাহিত্য সভাৰ পুথি ভঁড়াল টনকিয়াল কৰা হয়। বোমেশ্বৰ শৰ্মা, দেৱানন্দ ভঁড়ালী, মিত্ৰদেৱ মহন্ত প্ৰভৃতিয়ে উক্ত পুথি ভঁড়ালৰ দায়িত্ব বহন কৰিছিল। গোলাঘাটত অনুষ্ঠিত দ্বাদশ অধিৱেশনত কমলা কান্ত বৰুৱা প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল ; কিন্তু তেওঁৰ আকস্মিক মৃত্যুত দেৱেশ্বৰ চলিহাই প্ৰধান সম্পাদকৰ দায়িত্ব বহন কৰিব লগা হয়।

শিৱসাগৰত জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত ত্ৰয়োদশ অধিৱেশনত সাহিত্য ৰথী লক্ষ্মীনাথ বেজবৰুৱাক সম্বৰ্দ্ধনা জনোৱা হয়। এই সভাতে সভাপতি চৌধুৰীয়ে বেজবৰুৱাক 'ৰসৰাজ' উপাধিৰে বিভূষিত কৰিছিল। জ্ঞানদাভিৰাম বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত চতুৰ্দশ অধিৱেশনত গোহাঞি বৰুৱাক সম্বৰ্দ্ধনা জনোৱা হয়। এই বছৰতে চন্দ্ৰকান্ত অভিধান ছপা হৈ ওলায়। ইয়াৰ মূল্য আছিল ৭ টকা।

আনন্দ চন্দ্ৰ আগৰৱালাৰ সভাপতিত্বত মঙ্গলদৈত অনুষ্ঠিত পঞ্চদশ সন্মিলনত চন্দ্ৰধৰ বৰুৱা প্ৰধান সম্পাদক নিৰ্বাচিত হয়। ৰঘুনাথ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত ষোড়শ অধিৱেশনত আৰু কৃষ্ণকান্ত সন্দিকৈৰ সভাপতিত্বত অনুষ্ঠিত সপ্তদশ অধিৱেশনত ক্ৰমে দেৱানন্দ শৰ্মা আৰু ৰামেশ্বৰ বৰুৱা প্ৰধান সম্পাদক স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল। সপ্তদশ গুৱাহাটী অধিৱেশনতে প্ৰথমতে 'প্ৰবন্ধ সংগ্ৰহ' শীৰ্ষক এখনি স্মৃতি গ্ৰন্থ মাধৱ বেজবৰুৱাৰ সম্পাদনত অভ্যৰ্থনা সমিতিয়ে প্ৰকাশ কৰিছিল। উক্ত অধিৱেশনতে মূল সভাৰ উপৰিও আছিল বুৰঞ্জী, সঙ্গীত, দৰ্শন, অৰ্থনীতি পুথিভঁড়াল আদি কেবাটিও শাখা। অষ্টদশ অধিৱেশনতো ৰামেশ্বৰ বৰুৱা পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

১৯৩৭ খৃঃত গুৱাহাটীত অনুষ্ঠিত সপ্তদশ অধিৱেশনৰ পাচত সাহিত্য সভাৰ আৰ্থিক আৰু নিয়ম তান্ত্ৰিক নানান সংকটৰ সমূখীন হ'ব লগা হয়। এই কালছোৱাত সেইবাবে কেবাখনো বিশেষ অধিৱেশন বহুৱাব লগা হৈছিল। সেই বিষয়ে 'ভাষণাৱলী' দ্বিতীয় ভাগৰ ওপৰঞ্চিত লিখিছে—

"অসম সাহিত্য সভাৰ অৱস্থা টনকিয়াল কৰাৰ উদ্দেশ্যৰে আৰু সভাৰ স্থায়ীত্ব ৰক্ষাৰ নিমিত্তে ১৯৩৯ চনৰ এপ্ৰিলৰ ৮,৯ তাৰিখে 'চন্দ্ৰকান্ত সন্দিকৈ ভৱনত' ৰায় বাহাদুৰ হেৰম্ব প্ৰসাদ বৰুৱা এম, এ, বি, এল, দেৱৰ সভাপতিত্বত এখন বিশেষ অধিবেশন বহে। সভাৰ চতুৰ্দশ অধিবেশনৰ পৰা সপ্তদশ অধিবেশনলৈ সংশোধিত নিয়মাৱলী সম্পূৰ্ণ কৰা হয়। ১৯৪০ চনৰ জুলাই মাহৰ ২৭।২৮ তাৰিখে খান চাহেব জেহিৰুদ্দিন আহম্মদ বি, টি, দেৱৰ সভাপতিত্বত চন্দ্ৰকান্ত সন্দিকৈ ভৱনত অসম সাহিত্য সভাৰ এখন সাধাৰণ অধিবেশন বহে।...... ১৯৪২ খৃঃৰ ৪ এপ্ৰিলত বাগ্মীবৰ নীলমণি ফুকন দেৱৰ সভাপতিত্বত চন্দ্ৰকান্ত সন্দিকৈ ভৱনত অসম সাহিত্য সভাৰ এখন জৰুৰী অধিবেশন বহে।"

"অসম সাহিত্য সভাৰ বিচাৰক সমিতিৰ ৰায় অনুসৰি এই অধিবেশনে সপ্তদশ অধিবেশনত নিৰ্বাচিত প্ৰধান সম্পাদক বা সহকাৰী সম্পাদকক ১৫ এপ্ৰিলৰ ভিতৰত কাৰ্য্যভাৰ লবলৈ আৰু সেই অধিবেশনত নিৰ্বাচিত কাৰ্য্য নিৰ্বাহক সভাৰ সদস্যসকলক নিমন্ত্ৰণ কৰি এমাহৰ ভিতৰত কাৰ্য্য নিৰ্বাহক সভাৰ বৈঠক বহুৱাবলৈ নিৰ্দেশ দিয়ে। ৰামেশ্বৰ বৰুৱা দেৱে পুনৰ প্ৰধান সম্পাদকৰ ভাৰ লয়। সাহিত্য সভাৰ নিয়ম-তান্ত্ৰিক অচল অৱস্থা দূৰ হ'ল; কিন্তু আগৰ দুৰ্বলতা নুগুচিল।" [১০]

১৯২৬—২৭ খৃঃত নগাওঁ অধিবেশনৰ পৰা সাহিত্য সভাই চৰকাৰৰ পৰা এহেজাৰ টকা অনুদান লাভ কৰিছিল; কিন্তু ১৯৩০ খৃঃৰ পৰা এই অনুদান বন্ধ হয়। ১৯৩৫-৩৬ খৃঃত মাত্ৰ পত্ৰিকা প্ৰকাশৰ বাবে ছশ টকা দিয়া হৈছিল। অৱশ্যে পিচত এই অনুদান ১৫০০ টকালৈ বৃদ্ধি হয়। ১৯৫২। ৫৩ খৃঃৰ পৰা এই অনুদান ২৫০০ টকা হয়। ইয়াৰ পিচত ১৯৫৩ খৃঃৰ পৰা অনুদান দহ হাজাৰ আৰু ১৯৬৭ খৃঃৰ পৰা পোন্ধৰ হাজাৰলৈ বৰ্দ্ধিত কৰা হয়।

পূৰ্বতে সাহিত্য সভাৰ সভাপতিসকলক কেৱল মুকলি অধিবেশনতহে সভাপতিত্ব কৰিবলৈ নিৰ্বাচিত কৰা হৈছিল। অধিবেশনৰ পিচত কাৰ্য্যনিৰ্বাহকৰ সদস্য এজনকে সভাপতিৰ আসনত বহুৱাই সভাৰ কাম চলোৱা হৈছিল। তেতিয়াৰ দিনত প্ৰধান সম্পাদকেই আছিল সভাৰ সৰ্বময় কৰ্তা স্বৰূপ।

এই নিয়মৰ পৰিবৰ্ত্তন ঘটিল ১৯৪৪ খৃঃত বাগ্মীবৰ নীলমণি ফুকনৰ সভাপতিত্বত শিৱসাগৰত অনুষ্ঠিত সাহিত্য সভাৰ উনবিংশ অধিবেশনৰপৰা।

১০. ভাষণাৱলী দ্বিতীয় ভাগ। সঃ অতুল চন্দ্ৰ হাজৰিকা। ওপৰঞ্চি পৃ. ২৫৭

তেতিয়াৰ পৰা মূকলি অধিবেশনলৈকে নিৰ্বাচিত সভাপতিয়ে গোটেই বছৰ ধৰি অৰ্থাৎ পিচৰ অধিবেশনলৈ সভাৰ মূৰব্বী স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰাৰ নিয়ম প্ৰবৰ্ত্তিত হল। তেতিয়াৰপৰা সাহিত্য সভাৰ নাম পূৰ্বৰ আসাম সাহিত্য সভাৰ ঠাইত হল "অসম সাহিত্য সভা" (Asom Sahitya Sabha)। এই কালছোৱাতে এগৰাকী আজীৱন সভ্যৰে আচুতীয়া অক্ষয় পুঁজি গঠন কৰা হয়। সেই বছৰ প্ৰধান সম্পাদক নিৰ্বাচিত হৈছিল ডিম্বেশ্বৰ নেওগ। ইয়াৰ পূৰ্বতে দ্বিতীয় মহাসমৰৰ ঢৌৱে গাওঁ-ভূঁই, নগৰ চহৰ সকলো চুই গৈছিল। সেই সময়তে চন্দ্ৰকান্ত সন্দিকৈ ভৱনো সামৰিক বাহিনীয়ে দখল কৰিছিল। ফলত সাহিত্য সভাৰ কাৰ্য্যালয়ৰ ভালেমান পুৰণি কাগজ পত্ৰ, পুথি ভঁড়ালৰ কিতাপ আদি নষ্ট হৈছিল। ১৯৪৭ খৃঃত ডিব্ৰুগড়ত অনুষ্ঠিত বিংশ অধিবেশনত পুনৰ নীলমণি ফুকন সভাপতি নিৰ্বাচিত হৈছিল। প্ৰধান সম্পাদক মুক্তানাথ বৰুৱা।

মাৰ্ঘেৰিটাত অনুষ্ঠিত একবিংশ অধিবেশনৰ সভাপতি অম্বিকাগিৰী ৰায়-চৌধুৰী আৰু প্ৰধান সম্পাদক কেশৱ নাৰায়ণ দত্ত। মাৰ্ঘেৰিটা অধিবেশনতে অসমীয়া ৰাজ্য ভাষা হ'ব লাগে বুলি প্ৰস্তাব গৃহীত হৈছিল। ১৯৫০ খৃঃৰ ১৬ জুলাই তাৰিখে ৰাজ্য জুৰি ৰাজ্য ভাষা দিবস পালন কৰা হৈছিল।

১৯৫১ খৃঃৰ মাৰ্চ মাহত নতুন দিল্লীত অনুষ্ঠিত সদৌ ভাৰত সাংস্কৃতিক সভাত পোন প্ৰথম বাৰৰ বাবে সাহিত্য সভাৰ হৈ সভাপতি অম্বিকাগিৰী ৰায়চৌধুৰী, প্ৰধান সম্পাদক কেশৱ নাৰায়ণ দত্ত আৰু সহযোগী সম্পাদক হেম দত্তই যোগদান কৰিছিল। নতুন দিল্লীৰ লালকিল্লাত অনুষ্ঠিত প্ৰদৰ্শনীত অসমীয়া পুথি চিত্ৰ আৰু অসম সম্পৰ্কীয় মানচিত্ৰ আদি প্ৰদৰ্শন কৰা হৈছিল। কেশৱ নাৰায়ণ দত্তই প্ৰধান সম্পাদক স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰাৰ উপৰিও বহুদিনৰে পৰ অনিয়মীয়া হৈ থকা পত্ৰিকাখনো তেওঁৰেই সম্পাদনাত 'নতুন প্ৰকাশ'ৰূপে প্ৰকাশ কৰিছিল। 'The Asom Sahitya Sabha' সম্পাদক কেশৱনাৰায়ণ দত্তই ইংৰাজীত ৰচনা কৰা এখনি সাহিত্য সভাৰ চমু ইতিহাস (১৯৫৩)। সেই সময়ত সাহিত্য সভাৰ মুঠ শাখা ৩৮ খন।

অসম সাহিত্য সভাই নতুন জীৱন লাভ কৰিলে ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাৰ সভাপতিত্বত ১৯৫৩ খৃঃৰ ৮ নবেম্বৰৰ পৰা ছিলঙত অনুষ্ঠিত দ্বাবিংশ অধিবেশনৰ পৰা। অতুলচন্দ্ৰ হাজৰিকা দ্বাবিংশ ছিলং অধিবেশনৰপৰা চতুৰবিংশ গুৱাহাটী অধিবেশনলৈ একেবাৰে তিনিবাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। তেওঁৱেই সাহিত্য সভাক এটি নতুন জীৱন দি অধিক কৰ্মমুখৰ কৰিলে। লুপ্তপ্ৰায়

ন্যাস সমিতিবোৰ বহু যত্ন কৰি উদ্ধাৰ কৰিলে। এই কালছোৱাতে ৰাজ্য পুনৰ গঠন আয়োগৰ হাতত সাহিত্যসভাৰ পক্ষৰপৰা এটি প্ৰতিনিধি দলে স্মাৰকপত্ৰ প্ৰদান কৰিছিল। ১৯৫৬ খৃঃৰ ৯ জুনত ৰাজ্য জুৰি নেফা দিবস পালন কৰা হৈছিল। শিৱপ্ৰসাদ বৰুৱাই নতুন দিল্লীত অনুষ্ঠিত ইউনেস্ক' বা বিশ্বৰাষ্ট্ৰসংঘৰ সাংস্কৃতিক অনুষ্ঠানত সাহিত্য সভাৰ প্ৰতিনিধিস্বৰূপে যোগদান কৰিছিল।

পিচত ক্ৰমে ৰূপালী জয়ন্তী ধুবুৰী অধিবেশনত পৰাগধৰ চলিহা, ষড়বিংশ তিনিচুকীয়া অধিবেশনত বিনন্দচন্দ্ৰ বৰুৱা আৰু সপ্তবিংশ অধিবেশনত যতীন্দ্ৰ নাথ গোস্বামী প্ৰধান সম্পাদক নিৰ্বাচিত হয়। নগাওঁ অধিবেশনৰ প্ৰস্তাৱ অনুসৰি ১৯৫৯ খৃঃৰ ১৬ জুনত পোন প্ৰথম বাৰৰ বাবে সাহিত্য সভাৰ পক্ষৰ পৰা আনন্দৰাম ঢেকিয়াল ফুকনৰ মৃত্যু শতবাৰ্ষিকী উছৱ ৰাজহুৱা ভাবে উৎযাপন কৰা হৈছিল। শতবাৰ্ষিকী উছৱ উপলক্ষে 'আনন্দৰাম ঢেকিয়াল ফুকন' শতবাৰ্ষিকী সোৱৰণী গ্ৰন্থ (সঃ যতীন্দ্ৰনাথ গোস্বামী) প্ৰকাশ কৰা হৈছিল। উছৱ উপলক্ষে প্ৰকাশ কৰা আন এখন পুথি 'অসমীয়া ভাষা'। 'অসমীয়া ভাষা' ঢেকিয়াল ফুকনৰ A Few Remarks on the Assamese Language by A Native গ্ৰন্থৰ ডক্টৰ মহেশ্বৰ নেওগে কৰা অসমীয়া অনুবাদ।

১৯৬০ খৃঃত পলাশবাৰীত অনুষ্ঠিত অষ্টবিংশ অধিবেশনত ডক্টৰ মহেশ্বৰ নেওগ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। সভাপতি ত্ৰৈলোক্যনাথ গোস্বামী। ১৯৬৫ খৃঃত নলবাৰীত অনুষ্ঠিত দ্বাত্ৰিংশ সম্মিলনলৈ চাৰি বছৰ কাল একেৰাহে (মাজতে গোৱালপাৰা, নাজিৰা আৰু ডিগবৈ অধিবেশন) ডক্টৰ নেওগে প্ৰধান সম্পাদক স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল। এই কালছোৱাত সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহকৰ কাল আছিল দুবছৰীয়া। ডক্টৰ নেওগৰ কাৰ্য্যকালত সাহিত্য সভা অধিক কৰ্মমুখৰ হৈ পৰিছিল। সেই সময়তে পাৰ্বতীপ্ৰসাদ বৰুৱাৰপৰা দান স্বৰূপে পোৱা ৫০ হাজাৰ টকা আৰু কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰপৰা অনুদান স্বৰূপে লাভ কৰা ৫০ হাজাৰ টকাৰে গুৱাহাটীত সাহিত্য সভাৰ সভাঘৰ আৰু কাৰ্য্যালয় স্বৰূপে 'ভগৱতীপ্ৰসাদ বৰুৱা' ভৱন নিৰ্মাণ কৰা হয়। ১৯৬১ খৃঃৰ ৭ এপ্ৰিল তাৰিখে ৰাজ্যপাল বিষ্ণু সহায়ে ভৱনৰ আধাৰ শিলা স্থাপন কৰিছিল। ১৯৬৫ খৃঃৰ ২ জানুৱাৰীত গুৱাহাটীত অনুষ্ঠিত অখিল ভাৰতীয় প্ৰাচ্যবিদ্যা সম্মিলনৰ লগতে সম্মিলনৰ সভাপতি ডক্টৰ

বাসুদেৱচৰণ অগ্ৰৱালে ভগৱতী প্ৰসাদ বৰুৱা ভৱন মুকলি কৰিছিল। এই ভৱনতে অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্য্যালয় মুকলি কৰা হয়। তেতিয়াৰে পৰা এই কাৰ্য্যালয়লৈ এজন সহকাৰী সম্পাদক নিৰ্বাচন কৰা হয়। ডক্টৰ হেমন্ত কুমাৰ শৰ্মা, দুৰ্গেশ্বৰ শৰ্মা, নন্দ তালুকদাৰ, ভগগিৰী ৰায়চৌধুৰী, গোবিন্দচন্দ্ৰ মহন্ত আৰু প্ৰসন্নৰাম দাস ক্ৰমে গুৱাহাটী কাৰ্য্যালয়ৰ সহকাৰী সম্পাদক।

ডক্টৰ নেওগ প্ৰধান সম্পাদক থকা কালছোৱাতে সাহিত্য সভাৰ পক্ষৰ পৰা এটা শুভেচ্ছা বাহী দল টিৰাপ, লোহিত আৰু ছিয়াং সীমান্ত ভ্ৰমণ কৰিছিল। ডক্টৰ নেওগ, পৰাগধৰ চলিহা, হৰি প্ৰসাদ নেওগ আৰু লীলা গগৈ শুভেচ্ছা জ্ঞাপক দলটিৰ সদস্য।

১৯৬১ খৃঃৰ জানুৱাৰীত সাহিত্য সভাৰ পক্ষৰপৰা বিহগী কবি ৰঘুনাথ চৌধুৰীক সম্বৰ্দ্ধনা জনোৱা হয়। ১৯৬০ খৃঃৰ ডিচেম্বৰ মাহত সন্দিকৈ ভৱনত দানবীৰ ৰাধাকান্ত সন্দিকৈৰ এটি আঠ ধতুৰা মূৰ্ত্তি উন্মোচন কৰা হয়। এই কালছোৱাত ভালে কেইখন পুথিয়ো প্ৰকাশ হৈছিল।

১৯৬৫ খৃঃত নলবাৰী অধিবেশনত হৰি প্ৰসাদ নেওগ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। ১৯৬৯ খৃঃত অনুষ্ঠিত বৰপেটা অধিবেশনলৈকে (মাজতে উত্তৰ লক্ষীমপুৰ, ডিব্ৰুগড়, তেজপুৰ অধিবেশন) নেওগে প্ৰধান সম্পাদক স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল। তেওঁৰ কাৰ্য্যকাল ছোৱাত দেৱানন্দ ভ'ড়ালী, প্ৰমথ নাথ চক্ৰৱৰ্ত্তী, মহাদেৱ শৰ্ম্মা আৰু শৈলধৰ ৰাজখোৱাক ৰাজহুৱা ভাৱে সাহিত্য সভাৰ পক্ষৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। নেওগৰ কাৰ্য্য কালতে ১৯৬৭ খৃঃৰ ২৪ আৰু ২৮ নবেম্বৰতে ৰজনী কান্ত বৰদলৈ আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম শতবাৰ্ষিকী উৎসব উদযাপন কৰা হয়। শতবাৰ্ষিকী উৎসৱ উপলক্ষে কেবাখনো স্মৃতি গ্ৰন্থ আৰু আন আন পুথি প্ৰকাশ হয়।

নেওগৰ কাৰ্য্যকালৰ সকলোতকৈ উল্লেখযোগ্য ১৯৬৮ খৃঃৰ ৫ অক্টোবৰৰ পৰা বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উৎসৱ উদযাপন। বেজবৰুৱাৰ শতবাৰ্ষিকী উৎসৱে অসমৰ চুকে কোণে যি এক অভূত পূৰ্ব জাগৰণ আনি দিছিল, সাহিত্য সভাৰ বুৰঞ্জীত এনে জাগৰণ কোনো উৎসৱ বা কাৰ্য্যই আনিব পৰা নাছিল। প্ৰখ্যাত বঙালী সাহিত্যিক অন্নদা শঙ্কৰ ৰায়ে অসমৰ বিভিন্ন ঠাইৰ উৎসৱত যোগদান কৰিছিল। সেই সময়তে পোন প্ৰথম বাৰৰ বাবে বেজ-বৰুৱাৰ প্ৰতিকৃতিৰে এটি ডাক টিকট উলিয়াইছিল। বেজবৰুৱাৰ জীৱনৰ ওপৰত ভেটি কৰি এখনি তথ্য চিত্ৰও প্ৰযোজনা কৰা হৈছিল। নতুন দিল্লী,

কলিকতা আৰু সম্বল পুৰত সাহিত্য সভাৰ পক্ষৰপৰা বেজবৰুৱাৰ শতবাৰ্ষিকী উৎসৱ উদ্‌যাপন কৰা হৈছিল। ৰাষ্ট্ৰপতি জাকিৰ হুচেইন, ডক্টৰ প্ৰভাকৰ মাচুৱে, ডক্টৰ ত্ৰিগুণা সেন, কাকাছাহেব কালেলকাৰ, ফখৰুদ্দিন আলি আহম্মদে (বৰ্ত্তমান ৰাষ্ট্ৰপতি) নতুন দিল্লী অনুষ্ঠানত, ডক্টৰ সুনীতি কুমাৰ চট্টোপাধ্যায়ে কলিকতা অনুষ্ঠানত আৰু শ্ৰদ্ধাকৰ চুপকাৰ প্ৰভৃতিয়ে সম্বল পুৰৰ অনুষ্ঠানত যোগদান কৰিছিল।

নেওগৰ কাৰ্য্যকালতে মৃত্যু বৰণ কৰা সাহিত্য সভাৰ সভাপতি ডিম্বেশ্বৰ নেওগ, অম্বিকাগিৰী ৰায়চৌধুৰী, ৰঘুনাথ চৌধাৰী আৰু নকুল চন্দ্ৰ ভূঞাৰ স্মৃতিত একোখনিকৈ স্মৃতি গ্ৰন্থ সংকলন কৰা হৈছিল।

বেজবৰুৱাৰ শতবাৰ্ষিকী উৎসৱ উপলক্ষে অতুলচন্দ্ৰ হাজৰিকাৰ সম্পাদনাত দুই খণ্ডত প্ৰকাশিত 'বেজবৰুৱাৰ গ্ৰন্থাৱলী' আৰু বেজবৰুৱা সম্পৰ্কীয় সকবৰ ১৫ খন গ্ৰন্থ প্ৰকাশ হৈছিল। উৎসৱ উপলক্ষে অসমৰ বিভিন্ন চহৰৰপৰাও আলোচনী, স্মৃতি গ্ৰন্থ আদি প্ৰকাশ কৰিছিল। হৰি প্ৰসাদ নেওগৰ অক্লান্ত পৰিশ্ৰমৰ ফলত অসম সাহিত্য সভা এখনি গতিশীল অনুষ্ঠান হৈ পৰিছিল।

বৰপেটা অধিবেশনত ছৈয়দ আব্‌দুল মালিক প্ৰধান সম্পাদক নিৰ্বাচিত হয়। তেওঁৰ কাৰ্য্যকালত ধিঙত আৱাহনৰ সম্পাদক ডাক্তৰ দীন নাথ শৰ্মা আৰু মহেন্দ্ৰ নাথ ডেকাফুকনক সম্বৰ্দ্ধনা জনোৱা হয়। সপ্তত্ৰিংশ ধিং অধিবেশনৰপৰা চত্বাৰিংশ ৰঙিয়া অধিবেশনলৈ (মাজতে মাকুম, ধুবুৰী) যতীন্দ্ৰ নাথ গোস্বামীয়ে দ্বিতীয়বাৰ প্ৰধান সম্পাদক স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল। এই কালছোৱাতে মফিজুদ্দিন আহম্মদ হাজৰিকা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা, বেণুধৰ ৰাজখোৱা আৰু কনকলাল বৰুৱাৰ জন্ম শতবাৰ্ষিকী উচৱ পালন কৰা হয়।

হেম বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত ধুবুৰী অধিবেশনতে অমিয়কুমাৰ দাসক সম্বৰ্ধনা জনোৱা হয়। শিক্ষাৰ মাধ্যম আন্দোলনে এই বছৰটোত অসমৰ জাতীয় জীৱনত এক সঙ্কটৰ সৃষ্টি কৰিছিল। মাধ্যম আন্দোলনৰ বাবে সাহিত্য সভাও হ'ব লগা হৈছিল অধিক সচেতন।

চত্বাৰিংশ ৰঙিয়া অধিবেশনৰ সভাপতি গিৰিধৰ শৰ্মা আৰু প্ৰধান সম্পাদক নগেন শইকীয়া। কেবাটিও দিশৰপৰা সাহিত্য সভাৰ বাবে এই বছৰটো লেখত লবলগীয়া। এই বছৰতে ত্ৰিংশ বছৰ অসম সাহিত্য সভা পত্ৰিকা ডক্টৰ হেমন্তকুমাৰ শৰ্মাৰ সম্পাদনত প্ৰথম বাৰৰ বাবে মাহেকীয়া ৰূপে

প্ৰকাশ হয়। গুৱাহাটীত আয়োজন কৰা প্ৰথম লেখক শিবিৰ আন এটি উল্লেখযোগ্য পদক্ষেপ। ৭০ গৰাকী নবীন প্ৰবীণ সাহিত্যিকে অংশ গ্ৰহণ কৰা 'লেখক শিবিৰ'ৰ আলোচনাৰ বিষয় অসমৰ জনজাতীয় সাহিত্য আৰু অসমীয়া কবিতা, উপন্যাস, চুটি গল্প, নাটক আলোচনা সাহিত্য। শিবিৰৰ সঞ্চালক ডক্টৰ মহেশ্বৰ নেওগ।

সাহিত্য সভাৰ বিবিধ বিষয়ৰ নতুন প্ৰকাশনসমূহেও বছৰটো সমৃদ্ধ কৰিছিল। 'অসমীয়া জাতিৰ ইতিবৃত্ত', ৰাজেন ৰাভাৰ 'ৰাভা জনজাতি', ডক্টৰ কালীচৰণ দাসৰ 'ছক্রেটিছ', শৰৎচন্দ্ৰ গোস্বামীৰ 'প্লেটো', ডক্টৰ শৈলেন্দ্ৰ প্ৰসাদ ভঁড়ালীৰ 'নাটক', ডক্টৰ গোবিন্দ প্ৰসাদ শৰ্মাৰ 'জীৱনী', ৰায়হান চাহৰ 'জেমছ বছৱেলৰ ছেমুৱেল জনচনৰ জীৱনী', ডক্টৰ মুকুন্দমাধৱ শৰ্মাৰ 'স্বপ্ন বাসৱদত্তা' আৰু ছগনলাল জৈনৰ হিন্দী চুটি গল্প অনুবাদ 'একাদশী' উল্লেখযোগ্য। উক্ত গ্ৰন্থৰাজি প্ৰকাশৰ গুৰিতে আছিল সভাপতি শ্ৰীগিৰিধৰ শৰ্মাৰ প্ৰচেষ্টা আৰু একাগ্ৰতা। বিভিন্ন প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষৰ পৰা ধন সংগ্ৰহ কৰিয়েই শ্ৰীশৰ্মাই উক্ত সৰহ ভাগ গ্ৰন্থ প্ৰকাশ কৰিছিল।

এই বছৰতে সাহিত্য সভাই চৰকাৰী অনুদানৰ উপৰিও এক লাখ টকা এককালীন দান লাভ কৰে।

ডক্টৰ মহেশ্বৰ নেওগৰ পৌৰোহিত্যত অনুষ্ঠিত চত্বাৰিংশ মঙ্গলদৈ অধিবেশন উদ্বোধন কৰিছিল উৰিষ্যাৰ প্ৰখ্যাত সাহিত্যিক কালিন্দীচৰণ পাণিগ্ৰাহীয়ে। প্ৰবীণ সাংবাদিক লক্ষ্মীনাথ ফুকন, শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস, শ্ৰীতপেশ্বৰ শৰ্মা আৰু মঙ্গলদৈৰ বুৰঞ্জী প্ৰণেতা শ্ৰীদীনেশ্বৰ শৰ্মাক সাহিত্য সভাৰ পক্ষৰপৰা সম্বৰ্দ্ধনা জনোৱা হয়। প্ৰাক্তন সভাপতি আনন্দচন্দ্ৰ আগৰৱালা আৰু চন্দ্ৰধৰ বৰুৱাৰ জন্ম শতবাৰ্ষিকী উছৱ উদযাপন কৰি দুয়োগৰাকীৰে ৰচনা সংগ্ৰহ প্ৰকাশ কৰা হয়।

১৯৭৪ খৃঃৰ ৬ নবেম্বৰৰপৰা গুৱাহাটীত দ্বিতীয় লেখক শিবিৰ আয়োজন কৰা হৈছিল। অসমৰ জনজাতীয় লোকৰ বাবে উপযোগী লিপি ৰোমান নে অসমীয়া আৰু অসমীয়া লিপিৰ সৰলীকৰণ আছিল আলোচনাৰ বিষয়। আলোচনা চক্ৰৰ সঞ্চালক ডক্টৰ মহেশ্বৰ নেওগ। 'অসমৰ লিপি সমস্যা, এই আলোচনাৰ ভেটিত ৰচনা কৰা গ্ৰন্থ।

সাহিত্য সভাৰ ভিতাবৰ অধিবেশনৰ সভাপতি ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা। মঙ্গলদৈ আৰু ভিতাবৰ অধিবেশনত নগেন শইকীয়া পুনৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। ভিতাবৰ অধিবেশনৰ মুকলি সভা উদ্বোধন কৰিছিল পাঞ্জাবী

বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডক্টৰ কৃপাল সিং নাৰাঙে। ডিতাবৰ অধিবেশনতে হৰিপ্ৰসাদ ৰায়ৰ পৌৰোহিত্যত অনুষ্ঠিত সম্বৰ্দ্ধনা সভাত হৰিপ্ৰসাদ ৰায়, নৱকান্ত বৰুৱা, সীতানাথ ব্ৰহ্মচৌধুৰী, দণ্ডিধৰ ফাটোৱালী, দীননাথ শৰ্মা, গোবিন্দচন্দ্ৰ পৈৰা, সুৰেন্দ্ৰনাথ শইকীয়া, তৰুণচন্দ্ৰ পামেগাম, অতুলচন্দ্ৰ বৰুৱা, ৰাজেন ৰাভা, লংকাম টেৰণ, বিপুনাথ বুঢ়া গোহাই আৰু মণি ৰাভাক প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়।

উক্ত অধিবেশনতে সত্যপ্ৰসাদ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সাংস্কৃতিক সভাত নবীন গোস্বামী, ধনেশ্বৰ দত্ত, বজো শইকীয়া বায়ন, নৰাম ওজা আৰু যুগল দাসক সম্বৰ্দ্ধনা জনোৱা হয়।

১৯৭৫ খৃঃৰ ২৭ আৰু ২৮ অক্টোবৰত আয়োজন কৰা হৈছিল আনন্দৰাম বৰুৱা সোঁৱৰণী বক্তৃতামালা। কাশী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ ঠাকুৰ প্ৰসাদ বৰ্মাই পঞ্চম শতিকাৰ পৰা প্ৰাচীন কামৰূপত গঢ়লৈ উঠা লিপিৰ উল্লেখ সহ ভাৰতীয় লিপি সম্পৰ্কে ভাষণ দিয়ে।

কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ জন্ম শতবাৰ্ষিকী উছৱ উপলক্ষে ১৯৭৫ খৃঃৰ ২৪ ডিচেম্বৰত আয়োজন কৰা হৈছিল সোঁৱৰণী বক্তৃতা। 'অসমৰ উল্লিখনসহ ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা, শীৰ্ষক বক্তৃতা দিছিল শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীয়ে। তৃতীয় লেখক শিবিৰো একেলগে ২৫ আৰু ২৬ ডিচেম্বৰত আয়োজন কৰা হৈছিল। আলোচনাৰ বিষয় 'অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব অধ্যয়ন', 'সাহিত্য আৰু সাহিত্য সমালোচনাৰ ধাৰা', 'লেখক আৰু প্ৰকাশকৰ সম্পৰ্ক আৰু চুক্তি' আৰু "আধুনিক অসমীয়া সঙ্গীতৰ ধাৰা জ্যোতি সঙ্গীত।" ডক্টৰ প্ৰতাপচন্দ্ৰ চৌধুৰী, চৈয়দ আবদুল মালিক, বিপিনকুমাৰ বৰগোহাই আৰু বীৰেণ ফুকন ক্ৰমে চাৰিটি আলোচনা চক্ৰৰ সঞ্চালক। 'অধ্যয়ন চক্ৰ' আলোচনা শিবিৰৰ ভেটিত ৰচনা কৰা গ্ৰন্থ।

১৯৭৬ খৃঃৰ ১৮ জানুৱাৰীত হিতেশ্বৰ বৰ বৰুৱাৰ জন্ম শতবাৰ্ষিকী উছৱ যোৰহাটত কেন্দ্ৰীয় ভাবে উদ্‌যাপন কৰা হয়। 'হিতেশ্বৰ বৰ বৰুৱাৰ স্মৃতি মাল্য' শতবাৰ্ষিকী উছৱ উপলক্ষে প্ৰকাশিত স্মৃতি গ্ৰন্থ।

সাহিত্য সভাৰ ত্ৰয়োচত্বাৰিংশ অধিবেশন ১৯৭৬ খৃঃৰ ১ ফেব্ৰুৱাৰীৰ পৰা শ্ৰীযজ্ঞেশ্বৰ শৰ্মাৰ পৌৰোহিত্যত টিহুত অনুষ্ঠিত হৈছিল। মুকলি সভা উদ্বোধন কৰিছিল ৰাষ্ট্ৰপতি শ্ৰীফখৰুদ্দিন আলি আহমদে। ডক্টৰ হেমন্তকুমাৰ শৰ্মা নতুন বছৰৰ বাবে প্ৰধান সম্পাদক নিৰ্বাচিত হয়।

১৯৭৬ খৃঃৰ ২৪ ডিচেম্বৰৰ পৰা চতুৰ্থ লেখক শিবিৰ তেজপুৰত অনুষ্ঠিত হয়। আলোচনাৰ বিষয় (ক) সাম্প্ৰতিক সাহিত্যৰ ৰুচি, আদৰ্শ আৰু সামাজিক দায়িত্ব আৰু (খ) অসমীয়া সংবাদ পত্ৰ, আলোচনীৰ সমস্যা আৰু মান।

১৯৭৭ খৃঃৰ ২২ জানুৱাৰীৰ পৰা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভকৰাম ফুকনৰ জন্ম শতবাৰ্ষিকী উছৱ আৰু সোৱৰণী বক্তৃতাৰ আয়োজন কৰা হৈছে।

অসম সাহিত্য সভা বৰ্তমান অসমৰ এটি সৰ্ব বৃহৎ অৰাজনৈতিক অনুষ্ঠান। জাতি ধৰ্ম নিৰ্বিশেষে অসমত বাস কৰা সকলো লোকৰে ই এটি প্ৰাণৰ অনুষ্ঠান। অৰাজনৈতিক অনুষ্ঠান হলেও জাতীয় সঙ্কটৰ মূহূৰ্তত ই অসমৰ জাগ্ৰত প্ৰহৰী।

বৰ্তমান সাহিত্য সভাৰ শাখা সভা প্ৰায় ৪৪২ খন সদস্য সংখ্যা প্ৰায় ৫০ হাজাৰ আৰু আজীৱন সভ্য ৫৬৫ জন। ●

শৰৎ চন্দ্ৰ গোস্বামী

যোৰহাট চহৰ, সময় আবেলি, ইন্‌স্‌পেক্টৰ অফিচৰ সমুখৰ এজোপা বৰ আহত গছ। ১৯২৩ খৃঃৰ শেষ ছোৱাৰ কথা। এজন পিন্ধনত চাহাবী লোক; মলীন মুখেৰে আহি গছ জোপাৰ তলত থিয় হল। চকু সেমেকা মন উদাস।

বিপৰীত পিনৰপৰাও চফল আদ বয়সীয়া অনুচ্চ দেহী এজন শিক্ষাবিদ আহি থিয় হল। দুয়ো দুয়োৰো চিনাকি যদিও, সিমান কথা বাৰ্ত্তা আলাপ আলোচনা নাই।

"আসাম বিলাসিনী'ত বৃত্তিৰ বাতৰি পঢ়িছোঁ। বৃত্তি দুটাৰে জানো আপোনাৰ মৰমৰ ইন্দ্ৰকান্ত আৰু চন্দ্ৰকান্তৰ যথেষ্ট স্মৃতি ৰক্ষা কৰা হ'ব ?"

কেই দিন মান আগতে অগাপিচাকৈ কাণ সমনীয়া পুত্ৰ ইন্দ্ৰকান্ত আৰু চন্দ্ৰকান্তৰ মৃত্যু হৈছিল। পুত্ৰ শোকত পিতৃ ৰাধাকান্ত সন্দিকৈ জৰ্জৰিত। জেষ্ঠ পুত্ৰ কৃষ্ণকান্ত সন্দিকৈ আৰু লক্ষ্মীকান্ত সন্দিকৈ উচ্চ শিক্ষাৰ বাবে তেতিয়া সুদূৰ বিলাতত।

"এনেকুৱা বিশেষ বৃত্তি অনেক আছে। কোনে দিছে, কোনে পাই, কোনেও নাজানে।"

"তেন্তে কি কৰিলে ভাল হ'ব ? কি কৰিলে মোৰ ইন্দ্ৰকান্ত-চন্দ্ৰকান্তৰ নাম স্মৰণীয় কৰিব পৰা যাব ?"

অলপ ভাবি কলে 'সাহিত্য সভাৰ বাবে এটি লাইব্ৰেৰী কৰি দিলে ভাল হ'ব ?'

এই আলাপ আলোচনাকে কেন্দ্ৰ কৰিয়েই সেই আহত গছজোপাৰ নিচেই ওচৰতে অকল এটি লাইব্ৰেৰীৰ সলনি গঢ়ি উঠিল চন্দ্ৰকান্ত সন্দিকৈ ভৱন। ৰাধাকান্ত সন্দিকৈক 'চন্দ্ৰকান্ত ভৱন' নিৰ্মাণৰ বাবে পৰামৰ্শ দি পুত্ৰৰ স্মৃতি ঘাউতি যুগীয়া কৰা মহান ব্যক্তি জনাই সেই সময়ৰ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামী। গোস্বামী এগৰাকী শিক্ষাবিদ্, সাহিত্যিক আৰু নিপুণ সংগঠক। তেতিয়া তেওঁ যোৰহাট নৰ্ম্মালস্কুলৰ অধ্যক্ষ।

অসম সাহিত্য সভাৰ জন্মৰ গুৰিতেও আছিল গোস্বামী ডাঙৰীয়াৰ নিষ্ঠ'

আৰু ঐকান্তিকতা। সাহিত্য সভাৰ জন্ম লগ্নৰ প্ৰথম সম্পাদক গোস্বামী ডাঙৰীয়াই চতুৰ্থ অধিবেশনৰপৰা (১৯২০) নৱম অধিবেশনলৈ (১৯২৭) সুদীৰ্ঘ কাল প্ৰধান সম্পাদকৰ দায়িত্ব বহন কৰি থকা সময়তে ইন্সপেক্টৰ অব্ স্কুল পদলৈ পদোন্নতি হোৱাত চৰকাৰী কামৰ হেচাত প্ৰধান সম্পাদকৰ দায়িত্বৰ পৰা অব্যাহতি লব লগা হয়। প্ৰথম বছৰ ৩য় সংখ্যা অসম সাহিত্য সভা পত্ৰিকাত সেই বাতৰি প্ৰকাশ কৰি সম্পাদকীয় টোকাত চন্দ্ৰধৰ বৰুৱাই লিখিছিল—

"গোস্বামী দেৱে নিঃস্বাৰ্থ ভাবে নিজৰ সময় ব্যয় কৰি আৰু নথৈ পৰিশ্ৰম কৰি সভাৰ সকলো কামতে কাৰ্য্য কুশলতা আৰু কৃতিত্বৰ চিন দেখুৱাইছিল। সভাৰ জন্মৰে পৰা তেখেতে অৱসৰ লোৱাৰ দিনলৈকে ইয়াৰ গুৰিয়াল, প্ৰধান কৰ্মচাৰী আৰু প্ৰাণ স্বৰূপ আছিল। এই কথা সকলোৱে মুক্ত কণ্ঠে স্বীকাৰ নকৰি নোৱাৰে। অসম সাহিত্য সভা চিৰ কাললৈকে শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামী দেৱৰ গুৰিত নথৈ ধৰুৱা থাকিব আৰু তেখেতৰ নাম সভাৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব। মুঠতে অসম সাহিত্য সভা বুলিলে শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামীলৈ আৰু শৰৎ চন্দ্ৰ গোস্বামী বুলিলে অসম সাহিত্য সভালৈ আমাৰ সদায় মনত পৰিব।"

চন্দ্ৰকান্ত সন্দিকৈ ভৱন, নৰদেৱ ট্ৰাষ্ট্ ফাণ্ড্, কমলাদেৱী ট্ৰষ্ট্ ফাণ্ড্ চন্দ্ৰকান্ত—ইন্দ্ৰকান্ত ট্ৰাষ্টফাণ্ড, চন্দ্ৰকান্ত অভিধান আদিৰ গুৰিতেও আছিল গোস্বামী ডাঙৰীয়াৰ পৰিকল্পনা আৰু ঐকান্তিক প্ৰচেষ্টা।

নলবাৰী সত্ৰত ১৮৮৭ খৃঃৰ ১২ মেইত শৰৎ চন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ জন্ম। তেখেতৰ পিতৃ ললিত চন্দ্ৰ গোস্বামী আৰু মাতৃ মুকুণ্ড প্ৰিয়া। শৰৎ চন্দ্ৰ পিতৃ-মাতৃৰ দ্বিতীয় পুত্ৰ। জেষ্ঠ পুত্ৰ প্ৰতাপ চন্দ্ৰ গোস্বামী ধৰ্মভূষণ। তেখেত সকলৰ পূৰ্ব পুৰুষ নদীয়া শান্তিপুৰ অঞ্চলৰ।

'চানাবাপা' আৰু 'সৰু গোসাঁই' বুলিহে সৰুৰে পৰা ঘৰত তেওঁ জনাজাত। সৰুৰে পৰা 'চানা বাপা' এগৰাকী মেধাৱী ছাত্ৰ। ১৯০০ খৃঃত নলবাৰী মধ্য ইংৰাজী স্কুলৰ পৰা অসম উপত্যকাত প্ৰথম স্থান আৰু বৃত্তি লাভ কৰি এম, ই, পৰীক্ষাত উত্তীৰ্ণ হয়। পিচত গুৱাহাটী কলেজীয়েট হাইস্কুলত পঢ়ি ১৯০৪ খৃঃত প্ৰথম বিভাগত সোণৰূপৰ তিনিটা পদক লাভ কৰি এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ কলেজীয়া শিক্ষা লাভ কৰে কটন কলেজ, (এফ, এ, ১৯০৬) আৰু কলিকতা মেট্ৰোপলিটান কলেজত, (বি, এ, ১৯০৮)। কলিকতাত পুনৰ

সংস্কৃতত এম, এ, শ্ৰেণীত ভৰ্ত্তি হৈ চৰকাৰৰ পৰা এটি বৃত্তি বিচাৰিছিল ; কিন্তু চৰকাৰে তেওঁক বৃত্তিৰ সলনি এশ টকা দৰমহাত ডেপুটি ইন্সপেক্টৰ অব্ স্কুলচ্ পদত নিয়োগ কৰিলে। পিচত তেওঁ ঢাকাৰ পৰা প্ৰথম শ্ৰেণীত প্ৰথম হৈ বি, টি, ডিগ্ৰী লাভ কৰিলে।

সহকাৰী ইন্সপেক্টৰ অব্ স্কুলচ্. নৰ্মাল স্কুলৰ অধ্যক্ষ (১৯১৫—২৭) স্পেচিয়েল অফিচাৰ, ইন্সপেক্টৰ অব্ স্কুলচ্ (১৯২৮—৪৩) আদি বিভিন্ন দায়িত্ব বহন কৰি ১৯৪৩ খৃঃত অৱসৰ গ্ৰহণ কৰিছিল। অৱসৰ গ্ৰহণ কৰাৰ পিচৰে পৰা তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা আন্দোলনত আগভাগ লৈছিল। ১৯৪৪ খৃঃৰ ২৯ ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত ইউনিভাৰচিটি কনফাৰেন্স আহ্বান কৰিছিল। ইয়াৰ কিছুদিন আগতে উদয়পুৰত অনুষ্ঠিত ইণ্ডিয়ান হিষ্টৰিকেল ৰেকৰ্ডছ কমিছনত যোগদান কৰি উভতি আহোঁতে নতুন দিল্লীত ১৯৪৪ খৃঃৰ ১৯ ডিচেম্বৰত গোস্বামী ডাঙৰীয়া পৰলোক প্ৰাপ্তি হয়। মৃত্যুৰ সময়ত গোস্বামীৰ বয়স দুকুৰি সোতৰ বছৰ মাত্ৰ।

গোস্বামী ডাঙৰীয়া একেৰাহে এগৰাকী ঔপন্যাসিক, চুটি গল্প লিখক আৰু নাট্যকাৰ। কটন কলেজত পঢ়ি থাকোতেই ৰচনা কৰিছিল 'পানীপথ' (১৯৩০) উপন্যাস। সেই সময়তে গুৱাহাটীত এবাৰ কবিতা, গল্প আৰু প্ৰবন্ধৰ প্ৰতিযোগিতা পাতিছিল। উক্ত প্ৰতিযোগিতাত কবিতাত ৰঘুনাথ চৌধুৰী, চুটি গল্পত শৰৎচন্দ্ৰ গোস্বামী আৰু প্ৰবন্ধত গৌৰীকান্ত তালুকদাৰে প্ৰথম স্থান লাভ কৰিছিল।

'গল্পাঞ্জলী' (১৯১৪), 'মইনা' (১৯২০), 'বাজীকৰ' (১৯৩০) আৰু 'পৰিদৰ্শন' চাৰিখন গোস্বামীৰ চুটি গল্প সংকলন আৰু একমাত্ৰ প্ৰকাশিত নাটক 'পৰীক্ষা' (১৯০৮)। তেওঁৰ দ্বিতীয় নাট 'বুদ্ধদেৱ' এতিয়াও ছপা ৰূপত ওলোৱা নাই। 'মহাসমৰ', 'ভাষণ', 'শিক্ষা বিচাৰ' আৰু 'ভূগোল পাঠ' আন আন পুথি। 'অসমীয়া সাধুকথা' (১৯২৯) গোস্বামী ডাঙৰীয়া সম্পাদিত এখনি সাধুকথাৰ সংকলন।

গোস্বামী ডাঙৰীয়াই উজনি নামনিৰ সকলোবোৰ শব্দ গ্ৰহণ কৰি এখন সুবৃহৎ অভিধান প্ৰণয়ন কৰাৰ মধুৰ কল্পনা কৰিছিল। সেইবাবে ডক্টৰ বাণীকান্ত কাকতি, কালিৰাম মেধি প্ৰভৃতি প্ৰধান ভাষাবিদ সকলকলৈ এখন কমিটী গঠন কৰিছিল ; সেই কাম আৰম্ভ কৰাৰ আগতে তেওঁ মৃত্যু বৰণ কৰিলে।

গোস্বামী ডাঙৰীয়াৰ দুগৰাকী কণ্যা প্ৰতিভা দেৱী আৰু সুপ্ৰভা দেৱী (গোস্বামী)। প্ৰতিভা দেৱী প্ৰাক্তন শিক্ষাধিকাৰ উমাকান্ত গোস্বামীৰ ভাৰ্য্যা। অকালতে প্ৰাণ হেৰুৱা প্ৰথমা কন্যাৰ স্মৃতিত আয়োজন কৰিছিল প্ৰতিভা দেৱী সোঁৱৰণী বক্তৃতামালা। একমাত্ৰ পুত্ৰ প্ৰভাতৰো অকালতে মৃত্যু হয়। পুত্ৰৰ স্মৃতিকে লৈ নৰ্মাল স্কুলৰ পৰা প্ৰকাশ কৰিছিল 'প্ৰভাত' আলোচনী। দ্বিতীয়া কন্যা সুপ্ৰভা গোস্বামী এগৰাকী লেখিকা।

কবলৈ গলে অসম সাহিত্য সভাৰ জন্মতে হাত পাতি ধৰিলে শৰৎচন্দ্ৰ গোস্বামীয়ে। তুলি তালি ৰূজন কৰি শক্তিশালী কৰিলে শৰৎচন্দ্ৰ গোস্বামীয়ে। অসম সাহিত্য সভাৰ শৰৎচন্দ্ৰ গোস্বামী প্ৰাণ স্বৰূপ। অসম সাহিত্য সভা জীয়াই থকালৈকে শৰৎচন্দ্ৰ গোস্বামীৰ মৃত্যু নাই। ●

হৰিপ্ৰসাদ নেওগ

১৯৬৮ খৃঃৰ নবেম্বৰ মাহ। নতুন দিল্লীৰ মাভলঙ্কাৰ সভাগৃহ দৰ্শকেৰে পৰিপূৰ্ণ। বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উছৱ উপলক্ষে নতুন দিল্লীৰ মাভলঙ্কাৰ সভা গৃহতে আয়োজন কৰা হৈছিল দুদিনীয়া উছৱ। উছৱৰ প্ৰধান অতিথি ৰাষ্ট্ৰপতি ডক্টৰ জাকিৰ হুচেইন; কাকা চাহেব কালেলকাৰ, শিক্ষামন্ত্ৰী ত্ৰিগুণা সেন আৰু কেন্দ্ৰীয় মন্ত্ৰী ফখৰুউদ্দিন আলি আহম্মদ (বৰ্তমান ৰাষ্ট্ৰপতি) আদি।

ইয়াৰ কিছুদিন আগতে কলিকতা আৰু সম্বলপুৰতো বেজবৰুৱাৰ শতবাৰ্ষিকী উছৱৰ আয়োজন কৰা হৈছিল। কলিকতাৰ চৰকাৰী ইনফৰমেচন চেন্টাৰত আয়োজন কৰা সভাৰ প্ৰধান অতিথি ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায় আৰু চম্বলপুৰত শ্ৰদ্ধাকৰ সুপকাৰ, সুৰেন্দ্ৰ মাহান্তি প্ৰভৃতি। বেজবৰুৱাৰ শতবাৰ্ষিকী উছৱ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে উলিয়াইছিল এটি ডাক টিকট। বেজবৰুৱাৰ জন্মশতবাৰ্ষিকী উছৱে অসমৰ ভিতৰে বাহিৰে অভূতপূৰ্ব জাগৰণ আনি দিয়া আৰু উছৱ সাফল্যমণ্ডিত কৰাৰ গুৰিতে আছিল তেতিয়াৰ উৎৱ সমিতি আৰু সাহিত্য সভাৰ প্ৰধান সম্পাদক হৰিপ্ৰসাদ নেওগ। এই উছৱে অসম সাহিত্য সভাক এক গতিশীল ৰূপ দিব পাৰিছিল।

নগাৱঁত অনুষ্ঠিত সাহিত্য সভাৰ সপ্তবিংশ অধিবেশনত (১৯৫৯) হৰিপ্ৰসাদ নেওগ সহকাৰী সম্পাদক নিযুক্ত হয়। তেতিয়াৰে পৰা দ্বাত্ৰিংশ নলবাৰী অধিবেশনলৈ (১৯৬৫) সুদীৰ্ঘকাল তেওঁ সহকাৰী সম্পাদক। সেইবাৰেই তেওঁ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। ষটত্ৰিংশ বৰপেটা অধিবেনলৈকে (১৯৬৯) তেওঁ প্ৰধান সম্পাদক স্বৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল।

হৰিপ্ৰসাদ নেওগৰ জন্ম ১৯২৯ খৃঃত যোৰহাটৰ ওচৰৰ কেন্দুগুৰি অঞ্চলৰ ২নং বামুণ গাৱঁৰ এটি নিম্ন মধ্যবিত্ত পৰিয়ালত। দেউতাক গোপালচন্দ্ৰ নেওগ। মাতৃক হেৰুৱাইছিল চাৰি বছৰ বয়সতে। পিতৃ মাতৃৰ তিনিটি ল'ৰা ছোৱালীৰ ভিতৰত হৰিপ্ৰসাদ নেওগ কণিষ্ঠ। ১৯৪৭ খৃঃত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্ৰবেশিকা আৰু ১৯৫২ খৃঃত জগন্নাথ বৰুৱা কলেজৰ পৰা বি এ, পাছ কৰিছিল। ছাত্ৰ হিচাপে নেওগ আছিল সহজ সৰল, অনাড়ম্বৰ,

অমায়িক আৰু আদৰ্শ ছাত্ৰ। ১৯৫৭ খৃঃত তেওঁ প্ৰাইভেটকৈ এম এ, ডিগ্ৰী লাভ কৰিছিল।

নেওগ আছিল এগৰাকী শিক্ষা সেৱী। কেন্দুগুৰি বেবকান্ত বৰুৱা মধ্য ইংৰাজী বিদ্যালয়, যোৰহাট প্ৰশিক্ষণ বিদ্যালয়, গোলাঘাট দেৱৰাজ ৰয় কলেজ, যোৰহাট দেবীচৰণ বৰুৱা ছোৱালী কলেজ তেওঁৰ কৰ্মস্থান। কিছুকাল তেওঁ মৰিয়নী কলেজৰ অধ্যক্ষ স্বৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

আঞ্চলিক ভাষাত পাঠ্যপুথি প্ৰণয়নৰ বাবে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত একোখনি পাঠ্যপুথি প্ৰণয়ন সমিতি গঠন কৰা হৈছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰণয়নৰ গধুৰ দায়িত্ব পৰিছিল হৰিপ্ৰসাদ নেওগৰ ওপৰত।

নেওগ সাহিত্য সভাৰ প্ৰধান সম্পাদক থকা কালছোৱাতে সাহিত্য সভাৰ কেবা গৰাকী সভাপতিৰ লোকান্তৰ হয়। স্বৰ্গগত সভাপতি সকলৰ স্মৃতিত সংকলন কৰা হৈছিল একোখন স্মৃতি গ্ৰন্থ। এই স্মৃতি গ্ৰন্থ সমূহৰো প্ৰধান সম্পাদক হৰিপ্ৰসাদ নেওগ। তেওঁৰ কাৰ্য্যকালত ভালে কেইখন আন আন পুথি প্ৰকাশ হয়।

হৰিপ্ৰসাদ নেওগ আৰু লীলা গগৈয়ে যুটীয়া ভাবে সম্পাদন কৰা পুথি 'অসমীয়া সংস্কৃতি' (১৯ ৬)। 'চন্দ্ৰকুমাৰ আগৰৱালা' নেওগ আৰু ভবেন্দ্ৰ কাকতীয়ে যুটীয়া ভাবে ৰচনা কৰা এখনি আলোচনা গ্ৰন্থ। 'বিশ্বনাথ ৰাজবংশী' (১৯৬৬) আৰু 'ৰাধাকান্ত সন্দিকৈ' (১৯৬০) তেওঁৰ দুখনি জীৱনী গ্ৰন্থ। তেওঁৰ আন এখন উল্লেখযোগ্য পুথি 'পদ্মনাথ গোহাঞি বৰুৱা' (১৯৭০)। 'প্ৰমথনাথ চক্ৰৱৰ্তী' (১৯৬৮) 'শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া', 'হেৰম্বপ্ৰসাদ বৰুৱা' (১৯৬৭) প্ৰভৃতি নেওগৰ সম্পাদনাত প্ৰকাশিত পুথি।

নেওগ ডাঙৰীয়াই সম্পাদনা কৰিছিল 'জোৱাৰ' নামৰ এখন আলোচনী। যোৰহাটৰপৰা নেওগৰ সম্পাদনাত ওলোৱা দ্বিতীয় আলোচনী 'সাহিত্য দূত' (১৯৬৬)। পিচত ডিব্ৰুগড়ৰ পৰা 'গতিপথ' নামৰ এখনি সাহিত্য সংস্কৃতি বিষয়ক মাহেকীয়া আলোচনী প্ৰকাশ কৰিছিল।

অসম সাহিত্য সভাক এটি সক্ৰিয়, গতিশীল অনুষ্ঠানত পৰিণত কৰাত বৰঙণি যোগাওঁতাসকলৰ ভিতৰত হৰিপ্ৰসাদ নেওগো অন্যতম। প্ৰধান সম্পাদক স্বৰূপে নেওগে কোনো কামকে গাইগুটীয়া ভাবে বা স্বেচ্ছাচাৰী

ভাবে নকৰি আলাপ আলোচনা আৰু সকলোৰে সক্ৰিয় সহযোগত কৰিছিল। তেওঁৰ পৰিকল্পিত আঁচনি ৰূপ দিবলৈ সদায় এচাম সক্ৰিয় আৰু উপযুক্ত ব্যক্তি বাছি লব পাৰিছিল আৰু সেই ক্ষেত্ৰত তেওঁ কৃতকাৰ্য্যতাও লাভ কৰিছিল।

মাত্ৰ দুকুৰি চাৰি বছৰ বয়সত যোৱা ১৯৭৩ খৃঃৰ ১৯ ফেব্ৰুৱাৰী সোমবাৰে নিশা ৮.১০ বজাত এই পৰাকৌ অক্লান্ত কৰ্মীৰ এটি কৰ্মময় জীৱনৰ অবসান ঘটিল। চুটি জীৱন কালছোৱাৰ সুদীৰ্ঘ দহ বছৰ কাল তেওঁ সাহিত্য সভাৰ কাম অদম্য কৰ্ম প্ৰেৰণাৰে কৰি গল। ●

অসম সাহিত্য সভাৰ প্ৰকাশন সমূহ

শ্ৰীদেৱ দামোদৰ চৰিত্ৰ—নীলকণ্ঠ দাস। সম্পাদক শৰৎচন্দ্ৰ গোস্বামী। নৱদেৱ গ্ৰন্থাৱলীৰ প্ৰথম গ্ৰন্থ। ১৯২৫। মূ. ১ টকা।

শ্ৰীশ্ৰীবনমালী দেৱ চৰিত্ৰ—ৰমাকান্ত দ্বিজ। সম্পাদক শৰৎচন্দ্ৰ গোস্বামী। নৱদেৱ গ্ৰন্থাৱলীৰ দ্বিতীয় গ্ৰন্থ। প্ৰথম প্ৰকাশ? দ্বিতীয় ১৯৫৬, পৃঃ ১০৪, মূ. বাৰ অনা।

শ্ৰীশ্ৰীব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ—বলোৰাম দ্বিজ। সঃ দেৱেশ্বৰ চলিহা। নৱদেৱ গ্ৰন্থাৱলীৰ তৃতীয় গ্ৰন্থ। ১৯৩৩, পৃ. ১২৭, মূ. ১ টকা।

স্বাস্থ্য তত্ত্ব—ভাগৱত মিশ্ৰ। সঃ শৰৎচন্দ্ৰ গোস্বামী। নঃ দেঃ গ্ৰন্থাৱলী চতুৰ্থ গ্ৰন্থ। ১৯৪৩, পৃঃ ৯০, মূ. দহ অনা।

চন্দ্ৰকান্ত অভিধান। ১৯৩৩, মূ. ৭ টকা। ১৯৬২ পৃঃ ৯২৫, মূঃ ২৮.০০।

লৱ কুশৰ যুদ্ধ—হৰিবৰ বিপ্ৰ। সঃ ডক্টৰ মহেশ্বৰ নেওগ। নঃ দেঃ গ্ৰন্থাৱলী পঞ্চম গ্ৰন্থ। ১৯৫৪, পৃ. ১৩৫, মূ. ২ টকা।

বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা—ডক্টৰ সূৰ্য্যকুমাৰ ভূঞা। ১৯৫৫, পৃঃ ৪৪, মূ. ২ টকা।

The Asam Sahitya Sabha—Kesav Narayan Dutta (1917—53) 1953, P. 24, Re. 1·00.

অসম সাহিত্য সভা কাৰ্য্যবিবৰণী—পঞ্চম বছৰ। ১৯২৩, পৃঃ ২৭।

অসম সাহিত্য সভা কাৰ্য্য বিবৰণী—ষষ্ঠ বছৰ। ১৯২৪, পৃঃ ৩২।

অসম সাহিত্য সভা বাৰ্ষিকী—১ম ভাগ। সঃ অতুলচন্দ্ৰ হাজৰিকা। ত্ৰয়োবিংশ যোৰহাট, ১৯৫৪। ১৯৫৫, পৃঃ ১৪০, মূ. ২.০০।

অসম সাহিত্য সভা বাৰ্ষিকী—২য় ভাগ। সঃ অতুলচন্দ্ৰ হাজৰিকা। চতুৰ্বিংশ গুৱাহাটী, ১৯৫৫। ১৯৫৬, পৃঃ ১৫৪, মূ. ২.০০।

নীলাচল পাঠ—মহেন্দ্ৰ সভাপণ্ডিত। ১৯৫৮, পৃঃ ১৪৫।

সীমান্তৰ সম্বেদ—সঃ পৰাগধৰ চলিহা। ১৯৩৮, পৃঃ ২০০, মূ. ৩.০০।

The Out look on NEFA—ed. Paragdhar Chaliha-১৯৫৮, পৃঃ ১৩৪, মূঃ ৪.০০।

This is Assam—ed. Biswa Narayan Sastri & Dr. P. C. Bhattacharya. 1958, P. 92, Rs. 3·50.

চাহ বাগিচাৰ বনুৱা—নকুলচন্দ্ৰ ভূঞা। ১৯৬০, পৃঃ ৭৮, মূ. ১·২৫।

আনন্দৰাম ঢেকিয়াল ফুকন—সঃ যতীন্দ্ৰনাথ গোস্বামী। ১৯৫৯, পৃঃ ৩২, মূ. ৩৭ পইছা।

অসমীয়া ভাষা—আনন্দৰাম ঢেকিয়াল ফুকন। সঃ ডক্টৰ মহেশ্বৰ নেওগ। ১৯৪৯, পৃঃ ৫১। ১৯৬৮, পৃঃ ৫০, মূ. ১·০০।

কামিনীকান্তৰ চৰিত্ৰ—এ, কে, গানী। সঃ ডক্টৰ প্ৰফুল্ল দত্ত গোস্বামী। ১৯৬০, পৃঃ ২৯+৫৪, মূ. ২·০০।

ৰাধাকান্ত সন্দিকৈ—হৰিপ্ৰসাদ নেওগ। ১৯৬০, পৃঃ ৩০, মূ. ·৭৫ পইছা।

অসম সাহিত্য সভাৰ ভাষণাৱলী প্ৰথম ভাগ। সঃ অতুলচন্দ্ৰ হাজৰিকা। ১৯৫৫, পৃঃ ২৫৬, মূ. ৮·০০।

অসম সাহিত্য সভাৰ ভাষণাৱলী—তৃতীয় ভাগ। সঃ অতুলচন্দ্ৰ হাজৰিকা। ১৯৫৭, পৃঃ ২৬৪, মূ. ৮·০০।

অসম সাহিত্য সভাৰ ভাষণাৱলী—তৃতীয় ভাগ। সঃ অতুলচন্দ্ৰ হাজৰিকা আৰু যতীন্দ্ৰনাথ গোস্বামী। ১৯৬১, পৃঃ ২৬৮, মূ. ৭·০০।

অসম সাহিত্য সভাৰ ভাষণাৱলী—চতুৰ্থ ভাগ। সঃ যতীন্দ্ৰনাথ গোস্বামী। ১৯৭৩, পৃঃ ৪৯২, মূ. ২৮·০০।

অসমীয়া খণ্ড বাক্য কোষ—বেণুধৰ ৰাজখোৱা। সঃ ডক্টৰ মহেশ্বৰ নেওগ। ১৯৬১, পৃঃ ৩৪৩, মূ. ৯·০০।

পবিত্ৰ অসম—সংকলয়িতা-সম্পাদক ডক্টৰ মহেশ্বৰ নেওগ। ১৯৬০, ১৯৬৯, পৃঃ ৩৬১, মূ. ১৫·০০

সাহিত্য দৰ্পণ—বিশ্বনাথ কবিৰাজ। অনুঃ বিশ্বনাৰায়ণ শাস্ত্ৰী। ১৯৬৪, পৃঃ ৬৪১, মূ. ১২·০০

মুদ্ৰা ৰাক্ষস—কবি বিশাখা দত্ত। অনুঃ ৰজনীকান্ত দেৱ শৰ্মা। ১৯৬৩, পৃঃ ১০০, মূ. ৩·০০।

কৰ্পূৰ মঞ্জৰী—কবিৰাজ শেখৰ। অনুঃ ডক্টৰ মুকুন্দমাধৱ শৰ্মা। ১৯৬৩, পৃঃ ৫০, মূ. ২·০০।

ৰূপকত্ৰয়ম—কবিচন্দ্ৰ দ্বিজৰ কাম কুমাৰ হৰণ, গোৰীকান্ত দ্বিজৰ বিদ্বেশ জন্মোদয়, আৰু দীন দ্বিজৰ শঙ্খচূড় বধ। তিনিখন সংস্কৃত নাটক। সঃ ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা। ১৯৬২, পৃঃ ১২৮, মূ. ৪·০০

বণ ৰহাৰ—অতুলচন্দ্ৰ হাজৰিকা। ১৯৬২, পৃঃ ১৬, মূ. '২০।

বণ নিনাদ—সঃ ডক্টৰ মহেশ্বৰ নেওগ। ১৯৬২, পৃঃ ১৬, মূঃ '২০।

ৰাজ্যিক ভাষা অসমীয়া—যতীন্দ্ৰনাথ গোস্বামী। ১৯৫৯, পৃঃ ২০, মূ. '১২।

ৰাজ্যিক ভাষাৰ সমৰ্থনত—অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত। ১৯৬০, পৃঃ ২২, মূ. '১০

Assam's Language Question—ed. Dr. Maheswer Neog. 1961, P. 61, Rs. 2·00.

অসমৰ জনজাতি—সঃ ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য। ১৯৬২, পৃঃ ৩৩৪, মূ. ১০·০০।

অসমৰ জনজাতীয় সাধু—সঃ বিশ্বনাৰায়ণ শাস্ত্ৰী। ১৯৬২, পৃঃ ৩৬০, মূ. ৬·০০।

কবি চৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা—কমলেশ্বৰ শৰ্মা। ১৯৬১, পৃঃ ৮৬, মূ. ২·৫০

মিকিৰ জনজাতি—লংকাম টেৰণ। ১৯৬০, পৃঃ ৩২, মূ. ১·০০

সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি—ডক্টৰ মহেশ্বৰ নেওগ। ১৯৬২, পৃঃ ১০৩, মূ. ২·০০

ৰাধাকান্ত সন্দিকৈ ভাওৰীয়া—নকুল চন্দ্ৰ ভূঞা। ১৯৬১, পৃঃ ১৩৪, মূ. ৩·০০

Assam Sahitya Sabha Activities—(1960-61)—Dr. Maheswar Neog. 1961. P. 24.

অসমীয়া লোক গীতি সংগ্ৰহ—যোগেশ চন্দ্ৰ তামুলী। সঃ অতুল চন্দ্ৰ হাজৰিকা। ১৯৬০, পৃঃ ২১০, মূ. ৬·০০

Assamese For All—Dr. Mukunda Madhab Sarma. 1966, P. 123, Rs. 2·00.

আপকী অসমীয়া—ডক্টৰ মুকুন্দ মাধৱ শৰ্মা। অনু. পৰেশ চন্দ্ৰ দেৱশৰ্মা। ১৯৬৩, পৃঃ ১৩৭, মূ. ২·০০।

Asamiya la Boroh—ডক্টৰ মুকুন্দ মাধৱ শৰ্মা। অনু.মিছ ডি, ফ্ৰেঙ্কলিন। ১৯৬৫, পৃঃ ১০৮, মূ. ২·০০।

An Tangari Asamiyako Skiani—ডক্টৰ মুকুন্দ মাধৱ শৰ্মা। অনু. হৰেন্দ্ৰ মাৰাক। ১৯৬৫, পৃঃ ১১৮, মূ. ২·০০।

মোৰ জীৱন সোঁৱৰণ—লক্ষ্মীনাথ বেজবৰুৱা। সঃ যতীন্দ্ৰ নাথ গোস্বামী। ১৯৬১, ১৯৬৬, ১৯৬৮, পৃ. ২৫৪, মূ. ৬'০০

নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প - সঃ হেমন্ত কুমাৰ শৰ্মা। ১৯৬৩, পৃ.১৬০, মূ. ৪'০০

অকনোদইৰ গলকাট—সঃ ডক্টৰ বিৰিঞ্চি কুমাৰ বৰুৱা। ১৯৬৫, পৃঃ ১৪৬, মূ. ২'৫০

সাহিত্য সমীক্ষা—সঃ ডক্টৰ মহেশ্বৰ নেওগ আৰু ডক্টৰ হেমন্ত কুমাৰ শৰ্মা। ১৯৬৭, ১৯৭১, পৃঃ ২৩৪, মূ. ৬'০০

ৰজনীকান্ত বৰকাকতী—সঃ বিশ্ব নাৰায়ণ শাস্ত্ৰী। ১৯৬৫, পৃঃ ৯৮, মূঃ ১'২৫

তত্ত্ব কথা—লক্ষ্মীনাথ বেজবৰুৱা। সঃ অতুল চন্দ্ৰ হাজৰিকা। ১৯৬৩, ১৯৬৭, পৃঃ ১৮৩, মূ. ৪'০০

অসমীয়া সংস্কৃতি—সঃ হৰিপ্ৰসাদ নেওগ আৰু লীলা গগৈ। ১৯৬৬, ১৯৭৫, পৃঃ ৩৬০, মূ. ১৫'০০

অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ— (১৯৫৭-১৯৬৭) সঃ হৰি প্ৰসাদ নেওগ ; স. সঃ নন্দ তালুকদাৰ, নগেন শইকীয়া। ১৯৬৭, পৃঃ ৫১ঃ মূ. ১'০০

অসম সাহিত্য সভা পৰিচিতি—সঃ হৰি প্ৰসাদ নেওগ। ১৯৬৬, পৃঃ ২৬, মূ. ১'০০

বিষ্ণুনাথ ৰাজবংশী—হৰিপ্ৰসাদ নেওগ। ১৯৬৬, পৃঃ ৩৮, মূ. ১'০০

প্ৰমথ নাথ চক্ৰবৰ্ত্তী—হৰি প্ৰসাদ নেওগ। ১৯৬৮, পৃঃ ৩৫, মূ. ১'০০

জয়মতী আৰু মূলা গাভৰু— লীলা গগৈ। ১৯৬২, ১৯৭২, পৃঃ ৩২, মূ. ১'০০

চাহ বাগিচাৰ অসমীয়া—গোলাপ খাউণ্ড। ১৯৬৭, পৃঃ ৩৪, মূ. ১'০০

সেউজী পাতৰ মাজে মাজে—সঃ নগেন শইকীয়া। ১৯৬৬, পৃঃ ৪০, মূ. ১'০০

ৰজনী কান্ত বৰদলৈ ৰচনা মালা—সঃ ডক্টৰ হেমন্ত কুমাৰ শৰ্মা। ১৯৬৭, পৃঃ ২৯০, মূ. ৮'০০

ঔপন্যাসিক ৰজনী কান্ত বৰদলৈ—সঃ বীৰেন বৰকটকী। ১৯৬৭, পৃঃ ১৭৩, মূ. ৫'০০

গল্প মালিকা—দেবেশ্বৰ শৰ্মা। সঃ যতীন্দ্ৰ নাথ গোস্বামী। ১৯৬০ পৃঃ ১০৭, মূ. ২'০০

চন্দ্ৰ কুমাৰ আগৰৱালা প্ৰতিভা— সঃ শশী কান্ত শৰ্মা। ১৯৬৭, পৃঃ ২৫২, মূ. ৬·০০।

চন্দ্ৰামৃত—চন্দ্ৰকুমাৰ আগৰৱালা। সঃ অতুল চন্দ্ৰ হাজৰিকা। ১৯৬৭, পৃঃ ১৬৮, মূ. ৪·০০।

তিলেশ্বৰ নেওগ স্মৃতি গ্ৰন্থ—সঃ হৰি প্ৰসাদ নেওগ, স-সঃ নন্দ তালুকদাৰ, নগেন শইকীয়া। ১৯৬৭, পৃঃ ২২২, মূ. ৪·৯০।

অম্বিকাগিৰী ৰায়চৌধুৰী স্মৃতি গ্ৰন্থ—সঃ হৰি প্ৰসাদ নেওগ, স-সঃ নন্দ তালুকদাৰ, নগেন শইকীয়া। ১৯৬৮, পৃঃ ২৭২, মূ. ৬·০০।

মৃচ্ছকটিকা— কবি শূদ্ৰক। অনু ভবেন্দ্ৰ নাথ হাজৰিকা। ১৯৬৭, পৃঃ ১৭২, মূ. ৫·০০।

ৰঘুনাথ চৌধাৰী স্মৃতি গ্ৰন্থ—সঃ হৰি প্ৰসাদ নেওগ, স-সঃ নন্দ তালুকদাৰ। ১৯৬৮, পৃঃ ১৯৬, মূ. ৪·০০।

নকুল চন্দ্ৰ ভূঞা স্মৃতি গ্ৰন্থ—সঃ হৰি প্ৰসাদ নেওগ, স.সঃ নগেন শইকীয়া। ১৯৬৯, পৃঃ ৪৪, মূ. ৪·০০।

শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া— সঃ হৰি প্ৰসাদ নেওগ। ১৯৬৯, পৃঃ ৭১, মূ. ১·০০।

বেজবৰুৱা গ্ৰন্থাৱলী—প্ৰথম খণ্ড। সঃ অতুল চন্দ্ৰ হাজৰিকা। ১৯৬৮, পৃঃ ৯৫২,

বেজবৰুৱা গ্ৰন্থাৱলী—দ্বিতীয় খণ্ড। সঃ অতুল চন্দ্ৰ হাজৰিকা। ১৯৭০, পৃঃ (৯৫২-১৭৯২) মূ. ৫২ টকা।

সাহিত্য ৰথী লক্ষ্মীনাথ বেজবৰুৱা—যতীন্দ্ৰনাথ গোস্বামী। ১৯৬৮, পৃ. ২৮৬, মূ. ৭·০০।

অসমীয়া ভাষা আৰু সাহিত্য—লক্ষ্মীনাথ বেজবৰুৱা। সঃ অতুলচন্দ্ৰ হাজৰিকা। ১৯৬৮, পৃ. ৩৫২, মূ. ৭·০০।

কেহোকলি—লক্ষ্মীনাথ বেজবৰুৱা। সঃ অতুলচন্দ্ৰ হাজৰিকা। ১৯৬৮, পৃ. ৩৪, মূ. ৪·০০।

বেজবৰুৱাৰ প্ৰবন্ধ বাছনি—সঃ যতীন্দ্ৰনাথ গোস্বামী। ১৯৬৮, পৃ. ২৫৮, মূ. ৭·০০।

বেজবৰুৱাৰ প্ৰতিভা—সঃ মহেশচন্দ্ৰ দেৱগোস্বামী। ১৯৬৮, পৃ. ২৫১, মূ. ৭·০০।

The Religion of Love and Devotion—Lakshminath Bezbarua. ed. Dr. Maheswar Neog. 1968, P. 80, Rs. 3·00.

পত্ৰলেখা—লক্ষ্মীনাথ বেজবৰুৱা। সঃ ডক্টৰ মহেশ্বৰ নেওগ। ১৯৬৮, পৃ. ৩৩৬, মূ. ৭·৩০।

বেজবৰুৱাৰ দিন লেখা—লক্ষ্মীনাথ বেজবৰুৱা। সঃ ডক্টৰ মহেশ্বৰ নেওগ। ১৯৬৮, পৃ. ১৮০, মূ. ৪·০০।

আমাৰ লক্ষ্মীনাথ—বিনন্দচন্দ্ৰ বৰুৱা। ১৯১৮, পৃ. ৫৬, মূ. ১·৫০।

চিত্ৰলেখা—স. ডক্টৰ মহেশ্বৰ নেওগ। ১৯৬৮, মূ. ৬·০০

Lakshminath Bezbarua : Dr. Maheswar Neog. 1968 P. 11, Rs. ·50.

Sahityarathi Lakshminath Bezbarua—Hariprasad Neog. 1968, P. 20, Rs. ·50.

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা—(হিন্দী) লোহিতাশ্ব শইকীয়া। ১৯৬৮, পৃ. ২২, মূ. ·৫০

বেজবৰুৱাৰ বাণী—স. হৰিপ্ৰসাদ নেওগ। ১৯৬৮, পৃ. ৫৮, মূ. ·৫০

গোহাঞি বৰুৱাৰ প্ৰতিভা—স. ডক্টৰ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য। ১৯৭১, পৃ. ২০৮, মূ. ১০·০০

মফিজুদ্দিন আহম্মদ হাজৰিকা ৰচনাৱলী—স. আবদুছ চাত্তাৰ। ১৯৭০, পৃ. ১৫০, মূ. ৪·০০

অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী—বেণুধৰ শৰ্মা। ১৯৭২, পৃ. ১৬৩, মূ. ৬·০০

হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী—স. বেণুধৰ শৰ্মা। ১৯৭২, পৃ. ৫৮৪, মূ. ২০·০০

অলকানন্দা—নলিনীবালা দেৱী। ১৯৬৭, পৃ. ২৫৫, মূ. ৪·০০

Studies in the Early History of Assam—Kanaklal Barua. ed. Dr. Maheswar Neog. 1972, P. 329, Rs. 20·00

কনকলাল বৰুৱা ৰচনাৱলী—স. নন্দ তালুকদাৰ। ১৯৭২, পৃ. ১৬৯, মূ. ১০·০০

বিংশ শতিকাৰ অসমীয়া সাহিত্য—স. হোমেন বৰগোহাঞি। ১৯৬৭, পৃ. ১৯৬, মূ. ৮·০০

প্লেটো—শৰৎচন্দ্ৰ গোস্বামী। ১৯৭৪, পৃ. ১১০, মূ. ৩'০০

হুক্রেটিছ—ডক্টৰ কালীচৰণ দাস। ১৯৭৪, পৃ. ১০৬, মূ. ৩'০০

চুটি গল্প—উদয় দত্ত। ১৯৭৪, পৃ. ৮৬, মূ. ৫'০০

স্বপ্ন বাসৱদত্তা—মহাকবি ভাস। অনু. ডক্টৰ মুকুন্দ মাধৱ শৰ্মা। ১৯৭৪, পৃ. ৮৮, মূ. ৩'০০

জীৱনী—ডক্টৰ গোবিন্দপ্ৰসাদ শৰ্মা। ১৯৭৪, পৃ. ৭৫, মূ. ৩'০০

একাদশী—স. ছগনলাল জৈন। ১৯৭৪, পৃ. ১১৭, মূ. ৫'০০

বাভা জনজাতি—ৰাজেন ৰাভা। ১৯৭৪, পৃ. ১৪৪, মূ. ৭'০০

অসমীয়া জাতিৰ ইতিবৃত্ত—স. গিৰিধৰ শৰ্মা। ১৯৭৪, পৃ. ১১৪, মূ. ১০'০০

জেমুৰেল জনচনৰ জীৱনী—জেমছ বছৱেল। অনু. ৰায়হান ছাহ। ১৯৭৪, পৃ. ১৭৬, মূ. ৫'০০

নাটক—ডক্টৰ শৈলেন ভঁৰালী। ১৯৭৪, পৃ. ১০৪, মূ. ৪'০০

Presidential Address—Dr. Maheswar Neog. 1974, P. 49, Rs. 2·00.

আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী—স. ডক্টৰ মহেন্দ্ৰ বৰা, যতীন্দ্ৰনাথ গোস্বামী। ১৯৭৪, পৃ. ৬৩৯, মূ. ৫০'০০

আনন্দচন্দ্ৰ আগৰৱালা কবিতা সংকলন—স. ডক্টৰ মহেন্দ্ৰ বৰা। ১৯৭৪, পৃ. ৫ , মূ. ৫'০০

গোৱালপৰীয়া লোকগীত সংগ্ৰহ—স. বীৰেন্দ্ৰনাথ দত্ত। ১৯৭৪, পৃ. ৩৬৮, মূ. ১৫'০০

দেউৰী চুতীয়া—পৱন শইকীয়া। ১৯৭৪, পৃ. ৮৮, মূ. ৪'৪০

গাৰো সংস্কৃতিৰ ৰূপৰেখা—ধীৰেন্দ্ৰনাৰায়ণ মজুমদাৰ। ১৯৭৪, পৃ. ৬৩, মূ. ৩'০০

টাই ভাষা—বিমলাকান্ত বৰুৱা। ১৯৭৪, পৃ. ৪২, মূ. ৩'০০

কবি প্ৰত্নতাত্ত্বিক আনন্দচন্দ্ৰ আগৰৱালা—তিলকচন্দ্ৰ কাকতী। ১৯৭৪, পৃ. ৫৪, মূ. ৩'০০

বদিন্ উছৰ—বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য। ১৯৭৪, পৃ. ১৯, মূ. ২ ০০

কাৰ্বি জনগোষ্ঠি—লংকাম টেৰণ। ১৯৭৪, পৃ. ৬৮, মূ. ৪'৪০

ডিমাছা—নিৰুপমা হাগজেৰ। ১৯৭৪, পৃ. ৭৬, মূ. ৪'০০

কৰম পূজা আৰু ঝুমুৰ গীত—স. কমলধৰ গোহাঞি। ১৯৭৪, পৃ. ৭০, মূ. ৩'০০

চুফী আৰু চুফীবাদ—চৈয়দ আবদুল মালিক। ১৯৭৫, পৃ. ৮২, মূ. ৪'০০

সাহিত্য-বত্ন চন্দ্ৰধৰ বৰুৱা—ডিম্বেশ্বৰ শৰ্মা। ১৯৭৫, পৃ. ১৩৬, মূ. ৫'৫০

তিৱা সম্প্ৰদায়ৰ পৰিচয়—সদৌ অসম তিৱা যুৱ ছাত্ৰ সন্মিলন। ১৯৭৫, পৃ. ১১৫, মূ. ৫'০০

সাগৰৰ কথা—ৰমেশচন্দ্ৰ গোস্বামী। ১৯৭৫, পৃ. ৬৪, মূ. ২'৫০

বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি—নাৰায়ণ ঘাটোৱাৰ। ১৯৭৫, পৃ. ৫৬, মূ. ৩'০০

ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখাঃ বিজয়চন্দ্ৰ ভাগৱতী। ১৯৭৬, পৃ. ৭১, মূ. ৪'০০

দেশভক্ত তৰুণৰাম ফুকন—জিতেন্দ্ৰনাথ বুজৰবৰুৱা। ১৯৭৬, পৃ. ৭১, মূ. ৩'০০

জগন্নাথ বৰুৱা—যতীন্দ্ৰনাথ গোস্বামী। ১৯৭৬, পৃ. ১১৮, মূ. ৫'০০

স্নেহৰ অৰুণাচল—মাই হিল্ ছো ষ্টুং ঃ ডক্টৰ মহেশ্বৰ নেওগ। ১৯৭৬, পৃ. ৯৭, মূ. ৫'০০

অধ্যয়ন চক্ৰ—স. নগেন শইকীয়া। ১৯৭৬, পৃ. ১০৬, মূ. ৫'০০

হিতেশ্বৰ বৰবৰুৱাৰ স্মৃতি-মাল্য—স. নগেন শইকীয়া ১৯৭৬, পৃ. ১৫০, মূ. ৬'০০

Development of script in ancient Kamrupa—Dr. T. P. Varma 1976, P. 76, Rs. 10'00.

Annals of Asam Sahitya Sabha—Dr. Maheswar Neog. 1976, P. 68, Rs. 5'00.

অসমৰ লিপি সমস্যা—সঃ নগেন শইকীয়া। ১৯৭৫, পৃঃ ১০১, মূ. ৩'০০।

বিষ্ণুপুৰীয়া মণিপুৰী—ধূমল মহিদেৱ সিং। ১৯৭৪, পৃঃ ৯, পৃঃ ৩০।

চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী—সঃ যতীন্দ্ৰনাথ গোস্বামী, নগেন শইকীয়া। ১৯৭৪, পৃঃ ৫৮৫, মূ. ৪০'০০।

ৰামায়ণ লঙ্কাকাণ্ড—শ্ৰীকান্ত সূৰ্য্য বিপ্ৰ। সঃ ডক্টৰ মহেশ্বৰ নেওগ। ১৯৭৫, পৃঃ ১৩০, মূ. ১০'০০।

বেজবৰুৱাৰ দিন লেখা-দ্বিতীয় খণ্ড—সঃ ডক্টৰ মহেশ্বৰ নেওগ। ১৯৭৬, পৃঃ ১৭০, মূ. ১০'০০।

অসমীয়া গ্ৰন্থ পঞ্জী—স: ডক্টৰ কেশৱানন্দ দেৱ গোস্বামী, লীলা গগৈ। ১৯৭২, পৃ. ৩০৭, মূ. ৭·০০।

অসম সাহিত্য সভা বাৰ্ষিকী—গোৱালপাৰা। সঃ ডক্টৰ মহেশ্বৰ নেওগ। ১৯৬২, পৃঃ ৩০৭, মূ. ৩·০০।

অঃ সাঃ সঃ বাঃ নাজিৰা—সঃ ডক্টৰ মহেশ্বৰ নেওগ। ১৯৬৪, পৃঃ ২৫২, মূ. ৩·০০।

অঃ সাঃ সঃ বাঃ ডিগবৈ—সঃ ডক্টৰ মহেশ্বৰ নেওগ। ১৯৬৪, পৃ. ১৬০, মূ. ৩·০০।

অঃ সাঃ সঃ বাঃ নলবাৰী—সঃ হৰিপ্ৰসাদ নেওগ। ১৯৬৬, পৃ. ২২০, মূ. ৩·০০।

অঃ সাঃ সঃ বাঃ উত্তৰ লক্ষীমপুৰ—সঃ হৰিপ্ৰসাদ নেওগ। ১৯৬৮, পৃঃ ১৫৫, মূ. ৩·০০।

অঃ সাঃ সঃ বাঃ ভিক্ৰুগড়—সঃ হৰিপ্ৰসাদ নেওগ। ১৯৬৬, পৃ. ১৫৫, মূ. ৩·০০।

অঃ সাঃ সঃ বাঃ তেজপুৰ—সঃ হৰিপ্ৰসাদ নেওগ] ১৯৬৯, পৃ. ১১৬, মূ. ৩·০০।

অঃ সাঃ সঃ বাঃ বৰপেটা—সঃ চৈয়দ আবতুল মালিক। ১৯৭১, পৃ. ১৬৪, মূ. ৩·০০।

অঃ সাঃ সঃ বাঃ খিং—সঃ যতীন্দ্ৰনাথ গোস্বামী। ১৯৭১, পৃ. ১৬৪, মূ. ৩·০০।

অঃ সাঃ সঃ বাঃ মাকুম—সঃ যতীন্দ্ৰনাথ গোস্বামী। ১৯৭২, পৃ. ১৭৬, মূঃ ৩·০০।

অঃ সাঃ সঃ বাঃ ধুবুৰী—সঃ যতীন্দ্ৰনাথ গোস্বামী। ১৯৭৪. পৃ. ১৮৪, মূ. ৪·০০।

অঃ সাঃ সঃ বাঃ বজিয়া—সঃ নগেন শইকীয়া। ১৯৭৪, পৃ. ১৭৪, মূ. ৪·০০॥

মজলদৈ মজলদৈ—সঃ নগেন শইকীয়া। ১৯৭৫, পৃ. ৩৬৪, মূ. ১৫·০০।

ভিতাৰৰ সৌৰৰণ—সঃ নগেন শইকীয়া। ১৯৭৫, পৃ. ১৫৫, মূঃ ৬·০০। ●

চন্দ্ৰধৰ বৰুৱা—সম্পাদক. প্ৰথম বছৰ, ১ম, ২য়, ৩য়, ৪ৰ্থ সংখ্যা ১৯২৬। দ্বিতীয় বছৰ ১ম, ২য়, ৩য়, ৪ৰ্থ সংখ্যা ১৯২৭। তৃতীয় বছৰ ১ম, ২য়,৩য় সংখ্যা।

চন্দ্ৰধৰ বৰুৱা—সম্পাদক, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত—সহকাৰী সম্পাদক, ৩য় বছৰ, ৪ৰ্থ, ৫ম, ৬ষ্ঠ সংখ্যা, ১৯২৭—২৮।

দেৱানন্দ ভৰালী—চতুৰ্থ বছৰ, ১ম, ২য়, ৩য়, ৪ৰ্থ, ৫ম, ৬ষ্ঠ সংখ্যা, ১৯২৯—৩০।

পূৰ্ণানন্দ শৰ্মা—পঞ্চম বছৰ, ১ম-২য়, ৩য়-৪ৰ্থ, ৫ম-৬ষ্ঠ, ১৯৩০—৩১।

চন্দ্ৰধৰ বৰুৱা—ষষ্ঠ বছৰ।

ডিম্বেশ্বৰ নেওগ—সপ্তম বছৰ. অষ্টম বছৰ।

ৰামেশ্বৰ বৰুৱা—নৱম বছৰ।

ডিম্বেশ্বৰ নেওগ—দশম বছৰ ১ম ২য় ৩য় ৪ৰ্থ ; ১৯৪২ একাদশ বছৰ।

কেশৱনাৰায়ণ দত্ত—নতুন প্ৰকাশ দ্বাদশ বছৰ ১ম, ২য়—৩য়, ৪ৰ্থ, ১৯৫২।

ৰজনীকান্ত দেৱ শৰ্মা—ত্ৰয়োদশ বছৰ—১ম, ২য়, ৩য়, ১৯৫৪।

প্ৰেমধৰ ৰাজখোৱা—চতুৰ্দ্দশ বছৰ—১ম, ২য়, ৩য়, ১৯৫৫।

ৰজনীকান্ত দেৱশৰ্মা—পঞ্চদশ বছৰ ১ম, ২য়, ৩য়, ১৯৫৬।

ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা—ষোড়শ বছৰ—১ম, ২য়, ৩য়, ১৯৫৭। সপ্তদশ বছৰ ১ম, ২য়, ৩য়, ১৯৫৯। অষ্টদশ বছৰ—১ম, ২য়, ৩য়,১৯৫৯। ঊনবিংশ বছৰ—১ম, ২য়, ৩য়, ১৯৬০।

যতীন্দ্ৰনাথ গোস্বামী—বিংশ বছৰ ১ম, ২য়, ৩য়, ১৯৬১। একবিংশ বছৰ ১ম, ২য়, ১৯৬২।

বিশ্বনাৰায়ণ শাস্ত্ৰী—একবিংশ বছৰ ৩য় সংখ্যা। দ্বাবিংশ বছৰ ১ম,২য়, ৩য়, ১৯৬৩।

যোগেশ দাস—ত্ৰয়োবিংশ—১ম, ২য়, ৩য়, ৪ৰ্থ, ১৯৬৫। চতুৰ্বিংশ ১ম, ২য়, ৩য়, ৪ৰ্থ, ১৯৬৬।

ডক্টৰ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী—পঞ্চবিংশ—১ম, ২য়, ৩য়, ১৯৬৭।

দুৰ্গেশ্বৰ শৰ্মা—ষষ্ঠবিংশ—১ম, ২য়, ৩য়, ৪ৰ্থ, ১৯৬৮।

ডক্টৰ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য—সপ্তবিংশ—১ম, ১৯৬৯।

যতীন গোস্বামী—সপ্তবিংশ—২য়, ৩য়, ১৯৬০। অষ্টবিংশ—১ম, ১৯৭০—৭১

আব্দুছ ছাত্তাব—অষ্টবিংশ—২য়, ৩য়, ১৯৭১। ঊনত্রিংশ—১ম, ১৯৭২।

পবেশময় বকবা—ঊনত্রিংশ—২য়, ৩য়, ১৯৭১।

ডক্টব হেমন্তকুমাব শৰ্মা—ত্ৰিংশ—১ম, ২য়, ৩য়, ৪র্থ, ৫ম, ৬ষ্ঠ, ৭ম, ৮ম, ৯ম, ১৯৭৩।

ডক্টব মহেন্দ্র বৰা—একত্রিংশ—১ম, ২য়, ৩য়, ৪র্থ, ১৯৭৪।

যতীন গোস্বামী—দ্বাত্রিংশ—১ম, ২য়, ৩য়, ৪র্থ, ১৯৭৫। ত্রয়োত্রিংশ—১ম, ২য়, ৩য়, ১৯৭৬। ●

গ্ৰন্থ-পঞ্জী

পদ্মনাথ গোহাঞি বৰুৱা—মোৰ সোঁৱৰণী, ১৯৭১। জীৱনী সংগ্ৰহ, ১৯৬৯

বেণুধৰ শৰ্মা—অৰ্ঘাৱলী, ১৯৬৪। অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী, ১৯৭২

লক্ষ্মীনাথ বেজবৰুৱা—মোৰ জীৱন সোঁৱৰণ, ১৯৬৯

উপেন্দ্ৰচন্দ্ৰ লেখাৰু—ৰজনীকান্ত বৰদলৈ, ১৯৪৮

বেণুধৰ ৰাজখোৱা—মোৰ জীৱন দাপোন, ১৯৬৯

সতীশচন্দ্ৰ কাকতী—জীৱনী মালা, ১৯৪০

পদ্মধৰ চলিহা—জীৱন বীণৰ সুৰ, ১৯৬৩

ডক্টৰ হেমন্তকুমাৰ শৰ্মা—ৰজনীকান্ত বৰদলৈ ৰচনামালা, ১৯৬৭। নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প, ১৯৬৩

আবদুছ চাত্তাৰ—মফিজুদ্দিন আহম্মদ হাজৰিকা ৰচনাৱলী ১৯৭০। কৃষ্ণকান্ত সন্দিকৈ, ১৯৭৫

যতীন্দ্ৰনাথ গোস্বামী—লক্ষ্মীনাথ বেজবৰুৱা, ১৯৬৮

তিলকচন্দ্ৰ কাকতী—আনন্দচন্দ্ৰ আগৰৱালা, ১৯৭৪

অম্বিকাগিৰী ৰায়চৌধুৰী—মোৰ জীৱনৰ ধুমুহা এছাতি, ১৯৭৪

নলিনীবালা দেৱী—এৰি অহা দিনবোৰ, ১৯৭৬

উপেন বৰকটকী—সম্পাদিত—অভিনন্দন গ্ৰন্থ, ১৯৬৯

ডক্টৰ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য—সম্পাদিত—হাজৰিকা সাহিত্য প্ৰতিভা, ১৯৭৪

শশী শৰ্মা—সম্পাদিত—ত্ৰৈলোক্যনাথ গোস্বামী অভিনন্দন গ্ৰন্থ, ১৯৭২

বিশ্বনাৰায়ণ শাস্ত্ৰী—ৰত্নকান্ত বৰকাকতী, ১৯৬৫

অতুলচন্দ্ৰ হাজৰিকা—মঞ্চলেখা, ১৯৬৭

ডিম্বেশ্বৰ শৰ্ম্মা—সাহিত্য-ৰত্ন চন্দ্ৰধৰ বৰুৱা, ১৯৭৫

নকুলচন্দ্ৰ ভূঞা—ৰাধাকান্ত সন্দিকৈ, ১৯৬১

অতুলচন্দ্ৰ বৰুৱা—শৰৎচন্দ্ৰ গোস্বামী

কমলেশ্বৰ শৰ্ম্মা—কবি চৌধাৰী আৰু চৌধাৰী দেৱৰ কবিতা, ১৯৬১

সবিতা সভা—চৌধাৰীৰ সাহিত্য প্ৰতিভা, ১৯৬৪

ডক্টৰ সূৰ্য্যকুমাৰ ভূঞা—Some Literary Reminiscences, ১৯৫৪

ডিম্বেশ্বৰ নেওগ—অসমীয়া সাহিত্যৰ বুৰঞ্জী, ১৯৫৭। New Light on History of Asamia Literature, 1962

দেবেন্দ্ৰনাথ বেজবৰুৱা—অসমীয়া সাহিত্যৰ বুৰঞ্জী, ১৯৩৩

ডক্টৰ মহেশ্বৰ নেওগ—অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১৯৬২। Annals of Asam Sahitya Sabha, 1976

ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা—অসমীয়া সাহিত্যৰ ইতিবৃত্ত, ১৯৫৬

বিঃ দ্ৰঃ—উক্ত গ্ৰন্থৰ উপৰিও অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত সমূহ ‘অসম সাহিত্য সভা পত্ৰিকা,’ ‘অসম সাহিত্য সভা বাৰ্ষিকী,’ ‘ভাষণ মালা, স্মৃতি গ্ৰন্থ,’ ‘অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ,’ আদি আন আন প্ৰকাশিত গ্ৰন্থৰ পৰা সহায় লোৱা হৈছে। ●

মোৰ দেশ

অ' মোৰ আপোনাৰ দেশ।
অ' মোৰ চিকুণী দেশ।
এনেখন শুৱলা,
এনেখন সুফলা,
এনেখন মৰমৰ দেশ॥

অ' মোৰ সুৰীয়া মাত।
অসমৰ সুৱদি মাত।
পৃথিবীৰ কতো
বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।

অ' মোৰ ওপোজা ঠাই।
অ' মোৰ অসমী আই।
চাই লওঁ তোমাৰ
মুখনি এবাৰ
হেপাহ মোৰ পলোৱা নাই।
অ' মোৰ আপোনাৰ দেশ।
অ' মোৰ চিকুণী দেশ॥

—লক্ষ্মীনাথ বেজবৰুৱা